Assam Legislative Assembly Debates

सत्यमेव जयते

OFFICIAL REPORT

FOURTENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE TWELFTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

Budget Session

No.- 6

The 9th March , 2010

Rs. 214.00

DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Tuesday, the 9th March, 2010.

The House met at 9 AM of the Clock in the Assembly Chamber at Dispur with Shri Tanka Bahadur Rai, Speaker in the Chair.

Starred
Questions and Answers
(To which oral replies were given)

Mr. Speaker : Now, Starred Question No. 81, Hon'ble Member, Shri Mobarak Ali Pathan.

বিষয় ঃ ক্ষতিগ্রস্ত পৰিয়ালক ক্ষতিপূৰণ।

শ্ৰী মোবাৰক আলী পাঠনে সুধিছে :

* ৮১। মাননীয় ৰাজহ আৰু দুৰ্যোগ ব্যৰস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) পাৰাখহনীয়া, বানপানী, ধুমুহা আদি প্ৰাকৃতিক দুৰ্যোগত ক্ষতিগ্ৰস্ত পৰিয়ালক ক্ষতিপূৰণ আৰু সাহায্য দিয়া হৈছেনে?

(খ) ৮৩ নং ধিং বিধান সভা সমষ্টিত কিমান পৰিয়ালক যোৱা কেইবছৰত সাহায্য বা ক্ষতিপূৰণ দিয়া হৈছে? (বিতং তথ্য দিব)

(গ) নিদোৱ পৰিয়ালে বৰ্ত্তমানলৈকে কোনোধৰনৰ সাহায্য পোৱা নাই সেইসকলে কেতিয়া সাহায্য পাব?

(ঘ) সাহার্য্যৰ পৰিমাণ বৃদ্ধি কৰাৰ বাবে চৰকাৰে কিবা ব্যৱস্থা হাতত লৈছেনে?

ডাঃ ভূমিধৰ বর্মণ (ৰাজহ আৰু দুর্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছেঃ

(ক) হয়, দিয়া হৈছে। বানপানী, ধুমুহা আদি প্রাকৃতিক দুর্যোগত ক্ষতিগ্রস্ত পৰিয়ালক দুর্যোগ সাহায্য পুঁজিৰ বিধি অনুসৰি সংশ্লিষ্ট জিলাৰ উপায়ুক্তৰ প্রস্তাৱ ভিত্তিত পাৰিতোষিক সাহার্য্য, পুনৰ সংস্থাপন সাহার্য্য আৰু মৃতকৰ পৰিয়লৰ নিকটতম আত্মীয়লৈ এককালীন সাহর্য্য প্রদান কৰি অহা হৈছে।

গৰাখহনীয়াক দুর্যোগ সাহার্য্য পুঁজিৰ নির্দ্ধাৰিত নিয়মাৱলীত সন্নিবিষ্ট কৰা হোৱা নাই। ইতিমধ্যে ৰাজ্য চৰকাৰৰ পক্ষৰ পৰা ভাৰত চৰকাৰৰ গৃহ মন্ত্রনালয়ৰ লগত গৰাখহনীয়াক দুর্যোগ সাহার্য্য পুঁজিৰ অন্তর্ভূক্ত কৰিবলৈ সঘনে যোগাযোগ কৰি থকা হৈছে।

দুর্যোগ সাহায্য পুঁজিৰ ভাৰত চৰকাৰৰ গৃহ মন্ত্রণালয়ে নিৰূপণ কৰা নিয়মাৱলীত সন্নিবিষ্ট Items and Norms of Expenditure of Assistance ৰ 3(d) বিধি অনুসৰি নদীৰ গতিপথ সলনি হোৱাৰ ফলত মাটি হেৰুওৱা ক্ষুদ্র আৰু উপান্ত খেতিয়কক প্রতি হেক্টৰ মাটিৰ বাবদ ১৫ হাজাৰ টকাকৈ সাহায্য প্রদানৰ বিধান আছে। এই বিধিৰ আধাৰত গড়া খহনীয়াত আক্রান্ত পৰিয়াললৈ পুনৰ সংস্থাপন সাহার্য্য বিষয়ক নির্দিষ্ট প্রস্তাৱ উপায়ুক্তৰ পৰা পালে বিভাগত বিবেচনাকৰা হ'ব। ইতিমধ্যে বিভাগীয় পত্র যোগে উপায়ুক্তক এনেকুৱা প্রস্তাৱ দাখিল কৰিবলৈ অনুৰোধ জনোৱা হৈছে।

(খ) দুর্যোগ সাহার্য্য পুঁজিৰ ধন সমষ্টি ভিত্তিত মঞ্জুৰি দিয়া নহয়।

নগাঁও জিলাৰ উপায়ুক্তই জনোৱা তথ্য মতে ধিং বিধানসভা সমষ্টিত বিগত ২০০৫-০৬, ২০০৭-০৮ আৰু ২০০৮-০৯ বর্ষত

কোনো প্ৰাকৃতিক দুৰ্যোগ হোৱা নাছিল।

২০০৬-০৭ বৰ্ষত ধিং বিধাসভা সমষ্টিত ২৬,৮১০টা পৰিয়াল বানপানীত আৰু ১০,৯৬২টা পৰিয়াল ধুমুহাত ক্ষতিগ্ৰস্ত হৈছিল। উক্ত ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক বিধিমতে পাৰিতোষিক সাহায্য প্ৰদান কৰা হৈছে। ২০০৯-১০ বৰ্ষৰ মে' মাহত ধুমুহাত ২,০৪৪টা পৰিয়াল আৰু ২৪ খন অনুষ্ঠান ক্ষতিগ্ৰস্ত হৈছে। ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক উপায়ুক্তৰ পক্ষৰ পৰা টাৰপ'লিন প্ৰদান কৰিছে। আনহাতে, ধুমুহাত ক্ষতিগ্ৰস্ত হোৱা পৰিয়ালসমূহক ৬২,৫১,০০০/- টকাৰ পুনৰ সংস্থাপন সাহায্য ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ যোগেদি ইতিমধ্যে মঞ্জুৰি দিয়া হৈছে।

বিগত ৩ বছৰত নগাঁও জিলাৰ উপায়ুক্তলৈ মঞ্জুৰি দিয়া পাৰিতোষিক সাহায্য আৰু পুনৰ সংস্থাপনৰ সাহায্য তলত উল্লেখ কৰা হ'ল—

বৰ্ষ	পাৰিতোষিক সাহায্য	পুনৰ সংস্থাপন সাহায্য
২০০৭-০৮	৬,৬৫,৪৪,৫১১/-	৩,৪৮,৫০০/-
২০০৮-০৯	১,২৩,৯২,৪৭০/-	৫৫,০৮,২০০/-
২০০৯-১০	৬০,০০,০০০/-	৬৬,৮১,৬২০/-

(খ) [illegible]লৈকে)

[illegible]সাহায্য নোপোৱা পৰিয়ালসমূহৰ বাবে দুৰ্যোগ সাহায্য পুঁজিৰ নিৰ্ধাৰিত নিয়মাৱলীৰ আধাৰত যুগুত কৰা প্ৰস্তাৱ উপায়ুক্তৰ পৰা পালে বিভাগ[illegible] বিবেচনা কৰা হ'ব।

(ঘ) দুৰ্যোগ সাহায্য পুঁজিৰ নিয়মাৱলীত সন্নিৱিষ্ট সাহায্যৰ পৰিমাণ বৃদ্ধি [illegible] সম্পূৰ্ণ কৰ্তৃত্ব ভাৰত চৰকাৰৰ গৃহ মন্ত্ৰণালয়ৰ হাতত ন্যস্ত আছে।

* **ডাঃ আদিত্য লাংঠাচা ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱাকালি অগ্রদূত বাতৰি কাকতত মহিলা আত্মহত্যাৰ কথা প্রকাশ পাইছে। এনে ধৰণৰ বাতৰি প্রায়ে ওলাই থাকে। ধিং সমষ্টিত বিগত কেইবছৰত হোৱা খাদ্যৰ অভাৱত আত্মহত্যা কৰা খবৰ আমি পাইছো। মাননীয় খাদ্যমন্ত্রীৰ সমষ্টিতেই ব্রহ্মপুত্র নদীয়ে গৰাখহনীয়া আৰু বানপানীৰ দ্বাৰা ক্ষতিগ্রস্ত হৈছে। মই উল্লেখ কৰিব খুজিছো যে ৰংমাই, উলুবাৰী আৰু মুৱামৰীয়া আদি ঠাইত ৩০০ৰো অধিক পৰিয়াল গৰাখহনীয়া আৰু বানপানীত ক্ষতিগ্রস্ত হৈছে। যোৱা ১৯ বছৰ ধৰি অনাই-বনাই ঘূৰি বান শিবিৰত বসবাস কৰি আছে। তেওঁলোকৰ আজিলৈকে কোনো ধৰণৰ ব্যৱস্থা হোৱা নাই। আজিলৈকে কিয় ৩০০টা পৰিয়ালৰ কোনো ব্যৱস্থা হোৱা নাই, মন্ত্রী মহোদয়ে জনাব নেকি?

মাননীয় অধ্যক্ষ ঃ মন্ত্রী মহোদয়ে প্রথম প্রশ্নৰ উত্তৰ দিয়ক।

* **ডাঃ ভূমিধৰ বর্মন** (ৰাজহ আৰু দুর্যোগ ব্যৱস্থাপনা মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, ধিং সমষ্টিৰ লগতে মাননীয় মন্ত্রী নুৰুল ইছলামৰ সমষ্টিত খহনীয়া আৰু বানপানীয়ে ভয়াৱহ সমস্যাৰ সৃষ্টি কৰিছে। প্রতি বছৰে তাত বানপানী আৰু গৰাখহনীয়াৰ তাণ্ডৱ সৃষ্টি কৰিছে। চৰকাৰৰ ফালৰ পৰা বিভিন্ন আঁচনিসমূহ লোৱা হৈছে। কিন্তু যিমানখিনি সাহায্য বা সংস্থাপন ইত্যাদি দিব লাগিছিল সিমানখিনি দিবপৰা নাই। এই দুর্গত মানুহখিনিক পুনৰ সংস্থাপন কৰিবৰ কাৰণে মাটি দিবলৈ বিচৰা হৈছিল। কিন্তু মাটিৰ অভাৱৰ কাৰণে দিবপৰা হোৱা নাই।

* **ডাঃ আদিত্য লাংথাচা ঃ** মই জানিব বিচাৰো প্রাকৃতিক দুর্যোগ আৰু বান বিধ্বস্ত লোকসকলক চৰকাৰৰ ফালৰ পৰা পুনৰ সংস্থাপন দিয়াৰ ক্ষেত্রত কি কি ব্যৱস্থা লোৱা হৈছে? তেওঁলোকক বন্দবস্তী দিয়াৰ কাৰণে কেনে ধৰণৰ নীতি আছে সেই বিষয়ে স্পষ্টকৈ জনাব লাগে। বান শিবিৰ বিলাক আমি যেতিয়া খবৰ ল'বলৈ যাওঁ তেতিয়া আমি

---

* Speech not corrected

দেখিছো চাউল, দাইল আৰু নিমখৰ বাহিৰে আন একোকে দিয়া দেখা নাই। এইখিনিকে কৰি দায়িত্ব সামৰিছে। আচৰিত কথা শিবিৰবিলাকত যিবিলাক শিশু আছে তেওঁলোকে ৭-৮ দিন ধৰি একোকে নোখোৱাকৈ থাকিব লাগে। গতিকে শিবিৰ বিলাকত চাউল, দাইল আৰু নিমখকে ধৰি কি কি সামগ্ৰী যোগান দিয়া হয় সেইটো বিষয়ে পৰিষ্কাৰ হ'ব লাগে। গৰাখহনীয়া আৰু প্ৰাকৃতিক দুৰ্যোগত বিধ্বস্ত লোকসকলক কি কি সামগ্ৰী দিয়া হয় সেইটো চৰকাৰৰ ফালৰ পৰা পৰিষ্কাৰ কৰিব লাগে।

* **ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) ঃ** এই গৰাখহনীয়া আৰু প্ৰাকৃতিক দুৰ্যোগত আক্ৰান্ত লোকসকলক চাউল, দাইল আৰু নিমখ দিয়াৰ উপৰিও যোৱা কিছু দিনলৈ খৰি যোগান দিয়া নাছিলো। আগতে য'তে ত'তে খৰি পোৱা গৈছিল। গছ-গছনিৰে ভৰি আছিল কিন্তু এতিয়া আৰু নাই। সেয়ে আমি কিছুদিনৰ পৰা খৰি যোগান দিয়াৰ ব্যৱস্থা কৰিছো। ইয়াৰ ওপৰিও শিশু খাদ্য যোগান দিয়া ক্ষেত্ৰত আমি মুখ্যমন্ত্ৰী মহোদয়ৰ পৰামৰ্শমতে যিমানখিনি পাৰো বজাৰৰ পৰা কিনি ভগাই দি আছো। যিহেতুকে বজাৰত শিশু খাদ্য এভেলেব'ল পোৱা যায়। তাৰ ওপৰিও যদি পকা ঘৰ ভাঙি যায় ২৫ হাজাৰকৈ টকা দিয়া হয় আৰু কেঁচা ঘৰ যদি ভাঙি যায়, তেন্তে ১০ হাজাৰকৈ টকা দিয়া হয়। অৱশ্যে এতিয়া পকা ঘৰৰ বাবদ ৩৫ হাজাৰকৈ দিবলৈ কেন্দ্ৰৰ পৰা চিঠি আহিছে। যদি কোনো মানুহৰ এই দুৰ্যোগত মৃত্যু হয় ১ লাখ টকা দিয়া হয়। মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে জনাব বিচাৰিছো, প্ৰাকৃতিক দুৰ্যোগত ক্ষতিগ্ৰস্ত পৰিয়ালক দুৰ্যোগ সাহায্য বিধি অনুসৰি সংশিষ্ট জিলাৰ উপায়ুক্ত আৰু মহকুমা অধিপতিৰ প্ৰস্তাৱৰ ভিত্তিত সাহায্য, পুনৰ সংস্থাপন আৰু মৃতকৰ নিকততম পৰিয়ালৈ সাহায্য আগবঢ়োৱা হয়। এই আঁচনিৰ টকাবিলাক সম্পূৰ্ণ দিয়া হৈছে। ইতিমধ্যে যোৱা কালিলৈ সাহায্য বিতৰণৰ তালিকাখনৰ

* Speech not corrected

সম্পূর্ণ টকা দিয়া হৈছে। এতিয়ালৈকে যিবিলাক জিলাৰ উপায়ুক্ত আৰু মহকুমা অধিপতিৰ পৰা প্ৰস্তাৱ আমি পোৱা নাই তেওঁলোকৰ পৰা আমি ৰিপোৰ্ট কল কৰিম। তাৰ ওপৰিও আমাৰ মাননীয় সদস্যসকল এই ক্ষেত্ৰত তদাৰকী কৰি আছে।

অধ্যক্ষ মহোদয়, তিনিচুকীয়াতো তেনেকুৱা এটা হৈছিল। ডি, চিৰ পৰা প্ৰপোজেল অহা নাছিল। পিচত ডি চিৰ পৰা প্ৰপোজেল আনি সেইটো কৰা হৈছিল। অধ্যক্ষ মহোদয়, দুৰ্গত লোকসকলক সাহায্য কৰাটো আমাৰ ধৰ্ম।

* শ্ৰীলিয়াকৎ আলী খান ঃ মাননীয় অধ্যক্ষ মহোদয়, গৰাখহনীয়া সম্পৰ্কে মোৰ এটা প্ৰশ্ন আছিল। সেই কাৰণে মই ক'ব খুজিছো। মোৰ সমষ্টিৰ ২০০৫ চনৰ পৰা এতিয়ালৈকে ৩৩ খন গাঁৱৰ ২,৯৯১টা পৰিয়াল ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াৰ ফলত নিচ্ছিন্ন হৈছে। মই বেছি কথা ক'ব নোখোজো। মই মাত্ৰ মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এই ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক চৰকাৰে নিয়ম অনুসৰি সাহায্য আৰু পুনৰ সংস্থাপন কৰিব নে নাই আৰু কিমান দিনৰ ভিতৰত কৰিব এই বিষয়ে মাননীয় মন্ত্ৰী মহোদয়ক স্পষ্ট কৰিবলৈ অনুৰোধ জনালো। লগতে আৰু এটা প্ৰশ্ন আছিল যে উক্ত ক্ষতিগ্ৰস্ত প্ৰত্যেক পৰিয়ালক ৫০ হাজাৰকৈ টকা হব নে ভাৰত চৰকাৰে নিৰূপণ কৰা বিধি অনুসৰি দিব, এই বিষয়ে স্পষ্ট কৰি দিলে ভাল হয়। মোৰ সমষ্টিৰ যিখিনি গৰাখহনীয়া মানুহক ইতিমধ্যে মাটি দিয়া হৈছে সেইখিনি পট্টা দিয়াৰ ব্যৱস্থা কৰিব নে নাই?

* ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য, শ্ৰীলিয়াকৎ আলী খানৰ সমষ্টি আৰু মোৰ সমষ্টি একেবাৰে লগালগি। তাত বহুত গাঁও ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াৰ ফলত জাহ গৈছে। আমি চৰকাৰৰ ফালৰ পৰা চেষ্টা চলাই আছো। যোৱা বছৰ তাত ৮ কোটি

* Speech not corrected

টকা দিয়া হৈছে আৰু এই বছৰো ২২ কোটি টকা দিয়া হৈছে। আমি চেষ্টা কৰি আছো। কিন্তু এইবাৰ হয়তো কম হ'ব পাৰে। কাৰণ কামবোৰ সময় মতে আৰম্ভ হৈছে। অধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে ডি, চিৰ পৰা প্ৰপোজেল পালে আমি দিম।

* শ্ৰী লিয়াকৎ আলী খান ঃ চাৰ, মন্ত্ৰী মহোদয়ে ডি, চিৰ পৰা প্ৰপোজেল অনাৰ ব্যৱস্থা কৰিব নেকি?

ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) ঃ ডি চি বিলাকক কোৱা হৈছে। এটা মই মাননীয় সদস্যসকলৰ জ্ঞাতাৰ্থে জনাও যে চি আৰ এফ মেনুৱেল অনুসৰি নদীৰ গতিপথ সলনি হোৱাৰ ফলত মাটি হেৰুওৱা ক্ষুদ্ৰ আৰু উপান্ত খেতিয়কক প্ৰতি হেক্টৰ মাটিৰ বাবদ ১৫ হাজাৰকৈ সাহায্য প্ৰদানৰ বিধান আছে। এই বিধিৰ আধাৰত গৰাখহনীয়াত আক্ৰান্ত পৰিয়াললৈ পুনৰ সংস্থাপন সাহায্য বিষয়ক নিৰ্দিষ্ট প্ৰস্তাৱ উপায়ুক্তৰ পৰা পালে আমি বিভাগে বিবেচনা কৰিম।

* Shri Sirazuddin Azmal : I would like to know from the Hon'ble minister, revenue, whether there affected people are getting relief from the government or not. Secondly, I would like to know from this august House that one lady who committed suicide a few days back whether govt. relief has been given to her or not.

* ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এনেকুৱা ঘটনা হ'ব পাৰে। কিন্তু তাৰ বাবে আমাৰ যে সদিচ্ছা নাই সেইটো নহয়। যদি ক'ৰবাত কিবা থাকে বিষয়টো আমাৰ দৃষ্টিগোচৰ কৰিলে আমি দিম।

* শ্ৰী ভূপেন বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে পকা ঘৰ ভাঙিলে ৩৫ হাজাৰকৈ টকা দিয়া হয়। ২০০৮ চনত

* Speech not corrected

নিপকোৱে পানী এৰি দিয়াৰ ফলত লক্ষীমপুৰৰ ৪০টা পৰিয়াল আৰু বিহপুৰীয়াতো ২৭টা পৰিয়াল গৰাখহনীয়াত ক্ষতিগ্রস্ত হৈছে। মই আমাৰ মন্ত্রী মহোদয়ক ধন্যবাদ জনাইছো তেখেতে নিজে গৈ চাইছিল আৰু লগে লগে ১০ হাজাৰ টকাকৈ সাহায্য দিয়া হৈছিল। এতিয়া বাতৰি কাকতত দি থাকে যে ক্ষতিগ্রস্ত পৰিয়ালসমূহে সাহায্য পোৱা নাই আৰু এই বিষয়ে বিধায়কৰো কোনো কাণসাৰ নাই। গতিকে যিবিলাক পৰিয়ালক ১০ হাজাৰকৈ টকা দিয়া হৈছিল সেই বিলাক পৰিয়ালক বাকী টকাখিনি সোনকালে দিয়াৰ ব্যৱস্থা কৰিব নেকি?

ডাঃ ভূমিধৰ বৰ্মন (মন্ত্রী) ঃ যদি তেনেকুৱা পাবলগীয়া মানুহ আছে আৰু বিধায়ক সকলে লিখি দিয়ে আমি লগে লগে ডি চিক জনাই দিম।

Mr. Speaker : Now, Starred Question No. 82. Hon'ble member Shri Phani Bhusan Choudhury.

বিষয় ঃ মাটিকালিৰ পৰিমাণ।

শ্রীফণীভূষণ চৌধুৰীয়ে সুধিছে ঃ

* ৮২। মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ১৯৭১ চনত অসমৰ মুঠ মাটি কালিৰ পৰিমাণ কিমান আছিল? ২০০৯ চনৰ ডিচেম্বৰ মাহলৈ থকা মুঠ মাটি কালিৰ পৰিমাণ কিমান? (১৯৭১ চনৰ আৰু ২০০৯ চনৰ মাটি কালি জিলা ভিত্তিত পৃথকে পৃথকে দেখুৱাব)

(খ) ১৫-৭-২০০৮ চনৰ ৫৯ নং তৰা বিহীন (ঘ) প্রশ্ন ১৯৭১ চনৰ পৰা বর্তমানলৈ কিমান অসমৰ ভূমি গৰাখহনীয়াত জাহ গ'ল? ১৯৭১ চনৰ পৰা অসমৰ কোন কোন নদীয়ে কিমান ভূমি গৰাখহনীয়াত খহাই নিয়াৰ উত্তৰত বাকী জিলাৰ তথ্য বিচৰা বুলি উত্তৰ দিয়া হৈছিল? ১৯৭১ চনৰ পৰা ২০০৯ চনলৈ অসমৰ ভূমি গৰাখহনীয়াত কিমান জাহ গ'ল? (বছৰ অনুযায়ী পৃথকে পৃথকে দেখুৱাব) ১৯৭১

চনৰ পৰা বছৰ অনুযায়ী অসমৰ কোন নদীয়ে কিমান ভূমি খহনীয়াত খহাই নিলে?

(গ) ১৫-৭-২০০৮ তাৰিখৰ তৰাবিহীন প্ৰশ্ন নং ৫৯ৰ 'ঙ' প্ৰশ্ন আছিল ১৯৭১ চনত মাটিকালিৰ পৰিমাণ মাজুলীত কিমান আছিল? বৰ্তমান মাজুলীৰ মাটিকালি কিমান? ১৯৭১ চনৰ পৰা মাজুলীৰ কিমান ভূমি গৰাখহনীয়াত জাহ গ'ল? বৰ্তমান মাজুলীৰ এখন মেপ (স্কেলত থকা) সদনত দাখিল কৰিব? উক্ত প্ৰশ্নৰ উত্তৰত তথ্য সম্পূৰ্ণ কৰা হোৱা নাছিল। উক্ত প্ৰশ্ন অনুসৰি ১৯৭১ চনৰ পৰা বৰ্তমানলৈ মাজুলীৰ মাটি কালি গৰাখহনীয়াত জাহ যোৱা মাটিৰ পৰিমাণ দাখিল কৰিব?

ডাঃ ভূমিধৰ বৰ্মন (ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ১৯৭১ চনত বৰ্তমান অসমৰ মাটিকালি সম্পৰ্কে সঠিক তথ্য স্পষ্ট নহয়। ২০০৯ চনত অসমৰ মুঠ মাটিকালিৰ পৰিমাণ ৭৮,৪৩৮ বৰ্গকিলোমিটাৰ। জিলা ভিত্তিত তথ্য পৰিশিষ্ট 'ক'ত সংলগ্ন কৰা হ'ল। (See Annexure-I)

(খ) ১৯৭১ চনৰ পৰা অসমৰ বহু নদীয়ে গৰাখহনীয়াত বহু জমি খহাই নিছে। ১৫ খন জিলাৰ উপায়ুক্তৰ পৰা পোৱা তথ্য অনুসৰি বৰ্তমানলৈ গৰাখহনীয়াত জাহ যোৱা ভূমিৰ পৰিমাণ ৭,২০,৩০৩ বিঘা। বিতং তথ্য পৰিশিষ্ট 'খ' আৰু 'গ'ত গাঠি দিয়া হৈছে।

(See Annexure-II)

(গ) ১৯৭১ চনত মাজুলীৰ মাটিকালি আছিল ৯,৩০,৭১২ বিঘা। বৰ্তমান মাজুলীৰ মাটিকালি ৬,৫৮,৫২৯ বিঘা।

১৯৭১ চনৰ পৰা বৰ্তমানলৈকে মাজুলীৰ গৰাখহনীয়াত জাহ যোৱা মাটি কালিৰ পৰিমাণ প্ৰায় ২,৭২,১৮৩ বিঘা।

বিতং তথ্য পৰিশিষ্ট 'ঘ'ত সংলগ্ন কৰা হ'ল। মাজুলীৰ মেপ এখন সদনৰ মজিয়াত দাখিল কৰা হ'ল। (See Annexure-III)

* হাজি চেলিমুদ্দিন বৰভূইয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, মোক কালিও ক'বলৈ দিয়া নাই। মই আজি কম।

মাননীয় অধ্যক্ষ ঃ আপুনি বহক। চিৰাজুদ্দিন আজমলে কৈছে, ভূপেন বৰাই কৈছে, আপুনি হাত আগতে দঙা হেঁতেন আগতে ক'ব দিলোহেঁতেন. এতিয়া বহক। ফণীভূষণ চৌধুৰীয়ে কওঁক।

* **শ্ৰী ফণীভূষণ চৌধুৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এটা প্ৰশ্ন ২০০৮ চনতো উত্থাপন কৰিছিলো। কিন্তু মন্ত্ৰী মহোদয়ৰ পৰা স্পষ্ট তথ্য পোৱা নাই। মই স্পষ্ট তথ্য বিচাৰিছো। আমাক মন্ত্ৰী মহোদয়ে উত্তৰত অসমৰ গৰাখহনীয়াৰ ২৭ খন জিলাৰ ভিতৰত ১৫ খনৰ বিষয়ে তথ্য দিছে। বাকী ১২ খন জিলাৰ তথ্য দিয়া হোৱা নাই প্ৰথমতে। দ্বিতীয়তে ১৯৭১ চনৰ পৰা অসমৰ মাটি কালিৰ পৰিমাণ কিমান আছিল। ২০০৯ চনৰ ডিচেম্বৰ মাহলৈকে থকা মুঠ মাটিকালিৰ পৰিমাণ কিমান। সেইটো স্পষ্ট নহয় চৰকাৰে স্পষ্টকৈ দেখুৱাব নেকি, মন্ত্ৰী মহোদয়ে জনাবনে?

মাননীয় অধ্যক্ষ ঃ মন্ত্ৰী মহোদয়ে কওঁক।

* **ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, তেখেতে সুধিছে ৭১ চনত অসমৰ মাটিকালি যিমান দিয়া হৈছে, সেইটো স্পষ্ট হোৱা নাই অৱশ্যে। কাৰণ, সেইটো সময়ত অসমৰ সীমালৈ বহুতো গণ্ডগোল সৃষ্টি হৈছিল। সেই সময়ত অসমৰ পৰা ভাগ হৈ মেঘালয়ৰ সৃষ্টি হৈছিল। গতিকে অলপ ইফাল-সিফাল হৈছে। নতুন ৰাজ্যৰ সৃষ্টি হৈছে অসমৰ পৰা ফাটি গৈ। চার্ভে হোৱা নাই। আমাৰ মাটি কেনেকৈ কাৰোবাৰ লগত সোমাই আছে সেইখিনিৰ সঠিক তথ্য-পাতি আমাৰ

---

* Speech not corrected

হাতত পাবলৈ বাকী। ব্রহ্মপুত্রৰ গৰাখহনীয়া সকলোতে হৈছে ক'ৰবাত কম, ক'ৰবাত বেচি। লক্ষীমপুৰ-ধেমাজিতো হৈছে। ৰবাকত অৱশ্যে কম। গতিকে সঠিক তথ্য দিয়াৰ কিছু দিগদাৰ। মাননীয় অধ্যক্ষ মহোদয়, নদীয়ে ভাঙিলে আকৌ নতুনকৈ গঢ়া এইটোৱে নিয়ম। গতিকে শুদ্ধকৈ কোৱোটো টান। সেই কাৰণে এইখিনি কথা মাটিকালি সম্পর্কে সঠিক তথ্য স্পষ্ট নহয়।

* **শ্রী ফণীভূষণ চৌধুৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, ১৫ খন জিলাৰ তথ্য আছে। বাকী ১২খনৰ দিয়া হোৱা নাই। সেই তথ্য উপায়ুক্তসকলৰ পৰা আনি দিব নেকি?

মাননীয় অধ্যক্ষ ঃ মন্ত্রীয়ে কওঁক।

* **ডাঃ ভূমিধৰ বর্মন (মন্ত্রী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, তেওঁলোকৰ পৰা যিবিলাক তথ্য পাইছো সেইবিলাক দিছো। আমি বিচাৰিছো তেওঁলোকে দিছে। আমিও বোধহয় বিচৰা নাই।

* **শ্রী গিৰীন্দ্র কুমাৰ বৰুৱা** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনে প্রশ্নটো ২০০৮ চনৰ পৰাই কৰি আহিছে উত্তৰটো সঠিককৈ পোৱা নাই। মন্ত্রী মহোদয়ে এই সদনৰ অধিবেশন চলি থাকোতেই তথ্যখিনি আনি দিব নেকি? জিলাভিত্তীক তথ্য দিব লাগে। মাজুলীক বিশ্ব ঐতিহ্যক্ষেত্র হিচাবে স্বীকৃতি দিবৰ বাবে সকলোৱে লাগি আছে। আমিও বিধানসভাত প্রস্তাৱ লৈছিলো। কিন্তু গৰাখহনীয়াই মাজুলীক এতিয়া অৱস্থা নাইকিয়া কৰি পেলাইছে। ইয়াৰ মাটিকালি কমি গৈ আছে। ১৯৭১ চনত মাজুলীৰ মাটিকালি আছিল ৯,৩০,৭১২ বিঘা। বর্তমান মাটিকালি ৬,৫৮,৫২৯ বিঘা। এনেকৈয়ে মাটি গৰাখহনীয়াত জাহ গৈছে। এইটো সমস্যা যদিও ৰাজহ বিভাগৰ ভিতৰত নপৰে, তথাপিও সকলোৱে মিলি চাব লাগে। আমাৰ নগাও জিলাত হেচাজুৰা বুলি এখন ঠাই আছে। মাননীয় সদস্য নজৰুল ইছলামে জানে। তাত

* Speech not corrected

এখন চিকিৎসালয় আছিল। তাত মোৰ এজন বন্ধু ডাক্টৰ আছিল মই তালৈ গৈছিলো। কিন্তু এতিয়া সেইখন চিকিৎসালয় গৰাখহনীয়াত জাহ যাবলগাৰ অৱস্থা হৈছে। এনেকৈ নদীৰ গৰাখহনীয়াত অসমৰ মাটিকালিৰ বহুতো অঞ্চল জাহ গৈছে। মাজুলীৰ যেনেকৈ গৰাখহনীয়াৰ ফলত মাটিকালি কমি গৈছে মাজুলীৰ অস্তিত্বৰ সংকট হৈছে। মাজুলী শেষ হৈ যাব। গতিকে ইয়াৰ এটা স্থায়ী সমাধানৰ অতি দৰকাৰী।

মাননীয় অধ্যক্ষ ঃ মন্ত্রীয়ে কওঁক।

* **ডাঃ ভূমিধৰ বৰ্মন (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, নদীয়ে, ব্রহ্মপুত্রই চাৰিওফালৰ পৰাই খহাই আহিছে। আমিও দিছো ব্রহ্মপুত্র ব'ৰ্ডৰ পৰাও দিছে। প্রধানমন্ত্রী মহোদয়ে পদক্ষেপ লৈছে। ইয়াত কিছুমান দিগদাৰি আছে। সেই কাৰণে সঠিকভাৱে কৰিব পৰা নাই।

* **শ্রী গিৰীন্দ্র কুমাৰ বৰুৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাজুলীৰ প্রতি আমাৰ সকলোৰে ৰেচপনচিবিলিটি আছে। গৰাখহনীয়াৰ সমস্যাৰ লগতে বানপানীয়ে ইয়াৰ লোকসকলক জুৰুলা কৰিছে। আমাৰ সকলোৰে দায়িত্ব ইয়াৰ স্থায়ী সমাধানৰ বাবে চেষ্টা কৰা বিশেষকৈ চৰকাৰৰ।

মাননীয় অধ্যক্ষ ঃ মন্ত্রীয়ে কওঁক।

* **ডাঃ ভূমিধৰ বৰ্মন (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তথ্য সদনৰ ভিতৰত দিয়া হ'ব। ৰিপ'ৰ্ট আনিম। বানপানীতো আছেই, গৰাখহনীয়াতো বৰ ভয়াৱহ সমস্যা। আমাৰ আগৰ মুখ্যমন্ত্রী, শ্রী শৰৎ চন্দ্র সিংহ ডাঙৰীয়াই নদী খন্দাৰ কথা কৈছিল, বস্তুও আনিছিল কিন্তু খন্দা নহ'ল। নেছিন আহিছিল। গতিকে খণ্ডাৰ বাহিৰে উপায় নাই। আমি এক্সপাৰ্ট নহয়। আমাৰ প্রধানমন্ত্রী ডাঙৰীয়া আহোতে ৰাজভৱনত মিটিং হৈছিল। হয়তো আমাৰ মুখ্যমন্ত্রীয়ে গুৰুত্বসহকাৰে এই বিষয়টো উত্থাপন কৰিছিল আৰু প্রধানমন্ত্রী ডাঙৰীয়ায়ো বিষয়টোক গুৰুত্ব দিছে।

মাননীয় অধ্যক্ষ ঃ প্রথম চাপ্লিমেণ্টেৰী, শ্রী কৰেন্দ্র বসুমতাৰী। দ্বিতীয় চাপ্লিমেণ্টেৰী

* Speech not corrected

শ্রী ৰাজীৱ লোচন পেগু।

শ্রী কৱেন্দ্র বসুমতাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ৰেভিনিউ ডিপজিটৰ টকাটো ক'ত ক'ত খৰচ হয়? বিভিন্ন বিভাগলৈ মোকলাই দিয়া বুলি আমি জানো। বানপানী, গড়াখহনীয়া, ৰাস্তাৰ কামৰ কাৰণে। ২০০৪ চনত বহুত বানপানী হৈছিল। মোৰ তাত এখন দলং ভাগি গৈছিল। পইচা দিয়া হৈছিল কিন্তু ৩০ পার্চেণ্ট টকাও নাপালো। কিয় এনেকুৱা হয়। লোকেল এম এল এ সকলে বহুতো কষ্ট কৰি স্কিম আনে। ঠিকাদাৰে আগতে কাম কৰিব লাগে, পিচত বিল নিদিয়ে। ঠিকাদাৰবোৰ একেবাৰে মৰি যায়। এই অনিয়মীয়া টকা মোকলাই দিয়া বিষয়টো মই মন্ত্রী মহোদয়ৰ দৃষ্টি আকর্ষণ কৰিব খুজিছো। মোৰ সমষ্টি মাজবাটত চিৰাং, জীয়াধনশ্রী আদি নদীত গৰাখহনীয়া হৈ থাকে। ৰেভিনিউ ডিপ'জিটৰ টকাটো আহে বুলি স্কিম দিয়া হয়। কিন্তু টকাটো নাপায়। এইটো কিয় হয়। মই জানো কিছুমান সদস্যকে প্রথম ধর্মপত্নীৰ সন্তান কাৰণে টকা দিয়া হয়, আৰু আমি দ্বিতীয় পত্নীৰ সন্তান কাৰণে দিয়া নহয় নেকি? ২০০৬ চনৰ পৰাই মই এপইচাও আদায় কৰিব কৰিব পৰা নাই।

মাননীয় অধ্যক্ষ ঃ মাননীয় মন্ত্রী, উত্তৰ দিয়ক।

*** ডা ঃ ভূমিধৰ বর্মন (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰেভিনিউ ডিপ'জিটটো বিত্ত বিভাগৰ কথা, সেইটো আমি নকৰো। দ্বিতীয়তে, স্কিমবিলাক আমাৰ উপায়ুক্তসকলৰ পৰা আহে। মই মন্ত্রী হ'লেও নিজে দিব নোৱাৰো। তথাপি যদি নির্বাচিত প্রতিনিধি হিচাপে তেখেতে মোক জনাই মই এই বিষয়ত গুৰুত্ব দিম আৰু তেওঁলোকক লিখি দিম। আৰু আমি দিও আছো।

মাননীয় অধ্যক্ষ ঃ শ্রী ৰাজীৱ লোচন পেগু।

শ্রী ৰাজীৱ লোচন পেগু ঃ মাননীয় অধ্যক্ষ মহোদয়, মই বিশেষকৈ মুখ্যমন্ত্রী

* Speech not corrected

মহোদয় আৰু ভাৰত চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিছো। মাজুলীৰ সুৰক্ষাৰ কাৰণে ল'বলগীয়া ব্যৱস্থাৰ গুৰুত্ব আৰোপ কৰাৰ বাবে। ইয়াৰ দায়িত্বত আছে ব্ৰহ্মপুত্ৰ ব'ৰ্ড আৰু অসম চৰকাৰৰ জলসম্পদ বিভাগ। ব্ৰহ্মপুত্ৰ ব'ৰ্ডৰ হেমাহিৰ বাবে মাজুলীলৈ আৰ্থিক অনুদান দিছে যদিও তাৰ সঠিক ৰূপায়ণ হোৱা নাই। ৰাজ্য চৰকাৰৰ ফালৰ পৰা সঠিক মণিটৰিং নকৰাৰ ফলত কামবোৰ হোৱা নাই। আপোনালোকে জানে অলপতে ব্ৰহ্মপুত্ৰ ব'ৰ্ডৰ উচ্চ বিষয়া এজন ঘোচ লোৱাৰ বাবে গ্ৰেপ্তাৰ হৈছে। এইটো বৰ দুখঃ জনক ঘটনা। আমি ভাৰতীয়, আমি অসমৰ বুলি কোৱা ৯ হাজাৰ পৰিয়ালৰ এই অসমতে মাটি এটুকুৰা নাই। মথাউৰীৰ ওপৰত আশ্রয় লৈ আছে। চৰকাৰে ৪০০-৫০০ জনক সংস্থান দিছে। কিন্তু তেওঁলোকে পুনৰ মাজুলীলৈ ঘূৰি আহিছে। এবিঘা মাটি এজনমানুহ সংস্থাপিত নহয়। ঘৰ এটা বনাই দিলে কি হ'ব? পুনৰ সংস্থাপনৰ বিষয়টো পুনৰীক্ষণ কৰাৰ প্রয়োজন আছে। অর্থনৈতিকভাৱে মানুহবোৰ সংস্থাপিত কৰিবলৈ চিন্তা কৰিব লাগে। মই মন্ত্রী মহোদয়ক অনুৰোধ কৰিব খুজিছো এই পদক্ষেপ ল'ব নেকি? দুর্গত লোকসকলক ক্লাষ্টাৰ চিষ্টেমত গাঁও বনাই তাত প'লট্রি ফার্ম, আদি বনাই দিলে মানুহখিনিৰ অর্থনৈতিকভাৱে সংস্থাপিত হ'ব। এই বিষয়ত চৰকাৰে কেন্দ্রীয় চৰকাৰৰ পৰা বিশেষ Pakage আনি হাজাৰ হাজাৰ গৃহহীন, ভূমিহীন পৰিয়ালমূহক পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ জনাইছো।

* **ডাঃ ভূমিধৰ বর্মন (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনৰ কথা সঁচা। মানুহবোৰ সংস্থাপিত হোৱাৰ বাবে মাটিৰ প্রয়োজন। এবিঘা মাটি দিলে তাত কি কৰি খাব? গৰাখহনীয়াত পৰা মানুহ বিলাকৰ কাৰণে স্পেচিফিক উদ্যোগ বা ল'ন আদি দিয়াৰ ব্যৱস্থা হ'লে বেলেগ কথা। আমাৰ বিভাগৰ কাম হ'ল মাটি দিয়া। মাটি এভেইলেবোল হয় নে নহয় এইটোৰ ওপৰত নির্ভৰ কৰিব।

* Speech not corrected

বিষয় বিদেশী ন্যায়াধীকৰণৰ সংখ্যা।

শ্রী জ্যোতি প্রসাদ দাসে সুধিছে ঃ

* ৮৩। মাননীয় অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসম চুক্তিৰ অধীনত ২০০১ চনৰ পৰা এতিয়ালৈকে কিমান বিদেশীৰ চিনাক্তকৰণ আৰু বহিঃস্কাৰ হ'ল বছৰ ভিত্তিত জনাবনে?

(খ) বর্তমানে ৰাজ্যখনত কিমানখন বিদেশী ন্যায়াধীকৰণ আছে? এই সমূহ ক'ত ক'ত অৱস্থিত? সকলোতে ন্যায়াধীশ আছে নে? যদি নাই, সেই সমূহ কেনেদৰে পৰিচালিত হৈছে, তাৰ সবিশেষ জনাবনে?

(গ) বিদেশী ন্যায়াধীকৰণ সমূহ গঠনৰ পৰা অদ্যাপি কিমান ধন ব্যয় কৰা হৈছে বছৰ অনুযায়ী জনাবনে?

(ঘ) ন্যায়াধীকৰণে বহিঃষ্কৰণৰ আদেশ দিয়া বিদেশীক সংশ্লিষ্ট দেশে গ্রহণ নকৰাৰ কিবা তথ্য আছে নেকি জনাবনে?

(ঙ) বহিঃষ্কৰণৰ কোনোবা বিদেশী পুনৰ ভাৰতলৈ উভতি অহাৰ তথ্য আছে নেকি? (সবিশেষ তথ্য সদনৰ মেজত দাখিল কৰিব)।

(চ) চিনাক্তকৰণ কৰা কোনোবা বিদেশী পলাতক হোৱাৰ তথ্য আছে নেকি? যদি আছে, কিমান জন? ২০০১ চনৰ পৰা ২০০৯ চনৰ ৩১ ডিচেম্বৰ পর্যন্ত বছৰ অনুযায়ী পলাতক বিদেশীৰ তথ্য জনাবনে?

(ছ) চিনাক্তকৰণ হোৱা বিদেশীক বন্দী কৰি ৰাখিবৰ বাবে ডিটেনশ্যন কেম্প স্থাপনৰ ব্যৱস্থা কৰিছে নেকি? যদি কৰিছে, ক'ত ক'ত তেনে কেম্প স্থাপন কৰা হৈছে আৰু তাত কিমানজন বিদেশীক ৰখা হৈছে? এই কেম্প সমূহৰ বাবে অদ্যাপি কিমান ধনৰ আৱণ্টন দিয়া হৈছে, তাৰ সবিশেষ সদনৰ মেজত দাখিল কৰিবনে?

ডাঃ ভূমিধৰ বৰ্মন (অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অসম চুক্তিৰ অধীনত ২০০১ চনৰ পৰা ২০০৯ চনৰ ডিচেম্বৰ মাহলৈ সৰ্বমুঠ বিদেশী চিনাক্তকৰণ আৰু বহিষ্কাৰ কৰাৰ তথ্য ভিত্তিত তলত উল্লেখ কৰা হ'ল ঃ

চন	চিনাক্তকৰণ	বহিষ্কাৰ
২০০১	১৬৬৬	১২
২০০২	৩০৫৬	২৬
২০০৩	১২৩৮	২৩
২০০৪	৬৬৮	২২
২০০৫	৬০৮	১০
২০০৬	৬০	১
২০০৭	৫৬৫	-
২০০৮	২৮৭৭	৩০
২০০৯	৩০৮১	৪৬

ইয়াৰোপৰি উক্ত সময়ৰ ভিতৰত মুঠ ২২২২ জন নতুন পুনঃ অবৈধ অনুপ্ৰবেশকাৰী ধৰা পেলাই বাংলাদেশলৈ ঘূৰাই পঠোৱা হয়।

(খ) বৰ্তমান অসমত ৩২খন বিদেশী ন্যায়াধীকৰণ আছে। এই ন্যায়াধীকৰণ সমূহ ক'ত ক'ত আছে, সবিশেষৰ তথ্য পৰিশিষ্ট 'ক'ত সন্নিৱিষ্ট কৰা হ'ল।

তাৰোপৰি চৰকাৰে ২০০৯ চনৰ ছেপ্টেম্বৰ মাহত আৰু ৪ (চাৰি) খন নতুন বিদেশী ন্যায়াধীকৰণ স্থাপন কৰিবলৈ মঞ্জুৰী দিয়ে। ন্যায়াধীকৰণ সমূহ ক্ৰমে— তিনিচুকীয়া, হাইলাকান্দি, তেজপুৰ আৰু মঙলদৈ।

বর্তমান ১৩ খন বিদেশী ন্যায়াধীকৰণত ন্যায়াধীশ নাই যদিও উক্ত ন্যায়াধীকৰণ সমূহৰ কাম-কাজ অতিৰিক্তভাৱে বর্তমানৰ ন্যায়াধীশসকলৰ দ্বাৰা চলাই থকা হৈছে। সবিশেষ পৰিশিষ্ট 'ক'ত দিয়া হৈছে। (See Annexure-IV)

(গ) বছৰ অনুযায়ী ন্যায়াধীকৰণ সমূহৰ ব্যয় কৰা ধনৰ হিচাব সততে দিব পৰা নেযায়। তথ্য সংগ্রহ কৰি থকা হৈছে।

(ঘ) নাই।

(ঙ) হয়। আছে।

১৯৮৫ চনৰ পৰা ২০০৯ চনৰ ডিচেম্বৰ মাহলৈকে সর্বমুঠ ১৪২৮ জন বহিষ্কৃত বিদেশী পুনৰ ভাৰতলৈ উভতি আহিছিল। তেওঁলোকক ধৰি পুনঃ বাংলাদেশলৈ ঘূৰাই পঠোৱা হয়।

(চ) হয়। আছে।

২০০৯ চনৰ ডিচেম্বৰ মাহলৈকে ন্যায়াধীকৰণে বিদেশী বুলি চিনাক্ত কৰা মুঠ ৩৩,৯২২ জন বিদেশী পলাতক হৈ আছে। বছৰ ভিত্তিক তালিকা গাঠি দিয়া হ'ল। (পৰিশিষ্ট - খ))

(See Annexure-V)

(ছ) হয়। কৰিছে।

বর্তমান গোৱালপাৰা জিলাৰ, গোৱালপাৰা জিলা কাৰাগাৰত অস্থায়ী ডিটেনশ্যন কেম্প স্থাপন কৰা হৈছে আৰু উক্ত কেম্পত বর্তমান ৫৫ জন বিদেশীক বন্দী কৰি ৰখা হৈছে। ডিটেনশ্যন কেম্পৰ বাবে পৃথকে ধন আৱণ্টন কৰা নাই।

শ্রী গিৰীন্দ্র কুমাৰ বৰুৱা ঃ মাননীয় অধ্যক্ষ মহোদয়, ১০০ কোটিৰ কথাটো কি হ'ল?

শ্রীজ্যোতি প্রসাদ দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্রশ্ন সমূহ আছিল,

ক, খ, গ, ঘ, ঙ, চ, ছ। মাননীয় অধ্যক্ষ মহোদয়, অসম চুক্তিৰ অধীনত ২০০১ চনৰ পৰা ২০০৯ চনলৈ কিমান বিদেশী চিনাক্তকৰণ কৰা হ'ল আৰু কিমান বহিষ্কাৰ কৰা হ'ল? বহিষ্কাৰ কৰা বিদেশীবোৰৰ কিছু সংখ্যাক পুনৰ ভাৰতলৈ ঘূৰি আহিছে নেকি? আজি সদনত আমাৰ মাননীয় মন্ত্রী মহোদয়ে ব্যৱস্থা গ্রহণ কৰাৰ কথা কৈছে আৰু তেখেতে ঘূৰাই পঠিওয়া বিদেশীৰ কিছুসংখ্যক আকৌ অসমলৈ ঘূৰি অহা বুলি কৈছে। তাতে আকৌ এই উভতি অহা ৩৩,৯২২ জন বিদেশী পলাতক অৱস্থাত আছে বুলি কৈছে। এই পলাতক অৱস্থাত থকা বিদেশীসকল যদি অসমতে আছে তেন্তে তেওঁলোকৰ ভোটাৰ লিষ্টত নাম আছে নেকি? যদি আছে, তেন্তে কর্তনৰ ব্যৱস্থা নকৰে কিয়?

* **ডাঃ ভূমিধৰ বর্মন (মন্ত্রী)** ঃ বর্তমান অসমত ৩২ খন ন্যায়াধীকৰণ আছে। তাৰোপৰি চৰকাৰে ২০০৯ চনত ছেপ্টেম্বৰ মাহৰ আৰু ৪ খন নতুন ন্যায়াধীকৰণ স্থাপন কৰাৰ ব্যৱস্থা কৰা হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, এতিয়া এটা ভাল হ'ল দুটা ডিটেনশ্যন দিয়াৰ কথা কোৱা হৈছে। কাছাৰ জিলা আৰু গোৱালপাৰাৰ মানকাছাৰত। মানকাছাৰৰ মানুহখিনিক ভাৰাঘৰতে ৰখা হৈছিল। এতিয়া গোৱালপাৰা জে'লত ৰখা হৈছে। কৰিমগঞ্জ আৰু কোকৰাঝাৰত হ'লে সমস্যাটো ভালৰ পিনে আহিব।

শ্রী জ্যোতি প্রসাদ দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, বিদেশী ন্যায়াধীকৰণ সমূহ সম্পূর্ণকৰণ অসম চৰকাৰে ভাৰত চৰকাৰক যোৰ দি ধৰি সোনকালে কৰিলে ভাল হয়। মাননীয় অধ্যক্ষ মহোদয়, অসম চুক্তি ৰূপায়ণৰ ক্ষেত্রত আমাৰ মাননীয় মন্ত্রী মহোদয়ে, দফাই দফাই পালন কৰাৰ কথা কৈছিল, কিন্তু প্রকৃতার্থত সেইটো হে উঠা নাই। মাননীয় অধ্যক্ষ মহোদয়, ন্যায়াধিকৰণৰ কাৰণে যিখিনি ন্যায়াধীশ লাগে তাৰ ব্যৱস্থা

* Speech not corrected

সোনকালে কৰিব লাগে। আৰু যিখিনি পলাতক অৱস্থা আছে, চিনাক্তকৰণ কৰি ব্যৱস্থা গ্ৰহণ নকৰে কিয়? সেইসকলৰ নাম ভোটাৰ লিষ্টত আছে নেকি? যদি ভোটাৰ লিষ্টত নাম আছে, তেন্তে তাৰ এটা সু-ব্যৱস্থা কৰিব লাগে।

* **ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, গোৱালপাৰা আৰু কোকৰাঝাৰত ডিটেনশ্যন স্থাপন কৰা হৈছে আৰু তাত বৰ্তমান ৫৫ জন বিদেশীক বন্দী কৰি ৰখা হৈছে। শিলচৰ, কোকৰাঝাৰ আৰু গোৱালপাৰা এই তিনি ঠাইত আগতে পলাতক অলপ বেছি আছিল, এতিয়া চাৰকুলেত হৈছে। পলাতক সকলক ৰাইজে ধৰাই দিব লাগিব। যদি দেখাই নিদিয়ে তেন্তে ধৰা টান। কাৰণ আজিকালি মবাইলৰ যুগ, ৰাইদান হোৱাৰ লগে লগে মবাইলেৰে কৈ দিয়ে, আৰু পলাতক য'ত থাকে তাৰ পৰা পলাই যায়। গতিকে এইক্ষেত্ৰত আমাৰ ৰাইজ আৰু গাঁওবুঢ়া সকলে লগে লগে খবৰ দিব লাগিব। ভোটাৰ লিষ্টৰ ক্ষেত্ৰত ইলেকচন কমিছন অব ইণ্ডিয়াই সকলো কাম-কাজ কৰে।

* **শ্ৰী বৃন্দাবন গোস্বামী** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই গুৰুত্বপূৰ্ণ বিষয়টো অনাৰ কাৰণে মই ধন্যবাদ জনাইছো। মই এটা কথা ক'ব বিচাৰিছো যে এতিয়াও ফৰেইনাৰ্চ ত্ৰিবুনেলত ১৩টা ন্যায়াধীশৰ পোষ্ট খালি হৈ আছে। সেই অফিচ বিলাকত এটা বৈষম্যমূলক পৰিস্থিতিৰ সৃষ্টি হৈছে। তাত যিমান গভৰ্নমেণ্ট প্লিডাৰ থাকিব লাগে সিমান গৰ্ভণমেণ্ট প্লিডাৰ নাই। তাত কাম কৰা কৰ্মচাৰীসকলৰ কিছুমান কৰ্মচাৰীয়ে ২/৩ বছৰলৈকে দৰমহা পোৱা নাই। কেতিয়াবা ২/৩ বছৰৰ মূৰত দৰমহা দিয়া হয়। ইতিমধ্যে কেইবাখনো মিটিং হৈ গৈছে যদিও তাত গৰ্ভণমেণ্ডে প্লিডাৰ নিযুক্তি দিয়া নাই। এইক্ষেত্ৰত মই ক্লিয়াৰ কৰি দিব বিচাৰিছো Minutes of the meeting chaired by Hon'ble

Chief Minister regarding progress of work in respect of foreigners tribunal ও ইয়াত তিনিটা কথা কৈছে। সেই কাৰণে মই ক'ব বিচাৰিছো Threadbare discussion followed and almost all members spoke about lack of infrastructurel facilities like proper accommodation and vehicle. The members also mentioned about insufficent funds and staff. Most of the members spoke about the necessity of the post of copiest in Foreigners Tribunals. এনে ধৰনে যদি ফৰেইনাৰচ ত্রিবুনেল অফিচ চলি থাকে তেতিয়া হ'লে বিদেশী নাগৰিক চিনাক্ত হ'ব কেনেকৈ? কামৰূপ (মেট্রো) আৰু কামৰূপ (গ্রাম্য) জিলাত বহুত পোষ্ট ভেকেণ্ট আছে। এচিচষ্টেণ্টৰ পৰা আৰম্ভ কৰি তাত বহুত পোষ্ট ভেকেণ্ট আছে। ১৩ খন ত্রিবুনেলৰ ন্যায়াধীশসকলক কেতিয়া নিযুক্তি দিব। তাৰোপৰি কিছুমান কপিষ্টক ৩,৫০০ টকাকৈ দিয়া হৈছে যদিও বাকীখিনি কপিষ্টক পইচা-পাতি দিয়া নাই। ইয়াত ইনচাফিচিয়েণ্ট পোষ্ট অৰ কপিষ্ট বুলি কোৱা হৈছে। এই ত্রিবুনেল বিলাকৰ ব্যয় কেন্দ্রীয় চৰকাৰে বহন কৰে। যদি কেন্দ্রীয় চৰকাৰে এই ব্যয় বহন কৰে, তেতিয়া হ'লে আমাৰ বিত্ত বিভাগে এইক্ষেত্রত আপত্তি কৰে কিয়? ত্রিবুনেলৰ যি ব্যয় সেই ব্যয় কেন্দ্রীয় চৰকাৰে বহন কৰে নে নকৰে? আমি যদি কেন্দ্রীয় চৰকাৰৰ পৰা ধন পাবলগীয়া আছে তেতিয়াহ'লে সেই ধন আনি পূৰ্ণকালীন গতিত খালি থকা পদত নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে। এই ক্ষেত্রত যেনেধৰণৰ ইনফ্রাষ্টাৰকচাৰ থাকিব লাগে তেনেধৰণৰ নিফ্রাষ্ট্রাকচাৰ নাই। গতিকে ইনফ্রাষ্ট্রাকচাৰ কৰিব নে নকৰে মাননীয় মন্ত্রী মহোদয়ে জনাব লাগে। এইটো এটা প্রহসনহে হৈছে। ইয়াত কৈছে —

The Members also expressed that it was difficult to serve notices to concerned person on time due to

lack of sufficient staff. It was decided that Border organisation would take up the matter in the this regard and will render all possible help to the Tribunals. The need for appointment of Govt. Pleaders and or Assistant Govt. Pleaders in the Foreigners Tribunals was also discussed in the meeting.

(The wod 'Farce' has been expunged by the Hon'ble speaker)

গতিকে মোৰ প্ৰশ্ন হৈছে ইনফ্ৰাষ্ট্ৰাকচাৰ ডেভেলপমেণ্ট কৰিব লাগে, যি সকল কপিষ্টে দৰমহা পাতি পোৱা নাই তেখেত সকলক দৰমহা দিয়াৰ ব্যৱস্থা কৰিব লাগে আৰু ভেকেণ্ট পোষ্ট বিলাক ফিল-আপ কৰাৰ ব্যৱস্থা কৰিব লাগে।

* **ডাঃ ভূমিধৰ বৰ্মন (অসম চুক্তি ৰূপায়ণ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য বৃন্দাবন গোস্বামী ডাঙৰীয়াই ঠিকেই কৈছে। ইনফ্ৰাষ্ট্ৰাকচাৰ যে ভাল নহয় এইক্ষেত্ৰত ময়ো তেখেতৰ লগত একমত। এইটো গৃহ আৰু ৰাজনৈতিক বিভাগৰ বিষয়। অসম চুক্তি ৰূপায়ণৰ নিজা বিভাগ নাই। মই সেই বিভাগৰ পৰা উত্তৰটো আনিম আৰু পিচত মই এইটো সম্পূৰ্ণৰূপে জনাম। ইয়াৰ খৰচৰ কাৰণে যিটো পইচা লাগে সেইটো কেন্দ্ৰীয় চৰকাৰৰ পৰা আহে। পোষ্ট বিলাক ক্লিয়াৰেন্স হওতে অলপ ডিলে হোৱাটো স্বাবাৱিক। এইটো যাতে সোনকালে কৰিব পাৰো তাৰ কাৰণে আমি গুৰুত্ব দিম। এইক্ষেত্ৰত ইনফ্ৰাষ্ট্ৰাকচাৰ যাতে শক্তিশালী কৰি গঢ়ি তুলিব পাৰো তাৰ কাৰণে মই বিষয়াসকলক মাতি আনি আলোচনা কৰি ব্যৱস্থা ল'ম।

* **শ্ৰী কেশৰ মহন্ত** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰশ্নটোত ফৰেইনাৰচ ত্ৰিবুনেলৰ ক্ষেত্ৰত কিমান ধন ব্যয় কৰা হৈছে বুলি এটা প্ৰশ্ন কৰা হৈছিল। সেই প্ৰশ্নৰ উত্তৰত কোৱা হৈছিল — এইটো তথ্য সংগ্ৰহ

* Speech not corrected

কৰি থকা হৈছে। কিন্তু মাননীয় সদস্য ৰমেন্দ্র নাৰায়ণ কলিতাই সোধা ২২০ নং প্রশ্নৰ উত্তৰ সেই একেজন বিষয়াই এনে ধৰণে দিছে যে তাত বছৰ বছৰ ধৰি খৰচৰ হিচাপ দেখুওৱা হৈছে। গতিকে এই বিসংগতি কেনেকৈ হ'ল? একেজন বিষয়াই একেদিনাই এটা প্রশ্নৰ উত্তৰত তথ্য সংগ্রহ কৰি থকা হৈছে বুলি কৈছে আৰু সেই একেই ধৰণৰ আন এটা প্রশ্নৰ উত্তৰত গোটেই খৰচৰ হিচাপ দেখুওৱা হৈছে। এই বিসংগতিৰ কাৰণে সেই বিষয়া জনৰ ওপৰত একচন ল'ব লাগে। তাত যিটো হিচাপ দেখুওৱা হৈছে সেই মতে বিদেশী চিনাক্তকৰণৰ নামত ১০ বছৰত ৪১ কোটি ২৯ লাখ ৫৩ হাজাৰ টকা খৰচ কৰা হৈছে আৰু ১৭৪ জন বিদেশী নাগৰিক চিনাক্ত কৰি বহিষ্কাৰ কৰা হৈছে। এজন বিদেশী নাগৰিক বহিষ্কাৰৰ নামত ২৫ লাখ ১১ হাজাৰ টকাকৈ খৰ্চ পৰিছে। মই ইয়াৰ উত্তৰ মাননীয় মন্ত্রী মহোদয়ৰ পৰা বিচাৰিছো।

* **শ্রী মহিবুল হক ঃ** ইয়াত যিখিনি তথ্য দিয়া হৈছে সেইখিনি উদাসীন হৈছে আৰু ভুল তথ্য দিয়া হৈছে।

* **ডাঃ ভূমিধৰ বর্মন (অসম চুক্তি ৰূপায়ণ মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই সেইটো চাম।

Mr. Speaker : Question Hour is over.

(Starred Question nos. 84 to 100 could not be taken up for disposal as the Question Hour was over. However, the said questions deemed to have been laid on the table of the House with replies there to.)

বিষয় ঃ চৰকাৰী মাটি বেদখল।

শ্রী ৰঞ্জিত দত্তই সুধিছে ঃ

* ৮৪। মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

* Speech not corrected

(ক) অসমৰ কোন কোন চাহ বাগিচাই কিমান পৰিমাণৰ চৰকাৰী মাটি দখল কৰি আছে? (জিলা ভিত্তিত চাহ বাগিচাৰ নাম দিব)

(খ) এই চৰকাৰী মাটি দখল কৰাৰ পিছত চৰকাৰে উচ্ছেদৰ ব্যৱস্থা হাতত লৈছে নেকি?

(গ) চৰকাৰী মাটি দখল কৰাৰ পিছত চাহ বাগিচা সমূহে মাটিৰ বাবদ কিবা ৰাজহ আদায় দিছে নেকি?

ডাঃ ভূমিধৰ বৰ্মন (ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ২১ খন জিলাৰ পৰা পোৱা তথ্য অনুসৰি ১৯,৪৬২ বিঘা, ৩ কঠা, ৭ লেচা চৰকাৰী মাটি চাহ বাগিচা সমূহে দখল কৰি আছে। জিলা ভিত্তিত চৰকাৰী মাটি দখল কৰি থকা চাহ বাগিচা সমূহৰ নাম আৰু মাটিৰ পৰিমাণৰ তালিকা পৰিশিষ্ট 'ক'ত সংলগ্ন কৰা হ'ল।

(See Annexure-VI)

(খ) যি সমূহ চাহ বাগিচাই ২০ বছৰৰ অধিক কাল চৰকাৰী মাটি বেদখল কৰি চাহ খেতি কৰি আছে তেনে বাগিচাসমূহৰ দখলীকৃত জমী আবেদনৰ ভিত্তিত প্রিমিয়াম আদায় ক্রমে পট্টন দিয়াৰ ব্যৱস্থা আছে। বাকী ক্ষেত্রত অসম ভূমি আৰু ৰাজহ অধিনিয়ম, ১৮৮৬ৰ বন্দবস্তি নিয়মাৱলীৰ ১৮(২) বিধি মতে উপায়ুক্তসকলে উচ্ছেদৰ ব্যৱস্থা কৰিব পাৰে।

(গ) চাহ বাগানে চৰকাৰী মাটি দখল কৰিলে প্রতি বিঘা দখলীকৃত মাটিৰ বিপৰীতে ২০০ টকাকৈ বছৰি জৰিমনা আদায় ল'বলৈ উপায়ুক্ত সকলক নির্দেশ দিয়া হৈছে। জৰিমনা আদায় সম্পর্কত উপায়ুক্তসকলৰ পৰা বিতং তথ্য পোৱা হোৱা নাই।

বিষয় ঃ সীমান্ত অঞ্চলৰ উন্নয়ন আৰু বেদখল।

শ্রীপদ্ম হাজৰিকাই সুধিছে ঃ

* ৮৫। মাননীয় সীমান্ত অঞ্চল উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমৰ সীমান্ত এলেকাৰ মুঠ দৈর্ঘ্য কিমান কিলোমিটাৰ? ইয়াৰে আন্তঃৰাষ্ট্রীয় সীমান্ত এলেকা কিমান? আন্তঃৰাজ্যিক সীমান্ত এলেকা কিমান কিলোমিটাৰ? (ৰাজ্য আৰু জিলা অনুসৰি পৃথক পৃথক সীমান্তৰ দৈর্ঘ্য জনাব)

(খ) অসমৰ সীমান্ত এলেকাত পহৰাৰ ব্যৱস্থা আছে নেকি? (যদি আছে পহৰা চকীৰ সংখ্যা জিলা অনুসৰি জনাব আৰু পহৰা চকী সমূহত নিয়োজিত নিৰাপত্তাৰক্ষীৰ সংখ্যা জনাব)।

(গ) সীমান্ত অঞ্চলত পথ নির্মাণ হৈছে নেকি? যদি হৈছে, কোন সীমা এলেকাত কি কি পথ আৰু ইয়াৰ দৈর্ঘ্য কিমান?

(ঘ) সীমান্ত অঞ্চলৰ উন্নয়নৰ বাবে কেন্দ্রীয় চৰকাৰে ২০০১ চনৰ পৰা ২০০৯ চনৰ ডিচেম্বৰ মাহ পর্য্যন্ত কিমান পুঁজি আৱণ্টন দিছে? এই সময় ছোৱাৰ ভিতৰত কেন্দ্র-ৰাজ্য চৰকাৰে মিলি উন্নয়নৰ বাবে কিমান পুঁজি ব্যয় কৰিলে? (বছৰ অনুসৰি তথ্য দিব)

(ঙ) সীমান্তৰ কি কি উন্নয়ন মূলক আঁচনিৰ বাবে পুঁজি ব্যয় কৰা হৈছে?

(চ) অসমৰ মাটিত কোন কোন ৰাজ্যই বেদখল চলাই আছে? কেতিয়াৰ পৰা বেদখল আৰম্ভ হৈছিল? বেদখলীকৃত মাটিৰ পৰিমাণ কিমান? (জিলা অনুসৰি তথ্য দাখিল কৰিব)

শ্রীদীনেশ প্রসাদ গোৱালা (নগৰ উন্নয়ন বিভাগৰ মন্ত্রীয়ে সীমান্ত অঞ্চল বিভাগৰ মন্ত্রী শ্রীগৌতম ৰয়ৰ হৈ) উত্তৰ দিছে ঃ

(ক) অসমৰ আন্তঃৰাষ্ট্রীয় সীমান্ত দৈর্ঘ্য তলত উল্লেখ কৰা হ'ল।

১। অসম-বাংলাদেশ সীমান্তৰ দৈর্ঘ্য — ২৬৩ কিঃমিঃ

২। অসম-ভূটান সীমান্তৰ দৈর্ঘ্য — ২৬৫ কিঃমিঃ

অসমৰ আন্তঃ ৰাজ্যিক সীমান্ত এলেকাৰ মুঠ দৈর্ঘ্য পৰিশিষ্ট 'ক'ত দেখুৱা হৈছে। (See Annexure-VII)

(খ) হয়, পহৰাৰ ব্যৱস্থা আছে। আন্তঃৰাজ্যিক সীমান্ত পহৰাৰ চকীৰ মুঠ সংখ্যা ৮০টা। চকী সমূহত নিয়োজিত নিৰাপত্তা ৰক্ষীৰ সংখ্যা পৰিশিষ্ট 'খ'ত দেখুৱা হৈছে। (See Annexure-VIII)

(গ) হৈছে। বিতং তথ্য জিলা ভিত্তিত পৰিশিষ্ট 'গ'ত দেখুৱা হৈছে। (See Annexure-IX)

(ঘ) কেন্দ্রীয় চৰকাৰৰ আৱণ্টিত ধন ২০০১ চনৰ পৰা ২০০৯ চনলৈ আৰু কেন্দ্র আৰু ৰাজ্য চৰকাৰে কৰা ব্যয়ৰ বিতং তথ্য পৰিশিষ্ট 'ঘ'ত দেখুৱা হৈছে। (See Annexure-X)

(ঙ) সীমান্ত উন্নয়নৰ বাবে ব্যয় কৰা আঁচনি সমূহৰ ভিতৰত ৰাস্তাঘাট, দলং নির্মাণ, সমূহীয়া বজাৰ, শিক্ষানুষ্ঠানৰ গৃহ, জলসিঞ্চন, খোৱাপানীৰ যোগান, সীমান্ত আৰক্ষী চকীৰ মেৰামতি, উন্নতিসাধন, আৰক্ষী বাহিনীৰ বাবে মটৰ চাইকেল যোগান, দ্রুতগামী যন্ত্রচালিত নাওঁ ক্রয়, বান্ধ নির্মাণ, শিক্ষানুষ্ঠানৰ ছাত্র-ছাত্রী নিবাস, সমূহীয়া গৃহ, পৌৰচালিত বিজুলী চাকি ইত্যাদি।

(চ) বিগত বহু বছৰ ধৰি অসমৰ মাটি নগালেণ্ড, অৰুণাচল, মেঘালয় আৰু মিজোৰাম ৰাজ্যই বেদখল চলাই আছে। বেদখলকৃত মাটিৰ পৰিমাণ পৰিশিষ্ট 'ঙ'ত দেখুৱা হৈছে। (See Annexure-XI)

বিষয় ঃ কর্ম সংস্কৃতি।

শ্রী অভিজিত হাজৰিকাই সুধিছে ঃ

* ৮৬। মাননীয় প্রশাসনীয় সংস্কাৰ আৰু প্রশিক্ষণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বর্তমান অসমৰ চৰকাৰী কার্য্যালয়বোৰত প্রায়েই বিষয়া-কর্মচাৰীসকলে পলমকৈ অহা বা অনুপস্থিত থকালৈ লক্ষ্য ৰাখি চৰকাৰে অতি সোনকালে কর্ম-সংস্কৃতি গঢ়ি তোলাৰ বাবে কেনে বোৰ পদক্ষেপ ল'ব?

(খ) চৰকাৰী কার্যালয়বোৰত চলি থকা ৰঙা ফিটাৰ মেৰপাক আঁতৰোৱা আৰু দুর্নীতি ৰোধ কৰাৰ বাবে চৰকাৰে সোনকালে ফলপ্রসু ব্যৱস্থা ল'বনে?

ডাঃ ভূমিধৰ বর্মন (প্রশাসনীয় সংস্কাৰ ও প্রশিক্ষণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) চৰকাৰী কার্য্যালয়ত বিষয়া-কর্মচাৰী পলমকৈ অহা বা অনুপস্থিত থকাৰ প্রতি লক্ষ্য ৰাখি ০৫/১২/১৯৬৭ তাৰিখৰ কর্মচাৰী বিভাগৰ এ বি পি ৫৮/৬২/২২৮ নং অধিসূচনা আৰু ১৭/০৮/১৯৯৩ তাৰিখৰ কার্য্যালয় স্মাৰক নং এ বি পি ৬৮/৯২/৪৪ অনুযায়ী বিভাগীয় সচিব, বিভাগীয় মূৰব্বীসকল, উপায়ুক্ত আৰু মহকুমাধিপতি সকলক তেনেবোৰ বিষয়া-কর্মচাৰীৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা ল'বলৈ কর্তৃত্ব দিয়া আছে। শেহতীয়াকৈ কর্মচাৰী বিভাগৰ ১১/০২/২০১০ তাৰিখৰ এ বি পি ৯/২০১০/২ নং চিঠিৰ যোগেদি অসম সচিবালয়ৰ ৩য় আৰু ৪র্থ শ্রেণীৰ তেনে কর্মচাৰীৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা ল'বলৈ সংশ্লিষ্ট বিভাগসমূহৰ সচিব সকলক কর্তৃত্ব প্রদান কৰা হৈছে।

(খ) চৰকাৰী কামৰ স্থবিৰতা আঁতৰোৱাৰ ক্ষেত্রত (ক) প্রশ্নৰ উত্তৰত

উল্লেখিত ধৰণেৰ অনুশাসন মূলক ব্যৱস্থা প্রযোজ্য হয়। সেইদৰেই দুর্নীতি ৰোধ কৰাৰ ক্ষেত্রত ৰাজনৈতিক (তদাৰকী কোষ) বিভাগৰ প্রতিবেদনৰ ভিত্তিত অভিযুক্ত বিষয়া-কর্মচাৰীৰ বিৰুদ্ধে প্রয়োজনীয় শাস্তিমূলক ব্যৱস্থা লোৱা হয়।

তদুপৰি তথ্য জনা অধিকাৰ আইন, ২০০৫ এই ৰাজ্যত প্রৱর্তন হোৱাৰ লগে লগে বিষয়া-কর্মচাৰীসকলৰ মাজত কর্মসংস্কৃতি পর্যায়ক্রমে উন্নত হোৱা আৰু দুর্নীতিমুক্ত তথা স্বচ্ছ প্রশাসনৰ প্রতিচ্ছবি এখন দৃষ্টিগোচৰ হৈছে।

বিষয় ঃ ক্ষতিগ্রস্ত লোকক পুনৰ সংস্থাপন।

শ্রী ৰাজীৱ লোচন পেগুৱে সুধিছে ঃ

* ৮৭। মাননীয় সাহায্য আৰু পুনৰ সংস্থাপন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) মাজুলী মহকুমাত গৰাখহনীয়া, বানপানী আৰু বনৰীয়া হাতীৰ আক্রমণৰ ফলত ভূমিহীন/গৃহহীন হোৱা পৰিয়াল কিমান আছে? (গৃহহীন পৰিয়ালৰ এখন তালিকা দিব)

(খ) উক্ত লোকসকলৰ কিমানজনক পুনৰ সংস্থাপন দিয়া হ'ল আৰু কিমান পৰিয়ালক এতিয়াও দিবলৈ বাকী আছে? (তালিকা সহ জনাব)

ডাঃ ভূমিধৰ বর্মন (ৰাজহ আৰু দুর্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) মাজুলী মহকুমাত গৰাখহনীয়া, বানপানী আৰু বনৰীয়া হাতীৰ আক্রমণত ভূমিহীন/গৃহহীন হোৱা পৰিয়ালৰ সংখ্যা ৯,১২৯টা (গৰাখহনীয়া আৰু বানপানীত ৯,০১৭টা, বনৰীয়া হাতীৰ আক্রমণ ১১২টা)। গৃহহীন পৰিয়ালৰ তালিকা পৰিশিষ্ট 'ক'ত দাখিল কৰা হ'ল। (See Annexure-XII)

(খ) উক্ত লোকসকলৰ ৪৪৮টা পৰিয়ালক এতিয়ালৈ পুনৰ সংস্থাপন দিয়া হৈছে। পুনৰ সংস্থাপন দিবলৈ বাকী থকা পৰিয়ালৰ সংখ্যা ৮,৬৮১টা। তালিকা পৰিশিষ্ট 'খ'ত দাখিল কৰা হ'ল।

(See Annexure-XIII)

বিষয় ঃ কেন্দ্রীয় সাহায্য পুঁজিৰ দ্বাৰা আঁচনি ৰূপায়ণ।

ডাঃ কমলা কান্ত কলিতাই সুধিছে ঃ

* ৮৮। মাননীয় জলসম্পদ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) জলসম্পদ বিভাগে (C.R.F.) কেন্দ্রীয় সাহায্য পুঁজিৰ দ্বাৰা ৰাজ্যখনত কি কি আঁচনি ২০০৮-০৯ আৰু ২০০৯-১০ বিত্তীয় বৰ্ষত ৰূপায়ণ কৰিছে?

(খ) উক্ত শিতানৰ ধন কামৰূপ পশ্চিম সংমণ্ডলত খৰচ হৈছে নে? যদি হৈছে, কি কি আঁচনিৰ বিপৰীতে হৈছে বিতং জনাব?

শ্রী পৃথিৱী মাঝি (জলসম্পদ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) জলসম্পদ বিভাগে (C.R.F.) কেন্দ্রীয় সাহায্য পুঁজিৰ অধিনত ৰাজ্যখনত ২০০৮-০৯ বিত্তীয় বৰ্ষত মুঠ ৪৬ খন আঁচনি ৰূপায়ণ কৰিছে, আৰু ২০০৯-১০ বিত্তীয় বৰ্ষত মুঠ ৫০ খন আঁচনিৰ কাম ৰূপায়ণ কৰি থকা হৈছে। (আঁচনিসমূহৰ নাম ও টকাৰ পৰিমাণ পৰিশিষ্ট 'ক' আৰু পৰিশিষ্ট 'খ'ত দিয়া হ'ল।

(See Annexure-XIV)

(খ) উক্ত শিতানত গুৱাহাটী পশ্চিম সংমণ্ডলত ২০০৮-০৯ আৰু ২০০৯-১০ বিত্তীয় বৰ্ষত কোনো ধন খৰচ হোৱা নাই। গুৱাহাটী পশ্চিম সংমণ্ডলত ২০০৮-০৯ বিত্তীয় বৰ্ষত ৰূপায়ণ কৰা আৰু ২০০৯-১০ বিত্তীয় বৰ্ষত ৰূপায়ণ হৈ থকা আঁচনিসমূহৰ নাম ও টকাৰ পৰিমাণ পৰিশিষ্ট 'গ'ত দিয়া হ'ল। (See Annexure-XV)

বিষয় ঃ কাইটীয়া তাঁৰৰ বেৰ নির্মাণ।

শ্রী হিৰেন কুমাৰ দাসে সুধিছে ঃ

* ৮৯। মাননীয় অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসম-বাংলাদেশ সীমান্তত কিমান কিঃ মিঃ এলেকাত কাঁইটীয়া তাঁৰৰ বেৰ নির্মাণ সম্পূর্ণ হ'ল আৰু কিমান কিঃ মিঃ বাকী আছে? বাকী থকা অংশ কেতিয়া সম্পূর্ণ হ'ব?

(খ) কাঁইটীয়া তাঁৰৰ বেৰ বর্ডাৰ পোষ্টৰ পৰা কিমান দূৰত্বত নির্মাণ কৰিব লাগে? এই নীতি মানি চলা হৈছেনে?

(গ) যদি হোৱা নাই, ইয়াৰ কাৰণ কি? এইক্ষেত্রত চৰকাৰে কি ব্যৱস্থা হাতত লৈছে?

(ঘ) কৰিমগঞ্জ জিলাত এন বি চি, চি আৰু এন, পি চি চিয়ে এই নিয়ম মানি চলা নাই বুলি জিলা উপায়ুক্তই চৰকাৰী টোকাত লিপিদ্ধ কৰাৰ বিষয়ে চৰকাৰ অৱগতনে? যদি অৱগত, এইক্ষেত্রত কি ব্যৱস্থা গ্রহণ কৰা হৈছে?

(ঙ) এই নিয়ম অমান্য কৰাৰ বাবে কোনো ভাৰতীয় নাগৰিকৰ বাসগৃহ কাঁইটীয়া তাঁৰৰ বেৰৰ সিপাৰে ৰৈ গৈছে নেকি?

(চ) যদি গৈছে, গাঁওসমূহৰ নামৰ লগত গাঁওবাসীৰ সংখ্যা সদনৰ মেজত দাখিল কৰিব?

(ছ) এন বি চি, চি আৰু এন, পি চি চিয়ে এই নীতি অমান্য কৰাৰ বাবে কাঁইটীয়া তাঁৰৰ বেৰাৰ সিপাৰে ভাৰতৰ কিমান মাটি ৰৈ গৈছে? এই প্রতিষ্ঠান দুটাৰ ক্ষেত্রত চৰকাৰৰ পদক্ষেপ কি হ'ব?

ডাঃ ভূমিধৰ বৰ্মন (অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) প্ৰথম আৰু দ্বিতীয় পৰ্য্যায়ত অসম-বাংলাদেশ সীমান্তত অসম গড়কাপ্তানী (সীমান্তপথ) বিভাগক অৰ্পণ কৰা ১৮৩.২১৮ কিঃমিঃ কাঁইটীয়া তাঁৰৰ বেৰৰ ভিতৰত ১৭৫.৬২৭ কিঃমিঃ সম্পূৰ্ণ কৰা হৈছে। নদী খহনীয়া আৰু নিৰ্মাণৰ সময়ত সুক্ষ্মভাৱে কৰা জৰীপৰ ফলত কম হোৱা দৈৰ্ঘ্য আৰু কৰিমগঞ্জ জিলাৰ নাটিটিলা-ডুমাবাৰী অঞ্চলত ভাৰত আৰু বাংলাদেশৰ ভূমি বিবাদৰ বাবে কৰিব নোৱাৰা বেৰৰ দৈৰ্ঘ্য ৬.৬৯৮ কিঃ মিঃ বাদ দি বৰ্তমান বাকী থকা ০.৮৯৩ কিঃ মিঃ বেৰৰ কাম ৩১ মাৰ্চ ২০১০ৰ ভিতৰত সম্পুৰ্ণ কৰাৰ বাবে লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। দ্বিতীয় আৰু তৃতীয় পৰ্য্যায়ত এন বি চি চি আৰু এন পি চি চিক দায়িত্ব অৰ্পণ কৰা হয়। নিৰ্মাণ কৰিবলগীয়া মুঠ ১৪৯.৯২৮ কিঃ মিঃ বেৰৰ ভিতৰত ৯১.৮১০ কিঃ মিঃৰ নিৰ্মাণ সম্পূৰ্ণ কৰি নিৰাপত্তা বাহিনীক হস্তান্তৰ কৰা হৈছে। বাকী থকা অংশৰ (৫৮.১১৮ কিঃমিঃ) কামৰ অগ্ৰগতি বিভিন্ন স্তৰত আছে। নিৰ্মাণকাৰী সংস্থা দুটাই জনোৱামতে অধিকাংশ কাম ৩১/৩/২০১০ তাৰিখৰ ভিতৰত সম্পূৰ্ণ হ'ব যদিও কিছু কাম ৩০/৬/২০১০ তাৰিখলৈ সম্পন্ন হ'ব।

(খ) কাইটীয়া তাঁৰৰ বেৰ ব'ৰ্ডাৰ পোষ্টৰ পৰা ১৫০ গজ দূৰত্বত নিৰ্মাণ কৰিব লাগে। আন সকলো ক্ষেত্ৰত এই নিয়ম মানি চলা হৈছে যদিও কেৱল ধুবুৰী জিলাৰ ব্ৰহ্মপুত্ৰ নদীৰ উত্তৰ পাৰৰ ভোগদাঙ্গা ৰাজহ গাঁৱৰ অন্তৰ্গত ফাকসাৰ কুটী অঞ্চলত এই নিয়ম মানিব পৰা পৰিস্থিতি নাছিল।

(গ) উক্ত ভোগদাঙ্গাৰ ফাকসাৰ কুটী অঞ্চলত ভাৰত-বাংলাদেশ সীমা এটা আঙুলিৰ নিচিনাকৈ বাংলাদেশৰ মাজলৈ সোমাই যোৱা ধৰণে আছে। ১৫০ গজৰ দূৰত্বৰ নিয়ম মানি কাঁইটীয়া তাঁৰৰ বেৰ দিবলৈ হ'লে বহু ভাৰতীয় নাগৰিকৰ বাসগৃহৰ মাজেদি বেৰখন দিব লগা হ'লহেঁতেন।

সেই কাৰণে এই আঙুলিৰ নিছিনাকৈ থকা এলেকাটোৰ বেৰৰ বাহিৰত ৰাখি বেৰত থকা এটা গেটৰ মাজেৰে গাঁওবাসীয়ে ভাৰতৰ মূল ভূখণ্ডৰ লগত যোগাযোগ কৰিব পৰা ব্যৱস্থা কৰা হৈছিল। উক্ত এলেকাৰ মাটিৰ গৰাকীসকল ভাৰতীয় নাগৰিক আৰু আন অঞ্চলৰ ভাৰতীয় নাগৰিকৰ দৰে সকলো সা-সুবিধা লাভ কৰে।

(ঘ) কৰিমগঞ্জ জিলাৰ উপায়ুক্তৰ পৰা পোৱা শেহতীয়া তথ্য মতে এন বি চি চি, অথবা এন পি চি চিয়ে এই নিয়ম মানি নচলা কথাটো সত্য নহয়।

(ঙ) যিহেতু নিয়ম অমান্য কৰা হোৱা নাই, সেয়ে কোনো ভাৰতীয় নাগৰিকৰ স্থায়ী বাসগৃহ কাঁইটীয়া তাঁৰৰ বেৰ সীপাৰে ৰৈ যোৱা নাই ওপৰৰ 'গ'ৰ উত্তৰত এইনিয়ম মানিব নোৱাৰাৰ কাৰণৰ বিষয়ে ব্যাখ্যা কৰা হৈছে।

(চ) যিহেতুকে সীমান্তৰ পৰা ১৫০ গজ দূৰত্বত কাঁইটীয়া তাঁৰৰ বেৰ নির্মাণ কৰিব লাগে, সেয়ে সীমাৰ সংলগ্ন গাঁওমূহৰ অংশ বিশেষ কাঁইটীয়া তাঁৰৰ বেৰৰ বাহিৰত অৱশ্যেই থাকিব। সেই গাঁওসমূহৰ বিষয়ে বিতং তথ্য সংগ্রহ কৰি দাখিল কৰা হ'ব।

(ছ) কাঁইটীয়া তাঁৰৰ বেৰ নির্মাণৰ ক্ষেত্রত এন বি চি চি আৰ এন পি চি চিয়ে কোনো নীতি অমান্য কৰা নাই যদিও ভাৰত আৰু বাংলাদেশৰ মাজত সম্পাদিত চুক্তিৰ ফলত প্রকৃত সীমান্ত আৰু তাৰ পৰা ১৫০ গজ আঁতৰত নির্মিত কাঁইটীয়া তাঁৰৰ বেৰৰ মাজত অবধাৰিতভাৱে ভাৰতৰ মাটি আছে। সেয়ে প্রতিষ্ঠান দুটাৰ ক্ষেত্রত চৰকাৰে কোনো পদক্ষেপ লোৱাৰ প্রশ্ন নুঠে।

বিষয় ঃ নতুন আঁচনি।

শ্রীহাফিজ বছিৰ আহমেদে সুধিছে ঃ

* ৯০। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) ধুবুৰী জিলাত বর্তমান P.H.E.ৰ অধীনত নতুনকৈ কি কি আঁচনি লোৱা হৈছে?

(খ) তাৰ ভিতৰত বিলাসীপাৰা পশ্চিম সমষ্টিৰ বাবে কিবা আঁচনি হাতত লৈছেনে?

(গ) যদি লৈছে আঁচনিবোৰৰ নাম, টকাৰ পৰিমাণ, কামৰ অগ্রগতি, কাম আৰম্ভিত অনুষ্ঠানৰ নাম আৰু কেতিয়া আঁচনিবোৰ সম্পাদন কৰা হ'ব বিতংভাৱে জনাবনে?

(ঘ) ধুবুৰী জিলাত বিকল হৈ থকা পানী যোগান আঁচনিবোৰ কেতিয়া মেৰামতি কৰি কার্য্যক্ষম কৰা হ'ব?

(ঙ) ইয়াৰ ভিতৰত বিলাসীপাৰা পশ্চিম সমষ্টিত তেনেকুৰা কেইখন আঁচনি বিকল হৈ আছে বিতং ভাৱে জনাবনে?

শ্রীৰিহণ দৈমাৰী (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ধুবুৰী জিলাত মুঠতে ১৮ (ওঠৰ) টা পাইপ পানী যোগান আঁচনিৰ কাম নতুনকৈ হাতত লোৱা হৈছে। আঁচনি সমূহৰ নাম Annexure-I ত সন্নিৰিষ্ট কৰা হৈছে। (See Annexure-XVI)

(খ) হয় লোৱা হৈছে।

(গ) আঁচনি সমূহৰ নাম, টকাৰ পৰিমাণ, কামৰ অগ্রগতি আৰু আৰম্ভিত অনুষ্ঠানৰ নাম আদি AnnexureII-ত সন্নিৰিষ্ট কৰা হ'ল। (See Annexure-XVII)

(ঘ) ধুবুৰী জিলাত বিকল হৈ থকা পানী যোগান আঁচনিবোৰ পর্য্যায়ক্রমে আৰু পুঁজি সাপেক্ষে মেৰামতিৰ কাম কৰি থকা হৈছে।

(ঙ) ইয়াৰ ভিতৰত বর্তমানে বিলাসীপাৰা পশ্চিম সমষ্টিত শৌলমাৰী, খানবাৰী বোৱালকামাৰী আৰু ছোটগিৰিৰ গাঁও পাইপ পানীযোগান আঁচনি বিকল হৈ আছে আৰু এইকেইটা আঁচনি কার্যক্ষম কৰাৰ বাবে প্রশাসনীয় অনুমোদন দিয়া হৈছে।

ইয়াৰ বাহিৰে বঙালীপাৰা পানী যোগান আঁচনি পুনৰ কার্যক্ষম কৰাৰ কাম বিজুলী সংযোগৰ বাহিৰে বিভাগে সম্পূর্ণপ্রায় কৰিছে।

বিষয় ঃ অনুজ্ঞাপত্র প্রাপ্ত বিলাতী সুৰাৰ দোকান।

ডাঃ তাৰাপ্রসাদ দাসে সুধিছে ঃ

* ৯১। মাননীয় আৱকাৰী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনত বর্তমান অনুজ্ঞাপত্র পোৱা বিলাতী সুৰাৰ দোকান কিমানখন আছে? (জিলা ভিত্তিত তথ্য দাখিল কৰিব)

(খ) ২০০৮-০৯ আৰু ২০০৯-১০ বর্ষত চৰকাৰে নতুনকৈ কিমানখন বিলাতী সুৰাৰ দোকানৰ অনুজ্ঞাপত্র প্রদান কৰিছে?
(জিলা ভিত্তিত বিতং তথ্য দাখিল কৰিব)

(গ) যোৱা পাঁচ বছৰত এই বিলাতী সুৰাৰ দোকানসমূহৰ পৰা চৰকাৰে কিমান পৰিমাণৰ ৰাজহ সংগ্রহ কৰিছে?
(বছৰ অনুযায়ী পৃথকে পৃথকে তথ্য দাখিল কৰিব)

শ্রীদীনেশ প্রসাদ গোৱালা (আবকাৰী বিভাগৰ দায়িত্বত থকা নগৰ উন্নয়ন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ৰাজ্যখনত বর্তমান মুঠ ১৬৮৭ খন অনুজ্ঞাপত্র পোৱা বিলাতী সুৰাৰ দোকান আছে। জিলাভিত্তিত তথ্য তালিকা 'A'ত দেখুওৱা হ'ল। (See Annexure-XVIII)

(খ) ২০০৮-২০০৯ আৰু ২০০৯-২০১০ বৰ্ষত তলত দেখুওৱা ধৰণে কেৱল (IMFL 'ON') ৰ দোকানৰ অনুজ্ঞাপত্ৰ প্ৰদান কৰা হয়।

২০০৮-২০০৯	=	৭৭ খন
২০০৯-২০১০	=	৭৯ খন
(ফেব্ৰুৱাৰী ২০১০ লৈকে)	= মুঠ	১৫৬ খন

জিলাভিত্তিত বিতং তথ্য তালিকা 'B'ত দেখুওৱা হ'ল।
(See Annexure-XIX)

(গ) যোৱা পাঁচ বছৰত বিলাতী সুৰাৰ দোকানৰ পৰা আবকাৰী বিভাগে সংগ্ৰহ কৰা ৰাজহৰ পৰিমাণ তলত উল্লেখ কৰা হ'ল।

বছৰ		ৰাজহৰ পৰিমাণ
২০০৫-২০০৬	=	১৪৮.৫৮ কোটি
২০০৬-২০০৭	=	১৬৭.০৬ কোটি
২০০৭-২০০৮	=	১৮১.১৫ কোটি
২০০৮-২০০৯	=	১৯১.১২ কোটি
২০০৯-২০১০	=	১৭৬.৮৫ কোটি

(জানুৱাৰী, ২০১০ লৈকে)

বিষয় ঃ অনুজ্ঞাপত্ৰহীন মদৰ দোকান।

মোঃ মহিবুল হকে সুধিছে ঃ

*৯২। মাননীয় আৱকাৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত সৰ্বমুঠ কিমান অনুজ্ঞাপত্ৰ থকা মদৰ দোকান আৰু কিমান অনুজ্ঞাপত্ৰ নথকা মদৰ দোকান আছে? (জিলা ভিত্তিত জনাব)

(খ) ৰাজ্যখনত প্ৰতিদিনে কিমান শতাংশ মানুহে সুৰাপান কৰে?

(গ) বৰ্তমান চৰকাৰে মদ আৰু অন্যান্য নিচাযুক্ত সামগ্ৰীৰ পৰা কিমান ৰাজহ আদায় কৰি আছে?

(ঘ) অনুজ্ঞাপত্ৰ আছে যদিও ৰাইজৰ গভীৰ অভিযোগ থকাৰ পিছতো গৌৰীপুৰ সমষ্টিৰ সদৰ গৌৰীপুৰ চহৰত অৱস্থিত A.B.S. BAR দোকানখনৰ বিপক্ষে চৰকাৰে কি কাৰণে পদক্ষেপ লোৱা নাই?

(ঙ) স্থানীয় বিধায়ক হিচাবে প্ৰশ্নকৰ্তাই ৰাইজৰ অভিযোগ পত্ৰ সংলগ্ন কৰি যোৱা ২-২-২০১০ তাৰিখে পত্ৰ নং MH/Gen/2010/1 ৰ জৰিয়তে আৱকাৰী বিভাগৰ আয়ুক্ত/সচিব আৰু ধুবুৰী জিলাৰ উপায়ুক্তক কৰা অনুৰোধ ৰাজহুৱা স্বাৰ্থত ফলপ্ৰসু হ'বনে?

শ্ৰী দীনেশ প্ৰসাদ গোৱালা (আবকাৰী বিভাগৰ দায়িত্বত থকা নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অসমত সৰ্বমুঠ অনুজ্ঞাপত্ৰ থকা মুঠ ১৬৮৭ খন মদৰ দোকান আছে। অনুজ্ঞাপত্ৰ নথকা মদৰ দোকান-সম্পৰ্কে আবকাৰী বিভাগ জ্ঞাত নহয়। (জিলা ভিত্তিত তালিকা 'ক'ত দেখুওৱা হ'ল)

(See Annexure-XX)

(খ) ৰাজ্যখনত প্ৰতিদিনে গড়ে প্ৰায় ১.৭০ শতাংশ মানুহে সুৰাপান কৰে।

(গ) বৰ্তমান চৰকাৰে মদৰ পৰা ২০০৮-২০০৯ পৰা ২০০৯-২০১০ (জানুৱাৰীলৈকে) তলত দেখুওৱা ধৰণে ৰাজহ আদায় কৰি আছে।

২০০৮-২০০৯	=	২০১.৪৭ কোটি টকা
২০০৯-২০১০	=	১৮৬.১৫ কোটি টকা (জানুৱাৰী ২০১০ লৈকে)

(ঘ) অনুজ্ঞাপত্ৰ থকা A.B.S. BAR খনৰ বিৰুদ্ধে ৰাইজৰ পৰা পোৱা অভিযোগৰ কোনো সত্যতা নথকাৰ বাবে জিলা কৰ্তৃপক্ষই কোনো

পদক্ষেপ লোৱা নাই।

(ঙ) প্রশ্নটিৰ উত্তৰ প্রশ্ন (ঘ) উত্তৰৰ লগত একে।

Sub : Improvement of Embankment.

Shri Drupad Borgohain asked :

* 93. Will the minister of Water Resources be pleased to state :

(a) What measures have been taken to improve the embankment of the Dikhow River. Which was overtopped in 2009 flood, at Nazira Town, Saukajan Satra, Mathiachiga and Mechagar in Nazira Assembly Constituuency?

(b) Wheather any scheme have been taken to raise the embankment and protect the areas from erosion by the river?

(c) If so, when when will the work start?

Shri Prithibi Majhi (Minister, Water Resources) replied :

(a) To improve the Dikhow river embankment on scheme consting Rs. 104.97 (L) under C.R.F. is sanctioned by the Revenue Department. Another Scheme amounting Rs. 124.92 (L) is Submitted to Revenue Department for sanction under C.R.F.

Moreover one scheme amounting to Rs. 118.54 crore has been submitted to the C.W.C. Govt. of India for recommendation for inclusion under Flood Management Programme.

(b) Yes, one scheme namely "Immediate measures to

Dikhow bund left bank from Upper Nazira to A.T. Road for 2009-10 (Recoupment of damaged sections at different chainages from 1st to 9th km i/c A/E measures)" under C.R.F. amounting Rs. 104.97 (L) is sanctioned by the Revenue Department.

(c) The work will be started after completing the Departmental formalities which is expected very soon.

বিষয় ঃ এন আৰ চি, অসম-বাংলাদেশ সীমান্ত।

শ্রী কেশৱ মহন্তই সুধিছে ঃ

* ৯৪। মাননীয় অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্রী মহোদয় অনুগ্রহ কৰি জনাবনে ঃ

(ক) ২০০৫ চনৰ ৫ মে'ত নতুন দিল্লীত কেন্দ্রীয় চৰকাৰ, অসম চৰকাৰ আৰু সদৌ অসম ছাত্র সন্থাৰ মাজত অনুষ্ঠিত ত্রিপাক্ষিক বৈঠকত কি কি সিদ্ধান্ত লোৱা হৈছিল? (বৈঠকৰ মাইনুটচৰ প্রতিলিপি সদনৰ জ্ঞাতার্থে দাখিল কৰিব)

এই বৈঠকৰ কোনবোৰ সিদ্ধান্ত বর্তমানলৈ কার্যকৰী কৰা হ'ল আৰু কোনবোৰ সিদ্ধান্ত এতিয়াও কার্যকৰী কৰিবলৈ বাকী?

(খ) ৰাষ্ট্রীয় নাগৰিক পঞ্জী উন্নীতকৰণৰ কাম অসম চৰকাৰে কৰিব নে কেন্দ্রীয় চৰকাৰে কৰিব? (ৰাষ্ট্রীয় নাগৰিক পঞ্জী উন্নীতকৰণৰ মডেলিটিখন সদনত দাখিল কৰিব)

(গ) ৰাষ্ট্রীয় নাগৰিক পঞ্জী উন্নীতকৰণৰ বাবে কেন্দ্রীয় চৰকাৰ আৰু অসম চৰকাৰৰ মাজত কি কি পত্রৰ আদান-প্রদান হৈছে? (সেই সকলোবোৰ পত্রৰ প্রতিলিপি সদনত দাখিল কৰিব।

(ঘ) কোন চনৰ ভোটাৰ তালিকাৰ ওপৰত ভিত্তি কৰি ৰাষ্ট্রীয় নাগৰিক

পঞ্জী উন্নীতকৰণ হ'ব? ১৯৫১ চনৰ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী ১৯৬৬ চনৰ ভোটাৰ তালিকা, ১৯৭১ চনৰ ভোটাৰ তালিকা কোন কোন জিলাত উপলব্ধ আৰু কোন কোন জিলাত উপলব্ধ নহয়।?

(ঙ) ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী উন্নীতকৰণৰ বাবে এতিয়ালৈ অসম চৰকাৰে কিমান ধন ব্যয় কৰিছে? বৰ্তমান অসমত ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী সঞ্চালকালয়টো আছে নে? যদি আছে, ইয়াত কিমানজন আৰু কোন কোন বিষয়া-কৰ্মচাৰী আছে, ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীখন কেতিয়া সম্পূৰ্ণ হৈ উঠিব?

(চ) ২০০১ চনৰ পৰা বৰ্তমানলৈ অসমত কিমানজন লোকক বিদেশী বুলি চিনাক্ত কৰা হ'ল আৰু ইয়াৰে কিমানজনক বহিষ্কাৰ কৰা হ'ল? (ইংৰাজী বৰ্ষ অনুযায়ী পৃথকে পৃথকে জনাব) বাকী বহিষ্কৃত নোহোৱা অবৈধ বিদেশী নাগৰিকসকল ক'ত আছে? বৰ্তমান কোন ডিটেনশ্যন কেম্পত কিমানজন অবৈধ বিদেশী নাগৰিক ৰখা হৈছে? ২০০১ চনৰ পৰা অবৈধ বিদেশী নাগৰিকক বহিষ্কাৰৰ, চিনাক্তকৰণৰ নামত ৰাজ্য চৰকাৰৰ কিমান টকা ব্যয় হৈছে?

ডাঃ ভূমিধৰ বৰ্মণ (অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ২০০৫ চনৰ ৫ মে' তাৰিখে নতুন দিল্লীত অনুষ্ঠিত ত্ৰিপাক্ষিক বৈঠকৰ সিদ্ধান্তসমূহৰ উল্লেখ তলত কৰা হ'ল—

১। ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী সঞ্চালকালয় স্থাপন।

২। অসম-বাংলাদেশ সীমান্তৰ কাঁটা তাঁৰৰ বেৰ নিৰ্মাণৰ কাম খৰতকীয়া কৰা হ'ব আৰু বিভিন্ন কাৰণত ক্ষতি হোৱা বেৰৰ অংশসমূহ মেৰামতি অথবা নতুনকৈ নিৰ্মাণৰ বাবে ব্যৱস্থা লোৱা হ'ব।

৩। অসমীয়া মানুহৰ সৰ্বসন্মত সংজ্ঞা নিৰূপণৰ বাবে আলাপ-আলোচনা অনুষ্ঠিত কৰা।

৪। উত্তৰ-পূব জল সম্পদ প্ৰাধিকৰণ গঠন কৰা।

৫। ভাৰত চৰকাৰে বানপানীৰ মোকাবিলা কৰাত সহায় কৰিব।

৬। গেছ ক্ৰেকাৰ প্ৰজেক্টৰ কামৰ অগ্ৰগতি।

৭। অশোক পেপাৰ মিল পুনৰুজীৱিতকৰণ।

৮। বগীবিল দলং নিৰ্মাণ ত্বৰান্বিত কৰা।

সকলোবোৰ সিদ্ধান্তই কাৰ্যকৰী কৰি থকা হৈছে। সিদ্ধান্তসমূহ কাৰ্যকৰী কৰাৰ শেহতীয়া পৰ্য্যায়ৰ বিতং তথ্য ওপৰত উল্লেখ কৰা ক্ৰম অনুযায়ী তলত দিয়া হ'ল ঃ

১। ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী সঞ্চালকালয় স্থাপন কৰা হৈছে। কিন্তু যাৱতীয় আইনগত কামসমূহ সম্পাদনত সময় লগাৰ বাবে দুই বছৰৰ সময়সীমা ৰাখিব পৰা নাই।

২। অসম-বাংলাদেশ সীমান্তত কাঁটা তাঁৰৰ বেৰ নিৰ্মাণ সম্পূৰ্ণ কৰাৰ বাবে মেৰামতি অথবা নতুনকৈ নিৰ্মাণ কৰাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

ভাৰত চৰকাৰৰ দুটা সংস্থা NPCC আৰু NBCCক দায়িত্ব দিয়া হৈছিল আৰু কামৰ অগ্ৰগতি সন্তোষজনক। ৰাজ্যিক গড়কাপ্তানী বিভাগৰ অধীনত চলা বেৰৰ কাম ০.৮৯৩ কিঃমিঃ বাকী আছে আৰু এই কামখিনি চলিত মাহৰ ভিতৰত সম্পূৰ্ণ হ'ব। NPCCক অৰ্পণ কৰা মুঠ ৮৫.৩৮ কিঃমিঃ অংশৰ ভিতৰত ২৬.০০ কিঃমিঃ সম্পূৰ্ণ হৈছে। অৱশিষ্ট দৈৰ্ঘ্য চলিত জুন মাহৰ ভিতৰত সম্পূৰ্ণ হ'ল। NBCCক অৰ্পণ কৰা মুঠ ৭৪.০৮০ কিঃমিঃ অংশৰ ভিতৰত ৬৫.৮১০ কিঃ মিঃ সম্পূৰ্ণ হৈছে। অৱশিষ্ট দৈৰ্ঘ্য চলিত মাৰ্চ মাহৰ ভিতৰত সম্পূৰ্ণ হ'ব।

৩। অসমীয়া মানুহৰ সংজ্ঞাৰ বাবে বিভিন্ন ৰাজনৈতিক দল অসমৰ

অগ্রণী অনুষ্ঠান, বিভিন্ন জনগোষ্ঠীয় সাহিত্য সভা সংগঠনৰ লগত এই সম্পর্কে যোগাযোগ তথা আলাপ-আলোচনা কৰা হৈছে। অসম চুক্তিৰ ষষ্ঠ অনুচ্ছেদ কার্য্যকৰী কৰা সম্পর্কত মন্ত্রীসকলৰ কমিটী (Ministerial Committee) সভাতো এই সম্পর্কে আলাপ-আলোচনা হৈছে। সংজ্ঞা সম্পকীয় চূড়ান্ত সিদ্ধান্ত এতিয়ালৈকে লোৱা হোৱা নাই।

৪। উত্তৰ-পূব জলসম্পদ প্রাধিকৰণ (North East Water Resources Authority) গঠন কৰাৰ কাৰণে উত্তৰ-পূর্বাঞ্চলৰ ৰাজ্য সমূহৰ লগত আলোচনাৰ মর্মে কেন্দ্রীয় চৰকাৰৰ জল সম্পদ মন্ত্রালয়ে এটা প্রস্তাৱ প্রস্তুত কৰিছে। অৰুণাচল প্রদেশ চৰকাৰৰ এই প্রস্তাৱ সম্পর্কে কিছু ক্ষেত্রত আপত্তি থকাত ভাৰত চৰকাৰে কিছু সংশোধনী সাপেক্ষে প্রস্তাৱটো অৰুণাচল প্রদেশ চৰকাৰলৈ প্রেৰণ কৰে। বর্তমান প্রস্তাৱটো ভাৰত চৰকাৰৰ বিবেচনাধীন হৈ আছে।

৫। প্রধানমন্ত্রী মহোদয়ৰ নির্দেশ ক্রমে অসমৰ বানপানীৰ সমস্যা পর্যালোচনা কৰি আৱশ্যকীয় ব্যৱস্থা গ্রহণৰ বাবে পৰামর্শ দিবৰ বাবে এটি Task Force গঠন কৰা হৈছে। কেন্দ্রীয় চৰকাৰে প্রয়োজনীয় ধনৰাশিৰ যোগান ধৰিছে।

৬। গেছ ক্রেকাৰ প্রজেক্টৰ বাবে ভূমি অধিগ্রহণৰ কাম সম্পূর্ণ হোৱাৰ পাচত প্রকল্প নির্মাণৰ কাম খৰতকীয়াকৈ আগবাঢ়িছে। ১৫/১/২০১০ চনলৈকে ১০.৪ শতাংশ কাম সম্পূর্ণ হৈছে।

৭। অশোক পেপাৰ মিল পুনৰজীৱিতকৰণ সম্পর্কে প্রাৰম্ভিক পদক্ষেপ হিচাপে Techno Economic Feasibility Report প্রস্তুতকৰণৰ বাবে নিযুক্তি দিয়া প্রতিষ্ঠান M/s Sandwell-এ দাখিল কৰা TEFR গৃহীত হোৱাৰ পিচত একেই প্রতিষ্ঠানক

Detail Project Report প্রস্তুত কৰিবলৈ দায়িত্ব দিয়া হৈছিল। প্রতিষ্ঠানটোৱে দাখিল কৰা খচৰা DPR চৰকাৰে গ্রহণ কৰি চূড়ান্ত DPR প্রস্তুত কৰাৰ বাবে Hindustan Paper Corporationক যোৱা জানুৱাৰী মাহত (২০১০) দায়িত্ব অর্পণ কৰা হৈছে।

৮। বগীবিল দলং নির্মাণৰ কাম খৰতকীয়াকৈ আগবাঢ়ি আছে। মাটি ভৰোৱা কাম মথাউৰি আৰু গাইড বান্ধ নির্মাণ আৰু নদীৰ বুকুত খুটা বহোৱা কার্য ব্রহ্মপুত্রৰ দুয়োপাৰতে সন্তোষভাৱে আগবাঢ়িছে। ৫ মে' ২০০৫ চনৰ ত্রিপাক্ষিক বৈঠকৰ কার্য্যবিৱৰণী (Minutes) ৰ প্রতিলিপি Annexure-A হিচাবে সংলগ্ন কৰি দিয়া হ'ল। (See Annexure-XXI)

(খ) সংবিধান আৰু নাগৰিকত্ব আইন অনুযায়ী নাগৰিকত্ব বিষয়টো কেন্দ্রীয় চৰকাৰৰ অধীন। অধিনিয়ম অনুযায়ী "মহা পঞ্জিয়ক, ৰাষ্ট্রীয় নাগৰিকপঞ্জী" ৰ ওপৰত দায়িত্ব ন্যস্ত কৰা হৈছে। অসম চৰকাৰে প্রস্তুত কৰা মডেলিটি কেন্দ্রীয় চৰকাৰে গ্রহণ কৰাৰ পাচত কেন্দ্রীয় চৰকাৰৰ নির্দেশনা অনুযায়ী নাগৰিকপঞ্জী উন্নতিকৰণৰ প্রাৰম্ভিক কাম ৰাজ্য চৰকাৰৰ অধীনত চলি অছে।

ৰাষ্ট্রীয় নাগৰিপঞ্জী উন্নীতকৰণৰ মডেলিটি খনৰ প্রতিলিপি Annexure-B সংলগ্ন কৰি দিয়া হ'ল। (See Annexure-XXII)

(গ) সংশ্লিষ্ট পত্রসমূহৰ প্রতিলিপি Annexures C to R & X to Z (মুঠ ১৯ খন) সংলগ্ন কৰি দিয়া হ'ল। (See Annexure-XXIII)

(ঘ) ১৯৫১ চনৰ আৰু ১৯৭১ চন পর্যন্ত ভোটাৰ তালিকাৰ ওপৰত ভিত্তি কৰি ৰাষ্ট্রীয় নাগৰিকপঞ্জী উন্নীত কৰাৰ বাবে অসম চৰকাৰে কেন্দ্রীয় চৰকাৰৰ ওপৰত নাগৰিক পঞ্জী উন্নীতকৰণৰ সম্পর্কে মডেলিটিৰ জৰিয়তে প্রস্তাৱ দিছে। আন হাতেদি কেন্দ্রীয় চৰকাৰে ৯/১১/২০০৯

চনৰ অধিসূচনাৰ জৰিয়তে সংশোধন কৰা নাগৰিকত্ব আইন ২০০৩ৰ মতে ১৯৫১ চনৰ নাগৰিক পঞ্জী আৰু ১৯৭১ চনৰ আগৰ ভোটাৰ তালিকা ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণৰ বাবে বিচাৰ্য্য হ'ব। এই বিষয়টো লৈ কেন্দ্ৰীয় চৰকাৰৰ লগত সংশ্লিষ্ট দফাটোৰ সংশোধনী বিচাৰি যোগাযোগ কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ পৰা আৱশ্যকীয় নিৰ্দেশনা পোৱাৰ পাচত এই সম্পৰ্কে চূড়ান্ত ব্যৱস্থা লোৱা হ'ব।

ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী ১৯৫১ আৰু ১৯৬৬ চন আৰু ১৯৭১ চনৰ ভোটাৰ তালিকা বিভিন্ন জিলাবোৰত উপলব্ধ হোৱা নোহোৱাৰ তথ্যসহ তালিকা Annexure-Z-1 সংলগ্ন কৰি দিয়া হ'ল। (See Annexure-XXIV)

(ঙ) প্ৰাৰম্ভিক কাম-কাজত এতিয়ালৈকে ৪,৩২,৬৬,১৮৪ টকা ব্যয় হৈছে। ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী সঞ্চালকালয়টো সচিবালয়ত আছে। সম্প্ৰতি এজন এ চি এছ বিষয়াই সঞ্চালকৰূপে কাৰ্য্য নিৰ্বাহ কৰি আছে। তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী সমূহ সচিবালয় প্ৰশাসন (সংস্থাপন) বিভাগৰ পৰা নিয়োগ কৰা হৈছে। নাগৰিক পঞ্জী উন্নীতকৰণ কৰাৰ কাম সম্পূৰ্ণ কৰাৰ কথাটো ওপৰত (ঘ) প্ৰশ্নত উল্লেখ কৰা কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশনাৰ ওপৰত নিৰ্ভৰ কৰিব।

(চ) ২০০১ চনৰ পৰা ২০০৯ চনৰ ডিচেম্বৰ মাহলৈকে সৰ্বমুঠ ১৩,৮১৯ জন লোকক বিদেশী বুলি চিনাক্ত কৰা হৈছে আৰু ইয়াৰে ১৭০ জনক বহিষ্কাৰ কৰা হৈছে।

ইংৰাজী বৰ্ষ অনুযায়ী আৱশ্যকীয় তথ্য Annexure-Z-2 সংলগ্ন কৰি সদনৰ মেজত পেচ কৰা হ'ল। বাকী বহিষ্কৃত নোহোৱা সকলৰ ভিতৰত ২,৭৬৯ জনে F.R.R.O.ত নিজৰ নাম পঞ্জীয়নভুক্ত কৰিছে আৰু বাকীসকল (১০৮৮০ জন) সন্ধানহীন হৈ আছে।

(See Annexure-XXV)

বর্তমান গোৱালপাৰা জিলাৰ কাৰাগাৰত থকা অস্থায়ী ডিটেনশ্যন কেম্পত ৫৫ জন অবৈধ বিদেশী নাগৰিকক ৰখা হৈছে।

২০০১ চনৰ পৰা অবৈধ বিদেশী নাগৰিকক চিনাক্তকৰণ আৰু বহিষ্কাৰ কৰণৰ বাবদ ৰাজ্য চৰকাৰে কৰা ব্যয়ৰ হিচাব তৎকালীনভাৱে দাখিল কৰিব পৰা নগ'ল যিহেতুকে সংশ্লিষ্ট বিভাগে এই সম্পৰ্কীয় তথ্য সংগ্ৰহ কৰি আছে।

বিষয় ঃ অসমত নিবনুৱাৰ সংখ্যা।

শ্ৰী কমল সিং নাৰ্জাৰীয়ে সুধিছে ঃ

*৯৫। মাননীয় শ্ৰম আৰু নিয়োগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত বৰ্তমানে পঞ্জীয়নকৃত নিবনুৱাৰ সংখ্যা কিমান?

(খ) বিগত ১০ বছৰত কিমানজন নিবনুৱাই নিয়োগ বিনিময় কেন্দ্ৰত নিজৰ নাম অন্তৰ্ভুক্ত কৰিছে আৰু ইয়াৰে কিমানজনে নিযুক্তি লাভ কৰিছে? (জিলাভিত্তিত বিস্তৃত তথ্য তালিকাসহ দিব)

(গ) পঞ্জীয়নকৃত নিবনুৱা সকলক বেকাৰ ভাট্টা প্ৰদানৰ কোনো ব্যৱস্থা আছেনে? যদি আছে, কিমানজন নিবনুৱাক কিমান টকাকৈ বেকাৰ ভাট্টা আদায় দিয়া হৈছে? ইয়াৰ বাবে মুঠ কিমান টকা ব্যয় হৈছে?

(ঘ) পঞ্জীনয়কৃত নিবনুৱা সকলক বেকাৰ ভাট্টা প্ৰদানৰ ফলপ্ৰসু ব্যৱস্থা গ্ৰহণ কৰা হ'বনে?

শ্ৰী পৃথিৱী মাঝি (শ্ৰম আৰু নিয়োগ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ২০০৯ চনৰ ৩১ ডিচেম্বৰলৈ অসমৰ নিয়োগ বিনিময় কেন্দ্ৰ সমূহত পঞ্জীয়নকৃত নিবনুৱাৰ সংখ্যা মুঠ ২০,৭৯,৫৫৮ জন।

(খ) বিগত ১০ বছৰত মুঠ ১৭,৩৫,০৮১ জন নিবনুৱাই অসমৰ নিয়োগ

বিনিময় কেন্দ্রসমূহত নিজৰ নাম অন্তর্ভুক্ত কৰিছে। ইয়াৰে মুঠ ৫,৬৫২ জনে নিয়োগ বিনিময় কেন্দ্রৰ জৰিয়তে নিযুক্তি লাভ কৰিছে।

(নিয়োগ বিনিময় কেন্দ্র সমূহত জিলাভিত্তিত পঞ্জীয়নৰ সংখ্যা ও নিযুক্তিৰ সংখ্যা তালিকা 'ক' আৰু 'খ'ত দাখিল কৰা হ'ল।

(See Annexure-XXVI)

নিযুক্তিপ্রাপ্ত বহু ব্যক্তিয়ে নিয়োগ বিনিময় কেন্দ্রসমূহত নিযুক্তি প্রাপ্তিৰ সম্পর্কে অৱগত নকৰে। প্রকৃততে নিযুক্তিপ্রাপ্ত লোকৰ সংখ্যা, নিয়োগ বিনিময় কেন্দ্রৰ জৰিয়তে দিয়া নিযুক্তিতকৈ বহু বেছি।

(গ)+(ঘ) নিবনুৱা সকলক বেকাৰ ভাট্টা দিয়াৰ ব্যৱস্থা বর্তমান নাই। যদিও ভাৰত চৰকাৰৰ 'এনৰেগা' (NREGA) আঁচনিৰ জৰিয়তে নিবুৱাসকলক অন্ততঃ এশ দিনৰ কর্ম সংস্থাপন দিয়াৰ ব্যৱস্থা আছে।

বিষয় ঃ গুৱাহাটী মহানগৰীৰ পৰিয়ালক মাটিৰ আৱণ্টন/পট্টন।

শ্রী ৰমেন্দ্র নাৰায়ণ কলিতাই সুধিছে ঃ

* ৯৬। মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ২০০১ চনৰ পৰা গুৱাহাটী মহানগৰীত এতিয়ালৈকে কিমান পৰিয়ালক মাটিৰ আৱণ্টন/পট্টন দিয়া হ'ল জনাবনে? কামৰূপ (মেট্র')ৰ বিশেষ ভূমি উপদেষ্টা বোর্ডত অনুমোদন হোৱা কিমান প্রস্তাৰ ইতিমধ্যে চৰকাৰে অনুমোদন জনালে আৰু কিমান প্রস্তাৰ অনুমোদন জনাবলৈ বাকী আছে জনাবনে?

(খ) গুৱাহাটী মহানগৰীৰ পৰিয়াল সমূহক মাটিৰ আৱণ্টন/পট্টন দিলে ৰাজ্য চৰকাৰৰ কেবিনেটৰ অনুমোদন লাগে নেকি? যদি লাগে, তেনেহ'লে মাটি আৱণ্টন/পট্টন দিয়াৰ প্রক্রিয়াটো যথেষ্ট দীঘলীয়া হোৱা নাইনে?

(গ) গুৱাহাটী মহানগৰীৰ পৰিয়ালক ভূমি নীতি অনুযায়ী মাটি আৱণ্টন/পট্টন

দিলে চৰকাৰৰ ৰাজহ সংগ্ৰহ নহ'লহেঁতেন নে?

(ঘ) গুৱাহাটী মহানগৰীৰ পাহাৰত বসবাস কৰা পৰিয়ালসমূহক মাটিৰ আৱণ্টন/পট্টন দিয়াৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে জনাবনে?

(ঙ) চৰকাৰে ছয়মাহৰ ভিতৰত পাহাৰৰ পৰিয়ালসমূহক মাটিৰ আৱণ্টন/পট্টন দিয়াৰ ব্যৱস্থাটো সম্পূৰ্ণ কৰিবনে?

ডাঃ ভূমিধৰ বৰ্মন (ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ২০০১ চনৰ পৰা এতিয়ালৈকে গুৱাহাটী মহানগৰীত ২৬৯টা পৰিয়ালক চৰকাৰী মাটি আৱণ্টন/পট্টন দিয়া হৈছে।

কামৰূপ (মেট্ৰো)ৰ বিশেষ ভূমি উপদেষ্টা বোৰ্ডে ১৮৮২টা প্ৰস্তাৱ অনুমোদন জনাইছে। ইয়াৰ ভিতৰত ৭৮৫টা প্ৰস্তাৱ অনুমোদনৰ বাবে পোৱা হৈছে আৰু ১০৯৭টা প্ৰস্তাৱ উপায়ুক্তৰ কাৰ্যালয়ত বিভিন্ন পৰ্যায়ত পৰীক্ষাৰ বাবে আছে।

(খ) গুৱাহাটী মহানগৰীৰ ভূমিহীন পৰিয়ালক সাধাৰণ চৰকাৰী মাটি আৱণ্টন/পট্টন দিলে ৰাজ্য চৰকাৰৰ কেবিনেটৰ অনুমোদন ল'ব লাগে। ফলত আৱণ্টন/পট্টনৰ প্ৰক্ৰিয়াটো দীঘলীয়া হোৱাটো সঁচা।

(গ) চৰকাৰী মাটি পট্টন দিলে পট্টনৰ বাবদ ৰাজহ সংগ্ৰহ হয়।

(ঘ) গুৱাহাটী মহানগৰীৰ পাহাৰত বাস কৰা পৰিয়ালসমূহক পাহাৰীয়া মাটি আৱণ্টন/পট্টন দিয়াটো সম্প্ৰতি বন্ধ ৰখা হৈছে।

(ঙ) বৰ্তমান তেনে কোনো সিদ্ধান্ত হোৱা নাই।

Sub : Validity of Indira Mujib Pact.

Dr. Alaka Sarma asked :

* 97 Will the Minister of Implementation, Assam Accord by pleased to state :

(a) Govt. has always maintained that the process of construction of barbed wire fence in disputed area is not possible on account of the fact that an action is governed by "Indira-Mujib" pact and has to be solved by bilateral talks?

(b) When was the "Indira-Mujib pact" signed?

Dr. Bhumidhar Barman (Minister, Implementation of Assam accord Department) replied :

(a) Yes, it is a fact that for construction of fencing in disputed areas a decision will have to be taken by the Govt. of India as status quo as per Indira-Mujib pact was maintained in the disputed areas. Hence, final decision in this regard will have to be taken by the Govt. of India.

(b) The Indira-Mujib Pact was signed by Indira Gandhi, the then Prime Minister of India an Sheikh Mujibur Rahman, also the then Prime Minister of Bangladesh in 1974.

বিষয় ঃ চৰ চাপৰি এলেকাত মাটিৰ পট্টা প্ৰদান।

মঃ ইলিয়াছ আলীয়ে সুধিছে ঃ

* ৯৮। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰে ঘোষণা কৰাৰ পিছৰ পৰা দলগাঁও সমষ্টিত চৰ-চাপৰি

এলেকাত মাটিৰ পট্টা প্ৰদান কৰা হৈছে নেকি? যদি হৈছে, কিমান জনক দিয়া হৈছে?

(খ) যদি দিয়া হোৱা নাই, কিয় দিয়া হোৱা নাই, বিতংভাৱে জনাবনে?

(গ) দলগাঁও সমষ্টিৰ শ্যামপুৰ গাঁও পঞ্চায়ত, আৰিমাৰী গাঁও পঞ্চায়ত, কল্যাণ গাঁও পঞ্চায়তৰ অংশ, বিহদিয়া গাঁও পঞ্চায়তৰ অংশ এটি বৃহৎ এলেকা আগুৰি থকা ব্ৰহ্মপুত্ৰ চাপৰিত প্ৰায় ৫০-৬০ বছৰৰ পৰাই মানুহ বসবাস কৰি আছে অথচ এই চৰ-চাপৰিৰ জৰীপ হোৱা নাই বা পট্টাও নিদিয়াৰ বিষয়ে চৰকাৰে জ্ঞাত নে?

(ঘ) বৰ্তমানে উক্ত চাপৰি এলেকা জৰীপ কৰাৰ বাবে চৰকাৰে কিবা ব্যৱস্থা হাতত লৈছেনে? যদি লৈছে, তাক কিমান দিনৰ ভিতৰত কাৰ্যকৰী কৰা হ'ব?

(ঙ) চৰকাৰে ঘোষণা কৰামতে বৰ্তমানে দলগাঁও সমষ্টিৰ এই চৰ-চাপৰি এলেকাত বসতি কৰা খেতিয়ক সকলৰ মাটিৰ পট্টা দিয়াৰ ব্যৱস্থা কৰিবনে? যদি কৰে, কি নিয়মত বা কি আধাৰত ব্যৱস্থা কৰিব আৰু কেতিয়াকৈ কৰিব? তাক বিতংভাৱে সদনত জনাব?

ডাঃ ভূমিধৰ বৰ্মন (ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) দলগাঁও সমষ্টিৰ অন্তৰ্গত দলগাঁও ৰাজহ চক্ৰ এলেকাৰ চৰ-চাপৰি সমূহত মাটিৰ পট্টা প্ৰদান কৰা হোৱা নাই।

(খ) চৰ-চাপৰি সমূহৰ বেছি অংশত স্থায়ী জৰীপ হোৱা নাই। সেইকাৰণে মাটিৰ পট্টা প্ৰদান কৰিব পৰা নাই।

(গ) কিছু সংখ্যক লোকে, জৰীপ নোহোৱা এলেকাত চৰ-চাপৰিত বেদখল কৰি বসবাস কৰি থকাটো সঁচা। জৰীপৰ ব্যৱস্থা ইতিমধ্যে আৰম্ভ হৈছে।

(ঘ) জৰীপৰ ব্যৱস্থা হাতত লোৱা হৈছে। যথাসম্ভৱ সোনকালেই জৰীপ কার্য সম্পন্ন কৰাৰ চেষ্টা কৰা হৈছে।

(ঙ) জৰীপ সম্পূর্ণ হোৱাৰ পিছত যোগ্য লোকক ভূমি নীতি অনুসৰি পট্টন দিয়াৰ বিষয়ে বিবেচনা কৰা যাব।

বিষয় ঃ পুনৰ সংস্থাপন ব্যৱস্থা।

শ্রী লিয়াকৎ আলী খানে সুধিছে ঃ

* ৯৯। মাননীয় সাহায্য আৰু পুনৰ সংস্থাপন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) এইটো সঁচানে বৰপেটা জিলাৰ চেঙা সমষ্টিৰ অন্তর্গত চেঙা ৰাজহ চক্র এলেকাৰ ২০০৫ চনৰ পৰা এতিয়ালৈকে ৩৩ খন গাঁৱৰ ২,৯৯১টা পৰিয়াল ব্রহ্মপুত্রৰ গৰাখহনীয়াৰ ফলত নিচ্ছিন্ন হৈছে?

(খ) যদি সঁচা, চেঙা সমষ্টিৰ বৰপেটা ৰাজহ চক্রৰ এলেকাত ২০০৫ চনৰ পৰা এতিয়ালৈকে কিমানখন গাঁও আৰু পৰিয়াল গৰাখহনীয়াত নিচ্ছিন্ন হৈছে জনাবনে?

(গ) উক্ত ক্ষতিগ্রস্ত প্রত্যেক পৰিয়ালক ৫০ হেজাৰকৈ টকা দি পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰিবনে?

(ঘ) যদি কৰে, বর্তমান চৰকাৰৰ কার্যকালৰ ভিতৰত কৰিব নে?

ডাঃ ভূমিধৰ বর্মন (ৰাজহ আৰু দুর্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, বৰপেটা জিলাৰ চেঙা সমষ্টিৰ অন্তর্গত চেঙা ৰাজহ চক্র এলেকাৰ ২৭ খন গাঁৱৰ ২,৯৫১টা পৰিয়াল ২০০৫ চনৰ পৰা এতিয়ালৈকে ব্রহ্মপুত্রৰ গৰাখহনীয়াৰ ফলত ক্ষতিগ্রস্ত হৈছে।

(খ) চেঙা সমষ্টিৰ বৰপেটা ৰাজহ চক্রৰ অন্তর্গত নগাঁও মৌজাৰ ৫ খন

ৰজহ গাঁৱৰ ১,০১৭টা পৰিয়াল ২০০৫ চনৰ পৰা এতিয়ালৈকে ব্ৰহ্মপুত্ৰৰ গড়াখহনীয়াৰ ফলত ক্ষতিগ্ৰস্ত হৈছে।

(গ) গৰাখহনীয়াত ক্ষতিগ্ৰস্ত পৰিয়ালক ৫০ হেজাৰকৈ টকা প্ৰদান কৰাৰ কোনো বিধান দুৰ্যোগ সাহায্য পুঁজিৰ নিয়মাৱলীত নাই। কিয়নো, গৰাখহনীয়াক দুৰ্যোগ সাহায্য পুঁজিৰ নিৰ্ধাৰিত নিয়মাৱলীত সন্নিৱিষ্ট কৰা হোৱা নাই। ইতিমধ্যে ৰাজ্য চৰকাৰৰ পক্ষৰ পৰা ভাৰত চৰকাৰৰ গৃহ মন্ত্ৰণালয়ৰ লগত গৰাখহনীয়াক দুৰ্যোগ সাহায্য পুঁজিৰ অন্তৰ্ভুক্ত কৰিবলৈ সঘনে যোগা যোগ কৰি থকা হৈছে।

উপায়ুক্তই জনোৱামতে তথ্যমতে বৰপেটা জিলাত চৰকাৰী মাটি নথকাত গৰাখহনীয়াত আক্ৰান্ত পৰিয়ালসমূহক পুনৰ সংস্থাপন দিব পৰা হোৱা নাই। উপযুক্ত চৰকাৰী মাটি পালে পুনৰ সংস্থাপনৰ বিষয়টো বিবেচনা কৰা হ'ব।

দুৰ্যোগ সাহায্য পুঁজিৰ ভাৰত চৰকাৰৰ গৃহ মন্ত্ৰণালয়ে নিৰূপণ কৰা নিয়মাৱলীত সন্নিৱিষ্ট Items and Norms of Expenditure of Assistanceৰ 3(d) বিধি অনুসৰি নদীৰ গতিপথ সলনি হোৱাৰ ফলত মাটি হেৰুওৱা ক্ষুদ্ৰ আৰু উপান্ত খেতিয়কক প্ৰতি হেক্টৰ মাটিৰ বাবদ ১৫ হেজাৰ টাকাকৈ সাহায্য প্ৰদানৰ বিধান আছে। এই বিধিৰ আধাৰত গড়াখহনীয়াত আক্ৰান্ত পৰিয়াললৈ পুনৰ সংস্থাপন সাহায্য বিষয়ক নিৰ্দিষ্ট প্ৰস্তাৱ উপায়ুক্তৰ পৰা পালে বিভাগত বিবেচনা কৰা হ'ব। ইতিমধ্যে বিভাগীয় পত্ৰযোগে উপায়ুক্তক এনেকুৱা প্ৰস্তাৱ দাখিল কৰিবলৈ অনুৰোধ জনোৱা হৈছে।

(ঘ) হয়, ওপৰত উল্লেখিত বিধিৰ আধাৰত যুগুত কৰা নিৰ্দিষ্ট প্ৰস্তাৱ উপায়ুক্তৰ যোগেদি নিৰ্দিষ্ট সময়ত পালে বৰ্তমান চৰকাৰৰ কাৰ্যকালৰ ভিতৰতে বিষয়টো বিবেচনা কৰিব পৰা যাব।

বিষয় ঃ বাংলাদেশীক গ্রহণ।

শ্রী গিৰীন্দ্র কুমাৰ বৰুৱাই সুধিছে ঃ

* ১০০। মাননীয় অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বিধিগতভাৱে চিনাক্ত হোৱা বাংলাদেশীক উক্ত ৰাষ্ট্রই গ্রহণ নকৰাটো সঁচানে?

(খ) যদিহে সঁচা হয়, বর্তমানলৈকে কিমানজন বাংলাদেশীক উক্ত ৰাষ্ট্রই গ্রহণ কৰা নাই?

(গ) উক্ত বিষয়টো সম্পর্কত কেন্দ্রীয় গৃহ দপ্তৰৰ লগত যোগাযোগ কৰা হৈছেনে?

(ঘ) যদিহে কৰা হৈছে, কেতিয়া কেতিয়া কৰা হৈছে? (অনুগ্রহ কৰি উক্ত মত সমূহৰ নকল দাখিল কৰিব)

ডাঃ ভূমিধৰ বর্মন (অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) বিধিগতভাৱে চিনাক্ত হোৱা বাংলাদেশীক উক্ত ৰাষ্ট্রই গ্রহণ নকৰা তেনে কোনো তথ্য চৰকাৰৰ হাতত নাই। কিন্তু মাজে সময়ে সীমান্ত সুৰক্ষা বলে বহিষ্কাৰ কৰিবলগীয়া ব্যক্তিজনৰ সম্বন্ধে কিছুমান তথ্যৰ অভাৱত গ্রহণ নকৰে। কিন্তু সময়ত সেই দৰকাৰী তথ্যসহ পুনৰাই উক্ত বহিষ্কৃত কৰিবলগীয়া ব্যক্তিজনক সীমা সুৰক্ষা বলৰ হাতত বহিষ্কাৰ কৰাৰ কাৰণে চমজাই দিয়া হয়।

(খ) প্রযোজ্য নহয়।

(গ) প্রযোজ্য নহয়।

(ঘ) প্রযোজ্য নহয়।

UNSTARRED
QUESTIONS AND ANSWERS

Sub : Muslim Marriage Registrar (Kazi).

Sri. Anwarul Haque asked :

194. Will the Minister of Revenue be pleased to State.

(a) Whether the Govt. aware of the fact that the Muslim Marriage Registrar (Kazi) to register Muslim Marriages are realizing a heavy amounts from the party of Muslim Marriages as fees for Registration without giving receipts thereof ?

(b) What are the legal fees to be paid by the party to the Marriage ?

(c) Whether the Govt. will put restrictions on the appointment of Muslim Marriage Registrar to Govt. employees and officials a Muslim Marriage Registrar?

(d) Is it a fact that the Muslim Marriage Registrar's are engaging their agents to perform such marriages and thereby giving room to charge exorbitant rate by the agents in the name of Muslim Marriage Registrar and thereby putting the marriage party in troubles to party heavy amounts for the purpose?

Dr. Bhumidhar Barman (Ministr, Revenue & D.M. etc.) replied :

(a) No such complain has been received from any corner so far.

(b) The legal fees are as follows :

			Existing Rates
1. When the dower does not exceed Rs. 50/-			Rs. 1.00
2. When the dower exceeds Rs. 50/- but does not exceed Rs. 100/-			Rs. 1.50
3. Ditto Rs. 100/-	-ditto-	Rs. 250/-	Rs. 2.00
4. Ditto Rs. 250/-	-ditto-	Rs. 500/-	Rs. 3.00
5. Ditto Rs. 500/-	-ditto-	Rs. 1000/-	Rs. 4.50
6. For every additional Rs. 1000/- or part thereof			Rs. 2.25
7. Divorce of any kind			Rs. 1.50

(c) MMR is simply a licensee performing the work of Muslim Marriage Registration purely on Honorary and part time basis without any monitory benefit as per the Manual.

(d) No. such complain from any corner received as yet. However, if any complain is received, the matter will be enquired in to and action will be taken accordingly.

Sub : Sitting up of I.T.I.

Shri Mission Ranjan Das asked :

195. Will the Minister of Revenue be pleased to state :

What action has been taken on the representation of the questioner dated 6.1.2010 addressed to the

Principal Secretary for approval of resolution of Karimganj SLAC meeting held on 9.1.2010 for sitting up of I.T.I. and Rural Self Employment Training Institute at Vill-Maizgram?
(Please state it in details)

Dr. Bhumidhar Barman (Minister, Revenue and Disaster Management) replied :

Government could not take any action on the matter as no formal proposal for sitting up I.T.I. and Rural Self Employment Training Institute at Village Maizgram has been received from Deputy Commissioner, Karimganj.

বিষয় ঃ বান্ধ-পার্কুপাইন আদিৰ খৰচ।

শ্রী নুৰুল হুছেইনে সুধিছে ঃ

১৯৬। মাননীয় জলসম্পদ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) মৰিগাঁও জিলাৰ জলসম্পদ সংমণ্ডলৰ অধীনত ২০০৬ চনৰ মে' মাহৰ পৰা ২০০৯ চনৰ ৩০ ডিচেম্বৰ তাৰিখলৈকে ব্রহ্মপুত্রত মথাউৰিৰ বান্ধ, পার্কুপাইন আদিৰ নামত কিমান টকা খৰচ হৈছে?

(খ) উক্ত কামৰ কাৰণে প্রতি বছৰে কিমান টকা কোন কোন ঠিকাদাৰৰ নামত আৱণ্টন হৈছিল আৰু কোন কোন্ ঠিকাদাৰে কিমান টকা কাম কৰাৰ নামত পাইছে?

(২০০৬ চনৰ মে' মাহৰ পৰা ২০০৯ চনৰ ৩০ ডিচেম্বৰলৈকে ঠিকাদাৰৰ নামৰ তালিকা সদনৰ মেজত দাখিল কৰিব)

(গ) চলিত বছৰত পার্কুপাইনৰ বাবদ কিমান টকা আৱণ্টন হৈছে, কোন কোন ঠিকাদাৰৰ নামত কিমান টকাৰ কাম পাইছে?

(ঘ) কাম নকৰাকৈ কোন কোন ঠিকাদাৰে কিমান আগধন উঠাই লৈছে?

শ্রী পৃথিৱী মাঝি (জলসম্পদ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) এই সংমণ্ডলৰ অধীনত মুঠ ২,০৪২.১৪ লাখ টকা খৰচ কৰা হৈছে।

(খ) আঁচনিৰ বিপৰীতে ঠিকাদাৰৰ নাম আৰু কামৰ আৱণ্টনৰ তালিকা সংগ্রহ কৰি থকা হৈছে।

(গ) চলিত বছৰত (২০১০) পাৰ্কুপাইনৰ বাবদ এতিয়ালৈকে কোনো আৱণ্টন দিয়া নাই।

(ঘ) কাম নকৰাকৈ কোনো ঠিকাদাৰক আগধন দিয়া হোৱা নাই।

বিষয় ঃ নিবনুৱা সমস্যা।

শ্রী অনন্ত ডেকাই সুধিছে ঃ

১৯৭। মাননীয় শ্রম আৰু নিয়োগ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) অসমত সর্বমুঠ পঞ্জীয়নভুক্ত নিবনুৱাৰ সংখ্যা কিমান?

(মেট্রিক, স্নাতক, স্নাতকোত্তৰ, কাৰিকৰী ডিপ্লমা আৰু ডিগ্রীপ্রাপ্ত M.B.B.S. বেলেগে বেলেগে দেখুৱাব)

(খ) ৰাজ্যখনৰ ক্রমবর্ধমান নিবনুৱা সমস্যা সমাধান কৰাৰ কাৰণে চৰকাৰে কি ব্যৱস্থা গ্রহণ কৰিছে?

(গ) চৰকাৰে বিভিন্ন দপ্তৰত ২০০৬ চনৰ পৰা ২০১০ চনৰ ৩১ জানুৱাৰীলৈ কিমান সংখ্যক নিবনুৱাক নিযুক্তি দিছে? কর্ম সংস্থাপন দিব নোৱাৰা সকলৰ কাৰণে নিবনুৱা ভাট্টা প্রৱর্তন কৰিবনে?

(ঘ) ৰাজ্যখনত কিমানটা নিয়োগ বিনিময় কেন্দ্র আছে আৰু এইবোৰৰ জৰিয়তে বিগত ৫ বছৰত কিমান নিবনুৱাক নিযুক্তি দিয়া হ'ল?

শ্রী পৃথিৱী মাঝি (শ্রম আৰু নিয়োগ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

পঞ্জীয়নভুক্ত নিবনুৱাৰ সংখ্যা ঃ

(ক) সৰ্বমুঠ ২০,৭৯,৫৫৮ জন

(১)	মেট্রিক	ঃ	৭,০০,৫১৮ জন
(২)	স্নাতক	ঃ	২৪,৯৪৬ জন
(৩)	ডিপ্লমা (কাৰিকৰী)	ঃ	১১,৬০৯ জন
(৪)	স্নাতক (কাৰিকৰী)	ঃ	৩,০০৭ জন

(খ) নিবনুৱা সকলক কৰ্ম সংস্থাপন দিয়াৰ বাবে চৰকাৰে বহু ব্যৱস্থা হাতত লৈ চৰকাৰী বিভিন্ন বিভাগত বছৰ বছৰ ধৰি নিযুক্তি দি আহিছে। তদুপৰি অসমৰ যুৱকসকলে তথ্য ও প্ৰযুক্তি (Information Technology), আতিথ্য (Hospitality), নিৰাপত্তা (Security) আদি বহু উন্নয়নশীল খণ্ডত সুন্দৰ কৰ্ম সংস্থাপনৰ সুবিধা গ্ৰহণ কৰিছে। তদুপৰি বহু কেন্দ্ৰীয় আৰু ৰাজ্যিক যোজনাৰ জৰিয়তে স্ব-নিয়োজনৰ সুবিধা উপভোগ কৰিছে।

(গ) ২০০৬ চনৰ পৰা ২০১০ চনলৈ মুঠ ৫০,৮২২ জন নিবনুৱাই নিযুক্তি লাভ কৰিছে।

(বৰ্তমানলৈকে পোৱা বিভিন্ন বিভাগৰ তথ্যৰ ভিত্তিত যুগুতোৱা হৈছে।)

বৰ্তমান নিবনুৱা ভাট্টা আদিৰ ব্যৱস্থা নাই। তথাপি ভাৰত চৰকাৰৰ এনৰেগা (NREGA) আঁচনিৰ জৰিয়তে কোনো কৰ্মপ্ৰয়াসী লোকক অন্তত এশ দিনৰ কৰ্ম সংস্থাপন দিয়াৰ ব্যৱস্থা আছে।

(ঘ) সৰ্বমুঠ ৫২টা নিয়োগ বিনিময় কেন্দ্ৰ আছে আৰু এইবোৰৰ জৰিয়তে বিগত ৫ বছৰৰ ভিতৰত ২,২১২ জন নিবনুৱাক নিযুক্তি দিয়া হৈছে।

বহু নিযুক্তিপ্রাপ্ত ব্যক্তিয়ে নিযুক্তিপ্রাপ্তিৰ সম্পর্কে নিয়োগ বিনিময় কেন্দ্রসমূহক অৱগত নকৰে, প্রকৃততে নিযুক্তিপ্রাপ্ত লোকৰ সংখ্যা নিয়োগ বিনিময়- কেন্দ্রৰ জৰিয়তে দিয়া নিযুক্তিতকৈ বহুত বেছি।

বিষয় ঃ মাটিৰ জৰীপ।

শ্রী বলিন চেতিয়াই সুধিছে ঃ

১৯৮। মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) শদিয়া সমষ্টিৰ উত্তৰ পাৰৰ শদিয়া অংশৰ ভালেসংখ্যক গাঁও যেনে কপৌ পথাৰ দেউৰী গাঁও, অম্বিকাপুৰ আৰু অমৰপুৰ আদি গাঁওসমূহত এতিয়াও মাটিৰ জৰীপ বিভাগীয়ভাৱে হোৱা নাই, এই বিষয়ে চৰকাৰ অৱগতনে?

(খ) উক্ত গাঁওসমূহত মাটিৰ জৰীপ কৰি পট্টা দিয়াৰ কি ব্যৱস্থা লোৱা হৈছে অনুগ্রহ কৰি জনাবনে?

(গ) উক্ত গাঁও সমূহত মাটিৰ জৰীপ কেতিয়াৰ পৰা আৰম্ভ কৰিব আৰু পট্টা দিয়াৰ ব্যৱস্থা কেতিয়া কৰিব?

ডাঃ ভূমিধৰ বর্মন (ৰাজহ আৰু দুর্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অৱগত।

(খ) বর্তমানলৈকে ব্যৱস্থা লোৱা হোৱা নাই।

(গ) অগ্রাধিকাৰ ভিত্তিত বিবেচনা কৰি পর্য্যায়ক্রমে জৰীপ কৰি, পট্টা দিয়াৰ ব্যৱস্থা লোৱা হ'ব।

বিষয় ঃ ৰার্ডৰ মাটি আৱণ্টন।

শ্রী প্রশান্ত ফুকনে সুধিছে ঃ

১৯৯। মাননীয় নগৰ উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ডিব্রুগড় পৌৰসভাৰ অধীনত কোনটো ৰার্ডত কিমান অ-ব্যৱহৃত মাটি আছিল?

(খ) উক্ত মাটি কাৰোবাক আৱণ্টন দিয়া হৈছিল নেকি?

(গ) যদি কাৰোবাক আৱণ্টন দিয়া হৈছিল, কাক কাক, কিমান দিনৰ বাবে আৰু কি দৰত দিয়া হৈছিল চুক্তি পত্রসহ তথ্য সহকাৰে সদনত অৱগত কৰিবনে?

শ্রী দীনেশ প্রসাদ গোৱালা (নগৰ উন্নয়ন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ডিব্রুগড় পৌৰসভাৰ অধীনত ১৭ নং গ্রেহেম বজাৰ ৰার্ডত মুঠ ৯ কঠা অ-ব্যৱহৃত মাটি আছিল।

(খ) হয়।

(গ) উক্ত মাটিখিনি ৬ জন ব্যক্তিৰ নামত প্রতি বর্গফুটৰ ৫০ পইচা দৰত জানুৱাৰী, ২০০৪ চনৰ পৰা ১০ বছৰৰ বাবে প্রত্যেককে ১কঠা ১০ লেচাকৈ মাটি লিজত দিয়া হৈছে। ব্যক্তিকেইজনৰ নাম আৰু বিতং তথ্য পৰিশিষ্ট 'ক'ত দেখুওৱা হৈছে। (See Annexure-XXVII)

বিষয় ঃ নিবনুৱাৰ সংস্থাপন।

শ্রী প্রদীপ হাজৰিকাই সুধিছে ঃ

২০০। মাননীয় শ্রম আৰু নিয়োগ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) যোৱা দহ বছৰত কিমানজনে স্নাতক, স্নাতকোত্তৰ, এম বি বি এছ

আৰু কাৰিকৰী ডিগ্ৰী লাভ কৰিছে?

(খ) এইসকলৰ ভিতৰত কিমান সংখ্যকে চৰকাৰী আৰু বেচৰকাৰী বিভাগত নিয়োগ লাভ কৰিছে?

(গ) অসমত বৰ্তমান কিমান স্নাতক, স্নাতকোত্তৰ, এম বি বি এছ আৰু কাৰিকৰী ডিগ্ৰী লাভ কৰা শিক্ষিত নিবনুৱা আছে? (পৃথকে জনাব)

(ঘ) নিবনুৱা সকলক সংস্থাপিত কৰাৰ কিবা চৰকাৰী পৰিকল্পনা আছে নেকি?

শ্ৰী পৃথিৰী মাঝি (শ্ৰম ও নিয়োগ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) বিভিন্ন ডিগ্ৰী লাভ কৰা লোকৰ সংখ্যা শ্ৰম আৰু নিয়োগ বিভাগে নাৰাখে। তথাপি অসমৰ নিয়োগ বিনিময় কেন্দ্ৰসমূহত যোৱা ১০ বছৰত পঞ্জীয়নভুক্ত স্নাতক, স্নাতকোত্তৰ, এম বি বি এছ আৰু কাৰিকৰী ডিগ্ৰী লাভ কৰা নিবনুৱাৰ সংখ্যা এনে ধৰণৰ —

চন	স্নাতক	স্নাতকোত্তৰ	এম বি বি এছ	কাৰিকৰী (ITI)
২০০০	১,২১,১২৮	৬,৭৮৯	২৫৮	১২,০৩১
২০০১	১,৪২,৬৮৫	৬,২৪৪	৩১২	১২,২৮৭
২০০২	১,৪৬,১৬৮	৭,১৩৩	৩১৩	১১,১২৮
২০০৩	১,৫৬,২৩৪	১৫,৫১২	২৫২	১১,৯২৮
২০০৪	১,৮৬,১৪২	১৫,৬৯২	৫০২	১১,৭৭০
২০০৫	১,৯৪,৭০৪	১৬,২৭৯	৫২৯	১১,৯৮৬
২০০৬	১,৮০,৬৯৯	১৫,৭৩৭	৪৮৭	৮,৭৪৯
২০০৭	২,২৪,১২৫	১৭,২০৯	৪৮১	১৭,১৪৫
২০০৮	২,৩১,৫২৯	২৩,২৯৩	৬১৭	১৭,১৩২
২০০৯	২,৯৯,৪০২	২৪,৯৪৬	৫৯২	১১,৬০৯

(খ) নিয়োগ বিনিময় কেন্দ্রৰ যোগেদি, স্নাতক, স্নাতকোত্তৰ, এম বি বি এছ আৰু কাৰিকৰী ডিগ্ৰী প্ৰাপ্ত নিবনুৱা সকলৰ যোৱা ১০ বছৰত চৰকাৰী ও বেচৰকাৰী খণ্ডত নিযুক্তিৰ সংখ্যা এনেধৰণৰ ঃ

চন	স্নাতক	স্নাতকোত্তৰ	এম বি বি এছ	কাৰিকৰী (ITI)
২০০০	৮৩	৩৬	৪	—
২০০১	২৫	৫	—	২৬
২০০২	১৪	৫	১	১২
২০০৩	১৫	৩	১	৯
২০০৪	১৭	৯	—	৬
২০০৫	১৪	৭	—	৫
২০০৬	১৯	১৫	৯	২১
২০০৭	৩১	২৭	১১	২৭
২০০৮	৫২	৪৩	১৯	৩৫
২০০৯	১৪৮	২৯	২৫	৪৮

(গ) ২০০৯ চনৰ ৩১ ডিচেম্বৰলৈ অসমৰ নিয়োগ বিনিময় কেন্দ্ৰ সমূহত পঞ্জীয়নভুক্ত স্নাতক স্নাতকোত্তৰ, এম বি বি এছ আৰু কাৰিকৰী ডিগ্ৰী লাভ কৰা লোকৰ সংখ্যা এনেধৰণৰ ঃ

(১) স্নাতক — ২,১৯,৪০২ জন

(২) স্নাতকোত্তৰ — ২৪,৯৪৬ জন

(৩) এম বি বি এছ — ৬৯২ জন

(৪) কাৰিকৰী (ITI passed) — ১১,৬০৯ জন

(ঘ) নিবনুৱা সকলক সংস্থাপিত কৰাৰ বাবে চৰকাৰে বিভিন্ন আঁচনি লৈ আহিছে। যেনে ঃ

(১) মুখ্যমন্ত্রী জীৱন জ্যোতি স্ব-নিয়োজন যোজনা।

(২) স্বর্ণ জয়ন্তী গ্রাম স্ব-ৰোজগাৰ যোজনা।

(৩) এনৰেগা (NREGA)

(৪) প্রধানমন্ত্রী এমপ্লয়মেণ্ট জেনেৰেচন প্রগ্রেম।

(৫) শিক্ষিত নিবনুৱাৰ স্ব-নিয়োজন যোজনা (SEEUY)

বিষয় ঃ পানী যোগান আঁচনি।

শ্রী সুশীল দত্তই সুধিছে ঃ

২০১। মাননীয় নগৰ উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনত বর্তমান কোন কোন পৌৰ সভা আৰু নগৰ সমিতিত পানী যোগান আঁচনি আছে?

(প্রতিটো নগৰ সমিতি আৰু পৌৰ সভাৰ নাম উল্লেখ কৰিব)

(খ) জনসংখ্যা অনুপাতে উক্ত পানী যোগান আঁচনি সমূহ যথেষ্ট হয়নে?

(গ) লামডিং পৌৰ সভাৰ অন্তর্গত কোনো পানী যোগান আঁচনি আছেনে?

(ঘ) যদি নাই, তেনেহ'লে লামডিং পৌৰসভাৰ অন্তর্গত পানী যোগান আঁচনি লোৱাৰ ব্যৱস্থা গ্রহণ কৰিবনে?

শ্রী দীনেশ প্রসাদ গোৱালা (নগৰ উন্নয়ন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) নগৰ উন্নয়ন বিভাগৰ অধীনত অসম পানী যোগান ও পয় প্রণালী পৰিষদৰ জৰিয়তে পানীযোগান আঁচনি থকা নগৰ সমিতি ও পৌৰসভা সমূহৰ বিতং তথ্য পৰিশিষ্ট 'ক'ত দেখুওৱা হৈছে।
(See Annexure-XXVIII)

(খ) পৰিকল্পনা প্ৰস্তুত কৰা জনসংখ্যা অনুপাতে যথেষ্ট।

(গ) নগৰ উন্নয়ন বিভাগৰ অধীনত কোনো আঁচনি নাই।

(ঘ) লামডিং পৌৰসভাৰ অন্তৰ্গত অঞ্চলসমূহলৈ পানী যোগান ধৰিবলৈ এই বিভাগৰ জৰিয়তে এখন আঁচনি প্ৰস্তুত কৰি NLCPR ৰ অধীনত অন্তৰ্ভুক্ত কৰিবৰ বাবে পৰিকল্পনা ও উন্নয়ন বিভাগলৈ প্ৰেৰণ কৰা হৈছে।

বিষয় ঃ আবাস গৃহৰ সংখ্যা।

শ্ৰী দুৰ্গা ভূমিজে সুধিছে ঃ

২০২। মাননীয় নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসমত গৃহ নিৰ্মাণ পৰিষদৰ অধীনত কিমান আবাস গৃহ আছে?

(খ) উক্ত আবাস গৃহসমূহৰ ভিতৰত কিমান সংখ্যক খালী হৈ আছে?

(গ) নতুনকৈ গৃহ নিৰ্মাণ কৰা হৈছে নেকি? যদি হৈছে, তথ্য সহকাৰে সদনৰ মেজত দাখিল কৰিব?

শ্ৰী দীনেশ প্ৰসাদ গোৱালা (নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অসমৰ ১৬ খন জিলা ও মহকুমাত মুঠ ২,২৪৬টা আবাস গৃহ আছে। তালিকা গাঠি দিয়া হৈছে। (See Annexure-XXIX)

(খ) আবাস গৃহ সমূহৰ ভিতৰত ৪২টা কোঠা খালি হৈ আছে। তালিকা গাঠি দিয়া হৈছে। (See Annexure-XXX)

(গ) অসম চৰকাৰৰ বাৰ্ষিক পৰিকল্পনাৰ টকাৰে ভাড়াতীয়া আঁচনিৰ অধীনত প্ৰতি বছৰে ভাড়াতীয়া ঘৰ নিৰ্মাণ কৰি থকা হৈছে। এই বছৰো উক্ত আবাস গৃহ নিৰ্মাণ কৰাৰ বাবে ৮৫.০০ লাখ টকা মঞ্জুৰী দিয়া হৈছে। এই কাম শীঘ্ৰেই আৰম্ভ কৰা হ'ব। উক্ত গৃহ নিৰ্মাণ গুৱাহাটীৰ

মালিগাঁৱত কৰা হ'ব।

Sub : Provision of Ring Well.

Shri Sanjay Raj Subba asked :

203. Will the minister of P.H.E. be pleased to state :

(a) Whether the Govt. is aware that villages under Nowboicha L.A.C. are facing difficulties for want of safe drinking water facility?

(b) Whether the Govt. is aware the request has been made for provision of Ring Well at Nowboicha L.A.C.?

(c) If so, why the provision of Ring Well has not been provided till date?

(d) When the Govt. will provide those Ring Well so that local poor people will get relief in respect of drinking water facility?

Shri Rihan Daimary (Minister P.H.E.) replied :

(a) Yes, periodic survey is carried out and any shortfall of safe drinking water in villages are addressed accordingly.

(b) Yes, North Lakhimpur (P.H.E.) Division had received the request for casting and installation of Ring Well in Nowboicha L.A.C.

(c) North Lakhimpur (P.H.E.) Division have already issued necessary work orders for installation of Ring Well in different haditations under Nowboicha L.A.C.

(d) As the execution of works are already started, local

people will get the benefit of drinking water shortly.

বিষয় ঃ কামৰ আ�ৰণ্টন।

শ্ৰী ৰছুল হকে সুধিছে ঃ

২০৪। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধুবুৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত মতিৰচৰৰ পৰা পাটমাৰীলৈ বান্ধ কাম ৰোড (মথাউৰী ও ৰাস্তা নির্মাণ) নির্মাণৰ বাবে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে?

(খ) যদি চৰকাৰে ব্যৱস্থা হাতত লৈছে, তেন্তে কেতিয়াৰ পৰা কাম আৰম্ভ কৰিব?

শ্ৰী পৃথিৱী মাঝি (জলসম্পদ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ধুবুৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত মতিৰচৰৰ পৰা পাটমাৰীলৈ বান্ধ কাম ৰোড নির্মাণৰ বাবে বর্তমানে কোনো আঁচনি নাই যদিও ইয়াক গৰাখহনীয়াৰ পৰা ৰক্ষা কৰিবলৈ 'দুর্যোগ সাহায্য' শিতানত ৯০.৬০ লাখ টকাৰ আঁচনি এখন হাতত লোৱাৰ ব্যৱস্থা কৰা হৈছে।

ইয়াৰ ওপৰিও, উক্ত বান্ধ আৰু ইয়াৰ দাঁতি কাষৰীয়া অঞ্চলসমূহক ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াৰ পৰা সুৰক্ষা দিয়াৰ বাবে ১৪.৯৭ কোটি টকাৰ এখন আঁচনি যুগুত কৰি থকা হৈছে. কেন্দ্ৰীয় চৰকাৰৰ যাৱতীয় অনুমোদন তথা প্ৰয়োজনীয় পুঁজিৰ আৰণ্টন সাপেক্ষে আঁচনিখন ৰূপায়ণ কৰিব পৰা যাব।

(খ) উল্লেখিত প্ৰথম আঁচনিখনৰ কাম চলিত (মার্চ ২০১০) মাহৰ ভিতৰতে আৰম্ভ কৰা হ'ব।

Subject : Relief & Ex-gratia.

Shri Karendra Basumatary asked :

205. Will the Minister of Relief and Rehabilitation be pleased to state :

(a) Whether the Department of Relief & Rehabilitation has been transferred to BTC as per MOUs of Bodo Accord? If not, why?

(b) What steps have been taken by the Government for the relief and rehabilitation for the affected people of the communal clash that took place in 2008 in Udalguri and Darrang Districts?
(Please give in details in the table of the House)

(c) Whether there is any outstanding amount of Ex-gratia and relief materials to be given to the inmates?
(Please give in details)

Dr. Bhumidhar Barman (Minister of Revenue and Disaster Mangement Department (Relief and Rehabilitation Brach) replied :

(a) No.
The matter is under process.

(b) For relief and rehabilitation of the affected people, necessary stapes have been taken by the Government and details in respect of Darrang and Udalguri District are enclosed at Annexure "A" (See Annexure-XXXI)

(c) There is no report of outstanding payment of ex-gratia grant in respect of Udalguri District. However, in respect of Darrang District 2 (two) cases of missing

persons are pending due to non-recovery of their dead bodies as reported by D.C.

The relief camps have been closed and There is no report of outstanding relief.

বিষয় ঃ মথাউৰি নির্মাণ।

শ্রী গুণেশ্বৰ দাসে সুধিছে ঃ

২০৬। মাননীয় জলসম্পদ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমৰ বিভিন্ন জিলাত থকা মথাউৰিবোৰ নির্মাণৰ বাবে ২০০৯-২০১০ চনত কিমান ধন ধার্য্য কৰা হৈছিল আৰু ইতিমধ্যে কিমান ধন ব্যয় কৰা হ'ল?
(বিতং তথ্য সদনৰ মেজত দাখিল কৰিব)

(খ) ৰহা সমষ্টিৰ অন্তর্গত কলঙৰ মথাউৰিৰ বাবে কিমান ধন ধার্য্য কৰা হৈছিল। এই ধনেৰে এতিয়ালৈকে মথাউৰি নির্মাণ সম্পূর্ণ কৰা হ'লনে? যদি হোৱা নাই, নোহোৱাৰ কাৰণ কি?

শ্রী পৃথিৱী মাঝি (জলসম্পদ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অসমৰ বিভিন্ন জিলাত থকা গৰাখহনীয়া বান প্রতিৰোধ তথা মথাউৰি নির্মাণৰ বাবে ২০০৯-২০১০ চনত ধার্য্য কৰা ধন আৰু খৰচৰ পৰিমাণৰ তালিকা পৰিশিষ্ট 'ক'ত দাখিল কৰা হৈছে. (See Annexure-XXXII)

(খ) ৰহা সমষ্টিৰ অন্তর্গত কলং নদীৰ সোঁ-পাৰে থকা মথাউৰি ওখ আৰু সৰলীকৰণ তথা খহনীয়া প্রতিৰোধৰ বাবে মুঠ ৬,২৮,৬৬,০০০.০০ টকা অনুমোদন পোৱা হৈছে। উক্ত আঁচনিখনৰ কাম বর্তমানলৈ ৭০% (সত্তৰ শতাংশ) অগ্রগতি হৈছে আৰু অহা বাৰিষাৰ আগে আগে আঁচনিখনৰ কাম সম্পূর্ণ কৰিব পৰা যাব।

বিষয় ঃ চাহ শ্রমিকৰ বকেয়া পি, এফ।

শ্রী পৰিমল শুক্লবৈদ্যই সুধিছে ঃ

২০৭। মাননীয় শ্রম আৰু নিয়োগ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) চাহ জনজাতি শ্রমিকৰ বকেয়া পি, এফৰ টকা বিভিন্ন বাগান কর্তৃপক্ষই চৰকাৰৰ ওচৰত জমা দিছেনে?

(খ) যদি দিছে, কোন কোন বাগানে দিছে আৰু এতিয়ালৈকে কোন কোন বাগানে দিবলগীয়া আছে?

(গ) পি, এফ জমা নিদিয়া বাগান বিলাকৰ বিৰুদ্ধে চৰকাৰে কি ব্যৱস্থা লৈছে? (বিতং তথ্য সদনৰ মেজত দাখিল কৰিব)

শ্রী পৃথিৱী মাঝি (শ্রম ও নিয়োগ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) চাহ জনজাতি শ্রমিকৰ বকেয়া পি, এফৰ টকা বিভিন্ন বাগিচা কর্তৃপক্ষই ব'র্ড কর্তৃপক্ষৰ ওচৰত জমা দি আছে।

(খ) ৯১৩ খন বাগিছাৰ ভিতৰ ৫৩৯ খন বাগিছাই নিয়মিতভাৱে বৰঙণি আদায় দি আছে। এতিয়ালৈকে ৩৭৪ খন বাগিছা কর্তৃপক্ষই ভৱিষ্যনিধি বকেয়া ধন জমা দিবলগা আছে।

(গ) পি, এফ জমা নিদিয়া বাগানবিলাকৰ বিৰুদ্ধে ধন আদায়ৰ বাবে বিভাগে বিধিগত ব্যৱস্থা হিচাপে বাকীজাই গোচৰ,. ফৌজদাৰী গোচৰ তৰাৰ উপৰিও সময়ে সময়ে পুলিচত এজাহাৰ দি আইনগত ব্যৱস্থা লোৱা হৈছে। (বিতং তালিকা সদনৰ মেজত দিয়া হ'ল)।
(See Annexure-XXXIII)

বিষয় ঃ পুনর সংস্থাপনের অনুদান।

হাজী সেলিম উদ্দিন বৰভূইয়া জিজ্ঞাসা করেছেন ঃ

২০৮। মাননীয় রাজহ ও দুর্যোগ ব্যবস্থাপনা বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জনাবেন কি ঃ

(ক) হাইলাকান্দি জেলায় ২০০৭-০৮ বর্ষ প্রাকৃতিক দুর্যোগে আক্রান্ত পরিবারগুলোকে পারিতোষিক সাহায্য বা পুনর সংস্থাপনের জন্য অনুদান দেওয়া হয়েছিল কি?

(খ) যদি হয়, তবে পারিতোষিক সাহায্য কতো টাকা দেওয়া হয়েছে এবং পুনর সংস্থাপনের সাহায্য কত টকা দেওয়া হয়েছে এবং কতজন লোকে সাহায্য পেয়েছে।

ডাঃ ভুমিধৰ বর্মন (ৰাজহ আৰু দুর্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, দিয়া হৈছিল।

(খ) ২-৭-০৮ বিত্তীয় বর্ষত হাইলাকান্দি জিলাত বানপানীত ক্ষতিগ্রস্ত ৩,৬১,৩১৩ জন লোকক পাৰিষোষিক সাহায্য হিচাপে ২,৫৫,০০,০০০/- টকা দুর্যোগ সাহায্য পুঁজিৰ পৰা মঞ্জুৰি দিয়া হৈছিল। আকৌ বানপানীত ক্ষতিগ্রস্ত ৩৫,০৬৭টা পৰিয়ালক পুনৰ সংস্থাপন সাহায্য হিচাপে সর্বমুঠ ৮,৯০,০৬,০০০ টকা মঞ্জুৰি দিয়া হৈছিল।

মঞ্জুৰিকৃত ওপৰোক্ত ধন ৰাশি ইতিমধ্যে উপায়ুক্তক মোকলাই দিয়াও হৈছে।

বিষয় ঃ N.G.O.ৰ দ্বাৰা আঁচনি ৰূপায়ণ।

শ্রীৰামেশ্বৰ ধানোৱাৰে সুধিছে ঃ

২০৯। মাননীয় জনস্বাস্থ্য বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) তিনিচুকীয়া জিলাৰ গ্রাম্য অঞ্চলত যোৱা ২০০৮ চনৰ পৰা ২০১০ চনৰ জানুৱাৰী মাহলৈকে কোন কেইখন গাঁৱত কেইটা শৌচাগাৰ নির্মাম সম্পূর্ণ কৰা হৈছে?

(খ) কোন কোন আত্মসহায়ক গোট আৰু N.G.O ক কোন কোন গাঁৱক আঁচনি ৰূপায়নৰ বাবে দিয়া হৈছে? (গাঁৱৰ নামৰ বিপৰীতে আত্মসহায়ক গোট আৰু N.G.O.ৰ নামৰ তালিকা দিব।

শ্রী ৰিহণ দৈমাৰী (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) তিনিচুকীয়া জিলাত সম্পূর্ণ অনাময় আঁচনিৰ অধীনত জানুৱাৰী ২০১০ চনলৈকে মুঠ ২২,২১৪ টা শৌচাগাৰ বি পি এল হিতাধিকাৰীৰ ঘৰত সম্পূর্ণ কৰা হৈছে।
(তালিকা নং ১ সংলগ্ন কৰা হৈছে) (See Annexure-XXXIV)

(খ) আত্মসহায়ক গোট আৰু N.G.O.ৰ নাম পঞ্চায়ত ভিত্তিক তালিকা (তালিকা নং ২) সংলগ্ন কৰা হ'ল। (See Annexure-XXXV)

বিষয় ঃ নাগৰিক পঞ্জী উন্নীতকৰণ।

শ্রী উদ্ধৱ বর্মনে সুধিছে ঃ

২১০। মাননীয় অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমত নাগৰিকপঞ্জী উন্নীতকৰণৰ বাবে বিভিন্ন দল-সংগঠনৰ মাজত কিবা সহমত (Consensus) সৃষ্টি হৈছেনে? এনে সহমত কিহৰ ভিত্তিত সৃষ্টি হৈছে বিতংকৈ জনাব?

(খ) এই নাগৰিকপঞ্জী উন্নীতকৰণৰ (Updating) কামৰ কিমান অগ্রগতি হৈছে?

(গ) এই নাগৰিপঞ্জী উন্নীতকৰণৰ ক্ষেত্রত কেন্দ্রীয় চৰকাৰে কিবা নির্দেশনা দিছে নেকি? যদি দিছে, তেনেহ'লে এই নির্দেশনাবোৰ কি কি?

(ঘ) এনেবোৰ নির্দেশনা সম্পর্কত ৰাজ্য চৰকাৰৰ স্থিতি কি বিতংকৈ জনাব?

(ঙ) কেতিয়াকৈ নাগৰিকপঞ্জীৰ উন্নীতকৰণৰ কাম সমূর্ণ হ'ব তাৰ কিবা সময়সীমা নির্ধাৰণ কৰা হৈছে নেকি?

ডাঃ ভূমিধৰ বর্মন (অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) হয়। নাগৰিকপঞ্জী প্রস্তুত কৰণৰ ভিত্তিৰ ওপৰত সহমত হৈছে। বৈঠকত বিভিন্ন দল-সংগঠনৰ লগত হোৱা আলোচনাৰ মর্মে মন্ত্রীসভাৰ উপ-সমিতিৰ বৈঠকৰ বিৱৰণী গাঠি দিয়া হ'ল। (পৰিশিষ্ট 'ক') (See Annexure-XXXV)

(খ) কেন্দ্রীয় চৰকাৰৰ ৰাজপত্রত GSR 803(E) যোগে ২০০৯ চনৰ ৯ নৱেম্বৰত Citizenship (Registration of Citizens & Issue of National Identity Cards) Rules, ২০০৩ ৰ ২০০৯ সংশোধনী প্রকাশ হৈছে।

(গ) হয়। দুটা পাইলট প্রজেক্ট আৰম্ভ কৰিবৰ বাবে জনাইছে। নথি দিয়া হ'ল। (পৰিশিষ্ট 'খ', 'গ')। (See Annexure-XXXVI)

(ঘ) ৰাজ্য চৰকাৰে দাখিল কৰা মডেলিটিত পঞ্জীয়নৰ ভিত্তি ১৯৫১ চনৰ পঞ্জী আৰু ১৯৭১ চন পর্যন্ত ভোটাৰ তালিকাসমূহ বুলি প্রস্তাৱ কৰা হৈছে। কিন্তু সদ্য প্রকাশিত সংশোধনীৰ অধিনিয়মত ভিত্তি বর্ষ ১৯৭১ চনৰ পূর্বৰ ভোটাৰ তালিকা বুলি ধার্য্য কৰিছে। সেয়ে কেন্দ্রীয় চৰকাৰৰ পৰা সংশোধনী বিচৰা হৈছে। (ৰাজ্য চৰকাৰৰ চিঠিৰ প্রতিলিপি

সংলগ্ন কাৰ হ'ল)। (পৰিশিষ্ট 'ঘ')

(ঙ) বিষয়টো কেন্দ্রীয় চৰকাৰৰ যদি আমাৰ ৰাজ্য চৰকাৰৰ তৰফৰ পৰা সঘনে যোগাযোগ কৰি থকা হৈছে। অৱশ্যে নাগৰিকপঞ্জী শীঘ্রে প্রস্তুত কৰাৰ বাবে আমাৰ ৰাজ্য চৰকাৰৰ পৰা ১৯৫১ চনৰ নাগৰিকপঞ্জী ও ১৯৭১ চন পর্য্যন্ত ভোটাৰ তালিকাসমূহৰ Scanning আৰু data entryৰ কাম প্রায় সম্পূর্ণ হৈছে। ইতিমধ্যে আমি বিচৰামতে কেন্দ্রীয় চৰকাৰে সংশ্লিষ্ট আইন (Rule) সংশোধন কৰি আমাক দায়িত্ব দিলে অতি শীঘ্রে কাম আৰম্ভ কৰি অতি সোনকালে সম্পন্ন কৰাৰ ব্যৱস্থা লোৱা হ'ব।

বিষয় ঃ অনুদানৰ পৰিমাণ।

শ্রী ৰামেশ্বৰ তেলীয়ে সুধিছে ঃ

২১১। মাননীয় ৰাজহ আৰু দুর্য্যোগ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) প্রাকৃতিক দুর্য্যোগ শিতানত ২০০৬ চনৰ পৰা ২০০৯ চনৰ ১ মে'লৈকে কেন্দ্রীয় চৰকাৰৰ পৰা ৰাজ্য চৰকাৰে মুঠ কিমান টকাৰ অনুদান পাইছে?

(খ) উক্ত বিত্তীয় বছৰত প্রাকৃতিক দুর্যোগ শিতানত আৱণ্টিত হোৱা টকা কোন কোন বিভাগত কিমান টকাকৈ আৱণ্টন দিয়া হৈছে?

ডাঃ ভূমিধৰ বর্মন (ৰাজহ আৰু দুর্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ২০০৬ চনৰ পৰা ২০০৯ চনৰ ১ মে'লৈকে প্রাকৃতিক দুর্যোগ শিতানত কেন্দ্রীয় চৰকাৰৰ পৰা ৰাজ্য চৰকাৰে দুর্যোগ সাহায্য পুঁজিৰ কেন্দ্রীয় চৰকাৰৰ অংশ আৰু ৰাষ্ট্রীয় দুর্যোগ সম্ভাব্য নিধি শিতানত

(NCCF) মুঠ ৭৬০.৩০২৫ কোটি টকাৰ অনুদান পাইছে; ইয়াৰে NCCF শিতানৰ পৰা পোৱা ৩০০.০০ কোটি টকা নির্দিষ্ট শিতানলৈ হস্তান্তৰকৰণৰ বাবে অনুমোদন বিচাৰি নথি বিত্ত বিভাগলৈ প্রেৰণ কৰা হৈছে।

(খ) উক্ত বিত্তীয়বছৰত প্রাকৃতিক দুর্য্যোগ শিতানত তলত উল্লেখিত বিভাগসমূহক আৱণ্টন দিয়া টকাৰ পৰিমাণ হ'ল ঃ

১। গড়কাপ্তানি বিভাগ ঃ ২৪০ কোটি ৭০ লাখ ২৩ হাজাৰ টকা

২। জলসম্পদ বিভাগ ঃ ৩৪৮ কোটি ২২ লাখ ৩৯ হাজাৰ টকা

৩। কৃষি বিভাগ ঃ ৮০ কোটি ২৪ লাখ ৩ হাজাৰ ৮৪৪ টকা

৪। পশুপালন আৰু পশু চিকিৎসা বিভাগ ঃ ২ কোটি ৭৫ লাখ টকা

৫। জলসিঞ্চন বিভাগ ঃ ১ কোটি ৫৬ লাখ ৫৩ হাজাৰ ৮৯ টকা

ইয়াৰোপৰি জনস্বাস্থ্য কাৰিকৰি, গৃহ, গুৱাহাটী উন্নয়ন, ভূমি সংৰক্ষণ, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ ইত্যাদি বিভাগলৈ আৱণ্টন দিয়া টকাৰ পৰিমান হ'ল প্রায় ১৪ কোটি ৭ লাখ ৩১ হেজাৰ ১৭৩ টকা।

Sub : NRC Preparation.

Dr. Aditya Langthasa, Shri Sirajuddin Ajmal asked :

212. Will the Minister of Implementation of Assam Accord be pleased to state :

(a) Following the Assam Accord in which year the Government started the work of NRC preparation in Asssam?

(b) What are the modalities of NRC prepared by the

Government of Assam and submitted to the Government of India?

(c) Is it ture that the Government of India have already notified (i) NRC of 1951 and (ii) Electoral roll of 1966 as respective base years for the preparation of NRC in Assam?

Dr. Bhumidhar Barman (Minister, Implementation of Assam Accord Department) replied :

(a) The preliminary works relation to updation of NRC such as data entry of NRC 1951 and Electoral Rolls upto 1971 were started in 2005 and are nearing completion. For this work Govt. of India provided Rs. 3.02 crores also for purchase of computer etc.

(b) A Copy of the modalities for updating of NRC submitted by the Govt. of Assam is placed at Annexure 'A'. (See Annexure-XXXVII)

(c) No.

বিষয় ঃ অবৈধভাৱে বসবাস কৰা বিদেশীলোক আৰু সীমান্তৰ কাঁটা তাঁৰৰ বেৰ।

ডাঃ তাৰাপ্রসাদ দাসে সুধিছে ঃ

২১৩। মাননীয় অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনত বর্তমানলৈকে অবৈধভাৱে বসবাস কৰি থকা বিদেশী নাগৰিকৰ পৰিসংখ্যা কিমান?

(খ) বর্তমানলৈকে ৰাজ্যখনত কিমানজন অবৈধ নাগৰিকক চিনাক্তকৰণ কৰা হ'ল আৰু ইয়াৰ কিমানজনক বহিষ্কাৰ কৰা হ''ল।

(গ) ভাৰত বাংলাদেশ সীমান্তত বৰ্তমানলৈকে কিমান কিঃ মিঃ কাঁটা তাঁৰৰ বেৰ নিৰ্মাণ কাৰ্য্য সমাপ্ত হ'ল আৰু ইয়াৰ কিমান কিঃমিঃ কাঁটা তাঁৰৰ বেৰ নিৰ্মাণ কাৰ্য্য বাকী আছে?

(ঘ) এই আধৰুৱা কাটা তাঁৰৰ নিৰ্মাণ কাৰ্য্য কেতিয়ালৈ সম্পূৰ্ণ হ'ব?

(ঙ) ইয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰে বৰ্তমানলৈকে কিমান পুঁজি মোকোলাই দিছে?

ডাঃ ভুমিধৰ বৰ্মন (অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ৰাজ্যখনত বৰ্তমানলৈকে অবৈধভাৱে বসবাস কৰি থকা বিদেশী নাগৰিকসমূহ চিনাক্তকৰণৰ কাম চলি আছে। ইয়াৰ সঠিক পৰিসংখ্যা দিব পৰা নগ'ল।

(খ) বৰ্তমানলৈকে ৰাজ্যখনত মুঠ ৪৮,৮৫৪ জনক অবৈধ নাগৰিক বুলি চিনাক্ত কৰা হৈছে আৰু ২,২৯৭ জন অবৈধ নাগৰিকক বহিষ্কাৰ কৰা হৈছে। ইয়াৰোপৰি ২৭,০১৫ জন নতুন/পুনঃ অবৈধ প্ৰব্ৰজনকাৰী ধৰা পেলাই বাংলাদেশলৈ ঘুৰাই পঠোৱা হৈছে।

(গ) ভাৰত-বাংলাদেশ সীমান্তত বৰ্তমানলৈকে অসম গড়কাপ্তানী (সীমান্ত পথ) বিভাগে অসম-বাংলাদেশ সীমান্তত ১৭৫.৬২৭ কিঃমিঃ কাঁইটীয়া তাঁৰৰ বেৰৰ নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ কৰিছে আৰু নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ হ'বলৈ মুঠ ০.৮৯৩ কিঃমিঃ বাকী আছে।

(ঘ) এই আধৰুৱা ০.৮৯৩ কিঃমিঃ কাঁইটীয়া তাঁৰৰ বেৰৰ নিৰ্মাণ কাৰ্য্য মাৰ্চ, ২০১০ত সম্পূৰ্ণ কৰাৰ বাবে লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।

(ঙ) ভাৰত-বাংলাদেশ সীমান্তত অসম গড়কাপ্তানী (সীমান্ত পথ) বিভাগক অৰ্পণ কৰা কামৰ বাবে কেন্দ্ৰীয় চৰকাৰে বৰ্তমানলৈকে সীমান্ত পথ, দলং, কাঁইটীয়া তাঁৰৰ বেৰ নিৰ্মাণ আদিৰ বাবে মুঠ ৩০৩.৫৭ কোটি

টকা মোকোলাই দিছে।

Sub : Implementation of Schemes.

Sri Chandi Basumatary asked :

214. Will the Minister of Border Areas be pleased to state:

What are the schemes under B.A.D.P. (SCA) implemented during the year 2005-06, 2006-07, 2007-08, 2008-09 in Tamulpur Development Block and Nagarijuli Development Block under Tamulpur LAC? (Furnish the lists of the schemes year-wise with name of the exceuting agency alongwith the total amount spent year-wise)

Sri Gautam Roy (Minister) replied :

The list of schemes showing the name of executing Agency and the amount spent scheme-wise during the year 2005-06, 2006-07, 2007-08 and 2008-09 in Tamulpur Development block and Nagrijuli Development Block under Tamulpur LAC is placed at Annexure 'A". (See Annexure-XXXVIII)

বিষয় ঃ ৰাস্তা-ঘাট মেৰামতি।

শ্রী সুমিত্রা দলে পাতিৰে সুধিছে ঃ

২১৫। মাননীয় সীমান্ত অঞ্চল উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) চৰকাৰ অৱগতনে, অসম আৰু অৰুণাচল সীমাত ধেমাজি সমষ্টিৰ নামনি সোৱণশিবিৰৰ পৰা মৰিচলৈ পাহাৰৰ কাষে কাষে যাতায়াতৰ বাবে ৰাস্তা পদুলি ভাল নোহোৱাত প্রায় ২৬ খন গাঁৱৰ ৰাইজে অসুবিধাৰ সন্মুখীন হৈছে?

(খ) যদি অৱগত, উক্ত সমস্যা সমাধানৰ বাবে চৰকাৰে ৰাস্তা, দলং নির্মাণ কৰাৰ ব্যৱস্থা কৰিছে নেকি?

শ্রী দীনেশ প্রসাদ গোৱালা (নগৰ উন্নয়ন বিভাগৰ মন্ত্রীয়ে সীমান্ত অঞ্চল বিভাগৰ মন্ত্রী শ্রী গৌতম ৰয়ৰ হৈ) উত্তৰ দিছে ঃ

(ক) হয়, অৱগত।

(খ) হয়, চৰকাৰে ৰাস্তা-দলং নির্মান কৰাৰ বাবে ব্যৱস্থা গ্রহণ কৰিছে। চৰকাৰে ইতিমধ্যে লোৱা উন্নয়নমূলক আঁচনিৰ তালিকা পৰিশিষ্ট 'ক'ত দিয়া হ'ল। (See Annexure-XXXIX)

Sub : Protection of Belseri and Sapoi River and Gabharu.

Shri Bhimananda Tanti asked :

216. Will the Minister of Water Resources be pleased to state :

(a) Whether the Government is aware that the Sapoi River at Lowdungi and Belseri River at Ramnathpur Village, Bardubi, Katanibari, Rohinibul and Kamarchuburi Villages and Baligaon and Gabharu River at Thekerajuli have created erosion to villages and washing away standing crops etc.?

(b) If so whether the Government has taken measure for protection of these villages.

Shri Prithibi Majhi (Minister, Water Resources) replied :

(a) Yes.

(b) Estimates for protection of all the aforsaid villages have been submitted to concerning Govt. Authority under C.R.F. and is awating sanction.

বিষয় ঃ জলসম্পদ বিভাগৰ আঁচনি।

ড° মনোৰঞ্জন দাসে সুধিছে ঃ

২১৭। মাননীয় জলসম্পদ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমৰ জল সম্পদ বিভাগৰ বাবে বিগত তিনিটা বিত্তীয় বৰ্ষত বিভিন্ন আঁচনি ৰূপায়ণৰ বাবে কিমান টকা ধাৰ্য্য কৰিছিল আৰু ইয়াৰে কিমান টকা খৰচ হ'ল?
(বিতংভাৱে জনাব)

(খ) ভৱানীপুৰ সমষ্টিৰ পহুমৰা নদীৰ পশ্চিম দিশত থকা মথাউৰিত বিপদজনক স্থানকেইটা আছে?
(নামসহ উল্লেখ কৰিব)

(গ) এই বিপদজনক স্থানবোৰত জল সম্পদ বিভাগৰ আঁচনি লোৱা হৈছেনে? যদি লৈছে, ক'ত ক'ত লৈছে আৰু প্রতিটো আঁচনিৰ বিপৰীতে ধনৰ পৰিমাণ উল্লেখ কৰিব?

(ঘ) ইয়াৰে কিমান ধন খৰচ হ'ল, কিমান খৰচ হ'বলৈ বাকী আছে আৰু খৰচ অনুপাতে কামৰ অগ্রগতি কি?

(ঙ) এই মথাউৰিৰ বিশেষ কটহবাৰী গাঁৱত থকা মথাউৰিৰ অংশ যথেষ্ট বিপজ্জনক যদিও ইয়াত কামৰ গতি যথেষ্ট লেহেম হোৱাৰ কাৰণ কি?

(চ) কটহবাৰী গাঁৱত থকা মথাউৰিৰ ভয়াৱহতালৈ চাই অতি শীঘ্রে ইয়াৰ কাম দ্রুত গতিত কৰাৰ ব্যৱস্থা ল'বনে?

শ্রী পৃথিৰী মাঝি (জলসম্পদ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) বিগত তিনিটা বিত্তীয় বৰ্ষত বিভিন্ন শিতানত বিভিন্ন আঁচনি ৰূপায়ণৰ বাবে মুঠ ১,৪৬,৪০৯.৫৭ লাখ টকা ধাৰ্য কৰা হৈছিল আৰু ইয়াৰে মুঠ ৪৩,৭২২.৫২৭৪ লাখ টকা খৰচ কৰা হ'ল।

(খ) ভৱানীপুৰ সমষ্টিৰ পহুমৰা নদীৰ পশ্চিম দিশত থকা মথাউৰিত মুঠ ৮ (আঠ)টা বিপদজনক স্থান আছে।

স্থানকেইটা হ'ল — শিঙিমাৰী, পুঠি.মাৰী, মেধিকুচী-১, মেধিকুচি-২, কটাহবাৰী, কুচৰাবাহা, কহৰা পথাৰ আৰু ভবানীপুৰ।

(গ) হয়, আঁচনি লোৱা হৈছে।

এই ৮ (আঠ)টা বিপদজনক স্থানক সামৰি বান ব্যৱস্থাপনা শিতানৰ (F.M.P.) অধীনত এখন আঁচনিৰ কাম ৰূপায়ণ কৰি থকা হৈছে। এই আঁচনিৰ বিপৰীতে মুঠ ৭৪০.৪৫ লাখ টকা ধার্য্য কৰা হৈছে।

(ঘ) আঁচনিৰ বিপৰীতে মুঠ ১৭৩.০০ লাখ টকা খৰচ কৰা হৈছে আৰু ৫৬৭.৪৫ লাখ টকা খৰচ হ'বলৈ বাকী আছে।

খৰচ অনুপাতে কামৰ অগ্রগতি প্রায় ডেৰ গুণতকৈ বেছি।

(ঙ) যাতায়াতৰ অসুবিধাৰ বাবে কটাহবাৰী গাঁৱলৈ শিলৰ ট্রাক প্রয়োজন অনুসৰি নিব পৰা হোৱা নাই বাবে কামৰ অগ্রগতি কিছু লেহেমীয়া হৈছে। বর্তমান বিকল্প পদ্ধতিৰে শিল নিয়াৰ ব্যৱস্থা কৰা হৈছে।

(চ) মথাউৰিৰ ভয়াৱহতালৈ চাই কামৰ ব্যৱস্থা লৈ থকা হৈছে আৰু অতি শীঘ্রে কাম সম্পূর্ণ কৰা হ'ব।

বিষয় ঃ Approved Scheme.

শ্রী চিদ্দিক আহমেদ জিজ্ঞাসা কৰেছেন ঃ

২১৮। মাননীয় সীমান্ত এলেকা বিভাগৰ মন্ত্রী মহোদয় অনুগ্রহ কৰিয়া জানাবেন কি ঃ

(ক) করিমগঞ্জ জিলায় ২০০৯-২০১০ সালৰ জন্য করিমগঞ্জ জিলার South Karimganj Dev. Block, Patharkandi Dev Block, North Karimganj Devlopment Block and Badarpur

Dev. Block-এ কি কি Scheme Government of Indiaই approved করেছে?

(খ) কি কি নিয়মের ভিত্তিতে ২০০৯-১০ সালের Scheme approve করার জন্য Government of India-তে পাঠানো হয়েছিল?

(গ) Border Areas Development Scheme Selection-এ Guideline সদনে দাখিল করবেন? Scheme Selection এর ক্ষেত্রে Guide line maintain হয়েছিল কি?

Sri. Dinesh Prasad Goala (Minister, Urban Development Department, on behalf of Minister, Border areas) replied :

(a) The list of schemes approved by the SLSC and Govt. of India during 2009-2010 under south Karimganj, Patharkandi, Badarpur and North Karimganj Dev. Blocks is placed at annexure-I (See Annexure-XL)

(b) The schemes are approved by the SLSC as per Government of India's guidelines.

(c) Copy of the guidelines is given at annexure-II (See Annexure-XL-I)

Yes.

বিষয় ঃ চাহ বাগানৰ ৰাজহ।

শ্রী গিৰীন্দ্র কুমাৰ বৰুৱাই সুধিছে ঃ

২১৯। মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনৰ চাহ বাগান সমূহৰ পৰা বিভাগে কিমান টকা ৰাজহ হিচাবে লাভ কৰে?

(খ) উক্ত ৰাজহ চাহ বাগান সমূহে নিয়মীয়াকৈ আদায় দি আছেনে?

(গ) যদিহে নিয়মীয়াকৈ আদায় দিয়া নাই তেনেহ'লে উক্ত চাহ বাগান সমূহৰ নামসমূহ জনাবনে?

(ঘ) বহু চাহ বাগানে অবৈধভাৱে চৰকাৰী মাটি দখল কৰি চাহ খেতিৰ ব্যৱসায় কৰাটো সঁচানে?

(ঙ) যদিহে সঁচা, তেনেহ'লে অবৈধভাৱে দখল কৰা মাটিৰ পৰিমাণ কিমান?

(চ) কোন কোন চাহ বাগানে অবৈধভাৱে ভূমি দখল কৰিছে?

ডাঃ ভূমিধৰ বৰ্মন (ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ২১ খন জিলাৰ পৰা পোৱা তথ্য অনুসৰি ৮,৮৬,৪১,৯৭৬.৩৩ টকা ৰাজহ হিচাপে লাভ কৰে।

(খ) কিছু সংখ্যক চাহ বাগিচাই নিয়মীয়াকৈ ৰাজহ আদায় দি আছে। কিছু সংখ্যকে নিয়মীয়াকৈ আদায় দি থকা নাই।

(গ) পৰিশিষ্ট 'ক' যোগে দিয়া হ'ল। (See Annexure-XL-II)

(ঘ) কিছু সংখ্যক চাহ বাগানে অবৈধভাৱে চৰকাৰী মাটি দখল কৰি চাহ খেতিৰ ব্যৱসায় কৰি থকাটো সঁচা।

(ঙ) আৰু (চ) পৰিশিষ্ট 'খ'ত দেখুওৱা হ'ল। (See Annexure-XL-III)

বিষয় ঃ বিদেশী নাগৰিক বহিষ্কৰণ আৰু চিনাক্তকৰ।

শ্রী ৰমেন্দ্র নাৰায়ণ কলিতাই সুধিছে ঃ

২২০। মাননীয় অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ২০০১ চনৰ পৰা ২০১০ চনৰ ৩১ জানুৱাৰীলৈকে কিমানজন বিদেশী

বহিষ্কাৰ আৰু চিনাক্তকৰণ কৰা হ'ল জনাবনে? চিনাক্তকৰণ কৰা বিদেশীসকলক বৰ্তমান ক'ত ৰখা হৈছে, জনাবনে?

(খ) অসম আৰু বাংলাদেশ সীমান্তত কাঁটা তাঁৰৰ বেৰৰ কাম এতিয়ালৈকে কিমান শতাংশ সম্পূৰ্ণ হ'ল? উক্ত কামটো কোন চনত সম্পূণ হোৱাৰ সম্ভাৱনা আছে জনাবনে?

(গ) অসমত বিদেশী চিনাক্তকৰণ কৰাৰ বাবে কিমানখন ট্ৰিবিউনেল গঠন কৰা হ'ল? সকলোবোৰ ট্ৰিবিউনেলত কাম-কাজ আৰম্ভ কৰা হৈছেনে? ট্ৰিবিউনেলসমূহত বিষয়া-কৰ্মচাৰীৰ সংখ্যা কিমান? ট্ৰিবিউনেলৰ বাবে বছৰি কিমান টকা খৰচ হয়।

(ঘ) Photo Indentity Card ৰাজ্যখনত দিয়াৰ যি সিদ্ধান্ত চৰকাৰে গ্ৰহণ কৰিছে উক্ত সিদ্ধান্তটো বৰ্তমান কি পৰ্য্যায়ত আছে?

(ঙ) কেন্দ্ৰীয় চৰকাৰে বিদেশী নাগৰিকৰ চিনাক্তকৰণৰ ভিত্তি বছৰ কি হ'ব লাগে বুলি ৰাজ্য চৰকাৰক অৱগত কৰিছে আৰু ৰাজ্য চৰকাৰে এই সম্পৰ্কত কি সিদ্ধান্ত গ্ৰহণ কৰিছে জনাবনে?

ডাঃ ভূমিধৰ বৰ্মন (অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ২০০১ চনৰ পৰা ২০১০ চনৰ ৩১ জানুৱাৰীলৈকে মুঠ ১৪,০৭২ জন বিদেশী নাগৰিকক চিনাক্ত কৰা হয় আৰু ১৭৬ জন বিদেশী নাগৰিকক বহিষ্কাৰ কৰা হয়। চিনাক্ত হোৱা ৫৫ জন বিদেশী নাগৰিকক গোৱালপাৰাৰ অস্থায়ী ডিটেনশ্যন কেম্পত বহিষ্কাৰৰ বাবে ৰখা হৈছে।

(খ) অসম আৰু বাংলাদেশ সীমান্তত কাঁটা তাঁৰৰ বেৰৰ কাম কৰাৰ বাবে অসম গড়কাপ্তানী (সীমান্তপথ) বিভাগক অৰ্পণ কৰা কামৰ ৯৮ শতাংশ সম্পূৰ্ণ হৈছে। অসম গড়কাপ্তানী (সীমান্ত পথ) বিভাগে বৰ্তমান কৰিবলগীয়া বাকী থকা কাম (০.৮৯৩ কিঃমিঃ) মাৰ্চ ২০১০ৰ ভিতৰত সম্পূৰ্ণ কৰাৰ বাবে লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।

(গ) অসমত বিদেশী চিনাক্তকৰণ কৰাৰ বাবে মুঠ ৩৬ খন ট্ৰিবিউনেল গঠন কৰা হৈছে। ইয়াৰে ৩২ খন ট্ৰিবিউনেলত কাম-কাজ চলি আছে আৰু নতুনকৈ গঠন হোৱা ৪ খন ট্ৰিবিউনেলৰ কাম-কাজ আৰম্ভ হোৱা নাই।

ট্ৰিবিউনেল সমূহত থকা বিষয়া-কৰ্মচাৰীৰ সংখ্যা ঃ

সদস্য	ঃ	১৯ জন।
কৰ্মচাৰী (তৃতীয় আৰু চতুৰ্থ বৰ্গ)	ঃ	২০১ জন।
	মুঠ =	২২০ জন

ট্ৰিবিউনেলৰ বাবে যোৱা দহটা বছৰত হোৱা খৰচৰ পৰিমাণ বছৰ অনুযায়ী তলত উল্লেখ কৰা হ'ল ঃ

বছৰ	সাধাৰণ (লাখ টকা)	ষষ্ঠ অনুসূচী (লাখ টকা)	মুঠ (লাখ টকা)
২০০০-২০০১	২৪৬.১১	—	২৪৬.১১
২০০১-২০০২	৩০৫.২৩	১৭.১৯	৩২২.৪২
২০০২-২০০৩	৩৫১.৬৫	১৬.৮২	৩৬৮.৪৭
২০০৩-২০০৪	৩৫১.৬৫	১৬.৮২	৩৬৮.৪৭
২০০৪-২০০৫	৩৬১.১০	১৮.৪৭	৩৭৯.৫৭
২০০৫-২০০৬	৩৫৩.৪১	১৮.০৬	৩৭১.৪৭
২০০৬-২০০৭	৫১৬.২৮	১৩.১৩	৫২৯.৪১
২০০৭-২০০৮	৪২৪.১৮	২৭.৭৯	৪৫১.৯৭
২০০৮-২০০৯	৫২০.৯৯	৩১.৪৬	৫৫২.৪৫
২০০৯-২০১০	৪৯৪.৫৭	৩৫.৬২	৫৩০.১৯
	৩,৯২৫.১৭	১৯৫.৩৬	৪,১২৯.৫৩

(ঘ) ফটো আইডেনটিটি কার্ড প্রস্তুতকৰণৰ সন্দর্ভত মহা পঞ্জীয়ক, ৰাষ্ট্রীয় নাগৰিক পঞ্জীয়নৰ পৰা পাব লগা নির্দেশৰ বাবে অপেক্ষা কৰি থকা হৈছে। সেই নির্দেশৰ ওপৰত ভিত্তি কৰি এই সম্পর্কত সিদ্ধান্ত গ্রহণ কৰা হ'ব।

(ঙ) কেন্দ্রীয় চৰকাৰে অদ্যবধিকৰণৰ ভিত্তিত বছৰ হিচাবে ১৯৫১ চনৰ নাগৰিকপঞ্জী আৰু ১৯৭১ চন আৰু পূর্বৰ ভোটাৰ তালিকাৰ উল্লেখ কৰিছে। ৰাজ্য চৰকাৰে দাখিল কৰা মডেলিটিৰ লগত অমিল হোৱা বাবে ৰাজ্য চৰকাৰে কেন্দ্রৰ পৰা স্পষ্টিকৰণ বিচাৰিছে।

Sub : Ongoing Schemes of Warer Resources in Nalbari.

Dr. Alaka Sarma asked :

221. Will the Minister of Water Resources be pleased to state:

(a) What are the ongoing schemes of Water Resources Department in Nalbari District.

(b) Kindly list the schemes from which source the fund is made available, what amount of fund is allotted, what is the target and to what extent has the target been fulfilled?

Shri Prithibi Majhi (Minister, Water Resources) replied :

(a) Presently there are 5 (five) Nos. of ongoing schemes (under Flood Management Prpgramme) and 4 (four) Nos. of ongoing schemes under C.R.F. in Nalbari District.

(b) The List of the schemes, source of fund, sanction amount Physical and Financial Progress and the target date of completion are furnished in Annexure I and Annexure II. (See Annexure-XL-IV)

বিষয় ঃ আৱৰ্জনা পেলোৱা নিৰ্দিষ্ট স্থান।

শ্ৰীসুশীল দত্তই সুধিছে ঃ

২২২। মাননীয় নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) সমগ্ৰ অসমত কিমানখন নগৰ সমিতি আৰু পৌৰসভা আছে জনাবনে?

(খ) ৰাজ্যখনত প্ৰতিখন নগৰ সমিতি আৰু পৌৰসভাৰ এলেকাসমূহ প্ৰতিদিনে পৰিষ্কাৰ কৰি ইয়াৰ আৱৰ্জনাসমূহ পেলোৱাৰ বাবে নিৰ্দিষ্ট স্থান (Land) আছেনে?

(গ) যদি আছে, কোন কোন নগৰ সমিতিৰ আছে জনাবনে?

(ঘ) যদি নাই, তেতিয়াহ'লে এই পৌৰসভা আৰু নগৰ সমিতিবোৰৰ এলেকা চৰকাৰে কেনেধৰণে পৰিষ্কাৰ কৰি ৰাখিব জনাবনে?

(ঙ) অসমৰ যিবোৰ নগৰ সমিতি আৰু পৌৰসভাত জাবৰ পেলোৱা নিৰ্দিষ্ট স্থান (Land) নাই সেই নগৰ সমিতি আৰু পৌৰসভাৰ জাবৰ-জোঁথৰ প্ৰতিদিনে ক'ত পেলোৱা হয়?

শ্ৰীদীনেশ প্ৰসাদ গোৱালা (নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) সমগ্ৰ অসমত ৫৭ খন নগৰ সমিতি আৰু ৩১ খন পৌৰসভা আছে।

(খ) প্ৰাপ্ত তথ্যমতে ৰাজ্যখনৰ ২১ খন নগৰ সমিতি আৰু ১০ খন পৌৰসভাৰ আৱৰ্জনা পেলোৱাৰ বাবে নিৰ্দিষ্ট স্থান আছে।

(গ) গহপুৰ, বিশ্বনাথ চাৰিআলি, নাহৰকটীয়া, চাবুৱা, ধিং, লালা, গোসাইগাঁও, হামৰেণ, তিতাবৰ, বৰপথাৰ, ডুমডুমা, টিহু, মাহুৰ, বোকাজান, বিহপুৰীয়া, মৰাণ, শিমলুগুৰি, ডকমকা, ধেমাজি, পাঠশালা, খাৰুপেটীয়া, নগৰ সমিতি আৰু নলবীৰী, তেজপুৰ, তিনিচুকীয়া, মৰিগাঁও, লক্ষীপুৰ (কাছাৰ) উত্তৰ লক্ষীমপুৰ, লংকা, শিৱসাগৰ, দেৰগাঁও, নাজিৰা

পৌৰসভাৰ আৱৰ্জনা পেলোৱাৰ নির্দিষ্ট স্থান আছে বুলি তথ্য পোৱা গৈছে।

(ঘ) যিবোৰ নগৰ সমিতি আৰু পৌৰসভাৰ আৱৰ্জনা পৰিষ্কাৰ কৰি ৰাখিবলৈ নির্দিষ্ট স্থান নাই সেইবোৰ নগৰ সমিতি আৰু পৌৰসভাক নিজ এলেকাত চৰকাৰী মাটি আৱণ্টন বিচাৰি সংশ্লিষ্ট ৰাজহ বিষয়াৰ সৈতে যোগাযোগ কৰিবলৈ জনোৱা হৈছে।

(ঙ) জাবৰ-জোঁথৰ পেলাবলৈ নির্দিষ্ট ঠাই নথকা নগৰ সমিতি আৰু পৌৰসভাসমূহে পৰিষ্কাৰ কৰি ৰখাৰ স্বাৰ্থত সদ্যহতে সংশ্লিষ্ট পৌৰসভা-নগৰ সমিতি এলেকাৰ ওচৰে-পাঁজৰে থকা দ খালী ঠাই ব্যৱহাৰ কৰি আছে।

বিষয় ঃ গৰাখহনীয়া প্রতিৰোধ।

মোঃ মহিবুল হকে সুধিছে ঃ

২২৩। মাননীয় জলসম্পদ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) গৌৰীপুৰ সমষ্টিৰ নালিয়া বেৰভাংগিত ব্যাপকভাৱে গৰাখহনীয়া প্রতিৰোধ সম্পর্কে যোৱা চাৰি বছৰ ধৰি চৰকাৰক অনুৰোধ কৰা সত্ত্বেও প্রতিৰোধ ব্যৱস্থা নকৰাৰ কাৰণ কি?

(খ) মাননীয় জলসম্পদ মন্ত্রীয়ে ২০১০ চনৰ জানুৱাৰী মাহত উক্ত অঞ্চল ভ্রমণ কৰিব বুলি বিধানসভাৰ মজিয়াত প্রতিশ্রুতি দিয়াৰ পিচতো ভ্রমণ নকৰাৰ কাৰণ কি?

(গ) ভাৰত-বাংলাদেশ সীমান্তত উক্ত অঞ্চল অৱস্থিত, সেয়ে উক্ত অঞ্চলৰ বাসিন্দাসকল বাংলাদেশী বুলি সন্দেহ হোৱাত ইয়াৰ প্রতিৰোধৰ ব্যৱস্থা নকৰে বুলি ৰাইজে অনুমান কৰাৰ সত্যতা সম্পর্কে চৰকাৰৰ অভিমত প্রকাশ কৰিবনে?

শ্রীপৃথিৱী মাঝি (জলসম্পদ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) গৌৰীপুৰ সমষ্টিৰ অন্তর্গত নালিয়া বেৰভাংগি অঞ্চলত হোৱা গৰাখহনীয়া প্রতিৰোধৰ বাবে ২০০৮ চনত অনুষ্ঠিত ৪৪তম কাৰিকৰী উপদেষ্টা সমিতিৰ অনুমোদনক্রমে ১৪.৯৮ কোটি টকাৰ আঁচনি এখন ইতিমধ্যে যুগুত কৰা হৈছে। কেন্দ্রীয় চৰকাৰৰ যাৱতীয় অনুমোদন তথা পুঁজিৰ আৱণ্টন সাপেক্ষে আঁচনিখন কার্য্যকৰী কৰিব পৰা যাব। ইয়াৰ উপৰি উল্লেখিত অঞ্চলসমূহত গৰাখহনীয়া প্রতিৰোধ কৰিবৰ বাবে CRF শিতানত ৫২৯.৯৫ লাখ টকাৰ অন্য এখন আঁচনি প্রস্তুত কৰা হৈছে। ৰাজহ বিভাগৰ অনুমোদন তথা পুঁজিৰ আৱণ্টন সাপেক্ষে আঁচনিখনৰ কাম হাতত ল'ব পৰা যাব।

(খ) জলসম্পদ মন্ত্রী শ্রীযুত পৃথিৱী মাঝিয়ে ইতিমধ্যে ২৪/২/২০১০ তাৰিখে উক্ত অঞ্চল ভ্রমণ কৰে।

(গ) ৰাইজৰ এনে অনুমানৰ কোনো সত্যতা নাই।

বিষয় ঃ ভূমি জৰীপ।

শ্রীদুর্গা ভূমিজে সুধিছে ঃ

২২৪। মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) চৰকাৰী নিয়ম অনুযায়ী সাধাৰণতে কিমান বছৰৰ মূৰে মূৰে ভূমি জৰীপ হ'ব লাগে, জনাবনে?

(খ) তিনিচুকীয়া মহকুমাৰ অন্তর্গত ভূমিসমূহ কিমান বছৰৰ পৰা জৰীপ নোহোৱাকৈ আছে?

(গ) ৰাইজৰ সুবিধাৰ প্রতি লক্ষ্য ৰাখি চৰকাৰে ভূমিৰ জৰীপৰ ব্যৱস্থা গ্রহণ কৰিবনে? যদি কৰে, কেতিয়াৰ পৰা কাম আৰম্ভ কৰিব?

ডাঃ ভূমিধৰ বৰ্মন (ৰাজহ আৰু দুৰ্যোগ প্ৰশমন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) চৰকাৰী নিয়ম অনুযায়ী এতিয়া সাধাৰণতে ২০ (বিশ) বছৰৰ মূৰে মূৰে ভূমিৰ জৰীপ হ'ব লাগে। পূৰ্বে ৩০ (ত্ৰিশ) বছৰৰ মূৰে মূৰে জৰীপ কৰা হৈছে।

(খ) ১৯৭৬ চনৰ পিচৰ পৰা তিনিচুকীয়া মহকুমাৰ অন্তৰ্গত ভূমিসমূহ জৰীপ নোহোৱাকৈ আছে।

(গ) চৰকাৰে এই বিষয়ে ব্যৱস্থা ল'ব।

বিষয় ঃ স্বজলধাৰা আঁচনি।

শ্ৰীপ্ৰদীপ হাজৰিকাই সুধিছে ঃ

২২৫। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) সমগ্ৰ অসমত ২০০০ চনৰ পৰা ২০০৫ চনৰ ভিতৰত চৰকাৰে কিমান স্বজলধাৰা আঁচনিৰ কাম হাতত লৈছিল?

(খ) শিৱসাগৰ জিলাত কিমান এনে আঁচনি লোৱা হৈছিল? এই আঁচনিসমূহ ক'ত ক'ত লোৱা হৈছিল?

(গ) আঁচনিসমূহ বৰ্তমান কি অৱস্থাত আছে?

শ্ৰীৰিহণ দৈমাৰী (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) স্বজলধাৰা আঁচনিৰ কাম ২০০২-০৩ বিত্তীয় বৰ্ষৰ পৰাহে হাতত লোৱা হৈছিল। ২০০২-০৩ চনৰ পৰা ২০০৫-০৬ চনলৈকে বিভিন্ন জিলা পানী আৰু অনাময় সমিতিৰ (DNSC)ৰ জৰিয়তে ১০২ খন পাইপেৰে পানী যোগান আঁচনি (PWSS) আৰু ৭,১২২টা স্থানীয়

উৎস (Spot Source)ৰ কাম হাতত লোৱা হৈছিল।

(খ) শিৱসাগৰ জিলাত উক্ত সময়ৰ ভিতৰত মুঠতে দহখন পাইপ পানী যোগান আঁচনি (PWSS) আৰু ১৯টা স্থানীয় উৎস (Spot Source)ৰ কাম হাতত লোৱা হৈছিল। এই আঁচনিসমূহ গাঁও পঞ্চায়ত ভিত্তিত লোৱা হয় আৰু আঁচনিসমূহৰ স্থানৰ সবিশেষ পৰিশিষ্ট ১ত সংলগ্ন কৰি দিয়া হ'ল। (See Annexure- XL-V)

(গ) ওপৰোক্ত দহখন পাইপ পানী যোগান আঁচনি (PWSS)ৰ ভিতৰত সাতখনৰ কাম সম্পূৰ্ণ হৈছে আৰু পানী দি থকা হৈছে। বাকী থকা তিনিখন (PWSS) আঁচনিৰ কামো প্ৰায় ৯০%ৰ পৰা ৯৫% সম্পূৰ্ণ হৈছে। সকলোবোৰ স্থানীয় উৎসৰ কাম সম্পূৰ্ণ হৈছে।

সবিশেষ তথ্য পৰিশিষ্ট ২ত সংলগ্ন কৰি দিয়া হৈছে।
(See Annexure - XL-VI)

Sub : Flood affected areas.

Shri Sanjay Raj Subba asked :

226. Will the minister of Water Resources be please to state :

(a) Whether the Government is aware of the fact that the road communication of villages like Khilikhaguri, Ranga De-Reserve, via Banderdeva up to Dongibill under Nowboicha LAC had been damaged due to flood since long time?

(b) Is it also fact that the flood had also washed away the dwelling houses, paddy fields, schools and health Sub-centres? Whether the Government had prepared estimate for flood protection work and construction for flood affected areas?

(c) If so, when the work will be started? (Give details)

(d) Whether the Government is aware that during the year 2009, the flood of the river Singra, Ranganadi completely damaged the road communication of Dolohat, Singra where people had lost their paddy fields and other valuable properties?

(e) If so, what steps have been taken so far, as the matter had already been intimated to the Hon'ble Minister, Water Resources before 6 months?

(f) Whether work has not been started till date and when the Government will start the said flood protection works?

Shri Prithibi Majhi (Minister, Water Resources) replied :

(a) Yes.

(b) Yes, one scheme for protection of entire area located on both bank has been recommended by the 44th T.A.C. meeting.

(c) The work can be started only after receipt of approval/sanction and other statutory clearence.

(d) Yes.

(e) **For river Singra**

2 (two) Nos. of schemes have been prepared under C.R.F. for 2009-10 for closing of the breaehs on singra left bank and Right bank embankment. The schemes are already sanctioned by Revenue Department.

For river Ranganadi

2 (two) Nos. of scheme have been prepared under C.R.F. for 2009-10 for closing of the breach on Ranganadi left bank and right bank embankment. The schemes are already sanctioned by Revenue Department.

(f) Work is being started.

বিষয় ঃ বিষয়া-কর্মচাৰীৰ খালী পদ।

শ্রীঅভিজিত হাজৰিকাই সুধিছে ঃ

২২৭। মাননীয় আৰক্ষাৰী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) আৰক্ষাৰী বিভাগৰ অধীনত কোন কোন জিলাত কিমানজনকৈ বিষয়া-কর্মচাৰীৰ পদ খালী হৈ আছে?

(খ) ২০০৬ চনৰ পৰা অসমৰ প্রতিখন জিলাৰ আৰক্ষাৰী ৰাজহৰ পৰিমাণ কিমান কিমান? (বছৰ অনুসৰি বেলেগে বেলেগে জনাব)

(গ) অসমৰ প্রায় প্রতিখন জিলাতে অবৈধ সুৰা আৰক্ষাৰী বিভাগে মাজে মাজে জব্দ কৰাটো সত্যনে? যদি সত্য, বর্তমানে প্রতি জিলাত অবৈধ সুৰা জব্দ কৰি মজুত ৰখাৰ পৰিমাণ কিমান? (জিলা বিশেষে সবিশেষ জনাব)

(ঘ) জব্দ কৰা এই বৃহৎ পৰিমাণৰ অবৈধ সুৰাবোৰ কি কৰা হয়? (তথ্যসহকাৰে জনাব)

শ্রীদীনেশ প্রসাদ গোৱালা (আৰক্ষাৰী বিভাগৰ দায়িত্বত থকা নগৰ উন্নয়ন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) আৰক্ষাৰী বিভাগৰ অধীনত বিভিন্ন জিলাত থকা বিষয়া-কর্মচাৰীৰ খালী পদসমূহৰ তালিকা 'ক'ত দেখুওৱা হ'ল।
(See Annexure- XL-VII)

(খ) ২০০৬ চনৰ পৰা অসমৰ প্ৰতিখন জিলাত সংগ্ৰহ হোৱা ৰাজহৰ পৰিমাণ তালিকা 'খ'ত দেখুওৱা হ'ল। (See Annexure- XL-VIII)

(গ) অসমৰ প্ৰায় প্ৰতিখন জিলাতে অবৈধ সু�ৰা আবকাৰী বিভাগে অভিযান চলাই জব্দ কৰাটো সত্য। জব্দ কৰা অবৈধ সুৰাৰ পৰিমাণ জিলা বিশেষে 'গ'ত দেখুওৱা হ'ল। (See Annexure- XL-IX)

(ঘ) জব্দ কৰা অবৈধ বিলাতী সুৰাবোৰ (IMFL), আচামী আৰু সাক্ষীৰ সাক্ষাতত চিল-মোহৰ মাৰি আৱকাৰী মালখানাত ৰখা হয়। তাৰ পিচত সংশ্লিষ্ট ন্যায়িক ন্যায়ালয়ৰ আদেশমৰ্মে জব্দ কৰা সু�ৰাখিনি নিস্পত্তি কৰা হয়।

বিষয় ঃ অনাময় আঁচনিৰ পুঁজি।

ডাঃ তাৰাপ্ৰসাদ দাসে সুধিছে ঃ

২২৮। **মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) ৰাজ্যখনত অনাময় আঁচনিৰ জৰিয়তে বৰ্তমানলৈকে কিমান পুঁজি মোকলাই দিয়া হৈছে? (জিলাভিত্তিত তথ্য দাখিল কৰিব)

(খ) এই আঁচনিৰ জৰিয়তে ৰাজ্যখনৰ কিমান পৰিয়াল উপকৃত হৈছে? (জিলাভিত্তিত তথ্য দাখিল কৰিব)

(গ) ৰাজ্যখনৰ কিমানসংখ্যক বেচৰকাৰী সংস্থা (Non-Government Organiasation) আত্মসহায়ক গোট (Self Help Group) ইত্যাদি এই আঁচনিৰ লগত প্ৰত্যক্ষভাৱে জড়িত হৈ আছে? (নাম উল্লেখ কৰি জিলাভিত্তিত তথ্য দাখিল কৰিব)

শ্রীৰিহণ দৈমাৰী (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) সম্পূর্ণ অনাময় আঁচনিৰ অধীনত বর্তমানলৈকে ৰাজ্যখনলৈ কেন্দ্রীয় চৰকাৰৰ অংশ হিচাপে ২১,৪২৩.৮৫ লাখ আৰু ৰাজ্য চৰকাৰৰ অংশ হিচাপে ৩,৬৬৭.৪৩ লাখ টকা মোকলাই দিয়া হৈছে। (বিভিন্ন জিলা ভিত্তিত মোকলাই দিয়া পুঁজিৰ তালিকা Annexure-'A' সন্নিৰিষ্ট কৰা হৈছে)। (See Annexure- L)

(খ) ৰাজ্যখনত এতিয়ালৈকে এই আঁচনিৰ দ্বাৰা মুঠ ৫,৮৫,৯৫৪টা বি পি এল পৰিয়াল আৰু ১,৫২,৮৯৮টা এ পি এল (সর্বমুঠ ৭,৩৮,৭৭২টা) পৰিয়াল উপকৃত হৈছে। (বিভিন্ন জিলাভিত্তিত এনে উপকৃত পৰিয়ালৰ তালিকা Annexure- 'B' সন্নিৰিষ্ট কৰা হ'ল) (See Annexure- L-I)

(গ) এই আঁচনিৰ লগত বর্তমানলৈকে ৬৯০টা আত্মসহায়ক (Self Help Group) আৰু ১,২৫৪টা বেচৰকাৰী সংস্থা (Non-Government Organisation) জড়িত হৈ আছে। (জিলাভিত্তিত এনে S.H.G. আৰু N.G.O. সমূহৰ তালিকা Annexure-'C' ত সন্নিৰিষ্ট কৰা হৈছে) (See Annexure- L-II)

বিষয় ঃ চাহ বাগিচাত অনাময় আঁচনি।

শ্রীৰামেশ্বৰ ধানোৱাৰে সুধিছে ঃ

২২৯। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) তিনিচুকীয়া জিলাৰ চাহ বাগিচাৰ শ্রমিকৰ ঘৰবিলাকত অনাময় আঁচনি কিদৰে ৰূপায়ণ কৰিবলৈ লৈছে?

(খ) ২০০৮ চনৰ পৰা ২০১০ চনৰ জানুৱাৰী মাহলৈকে তিনিচুকীয়া জিলাৰ কোন বাগিচাৰ শ্রমিকৰ ঘৰত অনাময় শৌচাগাৰ নির্মাণ কৰা

হৈছে? (বাগিচাৰ নাম আৰু সংখ্যা দিব)

শ্রীৰিহণ দৈমাৰী (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অসম চৰকাৰৰ নির্দেশ মর্মে Tea Tribe Welfare Department, Assam আৰু Public Health Engineering Department ৰ যৌথ উদ্যোগত বাগিচাসমূহৰ পঞ্জীয়নবিহীন শ্রমিকসকলক বি পি এল হিচাপে গণ্য কৰি অনাময় আঁচনি ৰূপায়ণ কৰা হৈছে। সেই উদ্দেশ্যে চৰকাৰী নির্দেশনা অনুযায়ী তিনিচুকীয়া জিলাত জিলা উপায়ুক্তক অধ্যক্ষ হিচাপে লৈ এখন জিলা পর্যায়ৰ খোৱাপানী আৰু অনাময় সমিতি গঠিত হৈছে। এই সমিতিৰ দ্বাৰা কিছুসংখ্যক এন জি অ'ক পঞ্জীয়নভুক্ত কৰি তেওঁলোকৰ দ্বাৰা বাগিচাসমূহৰ শ্রমিকৰ পৰিয়ালৰ ঘৰ জৰীপ কৰা হৈছে আৰু সেই ঘৰসমূহত হিতাধিকাৰীৰ অংশ বাগিচা কর্তৃপক্ষই প্রদান কৰাৰ পাচত পর্য্যায়ক্রমে অনাময় শৌচাগাৰ নির্মাণ কৰি থকা হৈছে।

(খ) তিনিচুকীয়া জিলাৰ চাহ বাগিচাসমূহৰ পঞ্জীয়নবিহীন শ্রমিকসকলৰ ঘৰসমূহত অনাময় শৌচাগাৰ নির্মাণৰ কাম ২০০৯ চনৰ পৰা আৰম্ভ কৰা হৈছে। ২০১০ চনৰ জানুৱাৰী মাহলৈকে বাগিচাসমূহত নির্মাণ কৰা শৌচাগাৰ তলত উল্লিখিত বাগিচাসমূহৰ নাম অনুযায়ী সম্পূর্ণ কৰা হৈছে।

ক্রমিক নং	চাহ বাগিচাৰ নাম	সম্পূর্ণ হোৱা শৌচাগাৰৰ সংখ্যা
১।	বেতজান	২১১টা
২।	নলনী	৫০টা
৩।	পানীতোলা	৪১৪টা
৪।	লাংকাচী	৫০টা

৫।	সাবিত্রী	৫৫টা
৬।	চাৰিআলি	১১১টা
৭।	চান্দমাৰী	৫০টা
৮।	মাৰ্ঘেৰিটা	১০০টা
৯।	পাৰৈ	৫৬টা
১০।	পেঙেৰী	৪১টা
১১।	নিম্বুগুৰি	১৪৩টা
১২।	কচুজান	১১০টা
১৩।	গংগাবাৰী	২৪টা
১৪।	ইটাখুলি	২৩টা
১৫।	শুকানপুখুৰী	১১৪টা
	সৰ্বমুঠ =	১,৫৭২টা

বিষয় ঃ চাহ জনজাতি কল্যাণ।

শ্রীঅনন্ত ডেকাই সুধিছে ঃ

২৩০। মাননীয় শ্রম আৰু নিয়োগ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমত চাহ বাগানৰ সংখ্যা কিমান?

(খ) সৰ্বমুঠ কিমান চাহ শ্রমিক (স্থায়ী আৰু অস্থায়ী) কৰ্মৰত হৈ আছে?

(গ) বৰ্তমান চাহ শ্রমিকসকলৰ মজুৰি কিমান?

(ঘ) চাহ শ্রমিকসকলৰ মজুৰি বৃদ্ধিৰ বাবে চৰকাৰে কি পদক্ষেপ গ্রহণ

কৰিছে?

(ঙ) ৰাজ্যখনৰ ৰুগ্ন চাহ বাগানৰ সংখ্যা কিমান?

(চ) ৰুগ্ন চাহ বাগানসমূহত কর্মৰত সর্বমুঠ চাহ শ্রমিকৰ সংখ্যা কিমান? তেওঁলোকক সকাহ দিয়াৰ বাবে কি ব্যৱস্থা লৈছে?

(ছ) চাহ শ্রমিকসকলৰ কল্যাণৰ কাৰণে বর্তমানে কি কি আইন আছে?

(জ) উক্ত আইন উলংঘা কৰা মালিকসকলৰ বিৰুদ্ধে চৰকাৰে কি ব্যৱস্থা গ্রহণ কৰিছে?

(ঝ) সর্বমুঠ কিমান টকা চাহ বাগানৰ মালিকসকলে C.P.F. ৰ বাবদ নিদিয়াকৈ আছে আৰু চৰকাৰে কি ব্যৱস্থা গ্রহণ কৰিছে?

শ্রীপৃথিৱী মাঝি (শ্রম আৰু নিয়োগ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) বিভাগত থকা ৰেকর্ডমতে ৮৩৫ খন।

(খ) বিভাগীয় ৰেকর্ডমতে স্থায়ী ৪,১৪,৬৩১ জন আৰু অস্থায়ী ২,৪৪,১৯৫ জন।

(গ) দ্বিপাক্ষিক চুক্তিমতে ব্রহ্মপুত্র উপত্যকাত দৈনিক মজুৰি ৬৬.৫০ টকা আৰু বৰাক উপত্যকাত দৈনিক মজুৰি ৫১.৯৫ টকা।

(ঘ) মালিক পক্ষ আৰু শ্রমিক সংগঠনৰ মাজত হোৱা দ্বিপাক্ষিক চুক্তিমর্মে মজুৰি নির্ধাৰণ কৰা হৈ আহিছে।

(ঙ) ৰাজ্যত ৰুগ্ন চাহ বাগিচা থকা বিষয়ে এই বিভাগত তথ্য নাই।

(চ) '(ঙ)' উত্তৰ পৰিপ্রেক্ষিতত প্রশ্ন নুঠে।

(ছ) তেনে আইনৰ তালিকা গাঁঠি দিয়া হ'ল। (See Annexure- L-III)

(জ) সাধাৰণভাৱে ভুল-ত্রুটিবোৰ আঙুলিয়াই দি সেইবোৰ শুধৰণিৰ বাবে

মালিক পক্ষক সৈমান কৰোৱাৰ চেষ্টা কৰা, আইনগতভাৱে কাৰণ দৰ্শোৱাৰ জাননী জাৰী কৰা তথা নির্দিষ্ট আইনৰ আধাৰত গোচৰ ৰুজু কৰাকে ধৰি বিভিন্ন ব্যৱস্থা লৈ থকা হৈছে। যোৱা তিনি বছৰত ১১৪টা গোচৰ ৰুজু কৰা হৈছে।

(ঝ) অসম চাহ নিগমৰ বাহিৰে ৭৬,৭০,৪০,৭৪৪.০৮ টকা দিবলৈ বাকী আছে। আইনগতভাৱে চৰকাৰে ২০৭ খন বাগিচাৰ বিৰুদ্ধে ৭২৭টা বাকীজাই মোকর্দমা ৰুজু কৰিছে আৰু ৮৮ খন চাহ বাগিচাৰ বিৰুদ্ধে ফৌজদাৰী গোচৰ ৰুজু কৰিছে।

বিষয় ঃ গৰাখহনীয়া প্রতিৰোধ।

শ্রীৰামেশ্বৰ তেলীয়ে সুধিছে ঃ

২৩১। মাননীয় জলসম্পদ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ডিব্রুগড় জিলাৰ দুলীয়াজান সমষ্টিৰ অন্তর্গত টিংৰাই ভেকুলাজান বান্ধৰ কামত ১নং টিংৰাই নেপালী তথা ২নং টিংৰাই নেপালী গাঁৱৰ ওচৰত দিহিং নদীৰ গৰাখহনীয়া প্রতিৰোধৰ বাবে অসম চৰকাৰে ২০০৭-২০০৮ বর্ষৰ C.R.F. ধন আৱণ্টন কৰাটো সঁচানে? যদি সঁচা, তেন্তে কিমান টকা আৱণ্টন দিছে আৰু কেতিয়াৰ পৰা কাম আৰম্ভ কৰা হ'ব বিতংভাৱে জনাবনে?

শ্রীপৃথিৰী মাঝি (জলসম্পদ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ডিব্রুগড় জিলাৰ দুলীয়াজান সমষ্টিৰ অন্তর্গত ১নং টিংৰাই নেপালী তথা ২নং টিংৰাই নেপালী গাঁৱৰ ওচৰত হোৱা দিহিং নদীৰ গৰাখহনীয়া প্রতিৰোধ কৰাৰ বাবে ২০০৭-২০০৮ বর্ষত চৰকাৰে কোনো ধন আৱণ্টন দিয়া নাই।

Sub : Proposal of I.T.I

Shri Mission Ranjan Das asked :

232. Will the Minister of Labour and Employment be Please to state :

(a) Whether the Government has accorded sanction to the proposal of setting up of Industrial Training Institute (I.T.I.) and Rural Self- Employment Training Institute, made vide letter No. KRS. 7 /Pt-I/89-90/191, dated 05-12-2009 from the Deputy Commissioner?

(b) If yes, from when it will start functioning and if not state reasons thereof?

(c) How many I.T.I have been sanctioned in Assam during 2001-2009 - please give the year-wise chart with location?

(d) How many I.T.I will be sanctioned in the State in during 2010-2011, please give it in details?

Shri Prithibi Majhi (Minister, Labour & Employment) replied :

(a & b) Proposal for setting up of the industrial Training Institute (ITI) and the Rural Self Employment Training Institute (RSETI) have to be approved by Govt. of India as suggested by the Deputy Commissioner, Karimganj. The proposal of I.T.I has been approved by Govt of India, hence, the process of setting up of this ITI at R. K Nagar is under process. As far as setting up of the RSETI at Mouza-Taspur at Karimganj, the proposal is still to be approved by Govt. of India as the Govt. of

India has not finalized the guidelines for setting up of this RSETI at block level.

c) Total six number of ITI have been sanctioned during the year 2001 to 2009 as per the information given below:

(1) ITI, Dibrugarh, (2) ITI, Hailakandi, (3) ITI, Morigaon, (4) ITI,Goalpara, (5) ITI, Kajalgaon (under construction) and (6) ITI, Shuklaiat Baska (under Construction)

(d) At present there is a proposal for an ITI at Mangaldoi in Darrang District.

বিষয় ঃ সম্পূর্ণ অনাময় আঁচনি।

শ্রীমোবাৰক আলী পাঠানে সুধিছে ঃ

২৩৩। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমত বর্তমানে সম্পূর্ণ অনাময় আঁচনিৰ অধীনত কিমানটা সুলভ মূল্যৰ শৌচাগাৰ নির্মাণ কৰা হৈছে আৰু কিমানটা শৌচাগাৰৰ নির্মাণৰ কাম চলি আছে? বিংতভাৱে জনাব।

(খ) উক্ত আঁচনিৰ অধীনত সুলভ মূল্যৰ শৌচাগাৰ বহুতো হিতাধিকাৰীয়ে নোপোৱাটো সঁচানে?

(গ) উক্ত শৌচাগাৰ আৱণ্টনৰ বাবে তালিকা প্রস্তুতকৰণৰ ক্ষেত্রত APL, BPL কার্ড আৰু I.D. (আই ডি) নম্বৰক ভিত্তি কৰেনে?

(ঘ) যদি নকৰে, বহুতো দুখীয়া-গৰীৰ লোক ইয়াৰ পৰা বঞ্চিত হোৱা নাইনে?

(ঙ) অনাময় আঁচনিৰ অধীনৰ সুলভ মূল্যৰ শৌচাগাৰৰ বাছনিৰ ক্ষেত্ৰত কোনোধৰণৰ নিয়ম-নীতি আছেনে?

(চ) যদি আছে, সদনত দাখিল কৰিবনে?

শ্ৰীৰিহণ দৈমাৰী (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অসমত সম্পূৰ্ণ অনাময় আঁচনিৰ অধীনত এতিয়ালৈকে মুঠ ৭,৩৮,৭৭২টা শৌচাগাৰ নিৰ্মাণ কৰা হৈছে আৰু সদ্যহতে ১,৪২,৭০৫টা শৌচাগাৰ নিৰ্মাণৰ কাম চলি আছে। বিতং তথ্য Annexure- 'B' ত দিয়া হ'ল। (See Annexure- L-IV)

(খ) সঁচা। BPL ID No. থকা হিতাধিকাৰী সকলক কেন্দ্ৰীয় চৰকাৰৰ নীতি-নিৰ্দেশনা অনুসাৰে সুলভ মূল্যৰ শৌচাগাৰ দিয়াত কিছু BPL ID নথকা হিতাধিকাৰী উপকৃত হোৱা নাই। সেয়েহে বিভাগীয়ভাৱে পঞ্চায়ত বিভাগৰ লগত তালিকা সংশোধনৰ বাবে যোগাযোগ কৰি থকা হৈছে।

(গ) হয়।

(ঘ) প্ৰযোজ্য নহয়।

(ঙ) আছে।

(চ) বৰ্তমান কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশনাৱলী অনুসৰি ৰাজ্যিক পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ দ্বাৰা প্ৰস্তুত কৰা তথা website ত সন্নিৱিষ্ট ID নং যুক্ত দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ পৰিয়ালৰ তালিকা ব্যৱহাৰ কৰি চৰকাৰী ৰাজ সাহায্যত শৌচাগাৰ নিৰ্মাণ কৰিবলৈ দিয়া হয়।

Subject : Revenue Deposit.

Sri Karendra Basumatry asked :

234. Will the Minister of Revenue and Disaster Management be pleased to state :

(a) What amount of money have been allotted from Revenue deposit to different departments concerned since 2006 till December, 2009?

(b) State Constituency-wise allocations from the year 2006 to 31st December, 2009?

(c) Whether any road has been constructed under the amount of Revenue Deposit in Mazbat L.A.C?

(d) Whether the Executive Engineer, P.W.D.(R), Udalguri district has initiated any proposal for the construction of road under the amount of Revenue Deposit?

(Frunish the implementation report on the table of the House)

Dr. Bhumidhar Barman (Minister, Revenue & D.M.) replied :

(a) No allotment from Revenue, Deposit is made. The Department's are usually advised to draw the funds out of their Service Head of Account against specific sanctions and to keep those funds under Revenue Deposit particularly at the fag end of March where there lies no time for utilization during the financial year. Subsequently the withdrawals from Revenue Deposit are permitted examining the progress of work etc.

(b) As the Revenue Deposit are made against specific drawls, the Question of Constituency wise allocation does not arise.

(c) According to Deputy Commissioner, Udalguri no road has been constructed under Mazbat LAC from Revenue Deposit.

(d) According to Deputy Commissioner, Udalguri no road has been proposed to be constructed under PWD Udalguri Rural Road Division form the amount of Revenue Deposit.

বিষয় ঃ Water Supply Scheme.

শ্রীছিদ্দিক আহমেদ জিজ্ঞাসা করেছেন ঃ

২৩৫। মাননীয় জনস্বাস্থ্য কারিকরী বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) করিমগঞ্জ জিলায় বিগত ২০০৫-০৬, ২০০৬-০৭, ২০০৭-০৮, ২০০৮-০৯ সালে কতটি Piped water suply scheme sanction হয়েছিল এবং কতটি Administeative approval পেয়েছিল এবং কি কি নামে sanction এবং approval পেয়েছে?

(খ) এই scheme গুলোর মধ্যে কতটি scheme এর কাজ আজ অবাধি complete সম্পূর্ণ হয়েছে এবং কতটি incomplete আছে এবং কি কি scheme incomplete আছে? incomplete থাকার কারণ কি?

(গ) ২০০৯-১০ সালে কোন scheme approve বা sanction হয়েছে কি? এবং হলে কি কি scheme approve বা sanction হয়েছে?

শ্রীরিহণ দৈমারী (জনস্বাস্থ্য কারিকরী বিভাগের মন্ত্রী) উত্তৰ দিয়েছে ঃ

(ক) বিগত ২০০৫-০৬, ২০০৬-০৭, ২০০৭-০৮ এবং ২০০৮-০৯ সালে sanction এবং administrative approval হোওৱা piped water supply scheme গুলোর বিবরণ নিচে উল্লেখ করা হয়েছে ঃ

২০০৫-০৬ সালে ২০টা
২০০৬-০৭ সালে ২০টা
২০০৭-০৮ সালে ৩৪টা
২০০৮-০৯ সালে ৪০টা
মোট = ১১৪টা

(সম্পূর্ণ বিবরণ Annexure- 'A'টে অন্তর্ভুক্ত করা হয়েছে)
(See Annexure- XL-V)

(খ) ঐ scheme গুলোর মধ্যে ৮১টি PWSS এর কাজ সম্পূর্ণ হয়েছে তথা জল যোগান ধরা হয়েছে এবং অবশিষ্ট ৩৩টি PWSS এর কাজ চলিতেছে। (সম্পূর্ণ বিবরণ Annexure 'B' টে অন্তর্ভুক্ত করা হয়েছে) এই ৩৩টি PWSS মার্চ ২০১০ মাসে সম্পূর্ণ হওয়ার পথে। (See Annexure- XL-VI)

(গ) ২০০৯-১০ সালে মোট ২৩টি PWSS sanction হয়েছে এবং ৪৩৪টি পকি কুঁৱা sanction হয়েছে। সম্পূর্ণ PWSS এর Annexure- 'C' টে অন্তর্ভুক্ত করা হয়েছে।
(See Annexure- XL-VII)

বিষয় ঃ ডুমডুমা চহৰ উন্নয়ন।

শ্রীদুর্গা ভূমিজে সুধিছে ঃ

২৩৬। মাননীয় নগৰ উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বর্তমান নগৰ উন্নয়ন বিভাগৰ দ্বাৰা পৌৰসভা আৰু টাউন কমিটী সমূহত কি কি আঁচনিৰ কাম চলি আছে?

(খ) তিনিচুকীয়া জিলাৰ ডুমডুমা চহৰৰ উন্নয়নৰ বাবে চৰকাৰৰ হাতত কিবা পৰিকল্পনা আছে নেকি? যদি আছে কেনেধৰণৰ পৰিকল্পনা আছে আৰু কিমান দিনৰ ভিতৰত আঁচনিসমূহ সম্পূর্ণ কৰিব?

(গ) ডুমডুমা চহৰ অঞ্চলত বসবাস কৰা দৰিদ্র শ্রেণীৰ প্রতি লক্ষ্য ৰাখি চৰকাৰে জনতা আবাস যোজনা আঁচনিখন কার্য্যকৰী কৰিবৰ বাবে ব্যৱস্থা গ্রহণ কৰিছেনে?

শ্রীদীনেশ প্রসাদ গোৱালা (নগৰ উন্নয়ন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) বর্তমান নগৰ উন্নয়ন বিভাগৰ তত্ত্বাৱধানত নগৰ আৰু চহৰ পৰিকল্পনা সঞ্চালকালয়ৰ UIDSSMT জৰিয়তে আঁচনিৰ অধীনত ১৯ খন নগৰ সমিতি আৰু ৯ খন পৌৰসভাত, IHSDP আঁচনিৰ জৰিয়তে ৬ খন নগৰ সমিতি আৰু ৯ খন পৌৰসভাত, NLCPR আঁচনিৰ জৰিয়তে দুখন উন্নয়ন প্রাধিকৰণত আৰু 10% Pool Fund আঁচনিৰ জৰিয়তে ৯ খন নগৰ সমিতি, ১২ খন পৌৰসভা আৰু ৪ খন উন্নয়ন প্রাধিকৰণৰ কাম চলি আছে।

ইয়াৰ উপৰি অসম নগৰ পানী যোগান আৰু পয়-প্রণালী পৰিষদৰ জৰিয়তে গুৱাহাটী পৌৰ নিগমৰ জুৰোড পানী যোগান আঁচনি, ১২ খন পৌৰসভা, ২২ খন নগৰ সমিতি আৰু ২ খন লোকপিয়ল চহৰত পৰিচালিত আৰু নির্মীয়মান পানী যোগান.

আঁচনিৰ কাম চলি আছে।

তদুপৰি, পৌৰ প্ৰশাসন সঞ্চালকালয়ৰ জৰিয়তে পৌৰসভা আৰু নগৰ সমিতিসমূহত স্বৰ্ণজয়ন্তী চহৰী ৰোজগাৰ যোজনা, মুখ্যমন্ত্ৰীৰ অসম বিকাশ যোজনা, অল্পব্যয়ী শৌচাগাৰ নিৰ্মাণ আঁচনিৰ কাম চলি আছে।

অসম ৰাজ্যিক গৃহ নিৰ্মাণ পৰিষদৰ জৰিয়তে বাৰ্ষিক পৰিকল্পনা শিতানত ধাৰ্য্য কৰা টকাৰে তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ চৰকাৰী কৰ্মচাৰীৰ বাবে ভাড়াঘৰ আঁচনি পৌৰসভা আৰু টাউন কমিটীত থকা পৰিষদৰ নিজা মাটিত ৰূপায়ণ কৰিছে। তদুপৰি উক্ত ধনৰাশিৰে গুৱাহাটী মহানগৰীত ৰাজ্যিক তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীৰ বাবে ভাড়াঘৰ আঁচনি ৰূপায়ণ কৰি থকা হৈছে।

(খ) তিনিচুকীয়া জিলাৰ ডুমডুমা চহৰ উন্নয়নৰ বাবে চৰকাৰ 10% উমৈহতীয়া পুঁজি (10% Pool Fund) আঁচনিৰ অধীনত Storm water drainge৷ৰ ২,৩৩,৫৩,১৮০ টকাৰ প্ৰকল্প প্ৰতিবেদন ২০০৭-০৮ আৰু UDISSMT আঁচনিৰ অধীনত পানী যোগান আঁচনিৰ ১,২০০.০০ লাখ টকাৰ প্ৰকল্প প্ৰতিবেদন ২০০৯-১০ বিত্তীয় বৰ্ষত কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাখিল কৰা হৈছে। আঁচনি দুখন কেন্দ্ৰীয় চৰকাৰৰ অনুমোদন পোৱাৰ লগে লগে ৰূপায়ণৰ ব্যৱস্থা কৰা হ'ব।

(গ) বৰ্তমানলৈকে কৰা হোৱা নাই। কিন্তু ডুমডুমা চহৰৰ আৰ্থিকভাৱে দুৰ্বল শ্ৰেণীৰ লোকে যদি জনতা গৃহ নিৰ্মাণ আঁচনিৰ শিতানত আৰ্থিক সাহায্যৰ বাবে নিৰ্ধাৰিত প্ৰ-পত্ৰত যাৱতীয় নথি-পত্ৰসহ আবেদন কৰে, তেন্তে চৰকাৰে অসম ৰাজ্যিক গৃহ নিৰ্মাণ পৰিষদৰ জৰিয়তে এই আঁচনিখন কাৰ্যকৰী কৰিবৰ বাবে বিবেচনা কৰা হ'ব।

বিষয় ঃ ক্ষুদ্র চাহ খেতিয়ক।

শ্রীগিৰীন্দ্র কুমাৰ বৰুৱাই সুধিছে ঃ

২৩৭। মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনত ক্ষুদ্র চাহ খেতিয়কসকলে সর্বমুঠ কিমান পৰিমাণৰ মাটিত চাহ খেতি কৰি আছে? (জিলা ভিত্তিত তালিকা দিব)

(খ) উক্ত চাহ খেতিয়কসকলৰ সকলোৰে মাটিৰ পট্টা আছেনে?

(গ) কিমানজনৰ ম্যাদি পট্টাৰ মাটি আছে?

(ঘ) কিমানজনৰ ম্যাদি পট্টাৰ মাটি নাই?

(ঙ) যিসকলৰ ম্যাদি পট্টাৰ মাটি নাই, তেওঁলোকক পট্টা দিয়াৰ বাবে ব্যৱস্থা গ্রহণ কৰিবনে?

ডাঃ ভূমিধৰ বর্মন (ৰাজহ আৰু দুর্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ২২ খন জিলাৰ পৰা পোৱা তথ্য অনুসৰি সর্বমুঠ ২,৮১,৪৬৬ বিঘা ২ কঠা ১১ লেচা মাটিত ক্ষুদ্র চাহ খেতিয়কসকলে চাহখেতি কৰি আছে। জিলা ভিত্তিত ক্ষুদ্র চাহ খেতিয়কসকলে চাহ খেতি কৰি থকা মাটিৰ পৰিমাণৰ তালিকা পৰিশিষ্ট 'ক'ত সংলগ্ন কৰা হ'ল।

(See Snnexure- XL-VIII)

(খ) নাই।

(গ) ১৬,৩২১ জনৰ ম্যাদি পট্টাৰ মাটি আছে।

(ঘ) ১৬,০৩৩ জনৰ ম্যাদি পট্টাৰ মাটি নাই।

(ঙ) উপায়ুক্তসকলৰ পৰা পোৱা প্রস্তাৱসমূহ ১৯৮৯ চনৰ ভূমিনীতি অনুসৰি ক্ষুদ্র চাহ খেতিয়কক যোগ্যতা অনুসৰি ৪ হেক্টৰকৈ মাটি আৱণ্টন-পট্টন দিয়াৰ ব্যৱস্থা আছে আৰু এই ব্যৱস্থা চলি আছে।

বিষয় ঃ কাৰৈমাৰী ৰিজাৰ্ভত মাটিৰ পট্টা প্ৰদান।

ডাঃ তাৰা প্ৰসাদ দাসে সুধিছে ঃ

২৩৮। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ.

(ক) ২০০৮-০৯ বৰ্ষৰ বাজেট অধিৱেশনৰ সময়ত বৰপেটা জিলাৰ সৰুক্ষেত্ৰী সমষ্টিৰ অন্তৰ্গত কাৰৈমাৰী ৰিজাৰ্ভত ভূমিহীন লোকসকলক মাটিৰ পট্টা প্ৰদান কৰা হ'ব বুলি মাননীয় মন্ত্ৰী মহোদয়ে বক্তব্য ৰখাটো সঁচানে? যদি সঁচা, আজি প্ৰায় এবছৰ পাছতো এই সম্পৰ্কে কোনোধৰণৰ কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ নকৰাৰ প্ৰকৃত কাৰণ কি?

(খ) এই ভূমিহীন লোকসকলক কেতিয়ালৈ মাটিৰ পট্টা প্ৰদান কৰা হ'ব?

ডাঃ ভূমিধৰ বৰ্মন (ৰাজহ আৰু উদ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, সঁচা। বৰ্তমান ২৪ খন পট্টা দিয়াৰ ব্যৱস্থা কৰা হৈছে।

(খ) বাকী ভূমিহীন লোকসকলক মাটিৰ পট্টা প্ৰদানৰ উদ্দেশ্যে যাৱতীয় ব্যৱস্থা চলাই থকা হৈছে।

Sub : Upgradation of NRC.

Dr. Alaka Sarma asked :

239. Will the Minister of Implementation of Assam Accord be plased to state :

(a) For upgradation of NRC, what is the Government proposal regarding the cut off year?

(b) Which data does Government propose to use for the purpose ? Whether Government has enough data to upgrade the NRC ?

(c) For which districts, the relevant data is available?

(d) What is the Government proposal for upgrading NRC for areas where relevant data is not available ?

Dr. Bhumidhar Barman (Minister, Implementation of Assam Accord Department) replied :

(a) State Government submitted proposal in the modalities for upgradation of National Register of Citizen 1951 on the basis of Electoral Rolls upto 1971.

(b) As stated in para (a). The Government has to update/ upgrade with whatever data that is available with them at this point of time.

(c) List enclosed at Annexure-I (See Annexure XL-IX)

(d) It is suggested in the modalities that where such data are not available, other authentic documents to be finalised by Government of India shall be considered for upgrading the National Register of Citizen.

বিষয় ঃ চাহ শ্রমিকৰ দৈনিক মজুৰি।

শ্রী ৰামেশ্বৰ ধানোৱাৰে সুধিছে ঃ

২৪০। মাননীয় শ্রম বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) তিনিচুকীয়া জিলাত কেইখন ক্ষুদ্র চাহ বাগিচা আছে?

(খ) ইয়াৰে কিমানখন পঞ্জীয়নভুক্ত হৈছে?

(গ) ইয়াৰ শ্রমিকৰ সংখ্যা কিমান?

(ঘ) এই শ্রমিক সকলক কোন Wage Boardৰ তালিকাত দৈনিক মজুৰি দিয়াৰ ব্যৱস্থা আছে জনাবনে?

শ্রী পৃথিৱী মাঝি (শ্রম আৰু নিয়োগ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) শ্রম আৰু নিয়োগ বিভাগত থকা ৰেকর্ডমতে ৫৫ খন।

(খ) ২০ খনহে পঞ্জীয়নভুক্ত হৈছে।

(গ) ১০০০ জন। দৈনিক মজুৰি ৫০.০০ৰ পৰা ৫৮.৫০ টকা লৈকে।

(ঘ) এই শ্রমিক সকলৰ নিম্নতম মজুৰি উপদেষ্টা ব'র্ডৰ অধীনত মজুৰি দিয়াৰ ব্যৱস্থা আছে।

বিষয় ঃ অসংগঠিত শ্রমিকৰ সংখ্যা।

শ্রী অনন্ত ডেকাই সুধিছে ঃ

২৪১। মাননীয় শ্রম আৰু নিয়োগ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) অসমত অসংগঠিত শ্রমিকৰ সংখ্যা কিমান?

(খ) কি কি ক্ষেত্রত এই অসংগঠিত খণ্ডৰ শ্রমিকসকল নিয়োজিত হৈ আছে?

(গ) অসংগঠিত শ্রমিকসকলৰ কল্যাণৰ কাৰণে ৰাজ্য চৰকাৰে কি কি পদক্ষেপ গ্রহণ কৰিছে?

(ঘ) ৰাজ্যখনত নির্মাণ শ্রমিকৰ সংখ্যা কিমান?

(ঙ) ৰাজ্যখনত নির্মাণ শ্রমিকসকলৰ কল্যাণৰ কাৰণে চৰকাৰে কি ব্যৱস্থা গ্রহণ কৰিছে?

শ্রী পৃথিৱী মাঝি (শ্রম আৰু নিয়োগ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অসংগঠিত শ্রমিকৰ পঞ্জীয়ন এতিয়াও আৰম্ভ হোৱা নাই।

(খ) অসমত অসংগঠিত খণ্ডৰ শ্রমিক সকল নিয়োজিত হৈ থকা অনুষ্ঠানসমূহৰ তালিকা (পৰিশিষ্ট-ক) গাঁথি দিয়া হ'ল।
(See Annexure-L)

(গ) অসংগঠিত খণ্ডৰ শ্রমিকৰ সামাজিক সুৰক্ষা আইনখন ২০০৮ চনত

যদিও প্রণয়ন কৰা হ'ল, ইয়াক কার্যকৰীকৰণৰ প্রক্রিয়া আৰম্ভ কৰিবৰ হেতু ৰাজ্যিক পর্য্যায়ত অধিনিয়ম প্রস্তুত কৰাৰ ব্যৱস্থা গ্রহণ কৰা হৈছে।

(ঘ) হিতাধিকাৰীৰ নাম পঞ্জীয়ন প্রক্রিয়া এতিয়াও সম্পূর্ণ হোৱা নাই।

(ঙ) ১৯৯৬ চনৰ ভৱন তথা অন্যান্য নির্মাণ শ্রমিক কর্মীৰ (নিয়োগ নিয়মীয়া আৰু সেৱা ব্যৱস্থা) আইনৰ অধীনত এখন অসম ভৱন তথা অন্যান্য নির্মাণ কর্মীৰ কল্যাণ পৰিষদ গঠন কৰা হৈছে। এই কল্যাণ পৰিষদে নির্মাণ কর্মীসকলৰ নাম পঞ্জীয়ন কৰি শ্রমিকৰ কল্যাণৰ বাবে যাৱতীয় ব্যৱস্থা গ্রহণ কৰি আছে।

বিষয় ঃ ধুমুহাত ক্ষতি।

শ্রী দুর্গা ভুমিজে সুধিছে ঃ

২৪২। মাননীয় সাহায্য ও পুনৰ সংস্থাপন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) যোৱা ১৭/০২/১০ ইং তাৰিখ বুধবাৰে নিশা ডুমডুমা ৰাজহ চক্র এলেকাজুৰি হোৱা প্রৱল ধুমুহাৰ ফলত ঘুমকুন্দা, ভাংৰী চাহ বাগিচাৰ নিৱাসী কোৰৰ পুর্ত্তী (৩০) নামৰ এজন ব্যক্তিৰ মৃত্যু হোৱাৰ উপৰিও এই প্রৱল ধুমুহাই অঞ্চলটোৰ ঘৰ-দুৱাৰৰ লগতে বহু সা-সম্পত্তি বিনষ্ট ও ক্ষতি সাধন কৰাৰ বিষয়ে চৰকাৰ অৱগত নে?

(খ) যদি অৱগত, তেন্তে এই প্রাকৃতিক দুর্যোগত মৃত্যু হোৱা ব্যক্তিজনৰ নিকটতম আত্মীয়ক আর্থিক সাহায্য প্রদান তথা ক্ষতিগ্রস্ত লোকসকলৰ পুনৰ সংস্থাপনৰ কিবা ব্যৱস্থা চৰকাৰে গ্রহণ কৰিছেনে?

(গ) যদি কৰিছে, কেনেধৰণৰ ব্যৱস্থা গ্রহণ কৰিছে?
(বিতং তথ্য সহকাৰে সদনৰ মেজত দাখিল কৰিব)

ডাঃ ভূমিধৰ বৰ্মন (ৰাজহ ও দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) হয়, অৱগত।

(খ) হয়, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগে ব্যৱস্থা গ্রহণ কৰিছে।

(গ) ডুমডুমা ৰাজহ চক্র এলেকাজুৰি যোৱা ১৭/২/১০ ইং তাৰিখে হোৱা প্রলয়ংকাৰী ধুমুহাই কৰা ক্ষয়-ক্ষতিৰ বিষয়ে ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগ অৱগত হোৱাৰ পিছত পত্র নং RGR ১২৩/২০১০/৩ দিনাংক ২৭/২/১০ যোগে তিনিচুকীয়া জিলাৰ উপায়ুক্তক ধুমুহাত মৃত্যুবৰণ কৰা কোৱৰ পুৰ্ত্তীৰ নিকট আত্মীয়লৈ দুৰ্যোগ সাহায্য পুঁজিৰ নির্ধাৰিত নিয়মাৱলীৰ অধীনত এককালীন সাহায্য শীঘ্রে মঞ্জুৰী কৰি মঞ্জুৰী পত্রসহ নির্দিষ্ট প্রস্তাৱ পুঁজি মোকলাই দিয়াৰ বাবে ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগত দাখিল কৰিবলৈ নির্দেশ দিছে। আনহাতে, একেখন পত্রৰ যোগেদি ধুমুহাত ক্ষতিগ্রস্ত হোৱা পৰিয়ালসমূহলৈ পুনৰ সংস্থাপন সাহায্য প্রদানৰ বাবে দুৰ্যোগ সাহায্য পুঁজিৰ নির্ধাৰিত নিয়মাৱলীৰ আধাৰত প্রতিবেদনসহ প্রস্তাৱ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগত দাখিল কৰিবলৈও নির্দেশ দিয়া হৈছে।

উক্ত নির্দেশনাৰ ভিত্তিত ধুমুহাত মৃত কোৱৰ পুৰ্ত্তীৰ স্ত্রী শ্রীমতী চামৰী পুৰ্ত্তীক জিলা উপায়ুক্তই এককালীন সাহায্য ১,০০,০০০ টকা মঞ্জুৰী প্রদান কৰি মঞ্জুৰী পত্রসহ নির্দিষ্ট প্রস্তাৱ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগত পত্র নং TRF ৬/২০০৭/২ দিনাংক ৩/৩/২০১০ যোগে দাখিল কৰিছে। মঞ্জুৰীকৃত ধন শীঘ্রে মোকলাই দিয়াৰ ব্যৱস্থা বিভাগত অব্যাহত আছে।

উপায়ুক্তই জনোৱা তথ্যমতে ধুমুহাত ঘৰ-দুৱাৰ ভাঙি ক্ষতিগ্রস্ত হোৱা পৰিয়ালসমূহলৈ পুনৰ সংস্থাপন সাহায্য প্রদানৰ বাবে দুৰ্যোগ

সাহায্য পুঁজিৰ নিয়মাৱলীৰ আধাৰত নির্দিষ্ট প্রস্তাৱ জিলাৰ সংশ্লিষ্ট পক্ষই যুগুত কৰি আছে। উক্ত প্রস্তাৱ ৰাজহ আৰু দুর্যোগ ব্যৱস্থাপনা বিভাগে পোৱাৰ পিছত পুনৰ সংস্থাপন সাহায্য প্রদানৰ বিষয়টো বিবেচনা কৰা হ'ব।

বিষয় ঃ ভূমি আৱণ্টন।

শ্রী গিৰীন্দ্র কুমাৰ বৰুৱাই সুধিছে ঃ

২৪৩। মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ২০০১ চনৰ ১ এপ্রিল তাৰিখৰ পৰা ২০০৯ চনৰ ৩১ ডিচেম্বৰ তাৰিখলৈকে কিমানটা ৰাজহুৱা অনুষ্ঠানৰ ভূমি আৱণ্টন দিয়া হ'ল?

(জিলা ভিত্তিত ভূমিৰ পৰিমাণ আৰু অনুষ্ঠানসমূহৰ নাম উল্লেখ কৰিব)

(খ) যি সমুহ অনুষ্ঠানে চৰকাৰী ভূমি লৈ অদ্যাপি ব্যৱহাৰ কৰা নাই, সেই সমূহ তদন্ত কৰি পুনৰাই উক্ত ভূমি সমূহ চৰকাৰীকৰণ কৰাৰ ব্যৱস্থা কৰিবনে?

ডাঃ ভূমিধৰ বর্মন (ৰাজহ ও দুর্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ২১খন জিলাৰ পৰা পোৱা তথ্য মতে ৬১৮টা অনুষ্ঠানক ভূমি আৱণ্টন দিয়া হয়।

জিলা ভিত্তিত ভূমিৰ পৰিমাণ আৰু অনুষ্ঠানসমূহৰ নামৰ তালিকা পৰিশিষ্ট 'ক'ত উল্লেখ কৰা হ'ল। (See Annexure-L-I)

(খ) ইং ৩/১০/১৯৮৯ তাৰিখৰ চিঠি নং আৰ এছ এছ ৪৭/৮৯/৬ যোগে সকলো জিলাৰ উপায়ুক্তক ব্যৱস্থা গ্রহণ কৰিবলৈ নির্দেশ দিয়া আছে।

POINT OF ORDER

* শ্রী চন্দ্রমোহন পাটোৱাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, 'পইণ্ট অব অর্ডাৰ'। উত্তৰ কাছাৰ পার্বত্য জিলাৰ এক হাজাৰ কোটি টকাৰ কেলেংকাৰী চলি থাকোতে মিছিং স্বায়ত্ব পৰিষদৰ প্রিন্সিপাল চেক্রেটৰীজনে আজি মঙলদৈত পুলিচৰ হাতত ধৰা পৰিব লগা হ'ল। দ্বিতীয়তে, মোৰ আগৰ কথাৰ উত্তৰ বিচাৰিছিলো সেইটো নাপালো। গতিকে এই আলোচনাটো ভাৰত চৰকৰৰ লগত হ'ব লাগে, যিহেতু ভাৰত চৰকাৰ ইয়াৰ লগত জড়িত।

* ডাঃ ভূমিধৰ বর্মন (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এইকথা সঁচা। ভাৰত চৰকাৰৰ লগত আলোচনা কৰা হ'ব।

* শ্রী প্রমিলাৰাণী ব্রহ্ম (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা কালি মিছিং স্বায়ত্ব পৰিষদৰ প্রিন্সিপাল চেক্রেটৰী জন তেখেতৰ পৰিয়ালৰ সৈতে পুলিচৰ হাতত ধৰা পৰিছে। তেওঁক এৰেষ্ট কৰি বর্তমান জে'লত ৰাখিছে। তেওঁৰ লগত ১৬ লাখ ৩৫ হাজাৰ টকা পাইছে। এইটো বৰ লাজ লগা কথা হৈছে। তদন্ত কৰাৰ পিচতহে কথাটো গম পোৱা যাব।

* শ্রী ভুৱন চন্দ্র পেগু ঃ মাননীয় অধ্যক্ষ মহোদয়, মানুহজনক এৰেষ্ট কৰাতো হয়। ৰাতি ৯ বজাৰ নিউজত কৈছে মানুহজনৰ নাম গর্গৰাম পেগু। টকা মন্ত্রীক দিবলৈ অনা বুলি কৈছে। গতিকে মই চৰকাৰৰ পৰা এটা স্পষ্টীকৰণ বিচাৰিছো।

(সদনত হুলস্থুল)

* শ্রীচন্দ্র মোহন পাটোৱাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, বিষয়টো এটা ক্রিমিনেল অফেঞ্চ। এটা উগ্রপন্থীক দিবলৈ আনিছে বুলি কৈছে। তাৰ আগতে এটা প্রাইমা ফেচী কেচ চলি আছে। ইয়াৰ কাৰণে কেন্দ্রৰ পৰা নির্দেশ আহিছে যে অট'নমাচ কাউঞ্চিলৰ টকা কিয় ৰাখি থৈছে। আজি সেই

* Speech not corrected

ব্যক্তিজনে ইমান টকা উগ্রপন্থীক দিবলৈ আনিছে। এইটো গৃহ বিভাগেহে তদন্ত কৰিব।

* শ্রীমতী প্রমিলা ৰাণীব্রহ্ম (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ এই কথাটো কালি দৃষ্টি গোচৰ হৈছে। মই নর্থ আসাম ডিভিজনৰ আয়ুক্তক এই বিষয়টো তদন্ত কৰিবলৈ দিছো। তদন্তৰ ৰিপোর্ট পালে মই বিহিত ব্যৱস্থা লম।

* শ্রী চন্দ্রমোহন পাটোৱাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ অসম সংমণ্ডলৰ আয়ুক্ত গৰাকী হৈছে আই এ এছ বিষয়া আৰু যিজন বিষয়াৰ বিৰুদ্ধে অনুসন্ধান কৰিব তেওঁ হৈছে এ চি এছ বিষয়া। গতিকে অনুসন্ধানটো নিৰপেক্ষ নহ'ব আৰু এই বিষয়াজনৰ ইতিমধ্যে আমাৰ বাইদেৰে প্রাইমাৰিলী চেফগার্ড দিছেই। তেখেতে কৈছে যে পৰিয়ালৰ কিবা কামত তেখেত গুৱাহাটীলৈ আহিছিল। যিহেতু বিষয়টো এতিয়া পুলিচ বিভাগে পাইছে। গতিকে আমাৰ গৃহ বিভাগৰ মন্ত্রীৰ পৰা আমি স্পষ্টীকৰণ বিচাৰিছো গৃহ বিভাগৰ মন্ত্রী যিহেতু নাই, সেই বিভাগৰ মন্ত্রীৰ হৈ মাননীয় মন্ত্রী ৰকিবুল হুছেইনে উত্তৰ দিয়ে। গতিকে তেখেতে কওঁক পুলিচে জেৰাত কি পাইছে কি বুলি সন্দেহ কৰে?

* শ্রী কৰেন্দ্র বসুমতাৰী ঃ মিডিয়াই যিটো এলিগেচন আনিছে সেইটো সত্য নহয়। বাইদেউয়ে উত্তৰহে দিছে কেনেকৈ জড়িত হ'ব।

(সদনত হাহাকাৰ, কেইবাজনো মাননীয় সদস্যই ক'বলৈ উঠে)

(ভইচ ঃ- আমি বাইদেউৰ কথা কোৱা, নাই আমি কোনো মন্ত্রীৰ কথা কোৱা নাই, আপুনি তেওঁৰ নাম কিয় আনিছে?)

মাননীয় অধ্যক্ষ ঃ আপোনালোক বহক গৃহমন্ত্রীয়ে উত্তৰ দিব।

* শ্রী ৰকিবুল হুছেইন (বনমন্ত্রী, গৃহমন্ত্রীৰ হৈ) ঃ অধ্যক্ষ মহোদয়, যোৱা ৮/৩/২০১০ তাৰিখে মিছিং স্বায়ত্ব পৰিষদৰ প্রধান সচিব শ্রী গর্গৰাম

* Speech not corrected

পেগুক মঙলদৈত ১৬ লাখ ৩৫ হাজাৰ টকাসহ নলবাৰীৰ পুলিচে গ্ৰেপ্তাৰ কৰিছে আৰু পুলিচে তেওঁক জেৰা কৰি আছে। তেওঁৰ লগত থকা টকাখিনিৰ সঠিক বিবৰণ তেওঁ দিব পৰা নাই বুলি কৈছে। সেয়ে কেকৰ যোগেদি গ্ৰেপ্তাৰ কৰা হৈছে। তেওঁৰ বৰ্তমানেও জেৰা চলি আছে।

* শ্ৰী ভুৱন পেগু ঃ এই টকাটোৰ বিষয়ে টিভিত তেওঁ স্পষ্টীকৰণ দিছে। তাত তেওঁ সকলো কথা গৈছে।

* শ্ৰী ৰকিবুল হুছেইন (বন মন্ত্ৰী, গৃহমন্ত্ৰীৰ হৈ) ঃ সেই কাৰণেইটো পুলিচে ৰেইদ কৰিছে।

* শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী ঃ অধ্যক্ষ মহোদয়, আমি মন্ত্ৰী মহোদয়ৰ পৰা শুনিলো সেইখিনি কথা আমি মিডিয়াৰ যোগেদি গম পাইছো। উত্তৰ কাছাৰ জিলাত হোৱা এহেজাৰ কোটি টকীয়া কেলেংকাৰীৰ কথা চলি আছে। এই কথাটোতও মিডিয়াই দুই ধৰণে কৈছে। এচামে কৈছে টকাখিনি মন্ত্ৰীক বা বিষয়াক দিবলৈ আনিছে আৰু এচামে কৈছে যে উগ্ৰপন্থী সংগঠনক দিবলৈ আনিছে। গতিকে কোনটো সঁচা মন্ত্ৰী মহোদয়ে কিবা বিবৃতি দিব নেকি? তেখেতৰ উত্তৰত আমি সন্তুষ্ট হোৱা নাই।

* শ্ৰী ৰকিবুল হুছেইন (মন্ত্ৰী) ঃ তেখেতে কৈছে যে সন্তুষ্ট হোৱা নাই, ইয়াতজ বাহিৰে আমি এতিয়াই আৰু কি ক'ব পাৰিম। বৰ্তমানেও জেৰা চলি আছে।

* শ্ৰী অনুপ ফুকন ঃ মাননীয় অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰীয়ে সদায়ে কয় যে অসমলৈ শান্তি ঘূৰি আহিছে কিন্তু দৈনিক অসম কাকতত প্ৰকাশিত হৈছে মৰাণত অনাহকত চাহ জনজাতিৰ আলফা আৰু চৰকাৰৰ মাজত শান্তি আলোচনাৰ কথা চলি থাকোতে আলফাক গ্ৰেপ্তাৰ কৰাত আপত্তি নাই কিন্তু সেনাবাহিনীৰ লোকে গ্ৰেপ্তাৰৰ নামত চাহ শ্ৰমিক সকলৰ

* Speech not corrected

ওপৰত যি অত্যাচাৰ চলাইছে সি অবর্ণনীয়, এইক্ষেত্রত চৰকাৰৰ ফালৰ পৰা কিবা ব্যৱস্থা লোৱা হ'ব নেকি মই স্পষ্টীকৰণ বিচাৰিছো।

VOTING ON SUPPLEMENTARY DEMANDS FOR GRANTS FOR 2009-2010

মাননীয় অধ্যক্ষ ঃ আপুনি বহক, কি ৰুলত ক'ব বিচাৰিছে জিৰো আৱাৰত নোটিশ দি আনিব। কাৰণ ৰুল ১৪৪ নংত এইটো ক্লিয়াৰ আছে Rule 144(2) of the Rules of proceedure and Conduct of Bussiness states that on a day allotted under Sub-rule (1) for Voting on Demends for Grants no other Bussiness shall be taken up.

মই এতিয়া মাননীয় ৰেচম আৰু বয়ণ বিভাগৰ মন্ত্রী মহোদয়ক মঞ্জুৰী নং ৫৯টো উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

* শ্রী প্রণৱ গগৈ (ৰেচম আৰু বয়ন মন্ত্রী) ঃ অধ্যক্ষ মহোদয়, অসমৰ ৰাজ্যপালৰ অনুমোদনক্রমে মই প্রস্তাৱ কৰিব খোজো যে ২০১০ চনৰ ৩১ মার্চত শেষ হ'বলগীয়া বছৰটোৰ কালছোৱাত কেতবোৰ ব্যয় বহন কৰিবলৈ 'ৰেচম আৰু বয়ণৰ' ক্ষেত্রত ভাৰপ্রাপ্ত মন্ত্রীক অতিৰিক্ত ১০০,০০ লাখ টকা মঞ্জুৰি দিব লাগে।

মাননীয় অধ্যক্ষ ঃ এই দাবীটোৰ ওপৰত ৬টা কর্ত্তন প্রস্তাৱ আছে। (১) শ্রী মিশ্বন ৰঞ্জন দাস, শ্রী ৰামেশ্বৰ তেলী, শ্রী প্রশান্ত ফুকন, শ্রী পৰিমল শুক্লবৈদ্য, শ্রী কার্তিক সেনা সিন্‌হা, শ্রী ৰঞ্জিৎ দত্ত, শ্রী সুশীল দত্ত, শ্রী অভিজিৎ হাজৰিকা, (২) শ্রী চিৰাজউদ্দিন আজমল, শ্রী হাফিজ বচিৰ আহমেদ, ডাঃ আদিত্য লাংথাছা, শ্রী হাজী চেলিমুদ্দিন বৰভূঞা, শ্রী গুণেশ্বৰ দাস, শ্রী মোবাৰক আলী পাঠান, শ্রী আনোৱাৰুল হক,

* Speech not corrected

(৩) শ্রী চন্দ্র মোহন পাটোৱাৰী, শ্রী প্রফুল্ল কুমাৰ মহন্ত, শ্রী ফণীভূষণ চৌধুৰী, শ্রী ৰমেন্দ্র নাৰায়ণ কলিতা, ডঃ অলকা শর্মা, শ্রী হীৰেণ কুমাৰ দাস, শ্রী গিৰান্দ্র কুমাৰ বৰুৱা, শ্রী জ্যোতি প্রসাদ দাস, শ্রী অনুপ ফুকন, শ্রী ৰবীন বনিক্য (৪) শ্রী দ্রুপদ বৰগোহাঁই, (৫) শ্রী উদ্ধৰ বর্মন, শ্রী অনন্ত ডেকা আৰু (৬) শ্রী অনন্ত কলিতা।

মই তেখেতসকলক এতিয়া এজন এজনকৈ কর্ত্তন প্রস্তাৰ উত্থাপন কৰিবৰ কাৰণে অনুৰোধ জনালো।

* Shri Parimal Suklabaidya : Mr. Speaker, Sir, the total provision of Rs. 100.00 lakh under Supplementary Demands for Grant No. 59 in respect of Sericulture & Weaving at pages 21-22 of the list of Supplementary Demands be reduced by Rs. 100.00 i.e., the amount of the whole Supplementary Demand of Rs. 100.00 lakh do stand reduced by Rs. 100.00.

মাননীয় অধ্যক্ষ ঃ মই এতিয়া কর্তন প্রস্তাৱটো উত্থাপন হোৱা বুলি ধৰিলো। এতিয়া মাননীয় সদস্য, শ্রী পৰিমল শুক্লবৈদ্য।

* শ্রী পরিমল শুক্লবৈদ্য ঃ মাননীয় অধ্যক্ষ মহোদয়, এটা অত্যন্ত গুরুত্বপূর্ণ বিষয় এবং আমি নিজে আন্তরিক ভাবে স্বীকার করি যে এই Sericulture এবং Weaving বিভাগটি অত্যন্ত গুরুত্বপূর্ণ বিভাগ। কারণ মানব সভ্যতা টিকে থাকতে হলে যে তিনিটি প্রয়োজন অত্যন্ত গুরুত্বপূর্ণ অথাৎ রুটি, কাপড়া ও মকান। এই তিনটির একটি হল কাপড় বয়ন। কাপড় আমাদের একটা প্রাথমিক প্রয়োজন। কিন্তু এই বিভাগের মন্ত্রী মহাশয় সদনে যে Additional Demand এনেছেন তা একেবারেই কম, মাত্র ১০০ লক্ষ টকা। এই সামান্য টাকা দিয়ে কি করবেন? মহোদয়, আজ এই বিভাগ সম্পর্কে বিস্তৃত আলোচনা করার সময়

* Speech not corrected

ও সুযোগ নাই। কিন্তু একথা বলতে আমি আজি বাধ্য যে আসামে আজ আর এই বিভাগের প্রয়োজন নাই। মহোদয়, আপোনার মাধ্যমে আমি এই বিধানসভায় Assam State Textile Commission-এর Report-এর দুই একটা লাইন পড়ে শোনাচ্ছি। এই বিভাগের পক্ষ থেকে এই Report দেওয়া হয়েছে এবং এতে এই বিভাগের Present status বিস্তৃত বলা হয়েছে।

In the Annual Report 1999-2000 of the Assam State Textile Corporation Limited presented before the shareholders of the Corporation, it has been stated that "as already intimated in the last Annual General Meeting to our shareholders that the Govt. of Assam has declared Assam State Textile Corporation Ltd. as closed with effect from 28.6.2007. The corporation has submitted a revised closure proposal to the Govt. of Assam for finalising the total liabilities of Rs. 1,213.59 lakhs and the same has been approved. The corporation has received funds to meet the liabilities of Rs. 724.68 lakhs as loss incurred by it and the Govt. of Assam has counter-claimed Rs. 1,394.00 lakhs from Mr. Goenka".

* শ্রী প্রণব গগৈ (Minister Sericulture & Weaving) ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো মোৰ বিভাগও নপৰে।

* শ্রী পরিমল শুক্লবৈদ্য ঃ মহোদয়, যদি এই বিষয়টা এই বিভাগের মন্ত্রীর আওতায় না আসে তাহলে আপনারা কেন সূতা বিলিয়েছেন, Blanket বিলিয়েছেন। এই সূতা থেকে কতটা কম্বল উৎপাদিত হয়েছে। এটাতো হতে পারে না যে উৎপাদন Industry বিভাগের আর Sericulture শুধু সূতা দেবেন। যেভাবে Agriculture ও Irrigation বিভাগের

* Speech not corrected

মধ্যে একটা Co-ordination থাকা উচিত, সেভাবে Sericulture ও Industry বিভাগের মধ্যে Co-ordination থাকা দরকার। অধ্যক্ষ মহোদয়, এই Report এ দেখছি যে এই বিভাগে কেবল Loss. এখন প্রশ্ন হলো যে সারা আসামে এই বিভাগ যত সূতা দিয়েছে এর থেকে কত কাপড় উৎপাদিত হয়েছে? মহোদয় Sericulture Scheme আসামের কোন কোন জায়গায় আছে? আমরা গর্ব করি আসামের এড়ি চাদর ইত্যাদির জন্য। কিন্তু আজ যে অবস্থা দেখছি এর কতটা আমাদের প্রয়োজন আছে। যে 'গামোছা' আমাদের রাজ্যের সংস্কৃতি ও সম্মানের প্রতীক। তা রক্ষা করার জন্য তার চাহিদা মেটানোর জন্য এই বিভাগ কি করছে? বাইরের রাজ্য থেকে 'গামোছা' আমদানী করে আমাদের চাহিদা মেটানো হচ্ছে। এটা অত্যন্ত পরিতাপের কথা। এমনিভাবে আমাদের বিভিন্ন জনজাতিদের বিভিন্ন বাহারি পোষাক, যেমন আমাদের মণিপুরিদের লাইসাম্বি এবং অন্যান্য জনগোষ্ঠীদের বিভিন্ন পোষাক উৎপাদনের উন্নতির জন্য এই বিভাগের কি পদক্ষেপ রয়েছে আমি জানতে চাই। তাছাড়া এই বিভাগের মাধ্যমে মাঝে মাঝে যে সূতা বিলানো হয় তা অত্যন্ত নিম্নমানের। দুঃখের বিষয় যে এই সূতা আমাদের Weaverরা ২০০ টাকা দিয়ে বিক্রী করে দেয়। তার কারণ হয় তারা এটা ব্যবহার করতে পারে না বা এগুলো অত্যন্ত নিম্নমানের। তাছাড়া মহোদয়া, আমরা এই সদনে যে ১২৬ জন বিধায়ক আছি তার কজন আমাদের রাজ্যে বোনা কাপড় পরিধান করি? সম্ভবতঃ মন্ত্রী মহোদয়ও নিজের বিভাগের তৈরী কাপড় পরিধান করেননি।

(কোরাম নাই)

উপাধ্যক্ষা মহোদয়া, আমরা নিজেরাও এই কাপড় ব্যবহারে আগ্রহী না থাকায় এর চাহিদা এবং বয়নের উৎসাহ দিনে দিনে কমে এসেছে। এই সমস্ত বিষয় পর্যালোচনা করে এই বিভাগের উৎপাদন

* Speech not corrected

বৃদ্ধি এবং তার ব্যবসায়িক উন্নতির কথা মাথায় রেখে এই বিভাগকে কার্য্যক্ষম করতে হবে এবং গ্রামীন কুটীর শিল্প ও জনজাতিরে এই বৈচিত্রময় উদ্যোগকে পুনরুজ্জীবিত করতে হবে এই বলে আমি আমার বক্তব্য শেষ করছি।

(মাননীয়া উপাধ্যক্ষাই আসন গ্রহণকৰে।)

শ্রী ৰমেন্দ্র নাৰায়ণ কলিতা ঃ আজিও সদনত কোৰাম নাই ...

(সদনত বেল বাজি উঠে।)

মাননীয়া উপাধ্যক্ষা ঃ সদনত কোৰাম হ'ল। এতিয়া আপুনি আৰম্ভ কৰক।

* শ্রী ৰমেন্দ্র নাৰায়ণ কলিতা ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, কর্তন প্রস্তাৱৰ ওপৰত সমর্থন জনাই হস্ত-তাঁত, বস্ত্র আৰু ৰেচম বিভাগৰ ওপৰত কিছু কথাৰে মাননীয় মন্ত্রী মহোদয়ৰ দৃষ্টি আকর্ষণ কৰিব বিচাৰিছো। আমি হস্ততাঁত বস্ত্র আৰু ৰেচম বিভাগটো অকল অর্থনৈতিক দিশত আগবঢ়াই অনাই নহয়, অসমৰ জন-জীৱনৰ লগত, অসমৰ সংস্কৃতিৰ ক্ষেত্রত পৃথিৱীৰ ভিতৰতে উন্নয়নৰ ক্ষেত্রত এই সম্পদে যথেষ্ট অৰিহণা যোগাই আহিছে, এই শিল্পটোৰ ওপৰত চৰকাৰে যি ভাবে গুৰুত্ব দিব লাগিছিল মোৰ মনে ধৰে যেনে ধৰণে হ'ব লাগিছিল তেনে ধৰণে হোৱা নাই। সেইয়েহে মই কথাখিনি কৈছো।

ভাৰতবর্ষৰ ভিতৰত আমাৰ অসমতে যথেষ্ট শিপিনী আছে, ভাৰতৰ অন্যান্য ৰাজ্যত যিমানবিলাক শিপিনী আছে, তাতোকৈ অধিক সংখ্যক বোৱণী আছে। আজি অসমত প্রায় ৩০ লাখৰ অধিক শিপিনী এই শিল্পৰ লগত জড়িত হৈ আছে, আৰু ৪/৫ লাখ শিপিণী ব্যৱসায়িক ভিত্তিত এই শিল্পৰ লগত জড়িত হৈ আছে। আমি দেখা পাইছো এই শিল্পৰ লগত জড়িত আন্তঃ গাঁথনি আছে, আমাৰ শিপিনীসকলে যিবিলাক সুবিধা পাবলাগিছিল সেই সুবিধাখিনি আমাৰ শিপিনীয়ে নোপোৱাৰ

* Speech not corrected

কাৰণে এই শিল্পটো লাহে লাহে মৰহি যাব ধৰিছে। আমি দেখিছো কেন্দ্ৰীয় চৰকাৰে কিছুমান বিশেষ আঁচনি গ্ৰহণ কৰিছে। আগতে জনতা প্ৰজেক্ট পেকেট, দিনদয়াল আঁচনি তৈয়াৰ কৰিছিল, আমাৰ বোৱণী সকল উপকৃত হৈছিল। আজি কেইবছৰমানৰ ভিতৰত দেখিছো মেগা প্লাষ্টাৰ আঁচনি তৈয়াৰ কৰিছে, এই আঁচনি প্ৰকৃতাৰ্থত শিপিণী সকলৰ কামত আহিছেনে নাই ক'ব নোৱাৰো। এই আঁচনিৰ জড়িয়তে শিপিণীসকলে যি সুবিধা পাব লাগিছিল সেই সুবিধা পোৱা নাই। আগৰ দিনদয়াল আঁচনিত সুতাৰ উপৰিও তাঁত শাল আৰু ঘৰো পাইছিল। কিন্তু মেগা প্লাষ্টাৰ আঁচনিত সূতা নাপালে ঘৰ পায়, আৰু সূতা পালে ঘৰ নাপায়। কিন্তু মেগা প্লাষ্টাৰ আঁচনিত সূতা পালে ঘৰ নাপায় আৰু ঘৰ পালে সূতা নাপায়। যিকোনো এটাহে পায়। ৰাজ্য চৰকাৰে এই মেগা আঁচনিখন অধ্যয়ন কৰি চাইছেনে নাই নাজানো। এই আঁচনিখন মডিফিকেচনৰ কাৰণে ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰক কিবা পৰামৰ্শ দিছেনে নাই, এই আঁচনিখনৰ আসোঁৱাহ অধ্যয়ন কৰি কেন্দ্ৰীয় চৰকাৰক পৰা পৰামৰ্শ দিছেনে নাই। এই আঁচনিখনৰ মডিফিকেচন যি ধৰণে হ'ব লাগে তেনে পৰামৰ্শ কেন্দ্ৰীয় চৰকাৰক দিয়ক।

মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰীমহোদয়ৰ গৃহ জিলা শিৱসাগৰত মেগা প্লাষ্টাৰ আঁচনিৰ জৰিয়তে ২০ হাজাৰ শিপিনীক সামৰি লৈছে। মই ক'ব খোজা নাই শিৱসাগৰ জিলাত শিপিনী নাই। কিন্তু নামনি অসমত ইয়াতকৈও বেছি শিপিনী আছে। এই আঁচনিৰ জৰিয়তে ২০ হাজাৰ শিপিনী শিৱসাগৰ জিলাৰ পৰা বাচনি কৰা হৈছে আৰু সেই হিতাধিকাৰীয়ে যাতে সূতা পায় তাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। এই সংক্ৰান্তত আমি কেন্দ্ৰীয় টেক্সটাইল মন্ত্ৰীকলগ কৰিছিলো। আৰু আমি তেখেতক কৈছিলো যে যিহেতু উত্তৰ-পূৰ্বাঞ্চল যথেষ্ট পিচপৰা আৰু অসমতো যথেষ্ট শিপিনী আছে কিন্তু মেগা প্লাষ্টাৰ আঁচনি অসমৰ মাত্ৰ এখন জিলাৰ কাৰণেহে লৈছে। যিহেতু অসমৰ বিভিন্ন ঠাইত

যিবিলাক শিপিনী আছে তেওঁলোকৰ কাৰণেও এই আঁচনি গ্ৰহণৰ ব্যৱস্থা কিয় কৰা হোৱা নাই? তেতিয়া মাননীয় কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কৈছিল যে ৰাজ্য চৰকাৰৰ পৰা মাত্ৰ এটা আঁচনিহে আহিছে। আৰু কৈছে যে যদি বেছি আঁচনি লাগে তেতিয়াহ'লে ৰাজ্য চৰকাৰৰ তৰফৰ পৰা প্ৰস্তাৱ পঠিয়াব লাগিব। প্ৰস্তাৱ পঠালে সহানুভূতিৰে বিবেচনা কৰিলেহেঁতেন। আমি জানো যে আমাৰ মাননীয় মন্ত্ৰী মহোদয় এজন ভাল মানুহ। তেখেতে বোধহয় বিষয়াসকলৰ ওপৰত নিৰ্ভৰ কৰা কাৰণে এইবিলাক হ'বলৈ পাইছে। গতিকে মন্ত্ৰীমহোদয়ে এই কথাবিলাক চাব লাগে। মেগা প্লাষ্টাৰ আঁচনি কোকৰাঝাৰ আৰু বান বিধ্বস্ত অঞ্চল ধেমাজিতো ল'ব পাৰে। তাৰোপৰি বৰাক উপত্যকাতো এই আঁচনি ল'ব পাৰে। এই ধৰণে বিভিন্ন আঁচনি গ্ৰহণ কৰিব পাৰিলেহেঁতেন। দ্বিতীয়তে,এটা কথা লক্ষ্য কৰিছো আমাৰ অসমৰ শিপিনী সকলে কেঁচা সামগ্ৰী উৎপাদন নকৰে। কটন মালবাৰী চিল্ক নোপোৱাৰ কাৰণে আমাৰ শিপিনী সকলে যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছে। সেই এই বিলাক সামগ্ৰী অধিক দামত কিনিবলগীয়া হয়। আমাৰ বেচিভাগ দুখীয়া শিপিনীয়ে ইয়াৰ লগত জড়িত হৈ আছে। দুখীয়া শিপিনী সকলে মুকলি বজাৰত বেছি দামত সূতা কিনিব পৰা অৱস্থাও নাই। সেই কাৰণে ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰলৈ প্ৰস্তাৱ প্ৰেৰণ কৰিব লাগে যাতে অসমত কেঁচা সামগ্ৰীৰ এটা কেন্দ্ৰীয় ভৰাল গুৱাহাটীত স্থাপন কৰা হয়। তেতিয়াহলে শিপিনী সকলে কম দামতে কেচা সামগ্ৰী ক্ৰয় কৰিব পাৰিব। কেচা সামগ্ৰীৰ কাৰণে কেন্দ্ৰীয় ভঁড়াল স্থাপন নকৰা কাৰণে আজি শিপিনী সকলে মুকলি বজাৰৰ পৰা অধিক মূল্যত সূতা কিনিবলগীয়া অৱস্থাৰ সৃষ্টি হৈছে। প্ৰত্যেক জিলা সদৰতে ভঁড়াল স্থাপনৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে আৰু এই সম্পৰ্কত কেন্দ্ৰীয় চৰকাৰলৈ প্ৰস্তাৱ দিব লাগে যে যিটো মিলন পৰা আনিব সেই মিলৰ পৰা অনা পৰিবহণ খৰচ কেন্দ্ৰীয় চৰকাৰে বহন কৰিব। পৰিবহণ খৰচ যদি

কেন্দ্রীয় চৰকাৰে বহণ কৰে আৰু ৰি-ইমবাৰ্চমেণ্ট ৰাজ্য চৰকাৰে কৰিব পাৰে আৰু কেঁচা সামগ্রী এটা মূল্যত দিব পাৰে, তেতিয়া হ'লে শিপিনী সকল যথেষ্ট উপকৃত হ'ব বুলি বিবেচনা কৰিছো। অধ্যক্ষ মহোদয়, অসম বিকাশ যোজনাৰ আঁচনিৰ জড়িয়তে সূতা দিয়া হৈছে। এই আঁচনিৰ জড়িয়তে যি সূতা দিছে সেই সূতা বড়ো শিপিনীসকলৰ বাবে প্রযোজ্য নহয়। নর্থ কাচাৰ হিলচ আৰু কার্বিসকলৰ কাৰণে নহয় আৰু মিচিং সকলৰ কাৰণেও নহয়। সেই কাৰণে অঞ্চল ভেদে কি সূতা দিলে ভাল হ'ব সেই ধৰণে সূতা দিয়াৰ ব্যৱস্থা কৰিব লাগে। বড়ো, মিচিং, কার্বি বা এন চি হিলচৰ কাৰণে যি সূতা দিছে সেইবিলাক সূতা তেওঁলোকে ব্যৱহাৰ কৰিব নোৱাৰা কাৰণে বিক্রী কৰিবলৈ তেওঁলোক বাধ্য হয়। গতিকে ঠাই ভেদে বেলেগ বেলেগ সূতা বিতৰণ কৰাৰ ব্যৱস্থা কৰিবলৈ মন্ত্রী মহোদয়ক অনুৰোধ কৰিলো। যেতিয়া সূতা আৰু কম্বল ক্রয় কৰা হয় তেতিয়া নিবিদা আহ্বান কৰিছে নে নাই আমি নাজানো। মিলৰ পৰা যদি ডাইৰেক্ট কিনিছে তেতিয়াহ'লে ক'বলগীয়া একো নাই। আমি জনাত মিলৰ পৰা অনা নাই। গতিকে মই মন্ত্রী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে যদি তেখেতে ডাইৰেক্ট মিলৰ পৰা আনে তেতিয়াহ'লে কোনো কথা নাই আৰু আমাৰো ক'বলগীয়া নাই। আৰু যদি মিলৰ পৰা নানে তেতিয়াহ'লে নিবিদা বিচাৰক। মিলৰ পৰা ডাইৰেক্ট আনিলেওঁ বিলিং ক'ৰ পৰা হ'ব। গতিকে মন্ত্রী মহোদয়ক অনুৰোধ কৰিছো এই চিষ্টেমটো পৰিবর্তন কৰক। আমাৰ শিপিনী সকলে পৰাম্পৰাগতভাৱে ডিজাইন কৰি আহিছে। আমি ট্রেডিচনেল ডিজাইনটো বাদ দিব বিচৰা নাই। এতিয়া কথাটো হৈছে যে ট্রেডিচনেল ডিজাইনৰ লগত সংগতি ৰাখি, যিহেতু এতিয়া মানুহৰ ৰুচিৰ পৰিবর্তন হৈছে নতুন ডিজাইন দি কাপোৰ উৎপাদন কৰাৰ ব্যৱস্থা কৰিব নোৱাৰি নেকি? কেন্দ্রীয় চৰকাৰে উত্তৰ-পূর্বাঞ্চলৰ কাৰণে নিটকাৰ এটা ব্রাঞ্চ দিছিল। সেইটো অসমত নিদি মেঘালয়লৈ লৈ গ'ল। ৰিজনেল ডিজাইন

চেণ্টাৰৰ কাৰণে নিটকাৰ ব্ৰাঞ্চ নাপালে। গতিকে বৰ্তমান যুগৰ চাহিদালৈ চায় নতুন ডিজাইনৰ কাপোৰ বনোৱাৰ ব্যৱস্থা কৰিবলৈ মন্ত্ৰী মহোদয়ক বিশেষ ব্যৱস্থা লোৱাৰ কাৰণে অনুৰোধ জনালো।

মাননীয় অধ্যক্ষ মহোদয়, মই ক'বলৈ গৈছো যে আমাৰ যি সকল শিপিনী আছে সেই শিপিনীসকলে প্ৰকৃত মূল্য নাপাই সেইটো বজাৰৰ কাৰণে হৈছে। আমাৰ যি বিলাক পৰম্পৰাগত ডিজাইন আছে সেই ডিজাইন বিলাকৰ লগত আধুনীক ডিজাইন মিলাই শিপিনীসকলে নতুন ডিজাইন সৃষ্টি কৰিলে বজাৰত ইয়াৰ মূল্য বাঢ়িব। তাৰ কাৰণে এই শিপিনী সকলক সুবিধা দিব লাগে। আমাৰ উৎপাদনে বজাৰ পাবলৈ হ'লে ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যৰ পৰা তেনে ধৰণৰ ডিজাইন আনি আমাৰ শিপিনী সকলে ব্যৱহাৰ কৰিলে ইয়াত এখন বজাৰ কৰিব পাৰিব। ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যই কেনে ধৰণৰ উৎপাদন কৰিছে আৰু আমাৰ উৎপাদন বিলাক বাহিৰৰ ৰাজ্যত কেনে ধৰণে বিক্ৰী কৰিব পৰা যাব তেনে ধৰণৰ এটা সুবিধা দিব লাগে। এই বিষয়ত কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰি এটা ব্যৱস্থা ল'ব লাগে। মই মন্ত্ৰী হৈ থকাৰ সময়ত বিভিন্ন বাহিৰৰ দেশলৈ গৈছিলো, তাত আমাৰ মুগা শিল্পৰ আদৰ আছে। মই দেখি আহিছো সেই বিলাক দেশত আমাৰ মুগাৰ বিভিন্ন ধৰণৰ কোচন, পৰ্দা বেডকভাৰ আদিৰ বিশেষ আদৰ আছে। আমি সেই বিলাক ইয়াত উৎপাদন কৰি বাহিৰৰ ৰাষ্ট্ৰলৈ যদি ৰপ্তানি কৰিব পাৰো তেতিয়া ইয়াৰ মূল্য আৰু বাঢ়িব আৰু তাৰ কাৰণে চৰকাৰে ব্যৱস্থা কৰি দিব লাগিব। আমাৰ দিনত হেণ্ডলোম ৰিজাৰভেনচন এক্ট এখন কৰা হৈছিল। সেই এক্টমতে বহিঃ ৰাজ্যৰ পৰা পাৱাৰ লোমৰ উৎপাদন সামগ্ৰী আমদানী কৰাটো বন্ধ আছিল। কিয়নো পাৱাৰ লোমত কম খৰচতে অধিক উৎপাদন কৰি আমাৰ ৰাজ্যলৈ আমদানী কৰিলে আমাৰ ইয়াত হেমডলোমত আমাৰ স্থানীয় শিপিনীসকলে কৰা উৎপাদনত ক্ষতিগ্ৰস্ত হ'ব, তেতিয়া ইয়াৰ শিপিনীসকল ক্ষতিগ্ৰস্ত হ'ব। বৰ্তমানে

তেনে ধৰণৰ আমদানী কৰাটো বন্ধ কৰিব লাগিব। আমাৰ শিপিনী বিলাক উপকৃত হ'বৰ কাৰণে চৰকাৰে আমদানী বিলাক বন্ধ কৰাৰ কাৰণে কঠোৰ ব্যৱস্থা হাতত ল'ব লাগিব। মাননীয় মন্ত্রী মহোদয়ে এই বিষয়ত ব্যৱস্থা গ্রহণ কৰিবলৈ বিশেষভাৱে অনুৰোধ জনালো। আমাৰ শুৱালকুছিলৈ মাননীয় প্রাক্তন ৰাষ্ট্রপতি আব্দুল কালাম আহি ভিজিত কৰি গৈছে। তেখেতে এই শিল্প দেখি অভিভূত হৈছিল। আমি সকলোৱে জানো যে শুৱালকুছি প্রাচ্যৰ মানচেষ্টাৰ। ৰাজ্য চৰকাৰে এই শুৱালকুছিক যি ধৰণেৰে উন্নয়নৰ ক্ষেত্রত ব্যৱস্থা গ্রহণ কৰিব লাগিছিল সেই ধৰণে ব্যৱস্থা গ্রহণ কৰা নাই। শুৱালকুছিক চৰকাৰে 'হেৰিটেজ ভিলেজ' হিচাবে ঘোষণা কৰিব লাগিছিল। এতিয়াও চৰকাৰে কেন্দ্রীয় চৰকাৰৰ লগত যোগাযোগ কৰি আমাৰ শুৱালকুছি খনক হেৰিটেজ ভিলেজ হিচাবে দাবী উত্থাপন কৰিছো। মাননীয় প্রাক্তন ৰাষ্ট্রপতি ডাঙৰীয়াই শুৱালকুছি পৰিদর্শন কৰি অভিভূত হোৱাৰ লগতে তেখেতে কৈছিল উন্নয়ন কৰাৰ কাৰণে জাপানৰ পৰা সহায় ল'ব লাগে যাতে ইয়াক 'ওৱান ভিলেইজ ওৱান প্রডাক্ট' কৰিব পাৰি। এইটো ব্যৱস্থা ল'বৰ বাবে মই মাননীয় মন্ত্রী মহোদয়ৰ ওচৰত পৰামর্শ আগবঢ়ালো। আমি এতিয়া জাপানৰ দৰে দেশৰ পৰা সুবিধা পোৱাটো অতি প্রয়োজন হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, আমি এটা কথা লক্ষ্য কৰছো আমাৰ শুৱালকুছিত এতিয়া শিপিনী কমি আহিছে। মচলপুৰ, বৰমা, কোকৰাঝাৰ আদিৰ পৰা শিপিনী বিলাক আহি শুৱালকুছিত কাম কৰি আছে। তেওঁলোকে চ'চিয়েল জাষ্টিছ পোৱা নাই। চৰকাৰে চ'চিয়েল জাষ্টিচ পোৱাৰ কাৰণে ব্যৱস্থা গ্রহণ কৰিব লাগে এইটো চৰকাৰৰ দায়িত্ব। বেয়া অৱস্থাৰ মাজেৰে শিপিনী সকলে দিন কটাবলগা হৈছে। যি সকল শিপিনী শুৱালকুছিত আছে তেওঁলোকৰ কল্যণৰ কাৰণে হস্পিটালৰ ব্যৱস্থা গ্রহণ কৰিব লাগে আৰু ই এচ আইৰ সুবিধা দিব লাগে। এই

শিপিনীসকলৰ বাবে চ'চিয়েল জাষ্টিচ পাবলাগে আৰু তেওঁলোক থকাৰ কাৰণে মহিলা হোষ্টেল কৰিব লাগে আৰু ই এচ আঁইৰ জৰিয়তে চিকিৎসাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। স্বাস্থ্য সেৱাৰ বাবে আমি গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত ১০০ বিঘা মাটি আৱণ্টন দিছিলো আৰু তাত এখন ৩০ খন বিচনাযুক্ত হস্পিটেল শিপিনীসকলৰ কাৰণে বনোৱাৰ কথা চিন্তা কৰিছিলো। এতিয়া মন্ত্ৰী মহোদয়ক গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত ৩০ খন বিছনাযুক্ত হস্পিতেল বনোৱাৰ বাবে অনুৰোধ কৰিছো। শুৱালকুছিলৈ এক্সপার্ট প্ৰমোচনৰ কাৰণে ২২ লাখ টকা আহিছিল। সেই ২২ লাখ টকা এতিয়াও অ-ব্যৱহৃত অৱস্থাত আছে। কেন্দ্ৰীয় চৰকাৰৰ এই ২২ লাখ টকা এতিয়াও কিয় অ-ব্যৱহৃত হৈ পৰি আছে, নে কোনাই এই টকা খিনি ভক্ষণ কৰিলে নেকি? সেই বিষয়ত চৰকাৰে মনোযোগ দিব লাগে আৰু তাক সদব্যৱহাৰ কৰিব লাগে।

মাননীয়া উপাধ্যক্ষা মহোদয়া, আই চি আই চি বেঙকৰ জৰিয়তে গ্ৰহণ কৰা লেম্বু নামৰ এটা সুন্দৰ বীমা আঁচনি ওলাইছে। এই আঁচনিখন কলঙ্কিত হোৱা বুলি জিলাৰ পৰা অভিযোগ পাইছো। হস্ততাঁত আৰু বস্ত্ৰ শিল্পত ভুৱা এন জি অ'ই টকা আত্মসাৎ কৰা বুলি অভিযোগ আছে। সেয়েহে মই ক'ব বিচাৰিছো যে অতিৰিক্ত মুখ্য সচিবৰ জৰিয়তে তদন্ত কৰাৰ ব্যবস্থা কৰে যেন। যিটো কেলেংকাৰী হৈ আছে পিচত কিন্তু ভয়ঙ্কৰ ৰূপ ধাৰণ কৰিব। হস্ততাঁত আৰু বস্ত্ৰ শিল্প বিভাগত ভুৱা বিল কৰি বা প্ৰেচকিপচন দিয়া অভিযোগ আমি পাইছো। এইক্ষেত্ৰত মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে হস্ততাঁত আৰু বস্ত্ৰ শিল্পৰ ওপৰত বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰে তাকে মই আশা কৰিছো।

মাননীয়া উপাধ্যক্ষা মহাদয়া, পৃথিৱীৰ ভিতৰত মুগা উৎপাদন অসমতে হয়। কিন্তু আমি জানিব পাৰিছো যে মুগা উৎপাদনৰ ক্ষেত্ৰত

ৰাজ্যখনত যি ধৰণে ব্যৱস্থা গ্ৰহণ ল'ব লাগিছিল সেই ধৰণে ব্যৱস্থা গ্ৰহণ কৰা নাই। সেই কাৰণে যথেষ্ট অসুবিধাৰ সৃষ্টি হৈছে। সেইকাৰণে মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো। আমাৰ ইয়াত বহুতো চৰকাৰী ফাৰ্ম আছে। এইবিলাকত, এ বি চি তিনিটা গ্ৰুপ বনাই ল'ব লাগে। 'এ' গ্ৰুপৰ কাৰণে ৰাজ্য চৰকাৰে নিজে পৰিচালনাৰ ব্যৱস্থা কৰক। 'বি' গ্ৰুপৰ কাৰণে যিবোৰ অলপ বেয়া অৱস্থা আছে সেইবোৰক 'বি' গ্ৰুপত ল'ব লাগে। তাতোকৈ বেয়া অৱস্থাবোৰক 'চি' গ্ৰুপত ল'ব লাগে। এই গ্ৰুপ দুটা এন জি অ'ক পৰিচালনা কৰিবৰ বাবে দিব লাগে।

মাননীয়া উপাধ্যক্ষা মহোদয়া, পশ্চিমবঙ্গৰ জলপাইগুৰি নামৰ ঠাইত মুগা উৎপাদন কৰা ব্যৱস্থা গ্ৰহণ কৰিছে। এইটো ভাল কাম হৈছে। এতিয়া জাপান আৰু চীন দেশতো মুগা উৎপাদনৰ হিচাব চলি আছে। তেওঁলোকৰ দেশত যিটো জলবায়ু মুগা উৎপাদনৰ কাৰণে প্ৰতিকূল নহয়। সেইকাৰণে যথেষ্ট পৰিমাণে মুগা উৎপাদন কৰিব পৰা নাই। বিশেষভাৱে আঁচনি প্ৰস্তুত কৰি এৰি আৰু মুগা উৎপাদনৰ ব্যৱস্থা গ্ৰহণ কৰিব পাৰি নেকি তাৰ কাৰণে ব্যৱস্থা ল'বলৈ মই বিশেষভাৱে অনুৰোধ জনাই কৰ্তন প্ৰস্তাৱৰ প্ৰতি সমৰ্থন জনাই ইমানতে মোৰ বক্তব্য সামৰিছো।

Madam Deputy Speaker : Now, Dr. Aditya Langthasa.

* ডাঃ আদিত্য লাংথাছা ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, গ্ৰাণ্ট নং ৫৯ত যিটো কৰ্তন প্ৰস্তাৱ অনা হৈছে এই কৰ্তন প্ৰস্তাৱৰ প্ৰতি মই সমৰ্থন জনাই ক'ব বিচাৰিছো, মানৱ জাতিয়ে সংস্কৃতি আৰু ৰুচিবোধৰ চানেকী বস্ত্ৰ ধাৰণ কৰিব বিচাৰে। নিজৰ দেহৰ বাবে নিজৰ পচন্দ আৰু ৰুচিসন্মত বস্ত্ৰ সকলোৱে বিচাৰে। এই কাৰণে হস্ততাঁত আৰু বস্ত্ৰ শিল্প বিভাগটোৱে যথেষ্ট উন্নতি কৰিব লাগিছিল। বিভাগটোৱে উন্মতি কৰিলে অৰ্থনীতি

আৰু নিয়োগৰ কাৰণে আঁচনি কৰাত চৰকাৰ একো অসুবিধাত নপৰিলহেঁতেন। কিন্তু চৰকাৰ এই ক্ষেত্ৰত বিফল হৈছে। এই বিভাগটোৰ কাৰণে কিমানজনে চিন্তা কৰে, কিমানজন শিপিনীয়ে কৰ্মসংস্থাপন লাভ কৰিছে, কিমানজনে লাভৱান হৈছে?

মাননীয়া উপাধ্যক্ষা মহোদয়া, ২০০৭-২০০৮ চনৰ পৰিসংখ্যা মতে যিমান প্ৰডাকচন চেণ্টাৰ আছে সিমান উন্নতি হোৱা নাই। ২০০৭-২০০৮ চনত আমি কিমানজন শিপিনীক এনগেজ কৰিছো, প্ৰডাকচনৰ কাৰণে ১১ লাখ ৭৪ হেজাৰ ৫৫৩ জনৰ ভিতৰত হোল টাইম ১ লাখ ৪৫ হেজাৰ ২০১ জন। ইয়াতো বিসংগতি আছে। ২০০৭-২০০৮ চনৰ পৰিসংখ্যালৈ চালে দেখা যায় অসমৰ সৰ্বমুঠ ৭৭৪ খন আছে। প্লেনত এচ চি আছে ১ হেজাৰ ১৬৯ আৰু এচ টিত আছে ২৪৮ জন। সেয়েহে মই ক'ব বিচাৰিছো য'ত বিশাল সম্বল আছে তাত বৈপ্লৱিকভাৱে এইটো আনিব পাৰি।

মাননীয়া উপাধ্যক্ষা মহোদয়া, এই বিভাগে এক বৈপ্লৱিক পৰিবৰ্তন আনিব পাৰে। অসমত নিবনুৱা সমস্যা আছে, এই নিবনুৱা সমস্যাই অনগ্ৰসৰতাৰ সৃষ্টি কৰিছে। সেই লোকসকলক আমি কৰ্মসংস্থাপন দি সুবিধা দিয়াৰ যথেষ্ট সম্ভাৱনা আছে। আজি কৰ্তন প্ৰস্তাৱৰ জৰিয়তে যি টকা পইচাৰ কথা কোৱা হৈছে, লাগিলে দিয়ক, বেছিকৈ দিব লাগে বুলি কৈছো। কিন্তু প্ৰকৃতাৰ্থত কি হৈছে সেইটো চালিজাৰি চাব লাগিব। অৰ্থনৈতিক উন্নয়নৰ সম্ভাৱনা আছে। যোৱা কালি পৰ্যটন বিভাগক লৈ আলোচনা হৈছিল, আজি হেণ্ডলুম আৰু টেক্সটাইল বিভাগৰ বিষয়ে আলোচনা হৈছে। এই বিভাগটোৰ জৰিয়তে অসমৰ অৰ্থনৈতিক উন্নতি সাধন কৰিব পাৰি। মাননীয় সদস্য শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই কৈছে শুৱালকুছিৰ বস্ত্ৰ পৃথিৱীৰ বিভিন্ন ঠাইলৈ যায়। এইটো ভালকৈ এক্সপ্লোৰ কৰিব পাৰি। এইক্ষেত্ৰত বিহিত ব্যৱস্থা ল'ব লাগে বুলি মই

আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্রী মহোদয়ক অনুৰোধ জনাইছো। ২০০৭-২০০৮ বৰ্ষত কম্বল আৰু সূতা বিতৰণ কৰা হৈছিল। কি প্রচিডিঅ'ৰত বেনিফিচাৰী চিলেক্ট কৰা হ'ল সেইটো নাজানো। এইক্ষেত্রত মন্ত্রী মহোদয়ে নিয়মৰ কথা কৈছিল। বিধায়কসকলক সম্পূর্ণ আতৰত ৰখা হৈছিল। যিবিলাক সূতা আৰু কম্বল বিতৰণ কৰা হৈছিল সেইবিলাক অতি নিম্নমানৰ আছিল। শিপিনীয়ে সূঁতা ব্যৱহাৰ কৰিব পৰা নাছিল আৰু কম্বল বিলাক মানুহে ব্যৱহাৰ কৰিব পৰা নাছিল। এখন কম্বল দীঘলে চাৰে চাৰি ফুট আৰু বহলে তিনি ফুট। এইবিলাক বিতৰণত যথেষ্ট খেলিমেলি হৈছে। গতিকে এইক্ষেত্রত মাননীয় মন্ত্রী মহাদয়ক বিহিত ব্যৱস্থা ল'বলৈ অনুৰোধ কৰিছো। আমাৰ অসমীয়াত এটা কথা আছে, 'চাতে শুকোৱা মুঠিতে লুকোৱা'। আগৰ দিনৰ শিপিনীয়ে চাতে শুকোৱা মুঠিতে লুকোৱা কাপোৰ বৈছিল। সূঁতা কাতি হাতেৰে যি বিলাক কাপোৰ তৈয়াৰ কৰা হয়, তাৰ দাম কম। আজি বজাৰত যি চাহিদা সেইটো আমি লক্ষ্য ৰাখিব লাগে। এনেকুৱা বহুত আঁচনি আছে, কিছুমান আঁচনি বিকল হৈ আছে। বিকল হোৱাৰ প্রথম কাৰণটো হৈছে বজাৰত চাহিদা নাই। বজাৰখন অধ্যয়ন কৰিব লাগিব, প্রয়োজন হ'লে ইনভেষ্ট কৰিব লাগিব। বজাৰত যি বস্তুৰ চাহিদা আছে, সেই অনুপাতে শিপিনীসকলক প্রশিক্ষণ দিব লাগিব। বজাৰত যি নতুন নতুন ডিজাইন ওলায়, সেই বিলাক শিপিনী সকলক শিকোৱাৰ ব্যৱস্থা কৰিব লাগিব। আজিকালি 'চাঁতে শুকোৱা মুঠিতে লুকোৱা' কাপোৰ নোহোৱা হৈছে। আমি ব্যৱহাৰ কৰিব পৰা কাপোৰ যে তৈয়াৰ কৰিব পাৰিব সন্দেহ আছে। এইক্ষেত্রত যদি কমপ্রমাইজ কৰে তেতিয়া হ'লে ভাল নহ'ব। আমাৰ অসমত বিভিন্ন জনগোষ্ঠীয়ে কাপোৰ তৈয়াৰ কৰে। অসমৰ পাট আৰু মুগাৰ যিবিলাক বস্তু তৈয়াৰ কৰা হয় সেইবিলাক জাকত জিলিকা হয়। কিছুমান বস্ত্রৰ পৰিচয় আছে, মিচিং, কাৰ্বি, বড়ো সকলে যি বস্ত্র পৰিধান কৰে, তেওঁলোকক চিনিব পাৰি। এইবিলাক অসমীয়া

জাতি হিচাবে ব্যৱহাৰ হৈছে। বিশেষকৈ জনগোষ্ঠী সকলে তেওঁলোকৰ প্ৰয়োজন সাপেক্ষে নিজৰ নিজৰ কাপোৰ প্ৰস্তুত কৰে। টি এচ পি ত ২৪৮ খন দিছে, অসমত যথেষ্ট জনজাতি লোক আছে। এই বিষয়ে ডব্লিউ পি টি এণ্ড বি চি মন্ত্ৰী মহোদয়ে ক'ব। তথাপিও মই ক'ব বিচাৰিছো জনজাতি সকলক সুবিধা দিয়া হৈছে, মই ব্যক্তিগত হিচাবে কৈছো যে মোৰ সমষ্টিত বহুতো শিপিনী আছে। তেওঁলোকে নিজ হাতে বোৱা কটা কৰে। তেওঁলোকে সুন্দৰ সুন্দৰ কাপোৰ বইছে। এইক্ষেত্ৰত বিভাগে গুৰুত্ব দিব লাগিব।

মাননীয়া উপাধ্যক্ষা মহোদয়া, আমাৰ যিটো ৰুচিবোধ সেইটো আজি বিশ্ব দৰবাৰলৈ লৈ যাব লাগিব। আমাৰ ইয়াৰ উৎপাদিত এই বস্ত্ৰসমূহ বিশ্বৰ বিভিন্ন ঠাইত সমাদ্ৰিত হৈছে। ইয়াৰ চাহিদাও যথেষ্ট বৃদ্ধি পাইছে। গতিকে আমাৰ ইয়াৰ বস্ত্ৰ আৰু বয়ন বিভাগটো শু�ৰালকুছিৰ নিচিনাকৈ এটা বিৰাট বস্ত্ৰ উদ্যোগ গঢ়ি তোলাৰ ক্ষেত্ৰত চৰকাৰৰ ফালৰ পৰা বিশেষ প্ৰচেষ্টা ল'ব বুলি আশা ৰখি কৰ্তন প্ৰস্তাবৰ জৰিয়তে অনুৰোধ জনালো।

Madam Deputy Speaker : Now, Shri Mohibul Hoque.

* শ্ৰী মহিবুল হক ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, ৰেচম আৰু বয়ন বিভাগৰ যিটো কৰ্তন প্ৰস্তাৱ আহিছে এই প্ৰস্তাৱটো বিৰোধীতা কৰি মই দুই চাৰিআশাৰ ক'ব বিচাৰিছো। ইতিমধ্যে পূৰ্বৰ বক্তাসকলে ৰেচম আৰু বয়ন বিভাগৰ সম্পৰ্কত এই মঞ্জুৰী শিতানত ভালেকেইটা গঠনমূলক পৰামৰ্শ আগবঢ়াই গৈছে। কৰ্তন প্ৰস্তাৱ হ'লেও তেখেতসকলে আগবঢ়োৱা গঠনমূলক পৰামৰ্শৰ লগত মই একমত। পৰম্পৰাগত ভাৱে আমাৰ কৰ্তন প্ৰস্তাৱ উপস্থাপন কৰা যদি বিধি নাথাকিলে হেঁতেন তেতিয়া হ'লে আমাৰ বিৰোধী পক্ষৰ সদস্যসকলে বিভাগৰ বৃদ্ধিকৰণৰ প্ৰস্তাৱ ল'লে হেঁতেন। মাননীয়া উপাধ্যক্ষা মহোদয়া, আমাৰ ৰাজ্যখন আজি

ভয়াৱহ নিবনুৱা সমস্যাত জর্জৰিত। এই সমস্যা সমাধান কৰাৰ ক্ষেত্ৰত ৰেচম আৰু বয়ন বিভাগে অগ্ৰনি ভূমিকা গ্ৰহণ কৰিব পাৰে। আমাৰ বহুতে কয় ৰাজ্যখনত ৩০ লাখ কোনোবাই কয় ১৫ লাখ বোৱনী আছে। তেওঁলোকক আজি যিখিনি সুবিধা দিব লাগিছিল সেইখিনি দিব পৰা নাই। ৰুটি, কাপৰা আৰু মকান। চৰকাৰৰ ফালৰ পৰা এই ৰুটি অর্থাৎ খাদ্য যোগান ধৰা, লজ্জা নিবাৰণৰ কাৰণে বস্ত্ৰ আৰু আশ্রয় ল'বলৈ ঘৰৰ প্রয়োজন। এইক্ষেত্ৰত চৰকাৰে বিভিন্ন ধৰণৰ আঁচনি গ্ৰহণ কৰি আহিছে। ৰেচম আৰু বয়ন বিভাগে এই ক্ষেত্ৰত নিবনুৱা সমস্যা সমাধানত বিশেষ ভূমিকা ল'ব পৰা থল আছে। শুৱালকুছিত এনে এখন ঠাই নাই য'ত বোৱনীয়ে কাপোৰ বোৱা নাই। যিটো নেকি প্রাক্তন ৰাষ্ট্রপতিয়েও ভূয়সী প্রশংসা কৰি গৈছে। তথাপি বিভাগটোৰ প্রাইমেৰী প্রগ্রেম নথকাৰ কাৰণে যিমান খিনি উন্নতি কৰিব লাগিছিল, কৰিব পৰা নাই। আজি আমাৰ অসমত তৈয়াৰি হোৱা ফুলাম গামোচাই গোটেই ভাৰতবর্ষকেই আকর্ষিত কৰিছে আৰু সকলোৰে মাজত সমাদ্রিত হৈছে। আজি কিছুদিন আগতে মই মুম্বাইলৈ গৈছিলো। তাত বলিউদৰ 'ডাইৰেক্টৰ', 'প্রডিউচাৰ' সকলক লগ পাইছিলো। তেওঁলোকে অতি মূল্যৱান বস্ত্ৰ আদি ব্যৱহাৰ কৰে। কিন্তু যেতিয়া মই অসমৰ পৰা ৬০-৭০-১০০ টকাৰ গামোচা লৈ তেওঁলোকক আপ্যায়ন কৰিলো তেওঁলোকে এই গামোচা দেখি অভিভূত হ'ল। অতি আদৰৰে তেওঁলোকে গ্ৰহণ কৰিলে। অসমৰ শুৱালকুছিৰ মেখেলা চাদৰ ভাৰতবর্ষ কিয় আনকি গোটেই বিশ্বতে সমাদ্রিত হৈছে। আন্তর্জাতিক বজাৰত লাখ লাখ টকাৰ বস্ত্ৰ বিক্রি হোৱা নজিৰো আছে। ইয়াৰ দ্বাৰা 'ফৰেন এক্সচেঞ্জ' লাভ হৈছে। গতিকে নিবনুৱা সমস্যাৰ যিটো ভয়াৱহতা সেইটো আমি ৰেচম আৰু বয়ন বিভাগৰ জৰিয়তে বিৰাট শিল্প উদ্যোগ গঢ়িলে আমি বহুখিনি সকাহ পাম। মই মাননীয় মন্ত্রী মহোদয়ক এইক্ষেত্ৰত বিশেষভাৱে ব্যৱস্থা লবলৈ অনুৰোধ জনালো।

মাননীয়া উপাধ্যক্ষা মহোদয়া, আমাৰ এই ৰেচম আৰু বয়ন বিভাগটোত কোন কোন ক্ষেত্ৰত অন্তৰায় আছে আৰু বাধা আছে এইটো বিচাৰি উলিওৱাটো মূল কথা। কিয়নো বোৱনি সকলক কেৱল সূতা কম্বল যোগান দিলেই সমস্যাটো সমাধান নহয়। বিধান সভাৰ কমিটীৰ লগত (পাব্লিক আণ্ডাৰটেকিং) আমাৰ লগত মাননীয় সদস্য ৰমেন্দ্র নাৰায়ণ কলিতা ডাঙৰীয়াও আছিল। তাত আমি দেখি আচৰিত হলো হেণ্ডলোম আৰু টেক্সটাইলৰ এখন বিৰাট বজাৰ আছে। বয়ন শিল্পৰ এখন সুকীয়া মার্কেট আছে। য'ত নেকি মানুহৰ ভিৰত যাব নোৱাৰি। অথচ আমাৰ ৰাজ্যখনত অজস্র নিপুণ শিপিনী থকা সত্বেও আৰু বোৱা কাপোৰৰ চাহিদা থকা সত্বেও আমি তেনে এখন মার্কেট গঢ়ি তুলিব পৰা নাই। এইক্ষেত্রত দৃঢ় পদক্ষেপ ল'ব লাগিব। গৌৰিপুৰত এক বিশেষ অনুষ্ঠানত মই বোৱনী সকলক তাত শাল বিতৰণ কৰিছিলো। বিভাগীয় বিষয়া সকলো উপস্থিত আছিল। মই তাত এটা ঘোষণা দিছিলো, যি সকলে উৎকৃষ্ট মানৰ গামোচা তৈয়াৰ কৰিব পাৰিব তেওঁলোকক মই ব্যক্তিগতভাৱে ৫ হেজাৰ টকা উপহাৰ দিম। এই অনুপ্রেৰণাত বোৱনী সকলে কাপোৰ ববলৈ দুগুণ উৎসাহেৰে আৰম্ভ কৰিলে। আমাৰ ধুবুৰী জিলাৰ মহিলাসকল কাপোৰ বোৱাত এক্সপার্ট নহয়। কিন্তু যেতিয়া তেওঁলোকে কাপোৰ বৈ দেখুৱালে তেতিয়া বুজিলো তেওঁলোকো শুৱালকুছিতকৈ কম নহয়। আপুনি আচৰিত হ'ব আজিকালি চৰ-চাপৰি অঞ্চলতো বোৱা কটা আৰু কাপোৰ বোৱাৰ ক্ষেত্রতো দুগুণে উৎসাহ পাইছে। কিন্তু এইক্ষেত্রত আমাৰ কোনো আঁচনি নাই। মোৰ সমষ্টিত বোৱনীসকলৰ উৎসাহ দেখি মই নিজেই উদ্যোগ কৰো বুলি ভাবি আমাৰ হেণ্ডলোম টেক্সটাইলৰ সঞ্চালকক লগ কৰিলো, মহিলাসকলক ট্রেইনিংঙৰ ব্যৱস্থা কৰিবলৈ। কিন্তু সঞ্চালকে ক'লে তেনে কোনো আঁচনি আমাৰ নাই। চেণ্ট্রেল গৰ্মেণ্টৰ ট্রেইনিং চেণ্টাৰ এটা খানাপাৰাত আছে তাত যোগাযোগ কৰিবলৈ ক'লে। মই

যোগাযোগ কৰিলো। কিন্তু আজিও তাৰ কোনো খবৰ নাই। মই নিজেই দায়িত্ব লৈ গৌৰিপুৰত ২০০ খন তাতশাল দিলো। এতিয়া শিপিনীসকলে তাত শুৱালকুছিৰ লেখিয়াকৈ কাপোৰ বৈ উলিয়াইছে। আনকি তেওঁলোকে বোৱা কাপোৰ দিল্লী প্ৰদৰ্শনীতো প্ৰসংসা লাভ কৰিছে। মই আন কতো সুবিধা কৰিব নোৱাৰি ডি আৰ ডি এৰ এচ জি আৰ ওৱায় প্ৰগ্ৰেমৰ জৰিয়তে ৫ লাখ, ৫ লাখকৈ দুটা উইভিং চেণ্টাৰ কৰি দিয়া হৈছে। ইয়াৰ জৰিয়তে তেওঁলোকৰ নিজৰ প্ৰয়োজনীয় বস্তুখিনি পোৱাৰ লগতে উপার্জনৰ পথো মুকলি হৈছে। মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো অসম বিকাশ যোজনা আৰু আন আন আঁচনি বিলাকৰ লগত ৰেচম আৰু বয়ন বিভাগটো টাইআপ কৰি মহিলাসকলক পৰ্যাপ্ত পৰিমাণে তাত শাল, সূতা ইত্যাদি দি শুৱালকুছিৰ নিচিনাকৈ যাতে এই শিল্পটো গঢ়দিব পাৰি তাৰ প্ৰতি দৃষ্টি ৰাখিবলৈ অনুৰোধ জনাইছো। এতিয়া চাওক এখন শাৰীৰ দাম দুশ টকা। যদি আমাৰ শিপিনী বা মহিলাসকলে নিজে কাপোৰ বৈ পৰিয়ালৰ প্ৰয়োজনীয় মেখেলা চাদৰ, শাৰী, লুঙি, ধূতি আদি যোগাৰ কৰি ল'ব পাৰে তেতিয়া হ'লে তেওঁ অধিক স্বাৱলম্বী হ'ব পাৰিব।

(মাননীয়া উপাধ্যক্ষা মহোদয়াই আসন এৰে আৰু মাননীয় সভাপতি মহোদয়ে আসন গ্ৰহণ কৰে।)

মাননীয় সভাপতি মহোদয়, আজি আমাৰ গাঁও অঞ্চলত বা চৰ-চাপৰি অঞ্চলত যিসকল মহিলাই চাকৰি-বাকৰি নকৰে, তেওঁলোকে আজৰি সময়ত নিজৰ পৰিয়ালৰ বাবে বিভিন্ন বস্ত্ৰ তৈয়াৰ কৰিব পাৰে। গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ক আমাৰ যি এচ জি আৰ ওৱাই আঁচনি আছে এই আঁচনিৰ জৰিয়তে পঞ্চায়ত বিভাগৰ লগত আলোচনা কৰি যিবিলাক চেলফ হেল্প গ্ৰুপ আছে সেই বিলাকক সাহায্য দিয়াৰ ব্যৱস্থা কৰিব লাগে। এই এচ জি আৰ ওৱাইৰ বহু টকা এনেয়ে পৰি আছে। আমাৰ ধুবুৰী জিলাতো কোটি কোটি এনেয়ে পৰি আছে।

গতিকে আমি যদি এই মহিলাসকলক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিব পাৰো আৰু তেওঁলোকে কাম কৰাৰ বাবে কিছুমান ওৱৰ্কচেদ বান্ধি দিব পাৰো তেতিয়াহলে মই ভাবো যে এইটো এটা তেওঁলোকৰ বাবে ডাঙৰ সহায় হ'ব। মাননীয় সভাপতি মহোদয়, আমাৰ ধুবুৰী জিলা টাঙ্গাইল শাৰীৰ বাবে বিখ্যাত। এই বিলাক হস্ত্ৰ তাঁত শাৰী। আজি আমাৰ গৌৰীপুৰ সমষ্টিৰ গাতে লাগি আছে গোলোকগঞ্জ। এই গোলোকঞ্জত শ শ মহিলাই হস্ততাঁত শাৰী তৈয়াৰ কৰি কৰ্মসংস্থানৰ বাট মোকলাইছে। তেওঁলোকে যিবিলাক শাৰী তৈয়াৰ কৰে সেইবোৰ কোচবিহাৰ, পশ্চিমবঙ্গ আদিত বিক্ৰী হৈ আছে। গতিকে আজি আমাৰ এই বিভাগে ধুবুৰী জিলা ভিত্তিক ব্যাপক প্ৰশিক্ষণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ মই অনুৰোধ জনালো। সৌসিদিনা আমাৰ ধুবুৰীত কিষাণ মেলা হৈছিল। তাৰে আমাৰ কৃষিমন্ত্ৰী মহোদয়াও গৈছিল তাত আমি দেখিছিলো যে চৰৰ এজন ব্যক্তিয়ে মুগা উৎপাদন কৰিছে আৰু সেইটো কিষাণ মেলাত প্ৰদৰ্শনৰ বাবে অনা হৈছিল। জামালুদ্দিন নামৰ ভাচনী চৰৰ ব্যক্তি এজনে উৎপাদন কৰা মুগা সেই কিষাণ মেলাত প্ৰদৰ্শিত হৈছিল। তেওঁ মুগা উৎপাদন য'তে ত'তে কৰা নাই। চৰত মুগা উৎপাদন কৰিছে। কথাটো শুনি আমিও আচৰিত হৈছিলো। কিন্তু অতি পৰিতাপৰ বিষয় যে আজি আমাৰ ধুবুৰীত ৰেচম আৰু বয়ন বিভাগৰ ষ্টাফ নাই। আজি এই বিভাগৰ অফিচাৰ সকলক বিভিন্ন ঠাইলৈ লৈ যোৱা হৈছে। সেয়েহে মই মন্ত্ৰী মহোদয়ক ধুবুৰী জিলাত পৰ্যাপ্ত পৰিমাণে ষ্টাফ দিয়াৰ বাবে অনুৰোধ জনালো। আমাৰ ধুবুৰী জিলাত চৰ-চাপৰি অঞ্চলকে আৰম্ভ কৰি পাহাৰীয়া অঞ্চলো আছে। যোৱাবাৰ যিখিনি সুতা দিয়া হৈছিল সেই সুতা পাহাৰীয়া অঞ্চলত থকা বিভিন্ন জনগোষ্ঠীৰ লগতে আমাৰ মুছলমান মহিলাসকলেও সুতা লৈ গৈ কাপোৰ-কানি তৈয়াৰ কৰিছে। চৰকাৰে অকল চাকৰি দি নিবনুৱা সমস্যা সমাধান কৰিব নোৱাৰে। যোকালি পৰ্যটন বিভাগৰ ওপৰত আলোচনা

হঁওতে কোৱা হৈছিল যে ৰাজ্যখনৰ নিবনুৱা সমস্যাৰ ক্ষেত্ৰত এই বিভাগে যথেষ্ট ভূমিকা ল'ব পাৰে। ঠিক তেনেকৈ ৰেচম বিভাগৰো উৎস আছে। যাৰ জৰিয়তে নিবনুৱা সমস্যা কিছু পৰিমাণে হ'লেও লাঘব কৰিব পাৰে। ইয়াৰ জলন্ত প্ৰমাণ হৈছে আমাৰ শুৱালকুছি। আজি শুৱালকুছিৰ পাট মুগাৰ কাপোৰে আন্তৰাষ্ট্ৰীয় বজাৰ দখল কৰিছে। গতিকে মই ভাবো যে শুৱালকুছিক অনুসৰণ কৰি আমাৰ প্ৰত্যেক অঞ্চলতে এইটো প্ৰসাৰ হয় তাৰ প্ৰতি ব্যৱস্থা গ্ৰহণ কৰিবলৈ মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। আমাৰ ধুবুৰী জিলা আজি মুগা পাট উৎপাদনৰ ক্ষেত্ৰত আগবাঢ়ি আহিছে। এটা সময়ত আমিও ভবা নাছিলো। কিন্তু আজি ভিতৰে ভিতৰে আমাৰ ভাই-ভনী সকলে আগবাঢ়ি অহা দেখি মই নিজেই আচৰিত হৈছো। সেয়েহে মন্ত্ৰী মহোদয়ক আমাৰ ধুবুৰী জিলাৰ প্ৰতি অলপ সুদৃষ্টি ৰাখিবলৈ অনুৰোধ জনালো। লগতে যিখিনি প্ৰয়োজনীয় ষ্টাফ লাগে সেইখিনি দিয়াৰ বাবে অনুৰোধ জনালো। শেষত, নিবনুৱা সমস্যা সমাধানৰ ক্ষেত্ৰত এই বিভাগটোৱে বলিষ্ঠ ভূমিকা গ্ৰহণ কৰিব বুলি আশা কৰি আৰু আমাৰ ধুবুৰী জিলাৰ প্ৰতি মাননীয় মন্ত্ৰী মহোদয়ে সুদৃষ্টি দিব বুলি আশা কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো। ধন্যবাদ, জয়হিন্দ।

শ্ৰী দ্ৰুপদ বৰগোহাই ঃ মাননীয় সভাপতি মহোদয়, ইতিমধ্যে কৰ্তন প্ৰস্তাৱৰ সমৰ্থনত মই ক'বলৈ থিয় হৈছো। আমাৰ মন্ত্ৰী মহোদয়ে তেখেতৰ বিভাগৰ বাবে এক কোটি টকা ওপৰঞ্চি মঞ্জুৰী বিচাৰিছে। মঞ্জুৰী দিয়াত আমাৰ আপত্তি নাই। কিন্তু কথা হৈছে বিভাগটোৱে কাম-কাজ সঠিকভাৱে কৰিছে নে নাই। যদি সঠিকভাৱে কৰিছে তেতিয়াহ'লে মঞ্জুৰী কমেই হ'ব, তাতকৈ বেছি মঞ্জুৰী বিচাৰিব লাগিছিল। যিহেতু বিভাগটোৰ কাম-কাজৰ ক্ষেত্ৰত আমাৰ সন্দেহ আছে সেয়েহে আমি কৰ্তন প্ৰস্তাৱৰ আলোচনা কৰিছো। প্ৰথমে মই আপাৰ আসামৰ কথা কওঁ। আমাৰ

অসমৰ প্ৰধানত তিনিবিধ সূতা তৈয়াৰ কৰা হৈছে। প্ৰথম হৈছে — মুগা, দ্বিতীয় হৈছে — পাট আৰু তৃতীয়তে হৈছে এৰি। এই মুগা যাক আমি গছ মুগা বুলি কওঁ ই ছুম গছৰ পাত খায়। আপাৰ আসামত এটা সময়ত প্ৰত্যেক পৰিয়ালৰ মানুহে মুগা পুহিছিল। যিবিলাকৰ মুগাত পুহিবৰ বাবে নিজা বাৰী নাছিল সেই সকলে আনৰ বাৰিত মুগাত পুহিছিল আৰু তাৰ জৰিয়তে জীৱিকা নিৰ্বাহ কৰিছিল আৰু ইয়াৰ দ্বাৰা প্ৰত্যেক পৰিয়ালৰ ভৰণ-পোষণৰ সুবিধা হৈছিল। কিন্তু কালক্ৰমে ছুমনি বাৰি নোহোৱাৰ ফলত মুগা খেতি প্ৰায় লুপ্ত হৈ যোৱাৰ উপক্ৰম হৈছে।

(মাননীয় সভাপতিয়ে আসন এৰে আৰু মাননীয় অধ্যক্ষ মহোদয়ে আসন গ্ৰহণ কৰে।)

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ উজনি অসমত বহুতো ৰাইজে মুগা পোহে। এই মুগা পলু পুহিবৰ বাবে চোম গছৰ দৰকাৰ হয়। আগতে উজনি অসমৰ ঘৰে ঘৰে চোম গছ আছিল। বৃহৎ চোমনি বাৰি আছিল। এই বিলাকত ৰাইজে এক দেৰমাহ ৬ মাহ চোমনিত মুগা পালন কৰে। কিন্তু মুগা পালনৰ বাবে দুটা মাহ জেঠ আৰু কাতি মাহটোহে বেচি উপযুক্ত ৰাইজৰ মতে। এই দুটা মাহত তৈয়াৰ কৰা মুগা সূতা অৰ্থাৎ জেঠুৰা আৰু কতিয়া মুগাসূতা অতি উপযুক্ত মুগা সূতা বুলি ধৰা হয়। কিন্তু আজি কিছুদিনৰ পৰা দেখা গৈছে বায়ু প্ৰদুষণৰ কাৰণে এই চোম গছবিলাক মৰি গৈছে ফলত মুগা উৎপাদন কমি গৈছে। মুগা খেতিয়কসকল ডাঙৰ অসুবিধাত পৰিছে ইয়াৰ কাৰণে। বিশেষকৈ উজনি অসমত অ' এন জি চিয়ে তেলৰ উৎপাদনৰ বাবে ডাঙৰ ডাঙৰ ৰীগ খান্দিছে। খাৰুৱা তেল দৰকাৰী। কিন্তু তেওঁলেকে খন্দা খাদৰ পৰা বিষাক্ত গেছ নিৰ্গত হৈ বায়ুমণ্ডল প্ৰদূষিত কৰিছে আৰু তেওঁলোকে এইবিলাক গেছ জ্বলাই দি পৰিবেশ প্ৰদূষিত কৰিছে। ইয়াৰ ফলত মুগা পোহা চোম গছবোৰ আৰু মুগা পলুবোৰৰ মৃত্যু

ঘটিছে। মুগাপালক ৰাইজ লোকচানৰ সন্মুখীন হৈছে। গতিকে বিষয়টো মই মাননীয় বিভাগীয় মন্ত্রীৰ দৃষ্টি আকর্ষণ কৰিছো। শিৱসাগৰ জিলাৰ সোণাৰিৰ বৃহৎ অঞ্চল সমূহ নামৰূপ, ডিব্রুগড় জিলাত এটা সময়ত বৃহৎ বৃহৎ চোমনি আছিল। কিন্তু এতিয়া উদ্যোগৰ বিষময় প্রভাৱ হৈছে যে সেইয়ে চোমনি বিলাক কমি আহিছে বায়ু প্রদূষণৰ ফলত। এইখিনি চকু দিয়াৰ বাবে আৰু চৰকাৰৰ বিবেচনাৰ বাবে অনুৰোধ কৰিলো। দ্বিতীয়তো পৰামর্শ হ'ল উপান্ত খেতিয়ক সকলে মুগাপালন কৰি জীৱিকা নির্বাহ কৰিব পাৰে তাৰ ব্যৱস্থা চৰকাৰৰ বিভাগে কৰিব লাগে। তেওঁলোকে শালি ধানৰ খেতি কৰাৰ পিচত এনেয়ে বহি থাকে হয়তো খেতিৰ মাটি নথকাৰ বাবে। তেওঁলোকে এক মাহ-দেৰমাহ মান মুগাপালন কৰি অর্থনৈতিক ভাৱে উন্নত হ'ব পাৰে। তাৰ ব্যৱস্থা চৰকাৰৰ বিভাগে কৰিব পাৰে। মুগা খেতি কৰিবৰ বাবে চোম গছৰ দৰকাৰ। বিভাগে মুগা পালকসকলৰ সুবিধাৰ বাবে চোম গছ ৰোপণত সহায় কৰিব লাগে। এইক্ষেত্রত চৰকাৰে আঁচনি তৈয়াৰ কৰি প্রকৃত খেতিয়ক মুগাপালক সকলক সাহায্য দিব লাগে। এই বিষয়ত হস্ততাঁত বিভাগে ব্যৱস্থা ল'বৰ বাবে পৰামর্শ দিছো। তৃতীয়তে, উজনি অসমৰ বৃহৎ অঞ্চলত বৃহৎ চোমনি বাৰি আছিল। দোপদৰ মৌজা নাজিৰা ধোপাবৰ মৌজা আদিত ৰস্তাৰ কিনাৰত আৰু ভিতৰতো বহুত চোমনি আছিল। এই বিলাকত মুগা পলু পুহি মুগাপালক সকল অর্থনৈতিকভাৱে সবল হৈছিল। কিন্তু এতিয়া তাৰ ৰাস্তাৰ কিনাৰৰ বহুতো মল্যৱান চোম গছ কাটি নিশেষ কৰি দিয়া হৈছে। ফলত মুগা পালক সকল অসুবিধাত পৰিছে। গতিকে বিভাগে এই গছবোৰ ৰক্ষা কৰাৰ বাবে পদক্ষেপ ল'ব লাগে। মই এয়া আহ্বান জনাইছো। চোম গছ ৰুৱলৈ পইচা দিছে অন্য বিভাগ কিছুমানেও। কিন্তু ৰুই পেলাই বেৰাখন দিয়া নাই ফলত গৰুয়ে খাই পেলাইছে। গতিকে বিভাগে কমপিহেনচিব ল'ব লাগে। অর্থনৈতিক বিকাশৰ কাৰণে মুগা খেতিয়ক সকলক চৰকাৰে সাহায্য দিয়ক এই

পৰামর্শ মই আগবঢ়াইছো। তাৰ পিচত ক'বলৈ ওলাইছো আগতে মুগা সূতা কাটোতে ভাঙৰি ব্যৱহাৰ কৰিছিল। এই প্ৰথা এতিয়া প্ৰায় লোপ পাইছে। এতিয়া বহুতে ভাঙৰি বুলি ক'লে বুজি নেপায়। এতিয়া মেচিন আহিল। মুগা সুতা কাটিবলৈ মেচিন আহিল। চৰকাৰে মুগা খেতিয়কক এই মেচিন যোগান ধৰিব লাগে। এই ক্ষেত্ৰত মেচিন যোগান ধৰি ট্ৰেনিঙৰ ব্যৱস্থা কৰিব লাগে বিভাগে। আগৰ এজন সদস্যই অসমৰ শিপিনীয়ে ছাতে শুকোৱা মুঠিতে লুকুৱা কাপোৰ উৎপদান কৰাৰ কথা কৈছে। হয়, এই কথা সত্য। বুৰঞ্জীত আমি পাইছো আহোম ৰাজত্বৰ দিনত মুলা গাভৰুয়ে একে ৰাতিৰ ভিতৰত কবচ পিন্ধাই গিৰীয়েকক যুদ্ধলৈ পঠাব নোৱাৰাৰ কাৰণে তুৰ্বকৰচলগত যুজত তেওঁৰ স্বামী ফ্ৰাচেনমুং বৰগোঁহাইৰ মৃত্যু হৈছিল বুলি বিশ্বাস কৰিছিল। কাৰণ সেই সময়ত মূলা গাভৰু বিধুতি অবস্থাত আছিল, সেই কাৰণে একে ৰাতিতে কবচ বৈ পিন্ধাব পৰা নাছিল। ফ্ৰাচেনমুং বৰগোঁহাইৰ মৃত্যুৰ পিছত মূলাগাভৰু নিজেই তুৰ্বকৰ বিপক্ষে যুদ্ধ কৰি মৃত্যু বৰণ কৰিছিল। তেওঁ যুদ্ধত মৰাৰ পিচত কনচেফ বৰপাত্ৰ গোহায়ে সকলো সৈন্যক উত্তেজিত কৰি তুলিছিল। ফলত তুৰ্বকৰ যুদ্ধত মৃত্যু হ'ল। এইটো এটা উদাহৰণ হ'ল অসমীয়া শিপিনীৰ। আগতে অসমীয়া বোৱনিয়ে ঘৰতে সুতা কাটি তাত কাপোৰ তৈয়াৰ কৰি ঘৰখনৰ অৰ্থনৈতিক অৱস্থাৰ উন্নতি সাধন কৰিছিল আৰু স্বাবলম্বী হৈছিল। গতিকে চৰকাৰে মুগা তৈয়াৰ কৰাৰ বাবে মেছিন আদিৰ যোগান ধৰি তেওঁলোকৰ অৰ্থনৈতিকভাৱে উন্নতি সাধনকৰাৰ বাবে ব্যৱস্থা ল'বলৈ মই চৰকাৰ আৰু বিভাগক অনুৰোধ জনাইছো, বিভাগে উচিত পদক্ষেপ ল'ব লাগে।

দ্বিতীয়তে, অধ্যক্ষ মহোদয়, চৰকাৰী বিভাগৰ ফালৰ পৰা ৩০ নম্বৰ আৰু ৪০ নম্বৰ সূতা বিতৰণ কৰা হৈছে। এইবোৰ হৈছে কোৰ্চ। সাধাৰণভাৱে মিহি কাপোৰ তৈয়াৰ কৰিব নোৱাৰি। হাজাৰ পকোৱা, লাখ পকোৱা সূতা বিতৰণ কৰিলে আমাৰ বোৱনীসকলে সুন্দৰ সুন্দৰ

কাপোৰ ব'ব পাৰে। কাপোৰত সপোন ৰচিব পাৰে। আমাৰ ইয়াত ট্ৰাইবেল মহিলাসকলে সুন্দৰ সুন্দৰ কাপোৰ তৈয়াৰ কৰিছে। আমাৰ বড়ো, ৰাভা, মিচিং, কাৰ্বি মহিলাসকলে মিহি সূতাৰ কাপোৰ বৈছে। সূতা বিতৰণৰ ব্যৱস্থা হৈছে বিভাগৰ ফালৰ পৰা। ৩০, ৪০ নম্বৰ সূতাৰ পৰিবৰ্তে মই কোৱা নাই সেইখিনিৰ প্ৰয়োজন নাই বুলি। কিন্তু সেই সূতাৰ লগতে মিহি সূতা দিলে আমাৰ বোৱনী সকল যথেষ্ট উপকৃত হ'ব বুলি মই ভাবো। এইটো পৰামৰ্শ মই মন্ত্ৰী মহোদয়ৰ ওচৰত ৰাখিছো। অধ্যক্ষ মহোদয়, আমাৰ এৰি, সূতা উৎপাদনৰ বাবে আচলতে এৰা গছ, কেচেৰু গছ লাগে। বৰ্তমান এই গছবিলাক কাটি পেলোৱা হৈছে। এইক্ষেত্ৰত গুৰুত্ব দিব লাগে। এইবোৰৰ খেতি যদি গাঁৱে গাঁৱে কৰাৰ বাবে বিভাগে ব্যৱস্থা লয় তেন্তে উপকাৰ আহিব বুলি মই ভাবো। এই বিষয়ত আঁচনি লোৱাটো ভাল। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ পাট সূতা উৎপাদন কৰাৰ বাবে বিশেষকৈ নাথ আৰু যোগী সম্প্ৰদায়ে অতীজৰে পৰা পাট পলু পুহিছিল। ইয়াৰ কাৰণে লাগে নুনি গছ। নুনি খেতি ব্যাপকভাৱে কৰিলে পাট সূতাৰ যথেষ্ট পৰিমাণে উৎপাদন কৰিব পাৰি। এইক্ষেত্ৰত বিভাগে চকু দিলে স্বাৱলম্বিতা আৰু নিবনুৱা সমস্যা হ্ৰাসৰ ক্ষেত্ৰত পোনপটীয়াভাৱে নহ'লেও পৰোক্ষভাৱে সহায় কৰিব। আমাৰ যিসকল খেতিয়কে শালি খেতি কৰে তেওঁলোকক চাপোৰ্ট দিবলৈ মহিলা সকলে যদি এই খেতি কৰে তেতিয়া আমি যথেষ্ট লাভৱান হ'ব পাৰিম। এতিয়া আমাৰ এটা ডাঙৰ প্ৰশ্ন আহিছে যে আমাৰ শিপিনী সকলে যিবিলাক বস্তু তৈয়াৰ কৰে এইবিলাকৰ বাহিৰত দাম নাই নেকি? আজিকালি বাতৰি কাকতত ওলায়ে থাকে যে অসমৰ এৰি, মুগাৰ বাহিৰত যথেষ্ট চাহিদা আছে। কিন্তু এই চাহিদা পূৰণ কৰিবলৈ সুন্দৰ মিহি কাপোৰ তৈয়াৰ কৰিবলৈ আমাৰ সামগ্ৰিকভাৱে এখন আঁচনি লাগে। এই ফিনিশ্ব প্ৰডাক্টবোৰ এৰি চাদৰ, মুগা, পাট কাপোৰৰ বাবে বজাৰৰ ব্যৱস্থা কৰিব লাগে। অসমৰ শিপিনী সকলক

ৰক্ষণাবেক্ষণ দিব লাগে। প্ৰত্যেক বছৰেই অসমৰ মহিলা গাভৰু সকলে গামোছা লগায়। অসমীয়া গামোছাৰ সন্মানেই বেলেগ। ইয়াৰ প্ৰয়োজন মাদ্ৰাজে বুজি পায়। সেয়ে তাৰ মিলত অসমৰ গামোছা তৈয়াৰ হয়। সেইবোৰ অসমলৈ পঠিয়াই তাৰ ব্যৱসায়ীয়ে লাভ কৰে। অসমত অসমীয়া গামোছাৰে চাহিদা পূৰণ কৰাৰ চেষ্টা কৰিব লাগে। এই ক্ষেত্ৰত বাহিৰৰ পৰা অহা বস্তুৰ ওপৰত বাধা দিবলৈ কিবা ব্যৱস্থা যদি আছে ল'ব লাগে। বিভাগীয় মন্ত্ৰী মহোদয়ে এই পৰামৰ্শবোৰ চাৰিজাৰি চাব বুলি মই আশা কৰিলো। মই আশা ৰাখিছো এইক্ষেত্ৰত মই যিবিলাক পৰামৰ্শ আগবঢ়াইছো সেইধৰণে বিভাগৰ ফালৰ পৰা আঁচনি ল'ব পাৰিলে অসমৰ জনসাধাৰণৰ লগতে আমাৰ বোৱনী সকলো যথেষ্ট লাভৱান হ'ব বুলি মই ধাৰণা কৰিছো। এইখিনিকে কৈ মাননীয় অধ্যক্ষ মহোদয়, মই মোৰ বক্তব্য সামৰণি মাৰিলো।

মাননীয় অধ্যক্ষ ঃ মাননীয় সদস্য, শ্ৰী বৃন্দাবন গোস্বামী।

* শ্ৰী বৃন্দাবন গোস্বামী ঃ মাননীয় অধ্যক্ষ মহোদয়, '২০০৯-২০১০ চনৰ মঞ্জুৰীৰ বাবে পৰিপূৰক দাবীসমূহৰ তালিকাৰ ২১-২২ পৃষ্ঠাৰ ৰেচম আৰু বয়ন' শিতানৰ ৫৯ নম্বৰ পৰিপূৰক দাবী মঞ্জুৰীৰ বাবে ধাৰ্য কৰা ১০০ লাখ টকাৰ মঞ্জুৰীৰ ওপৰত অলপ কথা ক'ব ওলাইছো। আমাৰ এই কুটিৰ শিল্পটো হস্ত তাঁত আৰু বস্ত্ৰ শিল্পটো অসমৰ গাঁৱে-ভূঁয়ে চলি আছে। এই সংক্ৰান্তত ইতিমধ্যে ভালেখিনি আলোচনা-বিলোচনা হৈছে। মুগা শিল্পটো অসমৰ নিজা শিল্প। এই মুগা শিল্পৰ জৰিয়তে অকল অসম নহয়, অকল ভাৰতবৰ্ষন হয়, গোটেই বিশ্বতে খ্যাতি লাভ কৰিব পাৰিছে। মাননীয় অধ্যক্ষ মহোদয়, ঢকুৰাখানা, ধেমাজী আদি ঠাইত পৰম্পৰাগত ভাৱে এই শিল্প চলি আহিছে। এই ট্ৰেডিচনেল শিল্পটোক জীয়াই ৰাখিবৰ কাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো। এতিয়া আমাৰ কেন্দ্ৰীয় চৰকাৰো আগবাঢ়ি আহিছে। মই অসম চৰকাৰক

* Speech not corrected

অনুৰোধ কৰিছো যাতে এই হস্ত তাঁত শিল্পটোৰ প্ৰতি বিশেষভাৱে নজৰ দিয়ে। এই চৰকাৰৰ আৰু এবছৰ আছে। এই এবছৰৰ ভিতৰত বহুত আগবাঢ়িব পাৰিব। যাতে এই শিল্পৰ জৰিয়তে লক্ষ লক্ষ মানুহ সংস্থাপিত কৰিব পৰা যায়। আমাৰ চৰকাৰে জানে যে সুতা বিতৰণৰ ক্ষেত্ৰত কি হয়। আনকি এনেকুৱা কথাও হয় যে এক লেচা সূতাৰে কি কৰিম, অন্য নহ'লেও অন্তত সন্ধিয়া চাকি এগছিকে জ্বলাব পাৰিম. এই সূতাৰ প্ৰতি শিপিনিহঁতৰ কিমান যে হেঁপাহ। ঘৰৰ গিৰিহঁতে সূতা আনি দিলে তেওঁলোকৰ কি আনন্দ আৰু এটা কথা ভাবি মোৰ ভাল লাগে যে তেওঁলোকে বাৰিষা বৰষুণৰ দিনটো তাত বাতি কৰিব পাৰে। আজি যদি ৫,০০০ কৌটি শিপিনীক ঋণ আদি দি সহায় কৰিব পৰা যায় তেন্তে বহুতো উপকৃত হ'ব। আমি কৃষক সকলক ঋণ দি সহায় কৰিছো অন্যান্য ক্ষেত্ৰত সহায় কৰা হৈছে তেন্তে এই শিপিনীসকলৰ ক্ষেত্ৰত বেংকৰ পৰা ঋণ আদি দিয়াত কি বাধা থাকিব পাৰে। এইক্ষেত্ৰত আৰ্থিক সাহায্য দি তেওঁলোকক উৎসাহিত কৰাৰ লগতে সংস্থাপিত কৰিব লাগে। আজিকালি নতুন ধৰণৰ ডিজাইন আদি ওলাইছে এই ডিজাইনবোৰ তেওঁলোকক দিব লাগে। প্ৰত্যেক সমষ্টিতে শিপিনীৰ প্ৰসাৰণ সমিটী গঠন কৰি দিব লাগে। মই দিছো, মোৰ সমষ্টিত মই চিত্ৰ কলা শিল্প সমিতি নামেৰে নামাকৰণ কৰি সমিতি গঠন কৰি দিছো। মই ভাবো এই ধৰণে যদি কৰা হয় তেন্তে নিশ্চয় শিপিনীসকল উপকৃত হব। শিপিনীসকলে উৎপাদন কৰা কাপোৰ আদি আৰ্টফেড আদিত বিক্ৰি কৰিব পাৰিব। এফালে ফুল থাকিলে দাম কম হয়, দুফালে ফুল থাকিলে দাম বেছি হয়। শিপিনী সকলৰ মাৰ্কেটৰ অভিজ্ঞতা নাই কাৰণে মাৰ্কেটত ভাল দাম নাপায়। আমাৰ মাননীয় মন্ত্ৰী নগেন শৰ্মা ডাঙৰীয়া আৰু মাননীয় ৰমেন্দ্ৰ নাৰায়ণ কলিতাৰ দিনত অলপ বস্তু শিপিনী সকলে পাইছিল। শিপিনী সকলৰ শাল নাই, অলপ সূতা পালেও আধিলৈ দিয়ে, বব জানে শাল নাই বুলি তেওঁলোকে আধিত দি দুখন চাদৰৰ

এখন আনিব লগা হয়। এইক্ষেত্রত ক্ষেত্র ভিত্তিত অৱগেনাইজেচন কৰি লৈ কামত আগবাঢ়িব লাগে। মাননীয় অধ্যক্ষ মহোদয়, এটা সূতা কল তেজপুৰ চাৰিদুৱাৰত আছিল এতিয়া সেইটোও নাই। আনহাতে, কপাহৰ খেতি নোহোৱা হ'ল। মাননীয় অধ্যক্ষ মহোদয়, এহা সূতাখিনি ৰেহাই মূল্যত দিয়াৰ ব্যৱস্থা হাতত ল'ব লাগে। গামোচাৰ প্রতিযোগিতাত ২৫, ২০, আৰু ১৫ হেজাৰ প্রাইজ দিয়াৰ কথা ওলাইছে। জয়মতীৰ কথা কোৱা হৈছে, মুলা গাভৰুৰৰ কথা কোৱা হৈছে, শিপিনী সকলক আগবঢ়াই নিবৰ কাৰণে, হস্ত তাঁত শিল্পটো আগবঢ়াই নিবৰ কাৰণে এই ধৰণৰ কাম হ'ব লাগে। স্বাস্থ্য মন্ত্রীয়ে স্বাস্থ্য বিভাগত যিধৰণে মহিলাসকলক দিছে সেই ধৰণে শিপিনীসকলকো বিবিন্ন ধৰণে সহায় কৰিব লাগে। তেওঁলোকৰ চকু বেয়া হৈ যায়, চচমা আদিৰ কাৰণে সহায় কৰিব লাগে। মাননীয় অধ্যক্ষ মহোদয়, মই মুগা শিল্পৰ অধীক উন্নতিৰ কাৰণে আশা ৰাখিছো। এই শিল্পটোৰ আঁচনি মতে কাম হোৱা নাই। মুগা শিল্পৰ কাৰণে যিটো টকা ধৰিব লাগিছিল, সেইমতে ধৰা হোৱা নাই। আমাৰ যি লাখ লাখ শিপিনী আছে তেওঁলোকক নতুন চানেকীৰ লগত নতুন টেকনোলজিৰ লগত মুখা মুখি হ'ব পৰাকৈ বিশ্ব দৰবাৰত আগবাঢ়ি যাব পৰাকৈ নতুন ৰূপত সজাই তোলাৰ কামনা কৰি মই মোৰ ব্যক্তব্যৰ সামৰণি মাৰিলো।

শ্রী উদ্ধব বর্মন ঃ মাননীয় অধ্যক্ষ মহোদয়, কর্তন প্রস্তাৱৰ ওপৰত কেইটামান কথা কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিম। ইতিমধ্যে ভালে কেইজনমান বিধায়কে এই সম্পর্কে আলোচনা-বিলোচনা কৰিছে। এই কথাটো নতুনকৈ ব্যাখ্যা কৰাৰ প্রয়োজন নাই যে আমাৰ এই বয়ন শিল্পটো গোটেই অসমৰ সমাজ জীৱনৰ কাৰণে এটা গুৰুত্বপূর্ণ শিল্প। এই শিল্পটো যুগ যুগ ধৰি আমাৰ অসমৰ সমাজৰ লগত জড়িত। আমাৰ মহাত্মা গান্ধীয়েও কৈছিল যে আমাৰ অসমৰ শিপিনী সকলে ফুলাম কাপোৰ বওতে আকাশৰ তৰা ৰচে। অৱেশ্যে যুগৰ লগে লগে আজি

কিছু পৰিবৰ্তন হৈছে। আজি গাঁৱে-ভূঞে মুগা, পাট, এৰি সূতাৰ উৎপাদন কমি গৈছে। এই সূতা বিলাক আগতে যিমান উৎপাদন কৰা হৈছিল এতিয়া তাতকৈ বহু পৰিমাণে কমি গৈছে। মুগাৰ খেতি কৰি আছে যদিও উৎপাদন বহু পৰিমাণে বৃদ্ধি পোৱা নাই। এই মুগা উৎপাদন কৰাৰ কাৰণে বিভিন্ন সময়ত মুগা উৎপাদনকাৰী সকল বিভিন্ন সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে। সেই সমস্যা বিলাক তেওঁলোকে নিজে মোকাবিলা কৰিবলগীয়া হয়। তেওঁলোকে চৰকাৰৰ পৰা যিবিলাক সা-সুবিধা পাব লাগে সেই সা-সুবিধা বিলাক পর্যাপ্ত পৰিমাণে পোৱা নাই। সেই মুগা উৎপাদনকাৰী খেতিয়কসকলক বিশেষভাৱে সহায় কৰাৰ কাৰণে আৰু সা-সুবিধা প্রদান কৰাৰ কাৰণে মই মন্ত্রী মহোদয়ক অনুৰোধ জনাইছো। কিছুমান উদ্যোগ স্থাপন কৰাৰ ফলত আমাৰ ৰাজ্য খনত পলিউচন হৈছে আৰু সেইটোৱে আমাৰ জনসাধাৰণক যথেষ্ট পৰিমাণে ক্ষতি কৰিছে। আমাৰ এই শিল্পটো ৰক্ষা কৰিবলৈ হ'লে অর্থনৈতিক ভেটি সুদৃঢ় কৰি ৰাখিব লাগিব। আজি অর্থনৈতিক বিকাশৰ লগে লগে মানুহৰ ৰুচিৰো পৰিবর্তন হৈছে। সেই ৰুচিৰ পৰিবর্তনৰ লগত সঙ্গতি ৰাখি আমি বিভিন্ন ধৰণৰ ডিজাইন কৰা দৰকাৰ আৰু সেইমতে মার্কেট এখন যাতে পায় সেইটোৰ প্রতি লক্ষ্য কৰা দৰকাৰ। বিভাগৰ ফালৰ পৰা শিপিনীসকলক প্রশিক্ষণ দিয়াৰ ব্যৱস্থা আছে। গতিকে শিপিনী সকলক টেকনলজী প্রয়োগ কৰি উচ্চ প্রশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিব লাগে। লগে লগে আমি এটা কথা মনত ৰাখিব লাগিব যে বয়ন শিল্পৰ ক্ষেত্রত আমাৰ ৰাজ্যখন হৈছে এখন বৈচিত্রপূর্ণ ৰাজ্য। আমাৰ ৰাজ্য খনৰ কোচ, ৰাজবংশী, অনুসূচীত জনজাতি আদি লোকসকলে বয়ন শিল্পৰ ক্ষেত্রত যিবিলাক উৎপাদন কৰে সেই বিলাকত বৈশিষ্ট আছে। আমাৰ মাননীয় সদস্য ৰমেন্দ্র নাৰায়ণ কলিতা ডাঙৰীয়াই শিপিনী সকলক সকাহ দিয়াৰ কথা কৈছে। আমাৰ বিভিন্ন জনগোষ্ঠীৰ লোকক তেওঁলোকৰ বৈশিষ্ট অনুযায়ী চৰকাৰে সূতা যোগান

ধৰাৰ ব্যৱস্থা কৰিব লাগে যাতে তেওঁলোক এই শিল্পৰ জৰিয়তে লাভৱান হয়। যিখিনি পইচা ধার্য্য কৰা হৈছে সেইখিনি যাতে সৎভাৱে খৰচ কৰা হয় সেইটো লক্ষ্য ৰখা দৰকাৰ। মুগা, এৰি আদি সূতা বাঙ্গালো�ৰৰ পৰা আমাৰ ৰাজ্যখনলৈ আনিবলগীয়া হৈছে। এই সূতা চীনৰ পৰা বাঙ্গালোৰলৈ আহে। এই সূতা যোগান ধৰা বিষয়টো শিপিনীসকলৰ কাৰণে আটাইতকৈ গুৰুত্বপূর্ণ বিষয়। গতিকে বাহিৰৰ পৰা সূতা আনিবলগীয়া হোৱা কাৰণে অসুবিধা হয়। শিপিনীসকলৰ প্রয়োজন অনুসৰি সেইমতে যদি বিক্রী কেন্দ্রৰ ব্যৱস্থা কৰা হয় তেতিয়াহ'লে শিপিনী সকল লাভৱান হ'ব। মই শু�ৱালকুছিৰ শিপিনী সকলৰ লগত জড়িত আছিলো। শুৱালকুছিৰ এই মুগা পাট শিল্পৰ লগত মহিলা সকলৰ লগতে পুৰুষ সকলো জড়িত হৈ আছে। আমাৰ শুৱালকুছি বয়ন শিল্পৰ নতুন শিপিনীসকলৰ কাৰণে ট্রেইনিং কেন্দ্রৰ নিচিনা হৈছে। বাস্কাকে ধৰি অসমৰ বিভিন্ন অঞ্চলৰ পৰা এই বয়ন শিল্পৰ ট্রেইনিঙৰ কাৰণে শুৱালকুছিলৈ পুৰুষ মহিলা আহে। কিন্তু এই ক্ষেত্রত তেওঁলোক বিভিন্ন ধৰণে বঞ্চিত হ'বলগীয়া হয়। তেওঁলোকৰ ক্ষেত্রত ৰক্ষণা-বেক্ষণৰ কোনো ব্যৱস্থা নাই। গতিকে এই বিলাক ক্ষেত্রত ব্যৱস্থা ল'ব লাগে। যিবিলাক গাভৰু ছোৱালী বা মহিলা এই বিষয়টোৰ ক্ষেত্রত জড়িত হৈ আছে তেওঁলোকৰ কাৰণে হোষ্টেলৰ ব্যৱস্থা কৰিব লাগে। আটাইতকৈ গুৰুত্বপূর্ণ কথা হৈছে বয়ন শিল্পৰ লগত যি সকল লোক জড়িত হৈ আছে তেওঁলোকৰ স্বাস্থ্যপাতিৰ ক্ষেত্রত নজৰ দিয়াটো দৰকাৰ। আজি গাঁৱে-ভূঞে অভাব-অনাটন হৈছে। বিশ্বায়নৰ ফলত অর্থনৈতিক দিশতো সর্বসাধাৰণ ৰাইজৰ জীৱন ধাৰণত যথেষ্ট অবনতি হৈছে। সেয়েহে এই সময়ছোৱাত যদি পুনৰ্বাসন আৰু স্ব-নিয়োজনৰ ব্যৱস্থা কৰিব পাৰি, তেতিয়া হ'লে বয়ন শিল্পইহে কৰিব পাৰিব। গতিকে এইক্ষেত্রত মাননীয় মন্ত্রী ডাঙৰীয়াই ব্যৱস্থা ল'ব পাৰে। মোৰ সমষ্টিটো দুখনমান চেৰিকালচাৰ ফার্ম আছে। আজি আমাৰ অসমত থকা এই

ফার্মবিলাকে চৰকাৰৰ ফালৰ পৰা যেনে ধৰণে সাহায্য পাব লাগে তেনে ধৰণে সাহায্য পোৱা নাই। ডিষ্ট্রিক ডেভেলপমেণ্ট ফাণ্ডৰ টকা বিলাক ক'ত যায় তাৰ কোনো মা-বাপ নাই। নিমুৱা হাউলীৰ নূনতোলাত দুখন চেৰিকালচাৰ ফার্ম আছে। নিমুৱা ফার্মখনত ঘৰ-দুৱাৰ নাই জহি গৈছে। এই ফার্ম বিলাকৰ লগত মহিলা আৰু পুৰুষৰ বিভিন্ন গোট জড়িত আছে। হাউলীৰ এই ফার্মখনো উজ্জীৱিত কৰি তুলি বিভিন্ন প্রকাৰে শিপিনী সকলক কাম-কাজত সহায় কৰিব পাৰি। তাৰ কাৰণে গুৰুত্বপূর্ণ কথাটো হৈছে চৰকাৰৰ ফালৰ পৰা উদ্যোগ ল'ব লাগিব। আমাৰ এই বয়ন আৰু ৰেচম শিল্পটো ডেভেলপ কৰাৰ কাৰণে বিশেষভাৱে আঁচনি লৈ সঠিকভাৱে কাম-কাজ কৰাৰ কাৰণে বিশেষ ব্যৱস্থা গ্রহণ কৰিব লাগিব। মই আশা ৰাখিছো মাননীয় মন্ত্রী মহোদয়ে এই সম্পর্কত গুৰুত্ব দিব। এইখিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* শ্রী অনুপ ফুকন ঃ মাননীয় অধ্যক্ষ মহোদয়, মূলতঃ আমাৰ ৩টা প্রয়োজনীয় বস্তু আছে। সেই কেইটা হ'ল খাদ্য, বস্ত্র আৰু বাসস্থান। এতিয়া আমাৰ বস্ত্রৰ কথাটো ইয়াত আলোচনা কৰা হৈছে। পৰিপূৰক দাবী মঞ্জুৰীৰ ক্ষেত্রত যিটো কর্তন প্রস্তাৱ অনা হৈছে তাৰ সমর্থনত মই দুযাৰ ক'ব বিচাৰিছো। আমাৰ যিটো এই বিভাগ আছে এই বিভাগৰ ফালৰ পৰা ১০০ লাখ টকাৰ যি পৰিপূৰক মঞ্জুৰী বিচাৰিছে তাৰ মূল কথা হৈছে পৰিকল্পনা আৱণ্টন অনুযায়ী এই টকাৰ প্রয়োজন হৈছে। আমাৰ মাননীয় সদস্য ৰমেন্দ্রনাৰায়ণ কলিতা ডাঙৰীয়াকে ধৰি ভালে কেইজনমান মাননীয় সদস্যই আজি এই বিষয়টোৰ সন্দর্ভত বহুতো গুৰুত্বপূর্ণ কথা কৈছে। মই যিখিনি কথা কম তাৰে দুই-এটা কথা পুনৰ উক্তিও হ'ব পাৰে। মই চমুকৈ কেইটামান কথা ক'ব বিচাৰিছো। এটা কথা উল্লেখ কৰিব বিচাৰিছো যে হস্ত তাঁত আৰু বয়ন শিল্প বুলি ক'লে বিনামূলীয়া সূতা বিতৰণ আৰু কম্বল বিতৰণ কৰা কথাটোকে বুজায়। আমাৰ

* Speech not corrected

ডিব্রুগড় জিলাত এই বিভাগটোৰে এই দুটাৰ বাহিৰে আন একো কৰা দেখা নাযায়। চোম গছৰ খেতিকৰাৰ বিষয়ে মই মাননীয় মন্ত্রী মহোদয়ৰ লগত আলোচনা কৰিছিলো। কিন্তু তেখেতে এন জি অ' খোলাৰ কাৰণে ব্যৱস্থা কৰাৰ কথা ক'লে। এই বিভাগটোৰ ক্ষেত্রত মাননীয় মন্ত্রী মহোদয়ৰ ভাল ভাব থাকিলেও পুঁজিৰ অভাৱত বিভিন্ন ধৰনৰ যিবিলাক সা-সুবিধা আগবঢ়াব লাগে সেই সা-সুবিধা বিলাক আগবঢ়াব পৰা নাই।

মাননীয় অধ্যক্ষ মহোদয়, শিল্পৰ ক্ষেত্রত মেগা কল'ষ্টাৰ যিটো ব্যৱস্থা লোৱা হৈছে সকলো শিপিনী এইক্ষেত্রত উপকৃত হ'ব। আৰু উদ্যোগ বিভাগেও উদ্যোগ স্থাপনৰ ব্যৱস্থা ল'ব বুলি মই অনুভৱ কৰিছো। নিজৰ নিজৰ স্বায়ত্ব শাসন থকা বিলাকে ব্যৱস্থা গ্রহণ কৰিব বুলি আশা কৰিলো। আগতে 'ছাঁতে শুকুৰা মুঠিতে লুকুৰা' কথা কৈ আমি গৌৰৱ বোধ কৰিছিলো এতিয়া সেইটো আমি কৰিব নোৱাৰা হৈছো। আগতে আমাৰ ছোনৱালীৰ বিয়া হ'লে সুন্দৰভাৱে গামোছা বৈ লৈছিল। কিন্তু এতিয়া দোকানৰ পৰা কিনিবলগা হৈছে। আনহাতে মহিলা সকলৰ কাৰণে ৩৩ শতাংশ সাংসদ বা বিধায়কৰ সংৰক্ষণ আগবঢ়াইছে। এইটো চৰকাৰৰ পৰা পূৰণ কৰিবৰ কাৰণে আগবাঢ়ি নহাৰ কাৰণে যথেষ্ট কৰিব লগীয়া আছে। অকল মহিলা সকলেই নহয়, পুৰুষ সকলেও কৰিব আছে। মহিলায়ো ভাত ৰান্ধে পুৰুষেও ভাত ৰান্ধে। শিপিনী হিচাবে যে অকল মহিলাহে হ'ব পাৰে সেইটো নহয়, পুৰুষেও পাৰে এই ক্ষেত্রত পুৰুষ সকলকো জড়িত কৰিব লাগিব। আৰু এই ক্ষেত্রত কথা এটা কওঁ যে কুটিৰ শিল্প হিচাপে জীয়াই ৰাখিবলৈ হ'লে চৰকাৰে আধুনিকীকৰণৰ ব্যৱস্থা ল'ব লাগিব। কুটিৰ শিল্পৰ যি আকর্ষণ সেইটো জীয়াই ৰাখি আগবাঢ়িব চেষ্টা কৰিব লাগিব। মৎস্য পালনৰ ক্ষেত্রত নতুন নতুন প্রজাতিৰ মাছ অনা হয় পৰম্পৰাগত মাছৰ খেতি নোহোৱা হৈছে। সূতা আৰু কম্বল বিতৰনৰ কথা কোৱা হৈছে। মাননীয় সদস্য মুহিবুল হক ডাঙৰীয়াই কৈছে তেখেতৰ ঘৰত

বেছি সূতা আৰু কম্বল পাইছে। কিন্তু মই নাজানো এইবিলাক ক'ৰ পৰা পাইছে বিভাগে দিছে নে অন্য কোনোৱাই দিছে। সেইবিলাকো অনুসন্ধান কৰাটো দৰকাৰ। ৰেচম আৰু মুগা শিল্পৰ কথাটো আমাৰ যিখিনি সাধাৰণ অসমীয়া মানুহ আছে সেইসকলৰ প্ৰায়ভাগে জানে, কিছুমান জনগোষ্ঠীয় লোক আছে সেই সকলে নাজানে। চাহ জনগোষ্ঠী সম্প্ৰদায় ইয়াৰ লগত জড়িত, মই ভাবো তেখেতসকলৰ মহিলাসকলৰ ইয়াৰ লগত জড়িত কৰি স্বাবলম্বীতা কৰিবৰ কাৰণে তেওঁলোকে প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিব লাগে। চৰ অঞ্চলৰ মহিলা সকলকো সুবিধা দিব লাগে। নেপালী সম্প্ৰদায়ৰ লোক আছে তেওঁলোকক জড়িত কৰিব লাগে। আনহাতে, বাংলা ভাষী লোকসকলৰ জনগোষ্ঠীৰ উন্নত শিল্প আছে, সেই সকলোবিলাক জনগোষ্ঠীৰে একোটা শিল্পৰ একোটা পৰম্পৰা আছে। এই সকলো বিলাক জনগোষ্ঠীকে আগবঢ়াই নিয়াৰ ব্যৱস্থা কৰিব লাগে। এই সকলোবিলাক জনগোষ্ঠীৰ সংমিশ্ৰণতে এই শিল্পটোৰ উন্নতি হ'ব। জনগোষ্ঠীয় লোকসকলৰ বস্ত্ৰ শিল্প অতি উন্নত। আজি উপাধ্যক্ষা মহোদয়াই মিচিং সম্প্ৰদায়ৰ এজোৰ সাজ পিন্ধি আহিছে। দেখিবলৈও বৰ শুৱনি লাগিছে। মিচিং সম্প্ৰদায়ৰ সেই কাপোৰত সপোন ৰচিছে। মহাত্মা গান্ধীয়েও কৈছিল যে অসমীয়া মানুহে কাপোৰৰ সপোন ৰচিব পাৰে। আমি অসমৰ যি চাহিদা আছে সেইটো অকলে পূৰণ কৰিব নোৱাৰো। আমি যদি সন্মিলিতভাৱে আগবাঢ়ি যাওঁ তেতিয়া এটা নতুন প্ৰেক্ষাপটৰ জন্ম হ'ব।

আজি মিচিং সকলে নিজৰ ধৰণে বোৱা-কতা কৰিছে বড়ো সকলে নিজা ধৰণে কৰিছে আৰু অন্যান্য সকলেও নিজা নিজা ধৰণে কৰি আছে এই সকলোবোৰ লগ লগাই যদি এটা নতুনপ্ৰজেকচন কৰিব পাৰি ইয়াৰ নিশ্চয় উন্নতি হ'ব। কিবা নতুনত্বৰ সৃষ্টি হ'ব। ইয়ে নতুন প্ৰজন্মক স্বাৱলম্বী হোৱাৰ সুযোগ দিব। এটা উদ্যোগ আগবঢ়াই আন

এটা উদ্যোগ যাতে নষ্ট হৈ নাযায় তাৰ প্ৰতিও লক্ষ ৰাখিব লাগিব। আজি বয়ন শিল্প বা ৰেচম শিল্প আগবঢ়াই নিয়াত ডাঙৰ সুবিধা হৈছে ইয়াৰ লগত চাহ শিল্পৰ সম্পৰ্ক আছে। এই শিল্প বিলাকৰ কাৰণে অইল ইণ্ডিয়া বা অ' এন জি চি দন্দ হৈছে। এইবিলাকৰ প্ৰদুষণৰ কাৰণে ৰেচম পলু নষ্ট হৈছে, চাহ শিল্পৰ অনিষ্ট হৈছে। গতিকে বেলেগ কিবা আইন ৰচনা কৰি হ'লেও ইয়াক ৰক্ষা কৰিব লাগিব। কাৰণ ৰাসায়ণিক দ্ৰব্য ব্যৱহাৰ কৰি বাকী শিল্পক জুৰুলা কৰিছে। আইন ৰচনা কৰি হ'লেও তাক ৰক্ষণাবেক্ষণ দিয়াৰ চিন্তা কৰিব লাগিব। এই বিভাগটো অকল সূতা কম্বল বিলোৱা বিভাগ হৈ থাকিব নালাগে। সূতা কম্বলো যে আমাৰ সমষ্টি বিলাকত বিতৰণ কৰে সেই বিলাক কোনে দিয়ে কাক দিয়ে সেইবিলাকো আমি নাজানো। নতুন কিবা আঁচনি নললে এই বিভাগটো কিন্তু বিফল হ'ব।

এইখিনিকে কৈ কৰ্তন প্ৰস্তাৱটো সমৰ্থন কৰি মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

* শ্ৰী নুৰুল হুছেইন ঃ মাননীয় অধ্যক্ষ মহোদয়, ৫৯ মঞ্জুৰীৰ ওপৰত যিটো কৰ্তন প্ৰস্তাৱ উত্থাপিত হৈছে মই তাক সমৰ্থন কৰি মোৰ বক্তব্য ৰাখিব বিচাৰিছো। অধ্যক্ষ মহোদয়, হস্ত তাঁত ও ৰেচম বিভাগৰে তথ্য অনুযায়ী অসমত ১৭ লাখ শিপিনী আছে আৰু শাল আছে মাত্ৰ ১৪ লাখ। তেখেত সকলৰ মতে ৩৪ লাখ শিপিনীক সংস্থাপন কৰা বুলি কৈছে। মোৰ সমষ্টিৰ ওচৰতে শুৱালকুছি, ইয়াতেই মুগাৰ কপোৰ বেছি উৎপাদন হয়। মোৰ সমষ্টিৰ হাজোতও আজিকালি উৎপাদন যথেষ্ট হয়। আজি কালি চৰ অঞ্চলতো ই বিয়পী গৈছে তথাপিও কিন্তু এই শিল্প বাণিজ্যিক ভাৱে আগবাঢ়ি যাব পৰা নাই। বাহিৰৰ পৰা আমাৰ দেশত আজিও ধূতি, গমোছা বা আন কাপোৰ আমদানী হৈয়ে আছে। আমাৰ ইয়াত হাতে কৰা কাম ভালহয়। কিন্তু সেই হিচাবে তাৰ মূল্য নাপায়। অসমৰ

* Speech not corrected

মহিলা সকলে এতিয়াও বাণিজ্যিক ভিত্তিত গামোচা বা পাট কাপোৰ উৎপাদন নকৰে মাত্ৰ যাৰ ঘৰত যিমান দৰকাৰ বা একেবাৰে নূন্যতম চাহিদা খিনিহে পূৰাই আছে। যদি ১০ খন লাগে ১০ খনহে উৎপাদন কৰে। এতিয়া অৱশ্যে শুৱালকুছিত কিছু বাণিজ্যিক ভিত্তিত উৎপাদন কৰি আছে কিন্তু এই টেকনোল'জিৰ উন্নয় কৰাৰ সময় আহি পৰিছে। ১৯২০ চনতে মাবাৰীত থকা টেক্সটাইল ইষ্টিটিউট প্ৰতিষ্ঠা হৈছিল আৰু ১৯০১ চনতে কটন আৰম্ভ কৰা হৈছিল দুয়োটা ৰিলেটেড। কটন আজি আগবাঢ়ি গ'ল কিন্তু টেক্সটাইল ইন্সষ্টিটিউটটো আজিও ডিপ্লোমা হৈয়ে থাকিল। তাৰ কোনো উন্নতি হোৱা নাই। দেশৰ সকলো ঠাইতে টেক্সটাইল ইন্সষ্টিটিউটবিলাক ডিগ্ৰী কলেজ হ'ল আমাৰখন নহ'ল। তাৰ কাৰণে আমি কেন্দ্ৰীয় চৰকাৰক ডেপুটেচনও দিলো। আজি আমাৰ দেশৰ শিপিনী সকলৰ নখ বিলাক চাব নোৱাৰা হৈছে। কাৰণ নখেৰেই আজিও বহুতে সূতা তোলে ঠিক তেনেকৈ হাজোত পিতলৰ উদ্যোগ আছে পুৱাৰ পৰাই গধুলিলৈ অকল পিতল কোবোয়ে থাকে। তেওঁ নিজে নুশুনে কিন্তু ওচৰ পাজৰৰ মানুহৰ কাণ তলা মাৰী ধৰে। তেওঁলোকৰ ল'ৰা-ছোৱালীৰ পঢ়া-শুনাৰ খবৰ নাই। গতিকে আমি এই দিশ বিলাকো চাব লাগিব। শুৱালকুছিৰ শিপিনীবিলাক অৱশ্যে বেছিভাগে বাহিৰৰ পৰা যোৱা শিপিনী। বোৱনী শব্দটো স্ত্ৰীলিঙ্গ যদিও আজি কালি ডেকা ল'ৰাবিলাকেও এই কামত লিপ্ত হৈছে। কাৰণ তেওঁলোকে দ্ৰুতগতিত এই কাম কৰিব পাৰে সেই কাৰণে এই বোৱনীসকলৰ অভাৱ অভিযোগৰ কথাটোত এই বিভাগে বেছি গুৰুত্ব দিব লাগে। তেওঁলোকৰ স্থানীয়ভাৱে চিকিৎসাত বেছি গুৰুত্ব আৰোপ কৰিব লাগে। শুৱালকুছিখন বৰ ঠেক তাৰ ভিতৰত কি কষ্টৰ মাজেৰে তেওঁলোকে কাম কৰি আছে মন্ত্ৰী মহাদয়ে নিজে চাব লাগে। মুগা সূতা বেছিকৈ নামনি অসমতে বেছি উৎপাদন হয়। কিন্তু মুনাফা লাভ কৰে মধ্যভোগী সকলে। আমাৰ শিপিনীয়ে আগৰ সেই মাকু মাৰা প্ৰথা বাদ দিব লাগে। আজিকালি

বৈজ্ঞানিক যুগ সকলোবিলাক যন্ত্রচালিত হ'ব আৰু ইয়াৰ উন্নতি কৰাৰ যথেষ্ট স্থল আছে।

চৰকাৰে এই ব্যৱস্থা বিলাক কৰিব লাগিব, ৰাইজে কৰিব নোৱাৰে। আমাৰ এই বিলাক থলুৱা লোকসকলৰ কাৰণে কি ব্যৱস্থাকৰিলে? আমাৰ যিবিলাক শিপিনী আছে মোৰ সমষ্টিত মোৰ ফাণ্ডৰ পৰা সহায় কৰো টকা দি। এনেকৈয়ে মোৰ সমষ্টিৰ এচ ডি অ' বা সংশ্লিষ্ট ওপৰৱালাকো পৰামৰ্শ দিওঁ যাতে শিপিনীসকলৰ একোটা সংস্থাপন হয়। তেওঁলোকে যিবিলাক গামোছা বয়, সেই বিলাক ডমেষ্টিক পাৰপাচন কাৰণে এতিয়াও কমাৰচিয়েল হোৱা নাই।

মাননীয় অধ্যক্ষ মহোদয়, এই বিভাগটোৰ যথেষ্ট গুৰুত্ব আছে। যদিও মহিলা সকলে বয়, পুৰুষ সকলো ইয়াৰ লগত জড়িত আছে। কিয়নো সকলোকে বস্ত্র লাগে। ইয়াৰ ব্যৱস্থা কৰিলে আমিও যি পাৰো সহায় কৰিম এইখিনি পৰামৰ্শকেৰ আগবঢ়াই মোৰ বক্তব্য সামৰী মাৰিলো।

* শ্রী কেশৰ মহন্ত ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি কৰ্তন প্রস্তাৱটো সমর্থন কৰি মই কেৱল কেইটামান কথাৰ প্রতি মাননীয় মন্ত্রী মহোদয়ৰ দৃষ্টি আকর্ষণ কৰিবলৈ ওলাইছো। আমাৰ যিটো হেণ্ডলোম টেক্সটাইল বিভাগ সেইটোৰ মানদণ্ড আজিও উন্নত কৰিব পৰা নাই। বাহিৰৰ বজাৰখনৰ এই সামগ্রী বিলাক উলিয়াই দিব পৰা নাই। জনজাতীয় লোকে যিখিনি বস্ত্র উৎপাদন কৰে তাৰ কাৰু-কার্য বেলেগ ধৰণৰ। ৰং-বিৰঙৰ সূতা দি তেওঁলোকে বস্ত্র উৎপাদন কৰে। এই উৎপাদনখিনি বাহিৰৰ বজাৰত উলিয়াব পৰাকৈ প্রস্তুত কৰিব লাগে। তেতিয়া হ'লে এই উদ্যোগ বিলাকৰ জড়িয়তে আমাৰ শিপিনীসকল যথেষ্টভাৱে উপকৃত হ'ব আৰু জীৱিকা নির্বাহৰ বাবে নতুন নতুন উদ্যোগ গঢ়ি

* Speech not corrected

তুলিব পাৰিম। আৰু এটা কথা উল্লেখ কৰিব বিচাৰিছো যে আমাৰ যিবিলাক একজিভিশ্বন হয় আৰু তাঁত যিবিলাক বস্ত্ৰ বিক্ৰী হয়, কেন্দ্ৰীয় চৰকাৰে তাৰ ওপৰত ১০ শতাংশ টকা আদায় দিয়াৰ কথা আছিল। আমি তেওঁলোকৰ পৰা শতকৰা ১০ শতাংশ টকা আদায় কৰিবৰ কাৰণে প্ৰস্তাৱ ৰাখিছো আৰু এই বিষয়টো বিভাগীয় মন্ত্ৰীৰ তৰফৰ পৰা পুনৰ আদায় কৰাৰ কাৰণে অনুৰোধ জনাইছো। আজিকালি যিবিলাক কাপোৰ দিছে সেই বিলাকত হাতেৰে ডিজাইন নকৰি কম্পিউটাৰত ডিজাইন কৰা হয়, কিন্তু এনেদৰে কম্পিউটাৰত ডিজাইন কৰিবলৈ জেগা থাকিব লাগিব। আৰু কম্পিউটাৰত ডিজাইন কৰিবলৈ হ'লে ট্ৰেইনিং দিয়াৰ ব্যৱস্থা থাকিব লাগিব। এই বিষয়ে মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। আৰু আশা কৰিছো আজি আমি যিখিনি কথাৰ ওপৰত বক্তব্য ৰাখিছো, এই আটাইবিলাক কথা টেক্সটাইল বিভাগে পাৱাৰ লোম ডেভলপমেণ্ট কৰ্পোৰেচনৰ যোগেদি আঁচনি লব লাগে। আমাৰ কলিয়াবৰত ১০ বছৰ আগতে এনে এখন ফাৰ্ম আৰম্ভ হৈছিল দুবছৰ চলাৰ পাচতে বন্ধ হৈ গ'ল, এতিয়া সেইখন প্ৰাইভেট চেক্টৰক দি হ'লেও আৰম্ভ কৰিব লাগে।

মাননীয় অধ্যক্ষ ঃ এতিয়া ১ বাজিবৰ হ'ল আপুনি ১ মিনিট বা দুই মিনিট কওক।

* শ্ৰী কেশৱ মহন্ত ঃ মাননীয় অধ্যক্ষ মহোদয়, কলিয়াবৰত দুখন ফাৰ্ম আছে, সেই দুখনৰ অৱস্থা জৰাজীৰ্ণ। ৰখীয়া জনৰ বাহিৰে তাত মানুহ নাই। ফাৰ্ম কেইখনৰ গাঠনি ভাঙি চিঙি গৈছে। ৰাস্তাৰ প্ৰায় কাষতে থকা এই ফাৰ্ম কেইখন পৰিকল্পনাত সুমুৱাই ল'ব লাগে।

ইতিমধ্যে আমি দেখা পাইছো চৰকাৰে সুতা আৰু কম্বল দিছে, কিন্তু যোৱা ৪ বছৰে এমুঠি সূতাও মোৰ ফালৰ পৰা দিব পৰা নাই। সূতা যি দিছে তাৰ এটা প্ৰক্ৰিয়া থকা ভাল, কোনোবা মানুহক সূতা

* Speech not corrected

এমুঠি দিছে তেওঁলোকে আকৌ আনক বিক্রী কৰিছে, এইবোৰ চোৱাৰ কোনো ব্যৱস্থা নাই। কিন্তু এতিয়া মোৰ প্ৰশ্নটো হৈছে, শিপিনীসকলক সূতা দিয়া ব্যৱস্থাটো নিশ্চিত হ'ব লাগে। চৰকাৰে সূতা দিছে এই কথাটো নি প্ৰতিষ্ঠা কৰিবৰ কাৰণেহে তাৰ বাহিৰে একো হোৱা নাই। এখন গাইড লাইন থাকিব লাগে। এই পৰামৰ্শ আগবঢ়াই মই সামৰিছো।

শ্ৰীপ্ৰণৱ গগৈ (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই ২০০১ চনৰ পৰা বিধায়ক হোৱা কালছোৱাৰ পৰা আৰম্ভ কৰি এতিয়ালৈকে এই প্ৰথমবাৰৰ বাবে হস্ততাঁত বস্ত্ৰশিল্প বিভাগটোৱে বিধানসভাৰ মজিয়াত গুৰুত্ব পোৱা দেখিছো। হয়তো ইমানদিনে এই বিভাগটো এটা গুৰুত্বহীন বিভাগৰূপে পৰিগণিত হৈ আহিছে। আজি কৰ্তন প্ৰস্তাবত ভাগ লোৱা মাননীয় বিধায়কসকল ক্ৰমে মাননীয় পৰিমল শুক্ল বৈদ্য, মাননীয় ৰমেন্দ্ৰ নাৰায়ণ কলিতা, মাননীয় আদিত্য লাংথাচা, মাননীয় মহিবুল হক, মাননীয় দ্ৰুপদ বৰগোহাঁই, মাননীয় বৃন্দাবন গোস্বামী, মাননীয় উদ্ধৱ বৰ্মন, মাননীয় অনুপ ফুকন, মাননীয় কেশৱ মহন্ত, মাননীয় নুৰুল হুছেইন সকলোলৈকে তেখেতসকলে আগবঢ়োৱা গুৰুত্বপূৰ্ণ আৰু গঠনমূলক পৰামৰ্শৰ বাবে মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো আৰু তেখেতসকলৰ পৰামৰ্শসমূহ মই গুৰুত্বসহকাৰে লৈছো। আজি যিটো কৰ্তন প্ৰস্তাৱ আহিছে সেইটো ৰেচম বিভাগৰ দাবী সন্দৰ্ভত, যিহেতু আজি মাননীয় সদস্য সকলৰ বহুতেই হস্ততাঁত বস্ত্ৰশিল্পৰ ওপৰত কিছু পৰামৰ্শ আগবঢ়াইছে তাৰ ওপৰতহে মই প্ৰথমতে ক'ব বিচাৰিছো বাকী পিচত মই ৰেচম বিভাগৰ ওপৰত মোৰ বক্তব্য আগবঢ়াম। মাননীয় পৰিমল শুক্ল বৈদ্য ডাঙৰীয়াই অভিযোগ কৰিছে যে আমি দুহেজাৰ টকাত কিনা সূতাৰ বাণ্ডিল হিতাধিকাৰীয়ে দুশ টকাত বিক্ৰী কৰিছে। কিন্তু মই সদনৰ জ্ঞাতাৰ্থে জনাব বিচাৰো যে আমি সূতাৰ মিলবিলাকৰ পৰা ডাইৰেক্টলি মিল গেট প্ৰাইচত প্ৰতি বাণ্ডিল সূতা ছশ সাতত্ৰিশ টকাকৈ কিনিছো আৰু

কেৰেজ আৰু কনটিজেন্সি লগাই সূতা বিলোৱালৈকে প্ৰতি বাণ্ডিলৰ দাম পৰিছে ছশ আঠসত্তৰ টকা। সেইদৰে প্ৰত্যেকখন কম্বল মিলৰ পৰা আমি একোখন ১৭৫ টকাকৈ কিনিছো আৰু ডিষ্ট্ৰিবিউচনৰ বাবে তিনি টকাসহ ধৰি মুঠ ১৭৮ টকা খৰচত হিতাধিকাৰীৰ মাজত বিলাইছো, সেয়েহে ২০০০ টকাত সূতা কিনা কথাটো সত্য নহয়, সূতা আৰু কম্বলৰ বাবে বেনিফিচাৰী বাছনিৰ ক্ষেত্ৰত কোনো ৰাজনৈতিক হস্তক্ষেপ বিচৰা নাই। সূতাৰ হিতাধিকাৰী বাছনিৰ ক্ষেত্ৰত আমি দায়িত্ব দিছো এচিষ্টেণ্ট ডাইৰেক্টৰ হেণ্ডলোম বা অধীক্ষকক। ঠিক সেইদৰে কম্বলৰ ক্ষেত্ৰত আমি দায়িত্ব দিছো সেই অঞ্চলৰ বি ডি অ' সকলক। তেওঁলোকে হিতাধিকাৰী সকলৰ তালিকা প্ৰস্তুত কৰি জিলা উপায়ুক্তক দাখিল কৰিব। জিলা উপায়ুক্তৰ অনুমোদনৰ পিচত যদি কিবা আসোঁৱাহ থাকে সেইখিনি আসোঁৱাহ জিলা ভাৰপ্ৰাপ্ত মন্ত্ৰীজনে পৰীক্ষা কৰি চূড়ান্ত অনুমোদন দিয়া পিচতহে সেই তালিকা গ্ৰহণযোগ্য হ'ব। অৱশ্যে বিধায়ক সকলৰ পৰামৰ্শ ল'বলৈ ইয়াৰ পৰা চাৰ্কোলাৰ দিয়া হৈছে। এই চাৰ্কোলাৰৰ কপি প্ৰতিগৰাকী বিধায়কক যোগান ধৰা হ'ব। মাননীয় বিধায়ক লাংথাছা ডাঙৰীয়াই আপত্তি কৰিছে যে তেখেতৰ সমষ্টিত যোগান ধৰা সূতা আৰু কম্বল অতি নিম্নমানৰ। এনে অভিযোগ অন্য কোনো অঞ্চলৰ পৰা পোৱা নাই। তেখেতৰ কিয় এনে দুৰ্ভাগ্য হ'ল, মই বিভাগৰ সঞ্চালকৰ দ্বাৰা পৰীক্ষা কৰোৱাম।

* **শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে এইবিলাক স্পষ্টভাৱে ডাইৰেকচন দিব লাগে আৰু স্বচ্ছ প্ৰক্ৰিয়া কৰিব লাগে। মন্ত্ৰী মহোদয়ে যিখিনি সিদ্ধান্ত ল'লে তাৰ বাবে ধন্যবাদ জনাইছো। ১৯৮৫ চনৰ আইন মতে গামোচা হেণ্ডলোমৰ উন্নত কৰিবৰ কাৰণে পাৱাৰলোম কৰা হ'ল। যিখন ৰাজ্যত এই কামবিলাক কৰে

* Speech not corrected

তাত এই ব্যৱস্থা ল'ব লাগে।

* শ্রী প্রণৱ গগৈ (মন্ত্রী) ঃ অধ্যক্ষ মহোদয়, এইখিনিতে মই চৰ অঞ্চলৰ আৰু বাগিচা অঞ্চলৰ কথালৈ আহিছো। আমি ছটা ট্রেইনিং চেণ্টাৰ স্থাপন কৰা বাবে ইতিমধ্যে প্রস্তাৱ দাখিল কৰিছো, তাৰে তিনিটা চৰ অঞ্চলৰ বাবে আৰু তিনিটা বাগিচা অঞ্চলৰ বাবে। মাননীয় কলিতা ডাঙৰীয়াই বাহিৰৰ মিলত তৈয়াৰ কৰা গামোচা অসমৰ বজাৰলৈ অহাত বাধা দিয়াৰ বাবে ব্যৱস্থা লোৱা কথা কৈছে আৰু এইক্ষেত্রত তেখেতে যিখন আইনৰ কথা কৈছে সেইখন হ'ল হেণ্ডলুম (ৰিজাৰভেচন অব্ আর্টিকুলছ ফৰ প্রডাকচন) এক্ট ১৯৮৫। এইখন আইনৰ মতে গামোছা কেৱল হেণ্ডলুমেহে উৎপাদন কৰা বাবে ৰিজার্ভ কৰা আছে, পাৱাৰলুমত প্রস্তুত কৰিলে আইনমতে দণ্ডনীয় হ'ব। গতিকে যিবোৰ ঠাইত পাৱাৰলুমত গামোচা উৎপাদন কৰিছে সেই অঞ্চলৰ চৰকাৰে এইক্ষেত্রত ব্যৱস্থা ল'ব পাৰিব। বিক্রী হোৱা অঞ্চলত ব্যৱস্থা লোৱা কোনো আইন ব্যৱস্থা নাই। মই নিজে এই এক্টখন পঢ়ি চাইছো। মাননীয় কলিতা ডাঙৰীয়াই আই চি আই চি আই লেম্বার্ডৰ যি বীমাৰ সুবিধা সেই সুবিধাৰ পৰা বীমাকাৰী সকলক বঞ্চিত কৰি কোনো বিষয়াই সেই বীমাৰ ধন আত্মসাৎ কৰা অভিযোগ আনিছে। এই বিষয়ে আমাৰ কোনো তথ্য নাই ৰৰঞ্চ আই চি আই চি আই লেম্বার্ডে গৰিষ্ঠসংখ্যক বীমাকাৰীক তেওঁলোকে দাখিল কৰা কাগজপত্র গ্রহণযোগ্য নহয় বুলি হিতাধিকাৰী সকলক বঞ্চিত কৰাহে অভিযোগ পাইছো। সেই কাৰণে বীমাৰ দায়িত্বৰ পৰা আই চি আই চি আই লেম্ববার্ডক আঁতৰোৱাৰ ব্যৱস্থা লৈছিলো, যিহেতু এই আঁচনি চেণ্ট্রেল গৱৰ্নমেণ্টৰ সেয়েহে তেওঁলোকৰ অনুৰোধত পুনৰ বীমা কৰাৰ সুবিধা দিছো যদিও কেতবোৰ কণ্ডিচন আমাৰ ফালৰ পৰা লগাই দিছো যাতে অধিক সংখ্যক

* Speech not corrected

বীমাকাৰীয়ে সুবিধা পায়। মাননীয় সদস্য দ্রুপদ বৰগোহাঁই ডাঙৰীয়াৰ লগত মই একমত। মুগা শিল্পৰ প্ৰতি খেতিয়ক সকলৰ আগ্ৰহ কমি আহিছে, লগতে প্ৰদূষণ আৰু জলবায়ু পৰিবৰ্তনেও বিৰূপ প্ৰতিক্ৰিয়াৰ প্ৰভাৱ পেলাইছে। পাট-মুগা শিল্পৰ প্ৰতি আগ্ৰহ বাঢ়িবলৈ হ'লে এই উদ্যোগটো ৰেমুনাৰেটিভ হ'ব লাগিব। শ্ৰমৰ অনুপাতে যদি মূল্য নাপায় তেতিয়া স্বাভাৱিকতে এই শিল্পৰ প্ৰতি মানুহৰ আগ্ৰহ কমিব। কিন্তু এতিয়া স্কীল আপগ্ৰেডেচন আৰু ডাইভাৰচিফিকেচনৰ দ্বাৰা কাপোৰৰ বজাৰ বাঢ়িছে। ফলস্বৰূপে এই শিল্পৰ প্ৰতি মানুহ আকৃষ্ট হৈছে। এইবাৰ মুগাৰ দাম ১,৫০০ টকাৰ পৰা ১,৮০০ টকালৈ উঠিছে আৰু সঁচৰুৱা মুগাৰ মূল্য ৮০০০ হেজাৰ টকালৈ উঠিছে। সেয়ে খেতিৰ প্ৰতি মানুহ আকৌ আকৃষ্ট হৈছে। উদাহৰণ স্বৰূপে ক্ষুদ্ৰ চাহ খেতিয়ক সকলক চাহ খেতি কৰিবৰ কাৰণে কোনো মতিভেদ কৰিবলগা হোৱা নাছিল, যেতিয়া দেখিছিল যে চাহ খেতিৰ পৰা লাভ আছে তেতিয়া মানুহে চোমনি কাটি চাহ খেতি কৰিছিল।

মাননীয় অধ্যক্ষ মহোদয়, মানুহৰ ৰুচিৰ লগত মিলাই আমি যদি এই শিল্প বা উদ্যোগটো গঢ় দিব নোৱাৰো তেতিয়াহ'লে এই উদ্যোগটো মৰি যাব। কামৰূপৰ ছয়গাঁৱত ফেব্ৰিকল্পাচ ছায়েন্স টেকন'লজিৰ এটা মিল প্ৰস্তুত কৰি উলিয়াইছে। ফেব্ৰিকল্পাছে উন্নতমানৰ এৰী-মুগা আৰু পাটৰ বিভিন্ন কাপোৰ তৈয়াৰ কৰিছে। শিৱসাগৰলৈ অনা মিনি স্পান মিলটো তেওঁলোকে বিচৰাত মই ছয়গাঁৱতে স্থাপন কৰিবলৈ দিলো। সেই মিলটোত তেওঁলোকে আধুনিক এৰি সূতা তৈয়াৰ কৰাৰ উপৰিও পাট, মুগা, এৰি সূতা বেন্দ কৰি বিভিন্ন আটকধুনীয়া সূতা তৈয়াৰ কৰিছে আনকি বাঁহৰ আঁহৰ পৰাও অতি উৎকৃষ্টমানৰ এবিধ সূতা তৈয়াৰ কৰি এৰি আৰু মুগা সূতাৰ লগত মিলাই নতুনকৈ উন্নতমানৰ কাপোৰ বৈ-কাটি উলিয়াইছে যিবিলাকৰ চাহিদা আন্তৰ্জাতিক বজাৰত

যথেষ্ট বৃদ্ধি পাইছে। মাননীয় অধ্যক্ষ ডাঙৰীয়া, আমাৰ এই শিল্পটো গতিশীল কৰিবলৈ হ'লে আমি কেইটামান কথা মনত ৰখাটো উচিত হ'ব। এটা সমীক্ষামতে ভাৰতবৰ্ষৰ জনসংখ্যা শতকৰা ৭১ ভাগৰ বয়স ৩৫ বছৰৰ বা তাতোকৈ কম কাজেই আমি এই নতুন প্ৰজন্মৰ ৰুচিবোধৰ ওপৰত গুৰুত্ব দিব লাগিব। আজি অসমৰ স্কুল-কলেজ বিলাকলৈ মন কৰিলেই আমাৰ এটা কথা চকুত পৰে যে মেখেলা-চাদৰ পিন্ধা ছাত্ৰীৰ সংখ্যা একেবাৰে কমি আহিছে। বৰ্তমান তেওঁলোকে চেলোৱাৰ, কুৰ্ত্তা, কামিজৰ প্ৰতি বেচি আকৰ্ষিত। আনকি বহু সময়ত বয়সস্থ মহিলা সকলেও চেলোৱাৰ, কামিজ পিন্ধা দেখা যায়। দিল্লী আদি ঠাইত মই মন কৰিছো তাৰ মহিলাসকলে নিজস্ব শাৰী বা চেলুৱাৰ-কামিজৰ ঠাইত জিনছ পেণ্ট-টপ আদি পৰিধান কৰিছে। এইবোৰ কাৰণত কাকো দোষ দিব নোৱাৰি, এইটো সময়ৰ আহ্বান। সেই কাৰণে আমি বিভিন্ন ঠান কাপোৰ উৎপাদন কৰা কথা চিন্তা কৰিছো যাতে বিভিন্ন অঞ্চলত নতুন প্ৰজন্মৰ ৰুচিমতে নিজস্ব সাজ-পোছাক তৈয়াৰ কৰি ল'ব পাৰে। সেয়ে হ'লে বিদেশতো আমাৰ এখন ডাঙৰ বজাৰ দখল কৰিবলৈ সক্ষম হম। আজি ভাৰতবৰ্ষৰ বিভিন্ন অঞ্চলত মুগা আৰু পাট সূতাৰে তৈয়াৰ কৰা পৰ্দা, বেদক'ভাৰ ছেট, কুছন ক'ভাৰ আদিৰ যথেষ্ট চাহিদা আছে। সেই কাৰণে আমাৰ মুগা, এৰি, পাট উৎপাদনৰ দ্বাৰা ব্যক্তি সকলৰ উপাৰ্জন যাতে বাঢ়ে আমি এই বিষয়ে ব্যৱস্থা গ্ৰহণ কৰিছো। ইয়াকে কৰিবলৈ হ'লে হেণ্ডলুমৰ ঠাইত পাৱাৰলুম গ্ৰহণ কৰিবলৈ আমি প্ৰস্তুত।

মাননীয় অধ্যক্ষ ডাঙৰীয়া, আজি অসমৰ কাৰণে সৌভাগ্য যে ভাৰতবৰ্ষৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে স্থাপন কৰিবলৈ লোৱা দুখন হেণ্ডলুম মেগা ক্লাষ্টাৰ স্থাপনৰ বাবে এখন শিৱসাগৰ জিলা বাছনি কৰিছে, আনখনৰ স্থান হ'ল বাৰানসী। এই মেগা প্ৰজেক্টত তেওঁলোকে

কেইবাটাও দিশ সামৰি লৈছে। এইকেইটা হ'ল প্ৰী লোম, অন লোম, পোষ্ট লোম। প্ৰী লোমৰ ক্ষেত্ৰত অধিক মুগা, এৰী আৰু পাট সূতাৰ উৎপাদন দিশটো সোমাই আছে আৰু এই কাৰণে তেওঁলোকে শান্তি সাধনা আশ্ৰম আৰু সৃষ্টি বুলি দুটা এন জি অ' লগত লৈ ইতিমধ্যে প্ৰিলিমেনাৰী কাম আৰম্ভ কৰিছে। অন লোমত থাকিব ফেচন টেকন'লজি ছাইভাৰচিফিকেচন যাতে অতি উৎকৃষ্টমানৰ গ্ৰাহকৰ গ্ৰহণযোগ্য কাপোৰ উৎপাদন কৰিব পৰা যায় আৰু পোষ্ট লোমত থাকিব বস্ত্ৰ সম্ভাৰ বিক্ৰী কৰাৰ দায়িত্ব। এই গোটেই প্ৰজেক্টটোৰ দায়িত্ব এটা এন জি অ'ক দিছে, যিহেতু এৰী-মুগা উৎপাদনৰ ক্ষেত্ৰত তেওঁলোকৰ জ্ঞান সীমিত। আমাৰ চৰকাৰী বিষয়াবৰ্গৰ উপৰিও ফেব্ৰিকপ্লাছৰ অধ্যক্ষ, শ্ৰীদিলীপ বৰুৱা আৰু লাহদৈগড়ত অৱস্থিত মুগা গৱেষণা কেন্দ্ৰৰ প্ৰাক্তন সঞ্চালক, শ্ৰীৰাজেন চক্ৰৱৰ্তী ডাঙৰীয়াক লগ লগাই দিছো যাতে এই প্ৰজেক্টটোৰ দ্বাৰা আমাৰ গাঁও অঞ্চলৰ পলু পালকসকল আৰু বোৱনীসকল উপকৃত হয়। ইয়াৰ লগত ডাইভাৰচিফিকেচন স্কীল আপগ্ৰেডেচনৰ দিশটো সোমাই আছে।

অধ্যক্ষ ডাঙৰীয়া, যোৰহাটত এটা ইনষ্টিটিউট অব টেক্সটাইল টেকন'লজি আৰু গুৱাহাটীত এটা ইনষ্টিটিউট অব ফেচন টেকন'লজি স্থাপন কৰা বাবে প্ৰাৰম্ভিক কাম-কাজ আৰম্ভ হৈছে। এই গোটেই ব্যৱস্থা সম্পূৰ্ণ হোৱাৰ পিচত অসমৰ মুগা আৰু পাট শিল্পলৈ এটা নতুন গতি আহিব বুলি আমি আশা কৰিছো, যাৰ বাবে কৃষিৰ পিচতে থকা এই শিল্পই নতুনকৈ গঢ় লৈ উঠিব।

অধ্যক্ষ ডাঙৰীয়া, এতিয়া কৰ্তন প্ৰস্তাৱৰ মূল বিষয়টোলৈ মই আহিব বিচাৰিছো। অসমত প্ৰায় ২.৩৯ লাখ পৰিয়াল ৰেচম শিল্পৰ লগত জড়িত। মালাবৰী মুগা, এৰি, পলু আদি উৎপাদন কৰা, সূতা

কটা আৰু বৈ কাটি উলিওৱা অসমত মুঠ ৪০৯ খন ৰেচম ফার্ম আছে। এইবোৰেও ব্যৱসায়িক সঁচ উৎপাদন কৰি পালকক যোগান দিয়া হয় আৰু এইবিলাকৰ বাবে প্রশিক্ষকৰ ব্যৱস্থা আছে। এই ফার্মবিলাক ষষ্ঠ আৰু সপ্তম পৰিকল্পনাৰ সময়ত স্থাপন কৰা হৈছিল আৰু প্রায়বোৰ এতিয়া জহিখহি যোৱা অৱস্থা। ইয়াত থকা গছবিলাক পুৰণি হৈ অহাৰ লগে লগে উৎপাদন ক্ষমতাও কমি আহিছে। সেই কাৰণে আমি অসমৰ দহখন ৰেচম ফার্ম আৰু পাঁচখন মুগা ফার্ম বাচি লৈছো। ৰেচমৰ ক্ষেত্রত চেৰিকালচাৰ ফার্ম আগিয়া (গোৱালপাৰা), হাউলী (বৰপেটা), তিতাবৰ (যোৰহাট, গৌৰীসাগৰ (শিৱসাগৰ), পাইলাপোল (কাছাৰ), ৰংগটী (লখিমপুৰ), তাৰিয়ণী (লখিমপুৰ), হিলৈবাম (ডিব্রুগড়), মঙলদৈ (দৰং), শেনচোৱা (নগাঁও) ৰেচম ফার্মৰ অন্তর্ভুক্ত কৰা হৈছে। এই প্রত্যেকখন ৰেচম ফার্মৰ পাঁচ একৰকৈ মাটিত গছপুলি লগোৱা আৰু প্রত্যেকখন ফার্মৰ ওচৰে-পাঁজৰে থকা সর্বমুঠ ২৭৫ জন পলু পালকক আর্থিক সাহায্য দি পলু উৎপাদন বৃদ্ধিৰ বাবে আঁচনি লোৱা হৈছে। সেইদৰে পাঁচখন মুগা ফার্মৰ প্রত্যেকখনতে পুৰণা গছৰ ঠাইত বা নতুনকৈ দহ একৰকৈ মাটিত চোম গছ লগোৱা আঁচনি লোৱা হৈছে আৰু প্রত্যেক ফার্মৰ ওচৰে-পাঁজৰে থকা ৪০ জনকৈ ব্যক্তিগত মুগা পালকক আর্থিক সাহায্য দিয়াৰ ব্যৱস্থাৰ এই আঁচনিত অন্তর্ভুক্ত কৰা হৈছে। সেই কাৰণে এই দুয়োখন আঁচনিতে আৱশ্যকীয় ধনৰ পৰিমাণ হ'ল প্রায় এশ লাখ।

মাননীয় অধ্যক্ষ ডাঙৰীয়া, ২০০৮-০৯ বর্ষত আমাৰ এই উৎপাদনৰ লক্ষ্য আছিল ৮৮২ মেট্রিক টন। তাৰ বিপৰীতে আমি উৎপাদন কৰিলো ৮১২ মেট্রিকটন, প্রায় ৯২.০৬ শতাংশ মুগা সূতা উৎপাদনৰ লক্ষ্য আছিল ১৩৪ মেট্রিক টন তাৰ বিপৰীতে উৎপাদন

১০১ মেট্রিকটন অর্থাৎ শতকৰা ৭৫ ভাগ। পাট উৎপাদনৰ লক্ষ্য আছিল ১৮ মেট্রিকটন, আমি উৎপাদন কৰিলো ১০ মেট্রিক টন অর্থাৎ শতকৰা ৭৫ ভাগ। এইবাৰ ২০০৯-১০ চনত ১৯ মেট্রিক টন পাট সূতা উৎপাদনৰ লক্ষ্য বান্ধি লৈছো আৰু মুগা ক্ষেত্রত কেন্দ্রীয় বস্ত্র মন্ত্রালয়ে ১১ বর্ষৰ পঞ্চবার্ষিক পৰিকল্পনাত ১৫০ মেট্রিক টন মুগা সূতা উৎপাদনৰ লক্ষ্য আমাক বান্ধি দিছে। সেই কাৰণে আমি এশ লাখ টকাৰ দাবী মঞ্জুৰি উৎপাদন কৰিছো। আমি আশা কৰিছো আমি গ্রহণ কৰা আঁচনি লক্ষ্যত উপনীত হ'বলৈ সক্ষম হ'ম। মই মাননীয় সদস্য সকলক অনুৰোধ কৰিছো যাতে এই কর্তন প্রস্তাৱটো উঠাই লৈ আমাক লক্ষ্যত উপনীত হোৱাত সহায় কৰে।

মাননীয় অধ্যক্ষ মহোদয়, এইখিনিতে চৰ অঞ্চল আৰু চাহ বাগিচাৰ কথা আহিছে। ছটা ট্রেইনিং চেণ্টাৰৰ কাৰণে ব্যৱস্থা লৈছো। চৰ অঞ্চলত তিনিটা আৰু বাগিচা অঞ্চলত তিনিটা হেণ্ডলুম ট্রেইনিং চেণ্টাৰৰ ব্যৱস্থা কৰিছো। মাননীয় সদস্য, শ্রীলাংথাছা ডাঙৰীয়াৰ সমষ্টিত সূতা পোৱা নাই বুলি কৈছে। এইটো তেখেতৰে দুর্ভাগ্য। আন কোনো সমষ্টিতে এনেকুৱা হোৱা নাই। গতিকে আপোনাৰ সমষ্টিত কেনেকুৱা সূতা আৰু কম্বল গৈছে সেইটো সঞ্চালকৰ হতুৱাই তদন্ত কৰাৰ ব্যৱস্থা কৰিম। হেণ্ডলুমৰ যি চাহিদা সেইটো কমিছে মেখেলা-চাদৰৰ এতিয়া বজাৰ কমিছে। এটা কথা আমি মনত ৰাখিব লাগিব যে আমি মানুহৰ ৰুচি চাব লাগিব। আমি দেখিছো যে স্কুল-কলেজৰ ছাত্র-ছাত্রীয়ে চাদৰ-মেখেলা বেছিকৈ নিপিন্ধে। তেওঁলোকে বেছিকৈ চেলুৱাৰ-কুর্তাহে পিন্ধে। বয়সীয়াল মহিলা সকলেও চেলোৱাৰ-কুর্তা পিন্ধে। দিল্লীৰ মহিলাসকলে জিনছ পেণ্ট, টপ আদিহে পিন্ধে, লগতে শাৰীও পিন্ধে। এতিয়া সময়ৰ পৰিবর্তন হৈছে। সেই কাৰণে ইয়াৰ বজাৰ কমি আহিছে। সেই কাৰণে আমি স্কীল আপগ্রেডেচনৰ ব্যৱস্থা

কৰিছো। তাৰ কাৰণে টেকনোল'জি চেণ্টাৰ হ'ব আৰু ফেচম টেকন'লজিও হ'ব। এতিয়া বজাৰ হৈছে নতুন প্ৰজন্মৰ কাৰণে। ভাৰতবৰ্ষৰ শতকৰা ৭১ ভাগৰে বয়স্ ৩৫ বছৰৰ কম। সেই কাৰণে তেওঁলোকৰ ৰুচিৰ সাপেক্ষে কাপোৰ তৈয়াৰ কৰিবলগীয়া হৈছে। শিৱসাগৰত মেগা ক্লাষ্টাৰ আঁচনিৰ জৰিয়তে ভাল কাম কৰিছে। ছানাইৰ পৰা এৰী-মুগা আনি কাম কৰিছো। বাঁহৰ আঁহৰ পৰাও সূতা উলিয়াইছে। বিভিন্নধৰণৰ কাপোৰ বিদেশৰ বজাৰলৈ গৈছে। ট্ৰেডিচনেল কাপোৰে বজাৰ আয়ত্ব কৰিব নোৱাৰে। এইবিলাক মুখৰ কথাৰে নহয় কাম কৰিব লাগিব। এইটো ডাইভাৰ্চ কৰিবলৈ হ'লে হেণ্ডলোমতে নাথাকি পাৱাৰলুম কৰাত আপত্তি নাই। সেইবিলাক কৰিবলৈ হ'লে এটা বৈপ্লৱিক পৰিবৰ্তন বা পদক্ষেপ গ্ৰহণ কৰিব লাগিব। ভাৰতবৰ্ষত দুটা হেণ্ডলুম আছে এটা বেনাৰচত। শিৱসাগৰতো কৰিবলৈ লোৱা হৈছে। মেগা ক্লাষ্টাৰৰ জৰিয়তে গোটেই শিপিনীয়ে কাম কৰিব পাৰিব। মুগা, পাত উৎপাদনৰ কাৰণে মিনি স্পান মিল হ'ব। স্কীল আপ গ্ৰেডেচন হ'ব। তাৰ কাৰণে আমি এন জি অ' কৰিছো। তাৰ কাৰণে আমি কেইজনমান এক্সপাৰ্ট দিছো। তেওঁলোক ফেব্ৰিক টেকনোল'জি এক্সপাৰ্ট শ্ৰীদীলিপ বৰুৱা আৰু শ্ৰীৰাজেন চক্ৰৱৰ্তী। তেওঁলোকৰ মালবাৰীৰ যথেষ্ঠ জ্ঞান আছে। গতিকে এইখিনি কৃতকাৰ্য হ'লে শিৱসাগৰ জিলাৰ পৰা অন্যান্য জিলালৈও সম্প্ৰসাৰণ কৰিব পৰা হ'ব। আজি ১ কোটিৰ যি কৰ্তন প্ৰস্তাৱ আহিছে সেই সংক্ৰান্তত আপোনালোকক কৈ থওঁ যে ৰেচম শিল্পত ২ লাখ ৩৯ হেজাৰ পৰিয়াল এই শিল্পৰ লগত জড়িত। মুগাৰ ৪০৯ খন ফাৰ্ম-চোমনি আছে। সেই চোমনিবিলাকৰ নুনি গছ ৰোপণৰ কাৰণে আমি ১ কোটি টকা বিচাৰিছো। এই টকাৰে মুগা আৰু ৰেচমৰ পুৰণা গছ উভালি নতুন গছ ৰোপণৰ কাৰণে আৰ্থিক সাহায্য দিম।

মাননীয় অধ্যক্ষ মহোদয়, আমি ইতিমধ্যে মুগা আৰু পাটৰ ফার্ম লৈছো। সেইবোৰ হৈছে ছেৰি ফার্ম আগিয়া (গোৱালপাৰা), হাউলী (বৰপেটা), তিতাবৰ (যোৰহাট), গৌৰীসাগৰ (শিৱসাগৰ), পাইলাপোল (কাছাৰ), ৰঙ্গটী (লক্ষীমপুৰ), তাৰিয়ণী (লক্ষীমপুৰ), হিলৈবাম (ডিব্রুগড়), মঙদলৈ (দৰং), শেনচোৱা (নগাঁও)। তাত আমি নতুনকৈ প্লেনটেচন কৰিছো সেয়া ৫০ একৰ হ'ব। ইয়াৰ উপৰি আমি ৫ খন মুগাৰ ফার্ম লৈছো, সেইকেইখন হৈছে— বৰাহিবাৰী (শিৱসাগৰ), কাহিবাম (কামৰূপ), জগদুৱাৰ (যোৰহাট), বৰডুবি (ডিব্রুগড়) আৰু নাৰায়ণপুৰ (উত্তৰ লখিমপুৰ)। আমি নতুনকৈ কাম হাতত লৈছো তাত প্রায় ৮ লাখ ৪৪ হেজাৰ টকা লাগিব। প্রতিখনতে ১৪ হেজাৰকৈ ২৮ লাখ লাগিব, ৬৩৩ খন আঁচনি। তাত ৫ লাখ লাগিব। ৬০ হেজাৰ টকাকৈ ৩০ লাখ লাগিব। আমি এতিয়া মুগা আৰু চেৰিকালচাৰৰ কাৰণে প্লেণ্টেচন লৈছো। তাত পৰিব ২ লাখ ৭৫ হেজাৰ, প্রায় ৫৫ লাখ টকা। আমি উৎপাদন বঢ়াবৰ কাৰণে। আমাৰ উৎপাদনৰ লক্ষ্য আছিল ৮৮২ মেট্রিক টন এড্ডি, ২০০৮/০৯ বর্ষত লক্ষ্য ৯২.০৬ শতাংশ। মুগা সূতাৰ লক্ষ্য হ'ল ১৩৬ মেট্রিক টন যদিও আমি ১০১ টনত উপনীত হৈছো। মালবেৰীৰ লক্ষ্য ১৮ টন। উপনীত হৈছো ১০ মেট্রিক টনত এইটো ৫৫ শতাংশ। এইটো বঢ়োৱাৰ ব্যৱস্থা লৈছো। এৰী-মুগাৰ চাহিদা আছে সেই কাৰণে আমি যিবিলাক উৎপাদনকাৰী আছে তেওঁলোকক সাহায্য দিব লাগে। সাহায্য দিব নোৱাৰা বাবে আজি আমাৰ এই অৱস্থা হৈছে। সেই কাৰণে ক্ষুদ্র চাহ খেতিয়কসকলক আকর্ষণ কৰিব পৰা নাই। চোমনি এৰি তাৰ ঠাইত মানুহে চাহ খেতি কৰিছে। এৰী-মুগা উৎপাদনকাৰীক আমি সাহায্য দিয়াটো প্রয়োজন। আজি আপোনালোকে যিটো কর্তন প্রস্তাৱ আনিলে তাৰ ওপৰত মোক

ক'বলৈ দিয়াৰ কাৰণে ধন্যবাদ জনালো আৰু আশা ৰাখিছো কৰ্তন প্ৰস্তাৱটো উঠাই লৈ আঁচনিবিলাক গ্ৰহণ কৰাৰ কাৰণে সমৰ্থন জনাই প্ৰস্তাৱটো উঠাই ল'ব।

মাননীয় অধ্যক্ষ ঃ এতিয়া মই মাননীয় সদস্য, সৰ্বশ্ৰী মিশ্বন ৰঞ্জন দাস, ৰামেশ্বৰ তেলী, প্ৰশান্ত ফুকন, পৰিমল শুক্লবৈদ্য, কাৰ্তিক সেনা সিনহা, ৰঞ্জিত দত্ত, সুশীল দত্ত, অভিজিৎ হাজৰিকা, চিৰাজউদ্দিন আজমল, হাফিজ বছিৰ আহমেদ, আদিত্য লাংথাচা, হাজী চেলিমুদ্দিন ৰৰভূঞা, গুণেশ্বৰ দাস, মোবাৰক আলী পাঠান, আনোৱাৰুল হক, চন্দ্ৰমোহন পাটোৱাৰী, প্ৰফুল্ল কুমাৰ মহন্ত, ফণীভূষণ চৌধুৰী, ৰমেন্দ্ৰ নাৰায়ণ কলিতা, অলকা শৰ্মা, হিৰেন কুমাৰ দাস, গিৰীন্দ্ৰ কুমাৰ বৰুৱা, জ্যোতিপ্ৰসাদ দাস, অনুপ ফুকন, ৰবীন বণিক্য, দ্ৰুপদ বৰগোহাঁই, উদ্ধৰ বৰ্মন, অনন্ত ডেকা আৰু প্ৰণৱ কলিতা আপোনালোকে কৰ্তন প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিব নেকি?

* **শ্ৰীকেশৱ মহন্ত ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ কম্পিউটাৰৰ উত্তৰটো নাপালো।

* **শ্ৰী প্ৰণৱ গগৈ (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো টকা-পইচা আহিলে দিয়া হ'ব।

(The Hon'ble Movers then withdrew their cut motions with the leave of the House.

মাননীয় অধ্যক্ষ ঃ কৰ্তন প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰাত সদনৰ সন্মতি আছেনে?

(Voice : Yes, Yes)

সদনৰ সন্মতিক্ৰমে কৰ্তন প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰা হ'ল। এতিয়া মই প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলো।

---

* Speech not corrected

প্রস্তাৱটো হ'ল — '২০১০ চনৰ ৩১ মার্চত শেষ হ'বলগীয়া বছৰটোৰ কালছোৱাত কেতবোৰ ব্যয় বহণ কৰিবলৈ 'ৰেচম আৰু বয়ন'ৰ ক্ষেত্রত ভাৰপ্রাপ্ত মন্ত্রীক ১০০.০০ লাখ টকা মঞ্জুৰ কৰিব লাগে।

যিসকলে প্রস্তাৱটোৰ সপক্ষে তেখেতসকলে কওঁক, 'হয়';

যিসকল প্রস্তাৱটোৰ বিপক্ষে কওঁক, 'নহয়'।

মই ভাবো 'হয়'ৰ সপক্ষে; 'হয়'ৰ সপক্ষে; 'হয়'ৰ সপক্ষে।

প্রস্তাৱটো গৃহীত হ'ল। দাবী কৰা মঞ্জুৰী নং ৫৯, গৃহীত কৰা হ'ল।

এতিয়া আবেলি ১ বাজি ৩০ মিনিট হৈছে। মই বাকী থকা সকলো কর্তন প্রস্তাৱ গিলেটাইনত দিলো। এতিয়া মই বাকী থকা সকলোবোৰ দাবী মঞ্জুৰী নং ৪৪, ১৬, ১৭, ১৯, ২৯, ৩৭, ৪৯, ৫৫, ৫৮, ৬১ আৰু ৭৬ সদনত অনুমোদনৰ বাবে আগবঢ়ালো।

যিসকল প্রস্তাৱটোৰ সপক্ষে, তেখেতসকলে কওঁক 'হয়';

যিসকল প্রস্তাৱটোৰ বিপক্ষে তেখেতসকলে কওঁক 'নহয়'।

মই ভাবো 'হয়'ৰ সপক্ষে; 'হয়'ৰ সপক্ষে; 'হয়'ৰ সপক্ষে।

মঞ্জুৰী নং ৪৪, ১৬, ১৭, ১৯, ২৯, ৩৭, ৪৯, ৫৫, ৫৮, ৬১ আৰু ৭৬ গৃহীত হ'ল।

INTRODUCTION, CONSIDERATION AND PASSING OF "THE ASSAM APPROPRIATION (NO.-I) BILL, 2010

মাননীয় অধ্যক্ষ ঃ এতিয়া কার্যসূচী নং ৩ (ক)।

(অসম বিনিয়োজন নং ১) বিধেয়ক ২০১০, মাননীয় মন্ত্রী বিধায়ক সকলৰ মাজত বিতৰণ কৰা হয়)।

এতিয়া মাননীয় মন্ত্রী মহোদয়ে বিধেয়কখন উত্থাপন কৰিব।

ড° হিমন্তবিশ্ব শর্মা (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, অসম বিনিয়োজন (নং ১), বিধেয়ক, ২০১০' সদনত উত্থাপন কৰিবলৈ মই অসমৰ মাননীয় মুখ্যমন্ত্রীৰহৈ অনুমতি বিচাৰিছো।

মাননীয় অধ্যক্ষ ঃ বিধেয়কখন উত্থাপন কৰা বাবে সন্মতি আহে নে?

(Voice : Yes, Yes)

অনুমতি দিয়া হ'ল।

ৰাজ ভৱনৰ পৰা বিনিয়োজন বিধেয়কখন সদনত উত্থাপন কৰিবৰ বাবে অসমৰ ৰাজ্যপাল মহোদয়ে ২০১০ চনৰ ৬ মার্চ তাৰিখত এটা বাণী পঠিয়াইছে। মই বাণীটো পঢ়ি দিছো—

ৰাজ ভৱন
গুৱাহাটী
তাৰিখ ০৬-০৩-২০১০

আদেশ

"ভাৰতৰ সংবিধানৰ ২০৭(১) অনুচ্চেদৰ চর্ত অনুসৰি মই শ্রী জানকী বল্লভ পাটনায়ক, অসমৰ ৰাজ্যপাল হিচাপে ২০১০ চনৰ অসম বিনিয়োজন (নং ১) বিধেয়কখন অসম বিধানসভাত উত্থাপন কৰিবৰ বাবে অনুমোদন জনালো।

স্বাঃ
(শ্রী জানকী বল্লভ পাটনায়ক)
ৰাজ্যপাল, অসম"

এতিয়া মাননীয় মন্ত্রী মহোদয়ে বিধেয়কখন সদনত উত্থাপন কৰিব।

ডঃ হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, 'অসম বিনিয়োজন

(নং ১) বিধেয়ক, ২০১০' মাননীয় মুখ্যমন্ত্রী মহোদয়ৰ হৈ সদনত উত্থাপন কৰিলো।

মাননীয় অধ্যক্ষ ঃ অসম বিধানসভাৰ সচিবে বিধেয়কখনৰ শিৰোনামা পঢ়ি দিব।

সচিব, অসম বিধানসভা ঃ "অসম বিনিয়োজন (নং ১) বিধেয়ক, ২০১০"।

মাননীয় অধ্যক্ষ ঃ কার্যসূচী নং ৩ (খ)

ৰাজ ভৱনৰ পৰা বিনিয়োজন বিধেয়কখন সদনত বিবেচনাৰ বাবে উত্থাপন কৰিবলৈ অসমৰ ৰাজ্যপাল মহোদয়ে ২০১০ চনৰ ৬ মার্চ তাৰিখত এটা বাণী পঠিয়াইছে। বাণীটো পঢ়ি দিছো—

ৰাজভৱন
গুৱাহাটী
তাৰিখ ঃ ০৬-০৩-২০১০

আদেশ

"ভাৰতৰ সংবিধানৰ ২০৭(৩) অনুচ্ছেদৰ চর্ত অনুসৰি মই শ্রীজানকী বল্লভ পাটনায়ক, অসমৰ ৰাজ্যপাল হিচাপে ২০১০ চনৰ অসম বিনিয়োজন (নং.১) বিধেয়কখন অসম বিধানসভাত বিবেচনা কৰিবৰ বাৰে অনুমোদন জনালো।

স্বাঃ
(শ্রী জানকী বল্লভ পাটনায়ক)
ৰাজ্যপাল, অসম"

এতিয়া মাননীয় মন্ত্রী মহোদয়ে বিধেয়কখন বিবেচনাৰ বাবে সদনত উত্থাপন কৰিব।

ডঃ হিমন্তবিশ্ব শর্মা (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, অসম বিনিয়োজন (নং ১) বিধেয়ক, ২০১০ মই অসমৰ মাননীয় মুখ্যমন্ত্রীৰ হৈ প্রস্তাৱটো উত্থাপন কৰিলো।

মাননীয় অধ্যক্ষ ঃ মই এতিয়া প্রস্তাৱটো সদনৰ মজিয়াত দাঙি ধৰিলো।

প্রস্তাৱটো হ'ল ঃ- অসম বিনিয়োজন (নং ১) বিধেয়ক, ২০১০ বিবেচনাৰ বাবে লোৱা হওঁক।

যিসকল মাননীয় সদস্য-সদস্যাই প্রস্তাৱটো সপক্ষে আছে,

তেখেতসকলে কওঁক 'হয়';

সিকল বিপক্ষে আছে, তেখেতসকলে কওঁক, 'নহয়'।

মই ভাবো 'হয়'ৰ সপক্ষে'; 'হয়'ৰ সপক্ষে'; 'হয়'ৰ সপক্ষে'।

প্রস্তাৱটো গৃহীত হ'ল।

এতিয়া মাননীয় মন্ত্রী মহোদয়ে বিধেয়কখন বিবেচনাৰ বাবে সদনত উত্থাপন কৰিব।

